● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



পৰিৱৰ্তন, পছন্দ আৰু আদৰ্শ— মানুহৰ জীৱনত এই তিনিটাই চিৰসত্য।

**ষ্টিফেন কভি**
*আমেৰিকাৰ লেখক-ব্যৱসায়ী*

৫ জেফ বেজ'ছক স্থানচ্যুত কৰিব পাৰে আদানীয়ে
১৫ ছেমিফাইনেলত ভাৰতীয় মহিলা ক্ৰিকেট দল
৪ ৰাজ্যিক স্বজনপ্ৰীতি আৰু জাতীয়তাবাদ


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯৩তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৯ শাওণ ১৪২৯ ভাস্কৰাব্দ ৫ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 5 August 2022 মূল্য ঃ ৯.০০ টকা

■ যোৰা চাৰিমাহত এবিটিৰ পাঁচটা মডিউল উৎখাতে দাঙি ধৰিছে অসমৰ ভয়াৱহ পৰিস্থিতি ■ বাহিৰৰ পৰা অহা লোকে ইমামৰ বেশ ধৰি জেহাদৰ দীক্ষা দিয়ে

# অসম ইছলামিক মৌলবাদীৰ পৃষ্ঠভূমি

■ মছজিদলৈ অপৰিচিত ইমাম আহিলে থানাত খবৰ দিব ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ আগষ্ট ঃ** 'অসম ইছলামিক মৌলবাদীৰ পৃষ্ঠভূমি হৈ পৰিছে। এতিয়া এই কথা সন্দেহৰ উৰ্দ্ধলৈ গৈ প্ৰমাণিত হৈছে। ইমান দিনে আমি অসমত মৌলবাদ আছে বুলি যি কথা-বতৰা পাতি আছিলো সেয়া বহু মানুহে অস্বীকাৰ কৰি



ইয়াক উৰুৱাই দিছিল। চাৰিমাহত পাঁচটা মডিউল যদি উৎখাত কৰা হয় আৰু চাৰি-পাঁচজন বাংলাদেশী নাগৰিক এতিয়াও ধৰা নপৰাকৈ ৰাজ্যত বিচৰণ কৰি থাকে তেন্তে পৰিস্থিতিৰ ভয়াৱহতাৰ কথা নিশ্চয় আপুনি অনুমান কৰিব পাৰে।' বিগত আঠ পৃষ্ঠাত চাওক



■ ছাত্ৰক সন্ত্ৰাসবাদীৰ প্ৰশিক্ষণৰ ভিডিঅ' দেখুৱাই অনুপ্ৰাণিত কৰাৰ চেষ্টা চলাইছিল মুফটি মহম্মদে ■ বিদেশী পুঁজিও লাভ কৰিছিল

## আৰক্ষীৰ বুলড'জাৰত ধ্বংস হ'ল বিদেশী জেহাদীৰ আশ্ৰয়স্থল মাদ্ৰাছা

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৪ আগষ্ট ঃ** আৰক্ষী-প্ৰশাসনৰ বুলড'জাৰ চলাই ভাঙি দিয়া হ'ল মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ জমিৰ উল হুদা মাদ্ৰাছা। মাদ্ৰাছাৰ জৰিয়তে ভাৰতবিৰোধী শক্তিক আশ্ৰয় দি অসমৰ ভূখণ্ডক মৌলবাদী সন্ত্ৰাসবাদীক খোপনি পোতাত সহায় কৰাৰ তথ্য লাভ কৰি মৰিগাঁও জিলা প্ৰশাসনে আজি পুৱাৰ ভাগতে মৈৰাবাৰীৰ চহৰীয়া গাঁৱত থকা জমিৰ উল হুদা মাদ্ৰাছাখন সম্পূৰ্ণৰূপে উচ্ছেদ কৰে। এই মাদ্ৰাছাখনৰ পৰাই বাংলাদেশৰ ইছলামিক মৌলবাদী সংগঠন আনছাৰউল্লাহ বাংলা টীমে অসমৰ ভূখণ্ডত সংগঠনটোৰ নেটৱৰ্ক সৃষ্টি কৰাৰ প্ৰামাণিক তথ্য লাভ কৰা বুলি দাবী কৰি প্ৰশাসনে আজি উচ্ছেদ কৰে এই মাদ্ৰাছাখন। লক্ষ্যণীয় যে মৈৰাবাৰীৰ ১০ পৃষ্ঠাত চাওক

## নগা গাথা

### দেশ-কাল-সমাজ

**ডঃ দীনেশ বৈশ্য**



৯০ দশকৰ শেষৰ ফালৰ কথা। দিল্লী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপকৰ দল এটাৰ স'তে নগালেণ্ডলৈ গৈছিলো। উদ্দেশ্য আছিল নগালেণ্ডৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা। আমাৰ থকাৰ ব্যৱস্থা হৈছিল নগালেণ্ড বিশ্ববিদ্যালয়ৰ অতিথিশালাত। প্ৰথম দিনাই আমি অধ্যাপকৰ দলটোৱে বাছ এখনত উঠি ভিতৰৰ গাঁৱলৈ যাত্ৰা আৰম্ভ কৰিলো। বাছখনে ১০ পৃষ্ঠাত চাওক

## বাঘ ওলোৱা নাই, ৰাইজ খৰিকটীয়াৰ কথাত ভোল নাযাব ঃ পেগু

মাধ্যম বিতৰ্কক লৈ আছু-সাহিত্য সভাক কটাক্ষ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ আগষ্ট ঃ** খৰিকটীয়াৰ কথাত ভোল নাযাব, বাঘ ওলোৱা নাই! মাতৃভাষাৰ বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত ১০ পৃষ্ঠাত চাওক

আশাৰ সঞ্চাৰ কৰিও দ্বিতীয় প্ৰতিযোগিতাত ব্যৰ্থ লাভলীনা

## কমনৱেলথৰ দুশ মিটাৰ দৌৰৰ ছেমিফাইনেলত হিমা দাস



■ **নিউজ ব্যুৰ'/অগ্ৰদূত বাৰ্তা**
**বাৰ্মিংহাম/ধিং, ৪ আগষ্ট ঃ** ভাৰতীয় বক্সিঙৰ 'গ্লেমাৰ গাৰ্ল' হৈ উঠা ১০ পৃষ্ঠাত চাওক

## বাগিচাৰ দখলত থকা অতিৰিক্ত ভূমিৰ অধিকাৰ পাব চাহ জনগোষ্ঠীয়ে

সাত বিঘাৰ পৰিৱৰ্তে ৫০ বিঘা ভূমিৰ অধিকাৰ লাভ কৰিব জনজাতীয় লোকে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৪ আগষ্ট ঃ** অসমৰ চাহ উদ্যোগৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত তথা ৰাজ্যৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাত উল্লেখযোগ্য বৰঙণি আগবঢ়াই অহা চাহ জনগোষ্ঠীৰ লোকসকলক নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি ভূমিৰ অধিকাৰ প্ৰদান কৰিবলৈ ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে যাৱতীয় ১০ পৃষ্ঠাত চাওক


## দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ ইউ ইউ ললিত



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৪ আগষ্ট ঃ** দেশৰ উচ্চতম ন্যায়ালয়ৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হ'ব জ্যেষ্ঠ ন্যায়াধীশ উদয় ইউ ললিত। অহা ২৭ আগষ্টত ১০ পৃষ্ঠাত চাওক

## দুই পুত্ৰক বিহ দি নিজেও সেৱন কৰি মৃত্যু সাবটিলে

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৪ আগষ্ট ঃ** দৰিদ্ৰতা আৰু পাৰিবাৰিক কন্দলৰ পৰিণতিতে শিৱসাগৰ বগীদ'ল ডিমৌ কিনাৰত সংঘটিত হ'ল পিতা-পুত্ৰৰ ১০ পৃষ্ঠাত চাওক






দৈনিক অগ্ৰদূত
গুৱাহাটী, ৫ আগষ্ট, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

# চামগুৰিৰ শালপাৰাত ভূমি বিবাদক লৈ ঘাইপথতে প্ৰচণ্ড মাৰপিট

## দুজন গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন



অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৪ আগষ্ট ঃ** ভূমি বিবাদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা প্ৰচণ্ড মাৰপিটত আজি চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ শালপাৰাৰ নম্বৰী তিনিআলিত তিনিজন লোক গুৰুতৰভাৱে আহত হয়। শালপাৰাৰ নলতলি-লাওখোৱা ৰোড ৰাজ্যিক ঘাইপথৰ ওপৰতে দা, লাঠি, চিপৰাং আদিৰে আক্ৰমণ কৰি আহত কৰা মুস্তাক আহমেদ (৪২), মুক্কিদুল ইছলাম (৩২) আৰু তেওঁলোকৰ দেউতাক মকবুল হুছেইন বৰ্তমান নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। মকবুল হুছেইন ছয় পৃষ্ঠাত চাওক

# লাটমণ্ডল গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**সোণাৰি, ৪ আগষ্ট ঃ** এক কঠা তিনি লেচা মাটি নামজাৰি কৰাৰ নামত সাপেখাতী ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাট মণ্ডল হৰি প্ৰসাদ দাসক আজি চিএম ভিজিলেন্সে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে বৰহাটৰ মিছাজান নিবাসী উৎপল দত্তক মাটি নামজাৰি কৰাৰ বিনিময়ত ১০ হেজাৰ টকাৰ ধন দাবী কৰিছিল লাটমণ্ডল হৰি প্ৰসাদ দত্তই। পাছত দত্তই দুৰ্নীতি নিবাৰক শাখাৰ স'তে যোগাযোগ কৰাত আজি দুপৰীয়া আহি ৰাজহ কাৰ্যালয়ত ১০ হেজাৰ টকাৰে হাতে-লোটে গ্ৰেপ্তাৰ কৰে। গুৱাহাটীৰ পৰা অহা ১০ জনীয়া চিএম ভিজিলেন্সৰ দলটোৱে কে'বা ঘন্টা ধৰি সোধপোছ কৰাৰ অন্তত ঘোচখোৰ লাটমণ্ডলটোক গুৱাহাটীলৈ নিয়া বুলি জনা গৈছে।

শেহতীয়া বানৰ ক্ষতিৰ প্ৰতিবেদন দাখিল কৰিলে মন্ত্ৰী-বিষয়াই ঃ ৫,৫১২টা কেঁচা-২০টা পকীঘৰ সম্পূৰ্ণৰূপে ধ্বংস ঃ এক লাখ ৮৭ হেজাৰ পকী-কেঁচা গৃহৰ আংশিক ক্ষতি ঃ ৩,৩১৬ টা জুপুৰি-৮,৭৫৩ টা গোহালি বানত ক্ষতিগ্ৰস্ত

# বানত গৃহ ক্ষতিগ্ৰস্তই ১৫ আগষ্টৰ ভিতৰত লাভ কৰিব ক্ষতিপূৰণ

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ৪ আগষ্ট ঃ** শেহতীয়া প্ৰলয়ংকৰী বানত ৰাজ্যখনৰ ৩৪ খন জিলাত সৰ্বমুঠ ২,০৪,৪১০ টা কেঁচা-পকী বাসগৃহ, জুপুৰি আৰু গোহালি সম্পূৰ্ণ আৰু আংশিকভাৱে ক্ষতি হৈছে আৰু নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি এই ক্ষতি পূৰণ কৰিবলৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক ১২২,৯২,৮৪,৯০০ টকাৰ প্ৰয়োজন। ফলত বিভাগৰ হাতত সম্পত্তি পুনৰসংস্থাপনৰ পুঁজি মাত্ৰা ৩০ কোটিহে আছে যদিও ৰাজ্য চৰকাৰৰ পৰা আগধন লৈ (চি এফ ফাণ্ড) অহা ১৫ আগষ্টৰ ভিতৰত ভুক্তভোগী পৰিয়ালসমূহে গৃহৰ বাবদ ক্ষতিপূৰণ লাভ কৰিব বুলি আজি ঘোষণা কৰিছে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে। উল্লেখ্য যে ৰাজ্যখনৰ দুৰ্যোগসমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে যোৱা চাৰি বছৰে ২৬টা বিভাগৰ স'তে পৰ্যালোচনা কৰি দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰস্তুত কৰি উলিওৱা 'অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা-২০২২' আজি ৰাইজৰ পৰা পৰামৰ্শ-মতামত গ্ৰহণৰ উদ্দেশ্যে মুকলি কৰি দিয়ে মন্ত্ৰী মহনে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৱেবছাইটত আজিৰে পৰা উপলব্ধ হোৱা এই পৰিকল্পনাৰ সন্দৰ্ভত অহা ১৫ দিনলৈ বিভিন্ন দিশত ৰাইজে পৰামৰ্শ দিব পাৰিব বুলি জনতা ভৱনত আয়োজিত এক সংবাদমেলত মন্ত্ৰী মহনে উল্লেখ কৰি ৰাজ্যৰ শেহতীয়া বানৰ খতিয়ান দাঙি ধৰে। উল্লেখ্য যে ৰাজ্যৰ শেহতীয়া বানৰ ক্ষতিৰ পুনৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছিল মন্ত্ৰী-বিষয়াসকলক। ইতিমধ্যে বানত আক্ৰান্ত প্ৰতিখন জিলাত ২০-৩০ শতাংশ পুনৰীক্ষণ কৰি মন্ত্ৰীসকলে প্ৰতিবেদন দাখিল কৰাৰ অন্তত শেহতীয়া বানত ক্ষতি হোৱা গৃহৰ ক্ষতিপূৰণ ১৫ আগষ্টৰ ভিতৰত মুকলি কৰি দিয়া হ'ব বুলি মন্ত্ৰীজনে সদৰী কৰি কয়, 'শেহতীয়া বানত ৰাজ্যখনৰ ৩৪ খন জিলাৰ ১৫৩টা ৰাজহ চক্ৰৰ এহেজাৰখন গাঁও ক্ষতিগ্ৰস্ত হৈছে; যাৰ ফলত প্ৰায় ৯৯ লাখ মানুহ ক্ষতিগ্ৰস্ত হৈছে। ১৪ খন জিলা ভূমিস্খলনত প্ৰভাৱিত হৈছে।' উল্লেখ্য যে ৰাজ্যৰ শেহতীয়া ছয় পৃষ্ঠাত চাওক

## কলিয়াবৰত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৪ আগষ্ট ঃ** কলিয়াবৰৰ নহৰুবস্তিত আজি অচিনাক্ত বাহনৰ খুন্দাত এজন পথচাৰীৰ মৃত্যু ঘটে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হৈছে এই দুৰ্ঘটনা। অৱশ্যে অচিনাকি পথচাৰীজন মানসিকভাৱে বিকাৰগ্ৰস্ত আছিল বুলি স্থানীয় ৰাইজে জনাইছে। বাগৰি আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

অভিভাৱকৰ অভিযোগ খণ্ডন বিদ্যালয় কৰ্তৃপক্ষৰ

# মাৰপিটৰ নহয়, দেৱাল পাৰ কৰোঁতে পিঠিত দাগ বহিছিল

■ মৰ্কজ একাডেমীৰ দশম শ্ৰেণীৰ ছাত্ৰৰ ৰহস্যজনক মৃত্যু
■ ফাৰহাজ হুছেইনৰ মৃত্যুক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়া অব্যাহত

অগ্ৰদূত বাৰ্তা

**হোজাই, ৪ আগষ্ট ঃ** যোৱা ৩১ জুলাইত হোজাইত স্বেচ্ছাসেৱী সংস্থা মৰ্কজুল মা অৰিফাৰ দ্বাৰা পৰিচালিত মৰ্কজ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ ডিব্ৰুগড় জিলাৰ মৰাণৰ আব্দুল হামিদৰ পুত্ৰ ফাৰহাজ হুছেইনৰ পানীত ডুবি মৃত্যু হোৱাক কেন্দ্ৰ কৰি আজিও প্ৰতিক্ৰিয়া অব্যাহত আছে। বিদ্যালয়খনৰ অধ্যক্ষ হুছেইন আহমদ আৰু হোষ্টেল অধীক্ষক কপিল উদ্দিন আহমদে ছাত্ৰজনৰ মৃত্যুৰ সন্দৰ্ভত আজি এক বিবৃতিযোগে ছাত্ৰজনৰ মৃত্যুৰ পাছত অভিভাৱকে কৰা অভিযোগ খণ্ডন কৰে। ছাত্ৰজনৰ পৰিয়ালে সংবাদ মাধ্যমৰ আগত স্কুল কৰ্তৃপক্ষই বিবৃতিত প্ৰথমে মৃত ছাত্ৰ ফাৰহাজ হুছেইন স্কুলৰ এজন প্ৰিয় ছাত্ৰ আছিল বুলি মন্তব্য কৰি ছাত্ৰজনৰ অনাকাংক্ষিত মৃত্যুত গভীৰভাৱে মৰ্মাহত আৰু শোক প্ৰকাশ কৰি ছাত্ৰজনৰ আত্মাৰ সদগতি কামনা কৰে। পৰিয়ালৰ লোকে সাঁতুৰিব জনা বুলি দাবী কৰা ফাৰহাজ নামৰ ছাত্ৰজন পানীত ডুবি মৃত্যু হৈছিল বুলি পুনৰ দোহাৰে। ছাত্ৰজনৰ পৰিয়ালে বাৰম্বাৰ এইবুলি অভিযোগ কৰিছে যে পৰিয়ালৰ বিনা অনুমতিত ছাত্ৰসকলক কিয় বাহিৰলৈ নিয়া হ'ল? এই সন্দৰ্ভত প্ৰতিখন স্কুলৰ নিজা নিজা ছয় পৃষ্ঠাত চাওক

## স্বাস্থ্য বিভাগৰ গাণনিক বিষয়া অমৃত গগৈক আটক

অগ্ৰদূত বাৰ্তা

**সোণাৰি, ৪ আগষ্ট ঃ** স্বাস্থ্য বিভাগত চাকৰি দিয়াৰ নামত চৰাইদেউ আৰু ডিব্ৰুগড় জিলাৰ বিভিন্ন লোকৰ পৰা বুজন পৰিমাণৰ ধন সংগ্ৰহৰ অভিযোগত সোণাৰি আৰক্ষীয়ে অমৃত গগৈ নামৰ এজন চৰকাৰী বিষয়াক আটক কৰিছে। চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া ছয় পৃষ্ঠাত চাওক



আহোম জনগোষ্ঠীক অপমান কৰাৰ প্ৰতিবাদত যোৰহাটত আটাছুৰ দুঘণ্টীয়া ধৰ্মঘট, বৃহস্পতিবাৰে।

## ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকে ভুৱা চহীৰে শিক্ষা বিভাগক বিপথে পৰিচালিত কৰাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৪ আগষ্ট ঃ** বিভাগীয় নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাইজৰ ভুৱা চহীৰে নতুনকৈ একত্ৰীকৰণ হোৱা গোৱালপাৰা জিলাৰ জলেশ্বৰ বিল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জাহেৰ আলীয়ে কৰ্তৃপক্ষক বিপথে পৰিচালিত কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, যোৱা ২১ মাৰ্চত প্ৰাথমিক শিক্ষা সঞ্চালকে এক নিৰ্দেশনাযোগে দামবাৰী প্ৰাথমিক বিদ্যালয়খন ওচৰতে থকা জলেশ্বৰ বিল প্ৰাথমিক বিদ্যালয়ৰ লগত একত্ৰীকৰণ কৰে। উক্ত নিৰ্দেশনাটোত বিদ্যালয়খনৰ একত্ৰিকৰণ কৰি এখন নতুনকৈ বিদ্যালয় পৰিচালনা সমিতি গঠন কৰাৰ বিষয়ে উল্লেখ কেৰ। অথচ ভাৰপ্ৰাপ্ত ছয় পৃষ্ঠাত চাওক

## বৰহোলাৰ ৰজাবাৰীত মটৰ চাইকেল-ডাম্পাৰৰ মুখামুখি সংঘৰ্ষ

বিশেষ সংবাদদাতা

**নগাবাট, ৪ আগষ্ট ঃ** বৰহোলাৰ ৰজাবাৰীৰ পহুকটীয়া গাঁৱত আজি আবেলি সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এ এছ-০৩ এ জি-৩৯৩১ নম্বৰৰ এখন বাজাজ পালছাৰ এন এছ-২০০ মটৰ চাইকেলেৰে তীব্ৰ বেগত গৈ থকা দুজন যুৱকৰ এ এছ-০৩ বি চি-৬৮০৬ নম্বৰৰ এখন ডাম্পাৰৰ স'তে মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাত মটৰ চাইকেলখনৰ সন্মুখভাগৰ চকা ভাঙি এৰাই যোৱাৰ লগতে মটৰ চাইকেলখনত থকা আৰোহী দুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত মটৰ চাইকেল আৰোহী দুজন হৈছে টিপমীয়াৰ দীপক গড় আৰু গৌৰৱ কৰ্মকাৰ। অতিকৈ সংকটজনক অৱস্থাত থকা কম বয়সীয়া যুৱক দুজনক স্থানীয় লোকৰ সহযোগত ততাতৈয়াকৈ চিকিৎসাৰ বাবে তিতাবৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। বৰহোলা আৰক্ষীয়ে দুৰ্ঘটনাগ্ৰস্ত দুয়োখন বাহন জব্দ কৰি থানালৈ লৈ আহে।

গুৱাহাটীৰ পৰা কলকাতালৈ উভতিল বংগ আৰক্ষী

## চি বি আইক নহয়, ঝাৰখণ্ডৰ তিনি বিধায়কৰ বিৰুদ্ধে চি আই ডিক তদন্তৰ দায়িত্ব ন্যায়ালয়ৰ

নিউজ ব্যুৰ'/ষ্টাফ ৰিপৰ্টাৰ

**কলকাতা/গুৱাহাটী, ৪ আগষ্ট ঃ** চি আই ডিৰ পৰিৱৰ্তে চি বি আইৰ তদন্ত বিচাৰি কলকাতা উচ্চ ন্যায়ালয়ত মুখ থেকেচা খালে নগদ ধনসহ গ্ৰেপ্তাৰ হোৱা ঝাৰখণ্ডৰ তিনি বিধায়ক। তিনিওজন কংগ্ৰেছী বিধায়কে কলকাতা উচ্চ ন্যায়ালয়ত এইবুলি আবেদন জনাইছিল যে তেওঁলোকৰ বিৰুদ্ধে পশ্চিমবংগ আৰক্ষীৰ চি আই ডিয়ে অব্যাহত ৰখা তদন্ত নিৰপেক্ষ নহয়। গতিকে চি আই ডিৰ তদন্তত স্থগিতাদেশ জাৰি কৰি তদন্তৰ দায়িত্ব কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইৰ দৰে নিৰপেক্ষ সংস্থাক অৰ্পণ কৰাৰ নিৰ্দেশ দিবলৈ তিনি বিধায়কে উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল। এই আবেদনখনৰ ওপৰত আজি ন্যায়ালয়ে জৰুৰীভাৱে শুনানি গ্ৰহণ কৰে আৰু নগদ ধন উদ্ধাৰৰ ঘটনাৰ তদন্তৰ দায়িত্ব ছয় পৃষ্ঠাত চাওক

## আহোম জাতি মুৰ্দাবাদ দিয়া ঘটনাৰ উচিত তদন্তৰ দাবী

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৪ আগষ্ট ঃ** বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী আঙুৰলতা ডেকাৰ নেতৃত্বত কংগ্ৰেছ বিৰোধী প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচীত ৰাহুল গান্ধী মুৰ্দাবাদৰ লগতে আহোম জাতি মুৰ্দাবাদ দিয়া ঘটনাৰ উচিত তদন্তৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ লখিমপুৰ জিলা সমিতিয়ে আজি লখিমপুৰ উপায়ুক্তৰ কাৰ্যালয়ত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে উপায়ুক্তক ঘটনাৰ সন্দৰ্ভত দৃষ্টিগোচৰ কৰাৰ লগতে উচিত তদন্তৰ দাবীত এক স্মাৰকপত্ৰ প্ৰদান কৰে। তদুপৰি সমিতিয়ে দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ আৰু উচিত শাস্তি প্ৰদানৰ নকৰিলে প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী চলাই যাব বুলিও হুংকাৰ প্ৰদান কৰে।

■ দিনৰ ১১ বজা পৰ্যন্ত উপস্থিত নহয় চিকিৎসক ■
চিকিৎসাৰ বাবে ঘণ্টা ধৰি অপেক্ষা কৰিব লাগে ৰোগীয়ে

## ৰাইডাংজুৰি স্বাস্থ্য কেন্দ্ৰৰ পৰিৱেশ লক্ষ্য কৰা নাই স্বাস্থ্য বিভাগে

বিশেষ সংবাদদাতা

**নগাবাট, ৪ আগষ্ট ঃ** চৰকাৰী কাৰ্যালয়ৰ একাংশ কৰ্মচাৰীৰ কামৰ নমুনা নতুনকৈ দেখুওৱাৰ হয়তো প্ৰয়োজন নাই। সময় মতে কাৰ্যালয় নোখোলা, কৰ্মচাৰী উপস্থিত নোহোৱা, পৰ্যাপ্ত সামগ্ৰী আছে নে নাই খেয়াল নথকা ইত্যাদি ঘটনাই প্ৰায়েই বাতৰিৰ শিৰোনাম দখল কৰি অহাৰ পাছতো যেন শিক্ষা নলয় একাংশ কামচোৰ কৰ্মচাৰীয়ে। তিতাবৰ মহকুমাৰ কাকডোঙা ৰাইডাংজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোও ইয়াৰ ব্যতিক্ৰম নহয়। স্বাস্থ্য কেন্দ্ৰটোত যিজন চিকিৎসকক ছয় পৃষ্ঠাত



## দুৰ্নীতিৰ অভিযোগৰ তদন্তৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ দল

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৪ আগষ্ট ঃ** কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ চাৰিজনীয়া দল এটা উপস্থিত হৈ ছটা বিভিন্ন বিষয়ত ফাইল জব্দ কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কালি আবেলি দলটো উপস্থিত হয় বিশ্ববিদ্যালয়ত। প্ৰাপ্ত তথ্য অনুসৰি কোনো ধৰণৰ নিবিদা অবিহনে বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাম যেনে চাইকেল ৰখা আস্থান, নলা-কালভাৰ্ট নিৰ্মাণৰ উপৰি এগৰাকী ছাত্ৰীয়ে বক্ৰ পথেৰে পিএইছডিত নামভৰ্তি কৰাৰ এক অভিযোগ লাভ কৰে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে। একেদৰে বিশ্ববিদ্যালয়ৰ এজন কৰ্মচাৰীক নিলম্বন তথা বিত্তীয় খেলিমেলিৰো অভিযোগ আছিল। ইয়াৰ তদন্তৰ বাবেই দলটো উপস্থিত হয় বুলি সূত্ৰত প্ৰকাশ।

■ বিহগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত দুই নম্বৰ নতুন ঘগৰাত ৰাইজৰ ক্ৰন্দন

# স্বাধীনতাৰ ৭৫ বছৰে শোণিতপুৰৰ এক অঞ্চলৰ উন্নয়নৰ স্বৰূপ

অৰূপ কলিতা

তেজপুৰ, ৪ আগষ্ট ঃ দেশৰ স্বাধীনতাৰ ৭৫ বছৰ ধুমধামৰে উদ্‌যাপিত হৈ থকাৰ সময়ত উন্নয়নৰ নামত কেৱল শূন্যতা বিৰাজ কৰিছে শোণিতপুৰৰ এটা অঞ্চলত। শোণিতপুৰ জিলা গঠনৰ ৩৮ বছৰ সম্পূৰ্ণ হোৱাৰ সময়তে জিলাখনৰ সদৰ তেজপুৰৰে নিকটৱৰ্তী দুই নম্বৰ নতুন ঘগৰা গ্ৰান্ট অঞ্চলত সৰ্বসাধাৰণৰ মাজত অব্যাহত হাহাকাৰ অৱস্থাৰ আজিলৈকে কোনো ধৰণৰ পৰিৱৰ্তন নহ'ল। বৰ্তমানেও এই অঞ্চলত প্ৰৱেশ কৰিব নোৱাৰে ১০৮ এম্বুলেন্সে। আনকি প্ৰসূতীয়ে ডাংকোলাকৈ অনা অৱস্থাত বাটতে সন্তান জন্ম দিয়াৰ দৰে ঘটনা সংঘটিত হৈছে এই অঞ্চলত। শোণিতপুৰৰ বৰছলা বিধানসভা সমষ্টিৰ তথা বিহগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ বাঁহবাৰী গাঁও পঞ্চায়তৰ এই দুই নম্বৰ নতুন ঘগৰা গ্ৰান্ট অঞ্চলটোত চৰকাৰী উন্নয়নৰ নামত চলিছে কেৱল সীমাহীন দুৰ্নীতি। আৰ্থিকভাৱে দৰিদ্ৰ এইসকল লোকে যোৱা দীঘলীয়া সময়ত চৰকাৰী প্ৰতিনিধি নতুবা নিৰ্বাচিত প্ৰতিনিধিৰ পৰা লাভ কৰি আহিছে কেৱল প্ৰৱঞ্চনা। আজি এই বিষয়ে তেওঁলোকে ৰাজহুৱাভাৱে ক্ষোভ প্ৰকাশ কৰি লগতে কয় যে এতিয়া তেওঁলোকৰ আশা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওপৰতে। ৰাইজে কয় যে কেৱল দুৰ্নীতিৰ ঘাটিত পৰিণত হোৱা উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা, পঞ্চায়ত সচিব, পঞ্চায়ত সভাপতিকে ধৰি সকলোৰে বিৰুদ্ধে দুৰ্নীতি বিৰোধী অভিযানেৰে ছয় পৃষ্ঠাত চাওক

## সুৱণখাটাত হাতীৰ আক্ৰমণত মৃত্যু বৃদ্ধৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৪ আগষ্ট ঃ** বাগ্‌সাৰ ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যুক সাবটিলে এজন ৭০ বছৰীয়া বৃদ্ধই। জিলাখনৰ সুৱণখাটা সংৰক্ষিত বনাঞ্চলত সংঘটিত হৈছে এই শোকাৱহ ঘটনা। নিহত লোকজন বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত সুৱণখাটাৰ বাজীগাঁৱৰ জ্ঞান বাহাদুৰ বাছনেট বুলি স্থানীয় লোকে জনাইছে। বুধবাৰে বাছনেটে এজন যুৱকৰ স'তে গৰু চৰাবলৈ গৈছিল সুৱণখাটা সংৰক্ষিত বনাঞ্চলত। তাতেই বনৰীয়া হাতীৰ মুখামুখি হোৱাত হাতীয়ে আক্ৰমণ কৰাত মৃত্যুক আঁকোৱালি লয় বৃদ্ধজনে। ইফালে, কথমপি নিজৰ প্ৰাণ বচাই যুৱকজনে স্থানীয় মানাহ চৌকী ইক' ট্যুৰিজম ছ'চাইটি আৰু এছএছবিক খবৰ দিয়ে। পাছত নিশা বন বিভাগ, স্বেচ্ছাসেৱী সংগঠন আৰু এছএছবিয়ে যৌথভাৱে অভিযান চলাই বনাঞ্চলৰ নিকটৱৰ্তী দিৰিং নদীৰ পাৰৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। উল্লেখ্য যে জিলাখনৰ উত্তৰ অঞ্চলত বনৰীয়া হাতীয়ে দৈনিক নিদ্ৰা হৰণ কৰি আহিছে জনসাধাৰণৰ। অৱশ্যে বাগানপাৰা আৰক্ষীক খবৰ দিয়া সত্ত্বেও আৰক্ষী ঘটনাস্থলীলৈ নগ'ল।

নিৰ্বিকাৰ প্ৰশাসন-বিভাগীয় কৰ্তৃপক্ষ বন্ধ নহ'লে গণ আন্দোলনৰ ভাবুকি নেমছুৰ

## ঢেকিয়াজুলিত তীৰ জুৱা, অনলাইন জুৱাৰ অবাধ প্ৰচলনৰ অভিযোগ নেমছুৰ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৪ আগষ্ট ঃ** অসমৰ বিভিন্ন ঠাইৰ লেখীয়াকৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰ অঞ্চলৰ বিভিন্ন অঞ্চলত দীৰ্ঘদিন ধৰি একাংশ অসাধু লোকে অবৈধ তীৰৰ লগতে অনলাইন জুৱাৰ এক ৰমৰমীয়া বেহা চলাই আহিছে। ঢেকিয়াজুলি নগৰ আৰু অঞ্চলটোৰ অলিয়ে-গলিয়ে অবৈধ তীৰ, অনলাইন জুৱাৰ ৰমৰমীয়া বেহাৰ ফলত সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ লগতে বহুতৰে জীৱন ধ্বংস হোৱাৰ অভিযোগ উত্থাপন কৰিছে নেমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বদৰুল ইছলামে। উল্লেখ্য যে অসমৰ বিভিন্ন ঠাইৰ লগতে ঢেকিয়াজুলিৰ কিছু ব্যৱসায়িক প্ৰতিষ্ঠান, ম'বাইল দোকান আৰু হোটেল, পাণ দোকানত একাংশ অসাধু লোকে ব্যৱসায় কৰাৰ নামত গোপনে অবৈধ তীৰৰ লগতে অনলাইন জুৱা বুকি লৈ জুৱাৰ ৰমৰমীয়া বেহা চলাই আহিছে। অঞ্চলটোত চলা এই অসাধু চক্ৰটোৰ বিৰুদ্ধে আৰক্ষীয়ে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই ই এক ৰহস্যজনক কথা। নে আৰক্ষীয়ে গোপন মিতিৰালি কৰি গোপনে নিষিদ্ধ তীৰৰ লগতে অনলাইন জুৱাৰ ৰমৰমীয়া জুৱাৰ বেহা চলাই আহিছে। এই সন্দৰ্ভত নেমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বদৰুল ইছলামে সাংবাদিকৰ ছয় পৃষ্ঠাত চাওক

অবৈধ তীৰ, অনলাইন জুৱা বন্ধৰ দাবী



সোণাৰিত বিভিন্ন দাবীত অসম চাহ মজদুৰ সংঘৰ প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী, বৃহস্পতিবাৰে।

## ৰাষ্ট্ৰীয় মানৱাধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ আন্তঃৰাষ্ট্ৰীয় অধিবেশনত অসমলৈ সাতটা বঁটা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৪ আগষ্ট ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ দিল্লীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় অধিবেশনত অসমত কাৰ্যনিৰ্বাহ কৰাসকলে সাতটাকৈ বঁটা লাভ কৰি ৰাজ্যখনৰ বাবে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বুলি জানিবলৈ দিছে জামগুৰিহাট নিবাসী তথা সন্থাৰ শোণিতপুৰ জিলা মিডিয়া বিষয়া (অবৈতনিক) মৃণ্ময় কুমাৰ নাথে। যোৱা ৩০ জুলাইত দিল্লীৰ হোটেল অশোকাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সন্মিলনত প্ৰদান কৰা হয় এই বঁটাসমূহ। ইয়াৰে চাৰিটা বঁটাৰ বাবে বিবেচিত হয় তিনিচুকীয়া নিবাসী সংস্থাৰ ৰাজ্যিক অধ্যক্ষ (যুৱ) নিশান্ত থৰ্ড। সমাজৰ প্ৰতি কৰি অহা কৰ্মৰাজিৰ বাবে তেওঁক ৰাষ্ট্ৰীয় মানৱ অধিকাৰ বঁটা ২০২২ ৰাষ্ট্ৰীয় নেতৃত্ব বঁটা ২০২২ বিশেষ বঁটা আৰু ৰাজ্যিক সমন্বয়ক বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'ৰ আন্তঃৰাষ্ট্ৰীয় অধিবেশনখনৰ সভাপতিৰ আসন অলংকৃত কৰে সংস্থাৰ ৰাষ্ট্ৰীয় অধ্যক্ষ ড° ৰণধীৰ কুমাৰে।

■ সকীয়নি অসম ৰাজ্যিক বাহিৰা উৎসৰ শক্তি শ্ৰমিক ইউনিয়নৰ

## অস্থায়ী কৰ্মীৰ চাকৰি নিয়মীয়াকৰণৰ দাবী পূৰণ নহ'লে আন্দোলনৰ দাবী

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ৪ আগষ্ট ঃ** এপিডিচিএলত কৰ্মৰত তথা অসম ৰাজ্যিক বাহিৰা উৎসৰ শক্তি শ্ৰমিক ইউনিয়নে অস্থায়ী কৰ্মীৰ চাকৰি নিয়মীয়াকৰণ কৰা আৰু যেতিয়ালৈকে নিয়মীয়াকৰণ নহয় তেতিয়ালৈকে উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি সমান কামৰ সমান দৰমহা দিয়াৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে। তেজপুৰৰ শোণিতপুৰ জাৰ্ণেলিষ্ট ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৯ শাওণ ১৪২৯ ভাস্কৰাব্দ ৫ আগষ্ট ২০২২

## মীমাংসা হ'বনে?

বিদেশত বিভিন্ন পদত কৰ্মৰত প্ৰবাসী ভাৰতীয় শ্ৰমিক-কৰ্মচাৰীসকলে পোৱা দৰমহা তথা মজুৰিৰ একাংশ দেশৰ পৰিয়াললৈ প্ৰেৰণ কৰি আহিছে। ভাৰতবৰ্ষৰ অৰ্থনীতিত এইখিনি ধনৰ যথেষ্ট অৰিহণা আছে। এটি প্ৰতিষ্ঠানে চলোৱা সমীক্ষা অনুসৰি প্ৰায় ৮৭ বিলিয়ন মাৰ্কিন ডলাৰ প্ৰতি বছৰে এই বিদেশত কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকলে ভাৰতলৈ প্ৰেৰণ কৰে। ভাৰতবৰ্ষক সেয়েহে বিদেশত কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীৰ পৰা সৰ্বাধিক ধন পোৱা দেশ হিচাপে গণ্য কৰা হয়। ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ভিতৰত কেৰালাৰ শ্ৰমিক-কৰ্মচাৰীকলৰ অৱদান এই ক্ষেত্ৰত অধিক। বছৰি প্ৰায় দুই বিলিয়ন ডলাৰ ধন কেৰালাৰ শ্ৰমিক-কৰ্মচাৰীসকলে স্বদেশলৈ পঠিয়ায়।

পিছে যোৱা ক'ভিড-১৯ মহামাৰীৰ কালছোৱাত ভাৰতলৈ প্ৰবাসী শ্ৰমিক-কৰ্মচাৰীসকলে পঠিওৱা ধনৰ পৰিমাণ যথেষ্ট পৰিমাণে হ্ৰাস পায়। যোৱা ২০২১ত যেতিয়া বৃহৎ সংখ্যক শ্ৰমিক বিশেষকৈ পশ্চিম এছিয়াৰ পৰা ভাৰতলৈ উভতি আহে তেতিয়া ভাৰতলৈ অহা এনে ধনৰ পৰিমাণ ০.২ শতাংশলৈ হ্ৰাস পায়। এনেদৰে বিদেশৰ পৰা ভাৰতীয় শ্ৰমিক-কৰ্মচাৰীসকলে পঠিওৱা ধনৰ পৰিমাণ হ্ৰাস পোৱাৰ অন্যতম কাৰণ হ'ল— মজুৰি চুৰি। মজুৰি চুৰি বুলিলে ইয়াকেই বুজোৱা হয় যে তেওঁলোকে কাম কৰা প্ৰতিষ্ঠান তথা কোম্পানীসমূহে শ্ৰমিক-কৰ্মচাৰীসকলক অভাৰ টাইমৰ ধন আদায় নিদিয়া, চাকৰি এৰি দি গুচি অহাৰ সময়ত নিযুক্তিদাতা কোম্পানীয়ে শেষ মাহৰ দা-দৰমহা আদি নিদিয়া, ন্যূনতম মজুৰিৰ পৰা বঞ্চিত কৰা তথা নিযুক্তি চুক্তিৰ চৰ্ত উলংঘা কৰা ইত্যাদি। এনে ধৰণৰ মজুৰি চুৰিয়ে দেশৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰ-অষ্ট্ৰেলিয়া আদি ৰাষ্ট্ৰসমূহে অৱশ্যে মজুৰি চুৰি কাৰ্যক প্ৰশ্ৰয় দিয়া নাই। পিছে পশ্চিম এছিয়াৰ দেশসমূহত প্ৰায় ২.৩ কোটি প্ৰব্ৰজিত শ্ৰমিক তথা কৰ্মচাৰীয়ে কাম কৰি আছে। ইয়াৰ প্ৰায় এক কোটি শ্ৰমিক-কৰ্মচাৰী ভাৰতৰ পৰা যোৱা। পিছে পৰিতাপৰ কথা যে এনেদৰে মজুৰি চুৰি কাৰ্যক এই দেশবোৰে আৰু আন আন দেশেও শ্ৰমিকৰ অধিকাৰ উলংঘনৰ ঘটনা হিচাপে গণ্য নকৰে। আনহে নালাগে ভাৰত চৰকাৰেও এনে ধৰণৰ দৰমহা আৰু মজুৰি চুৰি কাৰ্যক অপৰাধ হিচাপে গণ্য নকৰে। কভিড-১৯ সংক্ৰমণৰ সময়ত পশ্চিম এছিয়াৰ দেশসমূহত থকা ভাৰতীয় মিছনসমূহে ভাৰতীয় শ্ৰমিকক এনেদৰে প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰা কাৰ্যৰ কোনো হিচাপ বা বিৱৰণ ৰখা নাই তথা সংগ্ৰহ কৰা নাই। অৱশ্যে লক্ষ্যণীয়ভাৱে এছিয়াৰ কেতবোৰ দেশে এনে ধৰণৰ ঘটনাবোৰৰ সম্পূৰ্ণ বিৱৰণ সংগ্ৰহ কৰি লিপিবদ্ধ কৰি ৰাখিছে। উদাহৰণস্বৰূপে নেপালৰ কথাকে ক'ব পাৰি। নেপালে এনেবোৰ ঘটনা নথিবদ্ধ কৰি ৰাখিছে আৰু অবৈধভাৱে কাটি ৰখা তেওঁলোকৰ দেশৰ শ্ৰমিক-কৰ্মচাৰীসকলৰ ধন ওভতাই অনাৰ বাবে তৎপৰতা অব্যাহত ৰাখিছে। মাইগ্ৰেন্ট ফ'ৰাম ইন এছিয়া নামৰ এক সামাজিক সংগঠনে এনেবোৰ বঞ্চনাৰ ঘটনা নথিবদ্ধ কৰি ৰাখিছে। এতিয়া এই সংগঠনটোৱে শ্ৰমিকসকলক ন্যায় প্ৰদানৰ বাবে যুঁজি আছে। এই সংস্থাটোৰ মতে, যোৱা ২০২০ৰ পৰা এতিয়ালৈকে এনে ধৰণৰ মজুৰি চুৰিৰ ৩১০৬টা ঘটনাৰ অনুসন্ধান কৰিছে আৰু অনুসন্ধান কৰি পাইছে যে তেওঁলোকে এই কালছোৱাত ২.৫২ কোটি মাৰ্কিন ডলাৰ হেৰুৱাইছে। এই সংস্থাটোৱে যোৱা ২০২১ত মধ্য প্ৰাচ্যৰ দেশ কাটাৰত বহুজাতিক নিগমত কাম কৰা শতাধিক শ্ৰমিক-কৰ্মচাৰীৰ মজুৰি চুৰিৰ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অকল কেৰালাৰ ৩৩৪৫ গৰাকী প্ৰব্ৰজিত শ্ৰমিক-কৰ্মচাৰীয়ে ১২শ কোটি টকা হেৰুৱাইছে বুলি সংস্থাটোৱে কৈছে। ভাৰত চৰকাৰে এই ক্ষেত্ৰত সংশ্লিষ্ট ৰাষ্ট্ৰৰ স'তে ভাৰতীয় শ্ৰমিক-কৰ্মচাৰীৰ দা-দৰমহাৰ ধন বিদেশী কোম্পানীসমূহে আদায় নিদিয়া বিষয়টো আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰা উচিত। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ প্ৰথম আন্তৰ্জাতিক প্ৰব্ৰজন পৰ্যালোচনা ফ'ৰামৰ বৈঠকত শ্ৰমিকৰ অন্যান্য সমস্যাৰ লগতে মজুৰি চুৰিৰ সমস্যাটোও আলোচনাৰ জৰিয়তে মীমাংসা কৰি ভুক্তভোগীসকলক ন্যায় প্ৰদানৰ পথ প্ৰশস্ত কৰা হ'ব বুলি আশা কৰা হৈছে।

## খোলা মঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**যোৱা** তিনিটা দশক ধৰি 'অগ্ৰদূত' কাকতত লিখি আহিছো। কাকতখনৰ মাজেৰে বহুতো নামী-দামী সাহিতিকৰ লেখনি পঢ়িবলৈ পোৱাৰ ওপৰি বহুতৰ সান্নিধ্যও লাভ কৰিছো। সকলো কাকতেই ঘাত-প্ৰতিঘাতৰ মুখামুখি হয়। অগ্ৰদূতো ইয়াৰ ব্যতিক্ৰম নহয়। তাৰ পিছতো কাকতখনে ভাৰসাম্যতা বজাই ৰখাত সফল হোৱাটোৱে বুজায় যে কাকতখনৰ জনপ্ৰিয়তা আছে। ন-পুৰণি লেখকৰ লেখনিৰে পৰিপূৰ্ণ অগ্ৰদূত কাকতখন মোৰ বৰ প্ৰিয়। এইখিনিতে বাৰ্তা এটা দি মই সুখী হওঁ যে অগ্ৰদূতত যেতিয়াই মোৰ গল্প, প্ৰবন্ধ প্ৰকাশ পায় তাৰ এদিন বা দুদিন পিছতে মোলৈ ফোন এটা আহে। কপা কপা মাতেৰে আইতা এগৰাকীয়ে মোক কয়, 'অঞ্জলিকা, তোমাৰ লেখনিটো পঢ়িলো। ভাল লাগিল। তুমি লিখি থাকা। মোৰ আশীৰ্বাদ তোমালৈ সদায় থাকিব। মোৰ বৰ্তমান বয়স ৯৫ বছৰ। পেছাত শিক্ষয়িত্ৰী আছিলো। ঘৰ বৰমাত। কাকত পঢ়িবৰ দিনাৰে পৰা অগ্ৰদূতখনে পঢ়ি আছো। কাকতখন আহি নোপোৱালৈ মোৰ চকু পদূলিমুখলৈ গৈয়ে থাকে। সেইখন পঢ়াৰ পাছতহে মই শান্তি পাওঁ। এটা কথা কি জানা মই কাকত সদায় মেগনিফায়িং গ্লাছেৰে পঢ়ো। বিতচকুই কাম নিদিয়ে। মোৰ তিনিটা ল'ৰা। তিনিও সমানে উপযুক্ত আৰু গুৱাহাটীত থাকে। মই কিন্তু বৰমাতে থাকো। সিহঁতৰ লগত যোৱা নাই। শিক্ষকতাৰে জীৱন কটালো সেই বাবে হ'বলা! মোৰ পৰিচৰ্যাৰ কাৰণে ছোৱালী এজনী ৰাখিছো। তাই মোক সুন্দৰকৈ ভাত-চাহৰ যোগান ধৰাৰ লগতে কাকতখন আহিলেই মোৰ হাতত তুলি দিয়ে। পুৰণি কাকতবোৰ যতনাই থৈ দিয়ে। কাষৰ কোনোবাই কেতিয়াবা পুৰণি কাকত বিচাৰি আহিলে তাই মোৰ পাৰমিচন লৈ দি দিয়ে।

**অঞ্জলিকা চক্ৰৱৰ্তী**, *লেখিকা*

কাকতখনৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধাই কাকতখনৰ সফলতাৰে ইংগিত দিয়ে। ইয়াৰ বাবে কাকতখনৰ কৰ্ম-কৰ্তাসকলক ধন্যবাদ দিবই লাগিব, কাৰণ কাকতখনৰ সফলতা তেওঁলোকৰ একনিষ্ঠ চেষ্টা, একাগ্ৰতাৰ ফল। এখন কাকত একেৰাহে পঞ্চাছ বছৰ চলোৱা সহজ কাম নহয়। কাকত পৰিৱেশনৰ, প্ৰতিযোগিতাৰ পথটো কণ্টকময়। ইয়াৰ মাজতো আপোচবিহীন সংবাদ পৰিৱেশনেৰে আত্মমৰ্যাদা অটুট ৰাখি বীৰদৰ্পে নিজ লক্ষ্যত উপনীত হ'বলৈ অহৰ্নিশে চেষ্টা চলোৱা কাৰ্যই পঢ়ুৱৈ সমাজক আপ্লুত কৰিছে। বিশ্বাসযোগ্য বাতৰি পৰিৱেশনত অগ্ৰদূত সদায় আগৰণুৱা। সেই ফালৰ পৰা 'অগ্ৰদূত'ৰ কৰ্মচাৰীসকলক আন্তৰিক ধন্যবাদ জনালো।

বৰ্তমান ইণ্টাৰনেটৰ যুগ। গতিকে প্ৰায় সকলো কাকতে এটা প্ৰত্যাহ্বানৰ মুখামুখী হ'বলগীয়াত পৰিছে। ইংৰাজী মাধ্যমৰ বহুল প্ৰসাৰে অসমীয়া কাকতবোৰলৈ সংকটময় পৰিৱেশ এটা কঢ়িয়াই আনিছে। তাৰ মাজতো কাকতবোৰে নিজৰ স্থানত ঠিকে থকাৰ বাবে চেষ্টা চলাই আহিছে। এইটো আমাৰ নিজৰ ভাষাটোৰ বাবে শুভ লক্ষণ। বৰ্তমানলৈ মই অসমৰ য'লৈকে গৈছো তাতেই কাকতখন বিচাৰিলে পাইছো।

গতিকে কাকতখনে অৰ্ধ-শতাব্দী অতিক্ৰম কৰাত ময়ো গৌৰৱান্বিত। কাকতখনে এই ধাৰা ভৱিষ্যতলৈও ধৰি ৰাখক। তাৰেই কামনাৰে সামৰিছো

*ফোন: ৯১০১৭৯৯৫৯৫*

# ৰাজ্যিক স্বজনপ্ৰীতি আৰু জাতীয়তাবাদ

## জাতীয়তাবাদ, জাতীয় সংহতি আদি শব্দবোৰেই গোলমলীয়া



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**



আব্দুল গণি খান চৌধুৰীয়ে মালদা সমষ্টিৰ পৰা বিজয়ী হৈ কেন্দ্ৰীয় ৰেল মন্ত্ৰী হোৱাৰ ফলত হেনো ৩০ হেজাৰ মালদা আৰু নিজ ৰাজ্যৰ যুৱতীক ৰেলৱেত চাকৰি দিছিল। ইয়াৰ ফলত নিজ ৰাজ্যত চৌধুৰী বাৰুকৈয়ে জনপ্ৰিয় হৈছিল বাংলা জাতীয়তাবাদত সাৰ-পানী যোগোৱাৰ বাবে। পিছে ভাৰতৰ বাকী ৰাজ্যবোৰে ইয়াকে লৈ বিৰূপ সমালোচনা কৰিছিল। অৱশ্যে আজিকালিৰ দৰে সংবাদ মাধ্যম বৰকৈ জোৰদাৰ নাছিল বাবে 'দূৰণিৰ ঢৌ দূৰতে মাৰ গৈছিল।' লালুপ্ৰসাদ যাদৱ কলংকিত নায়ক হৈ পশু খাদ্যৰ কেলেংকাৰিত জেল খাটিলেও কেন্দ্ৰীয় ৰেলমন্ত্ৰী হৈ থকা কালত তেওঁ বিহাৰীৰ হিয়াৰ আমঠু আছিল, কাৰণ তেওঁৰ মন্ত্ৰিত্বৰ কালতে এক লাখমান বিহাৰী যুৱকে ৰেলত চাকৰি পাইছিল। একেদৰে মমতা বেনাৰ্জী আৰু নীতিশ কুমাৰ ৰেলমন্ত্ৰী হওতেও বংগ আৰু বিহাৰৰ লোকে ৰেল বিভাগ ভৰি পৰিছিল— এওঁলোকৰ কালত চাকৰি পোৱাৰ সংখ্যাবোৰ অৱশ্যে নাজানো। গণি-মমতা আৰু লালু-নীতিশে ক্ৰমে বাংলা আৰু বিহাৰীক অগ্ৰাধিকাৰ দিয়াটো হেনো 'জাতীয়তাবাদ'ৰ চিন।

মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকত চেপা আন্দোলন হৈছিল, সেইবোৰ ৰাজ্যত ক্ৰমে মাৰাঠী আৰু কানাড়া লোকেহে চৰকাৰী চাকৰি পাব লাগিব। বাস্তৱত তেনেকুৱাই চলি আছে। যেনে— বাংগালুৰুত হেজাৰে হেজাৰে বহিঃৰাজ্যৰ লোকে চাকৰি কৰি আছে, পিছে এই সকলোবোৰ চাকৰি বেচৰকাৰী খণ্ডৰ, কৰ্ণাটকৰ বাহিৰৰ কোনো লোকে চৰকাৰী চাকৰি পাব নোৱাৰিব। এইবোৰেই হেনো জাতীয়তাবাদৰ ফল। অসমতো দেখাত এনে 'জাতীয়' ভাৱধাৰাৰ আন্দোলন বহু কালৰ আগৰ পৰাই চলি আহিছে। ৪০ বছৰমানৰ আগতে আমাৰ অঞ্চলৰ এখন বিদ্যালয়ত কিছু আঁতৰৰ গাঁও এখনৰ এজন ল'ৰাই চাকৰি পালে। স্কুলৰ ওচৰ-পাঁজৰৰসকলে বিৰোধ কৰিলে, স্থানীয় ল'ৰাইহে চাকৰি পাব লাগে। অঞ্চলৰে এজন বিজ্ঞ লোকক সুধিছিলো— 'স্থানীয়' মানেনো কি বুজায়, অৰ্থাৎ কিমান পৰিসৰ সামৰে?' তেওঁ ব্যংগভাৱে ক'লে— 'স্কুলখনৰ সন্মুখত থকা আঁহত গছজোপাৰ ছাঁ যিমানলৈ পৰে, স্কুলখনৰ বাবে সেয়াই স্থানীয়।' স্থানীয়ৰ দাবী অৱশ্যে খটা নাছিল। অসমৰ এনেবোৰ আন্দোলনৰ ক্ষেত্ৰত সদায়েই দেখা যায়— 'ৰোগীৰ অপাৰেচন কৃতকাৰ্যতাৰে সম্পন্ন হ'ল, অৱশ্যে ৰোগীজন মৰিল।' এনে এটা ফলাফল, অৰ্থাৎ আন্দোলনবোৰ আন্তৰিকতাৰে কৰি সফল হোৱাই যায়, পিছে বিচৰাখিনিহে নাপায়। অসমত বাহিৰৰ মানুহে চাকৰি পোৱাৰ ঘটনা ঘটিয়েই আছে, দুদিনমানলৈ হৈ-চৈ হ'লে নিযুক্তি বন্ধ ৰাখে। আন্দোলন শাম কাটিলেই পিছ দুৱাৰেদি নিযুক্তি হৈ যায়। জাতীয়তাবাদীসকলে গমেই নাপায়। ৰাজ্যৰ বাহিৰৰ বাতৰি কাকত আৰু অন্য সংবাদ মাধ্যমত প্ৰচাৰ হ'ল— 'আছামীৰ অত্যাচাৰত অসমত সোমাবই নোৱাৰি।'

কেন্দ্ৰীয় মন্ত্ৰীয়ে নিজৰ ৰাজ্যৰ লোকক চাকৰি দিয়াৰ প্ৰসংগলৈ পুনৰ অহা যাওক। ৰেল বিভাগটোত চাকৰিৰ সংখ্যা তুলনামূলকভাৱে বেছি। পূৰ্বতে দীঘলীয়া সময়ৰ বাবে এই বিভাগটো বংগ আৰু বিহাৰৰ বাবে সংৰক্ষিতৰ দৰে আছিল। ৰেল বাজেটত নতুন নতুন ৰেল বিহাৰ আৰু বংগই বেছিকৈ পোৱাৰ ঘটনা স্বাভাৱিক যেন আছিল। অন্য বিভাগবোৰতো সংশ্লিষ্ট ৰাজ্যৰ লোকক বেছি সুবিধা দিয়াতো মন্ত্ৰীসকলৰ বাবে সাধাৰণ কথা আছিল। ব্যতিক্ৰম অৱশ্যেই অসম। কেন্দ্ৰীয় চৰকাৰ গঠন হোৱাৰে পৰা মন্ত্ৰীসভাত অসমৰো দুই-এজন মন্ত্ৰী সদায়েই আছিল। প্ৰথম দুটামান দশকত চাকৰি দিয়াৰ স্বজন-প্ৰীতি বৰকৈ নচলিছিল। তাৰ পাছত অন্য ৰাজ্যৰ মন্ত্ৰীয়ে আৰম্ভ কৰা কাৰবাৰটো অসমৰ মন্ত্ৰীয়ে কৰা নাছিল বুলিলেও ভুল নহ'ব। অগপৰ দীনেশ চন্দ্ৰ গোস্বামী নামী সাংসদ তথা মন্ত্ৰী হ'লেও লগতে জাতীয়তাবাদৰ ধ্বজা কোবাই ক্ষমতাৰ সোৱাদ পালেও অসমৰ যুৱক-যুৱতীক চাকৰি পোৱাত কিমান সহায় কৰিছিল জনা নাযায়। কংগ্ৰেছৰ মন্ত্ৰীসকলো আছিল তথৈবচ। বিজয়া চক্ৰৱৰ্তীয়ে বোধহয় মন্ত্ৰী হৈও একো পাত্তাই নাপালে, গুৱাহাটীৰ পানী যোগান আৰু বান সমস্যা একেই থাকিল।

চাকৰিৰ খনি বুলি ভবা ৰেল বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ বাবে অভিজ্ঞ সাংসদ ৰাজেন গোহাঁয়েও পাইছিল। পিছে গণি খান, লালু, মমতাসকলৰ দক্ষতাৰ ওচৰ চপাৰ কথা বাদেই, অসমক ৰেলৰ হিচাপত একো দিব নোৱাৰিলে বুলিলেও অত্যুক্তি কৰা নহয়। চাকৰি দিয়াৰ ব্যৰ্থতা, ৰেলৰ বিশেষ সম্প্ৰসাৰণ অসমলৈ ঘটাব নোৱৰাৰ অভিযোগ অসত্য বুলি প্ৰমাণ কৰিব পাৰিলে আমিয়েই সুখী হ'ম বেছি। ৰামেশ্বৰ তেলীক কেন্দ্ৰীয় মন্ত্ৰী বুলি মনত পেলাই দিব লগা হয়। এবছৰ মানৰ আগতে (বোধহয় সাত জুলাই) তেওঁক পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগ, শ্ৰম আৰু নিযুক্তিৰ ৰাজ্যিক বাব দিয়া বুলি ৰাইজে আনন্দ প্ৰকাশ কৰিছিল। ৰাইজৰ বাবে 'সোলাৰ মুখত মাখি' পৰাৰ বাদে একো হোৱা নাই। অসমৰ বাবে তেওঁ কিবা কৰিছে যদি জনা নাযায়, ফাইল চুবলৈকে পায় নে নাপায় তাকো নাজানো। সবাতোকৈ উল্লেখযোগ্য কথাটো হ'ল পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক লৈ। মোদী-শ্বাহৰ নিৰ্দেশত মুখ্যমন্ত্ৰীৰ আসনখন ড° হিমন্ত বিশ্বক গটাই দি কেন্দ্ৰীয় মন্ত্ৰী হ'লগৈ— দায়িত্ব পালে বন্দৰ, জাহাজ আৰু জল পৰিবহণ তথা আয়ুষৰ। কিছুমান বন্দৰ, বিমান বন্দৰ আদি ব্যক্তিগত খণ্ডক কেন্দ্ৰীয় চৰকাৰে বিক্ৰী কৰাৰ কামত সোণোৱালে সহায় কৰিলে। অসমৰ হৈ কিবা কৰিছে নেকি জনা নাযায়। ছাত্ৰ সন্থা, অগপ আদিৰ পৰা বিজেপিলৈ প্ৰব্ৰজন ঘটা সোণোৱাল জাতীয়তাবাদৰ বিশেষ প্ৰবক্তা বুলি ৰাইজে ভাবে। অসমীয়া জাতীয়তাবাদৰ পৰা হিন্দু জাতীয়তাবাদলৈ জাঁপ মৰাগৰাকীৰ পৰা অধিক আশা নকৰাই ভাল।

> **চাকৰিৰ খনি বুলি ভবা ৰেল বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ বাবে অভিজ্ঞ সাংসদ ৰাজেন গোহাঁয়েও পাইছিল। পিছে গণি খান, লালু, মমতাসকলৰ দক্ষতাৰ ওচৰ চপাৰ কথা বাদেই, অসমক ৰেলৰ হিচাপত একো দিব নোৱাৰিলে বুলিলেও অত্যুক্তি কৰা নহয়**

এজন জনজাতীয় লোকে অসমৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰ পাছত ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী হ'লগৈ বাবে জনজাতিৰ উন্নতিৰ গ্ৰাফডাল ওপৰলৈ উঠি নাযায়, পূৰ্বতেও যোৱা নাই, ভৱিষ্যতেও নাযায়। এগৰাকী আদিবাসী মহিলাক 'ৰাষ্ট্ৰপতি'ৰ আসনত বহুৱালেও আদিবাসীৰ অৱস্থাৰ উন্নতি নহয় বুলি সকলোৱে জনা হ'ল যদিও মানুহক আৱেগিক কৰিবলৈ এনে পদক্ষেপ অতিকৈ ফলপ্ৰসূ।

বংগ বা বিহাৰৰ পৰা গৈ কেন্দ্ৰীয় মন্ত্ৰী হোৱা লোকে কেৱল বংগ-বিহাৰৰ উন্নতি কৰি বাকীবোৰক অৱহেলা কৰাটো ভাল কথা নহয়। তেনে ক্ষেত্ৰত অসমৰ মন্ত্ৰীয়েও কেন্দ্ৰীয় মন্ত্ৰী হৈ ৰাজ্যখনক অগ্ৰাধিকাৰ দিয়াটোও উচিত নহয়। গতিকে গোহাঁই, সোণোৱাল, সন্দিকৈসকলে অসমৰ বাবে একো নকৰাৰ বাবে দুখ কৰিব লাগে জানো? আচলতে নালাগে। তথাপি কথাটো উল্লেখ কৰা হৈছে এইবাবে যে তেওঁলোকে সমগ্ৰ ভাৰতৰ বাবেও উল্লেখযোগ্য একো কৰা নাই। বংগ, বিহাৰৰ উদাহৰণেৰে অসমৰ মন্ত্ৰীক সাঙোৰাৰ লগত এটা বিষয়ৰ সম্বন্ধ আছে— সেয়া হৈছে জাতীয়তাবাদ।

'জাতীয়তাবাদ', 'জাতীয় সংহতি' ধৰণৰ শব্দবোৰে মানুহক সহজেই আৱেগিক কৰি তোলে আৰু সাধাৰণৰ ৰাইজৰ এনে আৱেগক ৰাজনৈতিক নেতাসকলে ক্ষমতা লাভৰ স্বাৰ্থত ব্যৱহাৰ কৰে। অসমীয়া জাতীয়তাবাদে এসময়ত পৃথিৱী বিখ্যাত অসম আন্দোলনৰ জন্ম দিছিল। পূৰ্বতেই উল্লেখ কৰাৰ দৰে অসমত আন্দোলন সফল হয়; কিন্তু ফলাফলহে অসমৰ অনুকূলে নহয়। অসম আন্দোলনে সুখ্যাতি-কুখ্যাতি যিয়েই নকঢ়িয়াওক, অসমৰ কিন্তু বহুত লোকচান কৰিলে— সাধাৰণ ৰাইজে আন্তৰিকতাৰেই আন্দোলন কৰিছিল, অশ্ব-ডিম্ব স্বৰূপ অসম চুক্তি এখনো পাইছিল। এই আন্দোলনে প্ৰফুল্ল মহন্ত আৰু সাংগোপাংগসকলক ক্ষমতা দিয়ালে, সাত পুৰুষলৈ সম্পত্তি গোটাবলৈ সুযোগ দিছিল। অতুল বৰা, কেশৱ মহন্তসকলক এতিয়াও জাতীয়তাবাদৰ মন্ত্ৰই মৌ খাবলৈ দি আছে। একেখিনি আৱেগিক জাতীয়তাবাদী বাক্য আওৰাই সমুজ্জ্বল ভট্টাচাৰ্যৰ দৰে বৃদ্ধ ছাত্ৰ নেতাইও সম্পত্তিৰ পাহাৰ গঢ়ি তুলিব পাৰিছে।

'জাতীয়তাবাদ' শব্দটো আহিছে 'জাতি' শব্দৰ পৰা। এই শব্দটোৱে সহজেই আৱেগৰ বন্যা সৃষ্টি কৰিব পাৰে! সেয়েহে শব্দটো সুন্দৰকৈ ব্যৱহাৰ কৰে শাসক আৰু শোষক শ্ৰেণীয়ে। একেদৰে আন্দোলনকাৰী নেতা, উগ্ৰপন্থী সংগঠনৰ মুৰব্বীসকল, ধৰ্ম-সম্প্ৰদায়ৰ নেতাসকলেও শব্দটো ব্যৱহাৰ কৰি নিজৰ স্বাৰ্থপূৰণ কৰে। 'জাতি' শব্দটোৰ অৰ্থ ব্যাপক, সেয়েহে বিভিন্ন ক্ষেত্ৰত নিজৰ সুবিধা মতে শব্দটো ব্যৱহাৰ কৰিব পৰা যায়। সাধাৰণতে শ্ৰেণী বিভাজনৰ বাবে শব্দটোৰ ব্যৱহাৰ হয়— এটা বিশেষ বস্তুৰ থুপ, বিশেষ বৈশিষ্ট্য থকা জীৱ আৰু তাৰ পাছত মানুহৰ সৰু-ডাঙৰ কিছুমান থুপক জাতি বোলে। জীৱ বিজ্ঞানত জীৱৰ শ্ৰেণী বিভাগৰ বাবে থুপ বুজাবলৈ বিভিন্ন শব্দ ব্যৱহৃত হয়। পৃথিৱীৰ সামগ্ৰীসমূহৰ দুটা ভাগ— জীৱ আৰু জড়। ইয়াৰে জীৱৰ দুটা ভাগ— প্ৰাণী আৰু উদ্ভিদক ৰাজ্য বা জগত বোলে। প্ৰাণীবোৰক ১০টা পৰ্বত ভাগ কৰা হয়। পৰ্ববোৰক বিভিন্ন শ্ৰেণীলৈ, শ্ৰেণীক বৰ্গলৈ, বৰ্গক গোত্ৰলৈ, গোত্ৰক গণলৈ, গণক প্ৰজাতিলৈ— এনে ধৰণে ভাগ কৰি নি থকা হয়। এইবোৰৰ মাজতো সৰু ভাগ 'উপ' হিচাপে লোৱা হয়, যেনে— উপপৰ্ব, উপ-প্ৰজাতি আদি। বৰ্গ, শ্ৰেণী, গোত্ৰ আদি প্ৰতিটো শব্দই জাতিবাচক। উল্লেখ কৰি থ'ব পাৰি যে আধুনিক জীৱ বিজ্ঞানৰ প্ৰভূত উন্নতি হোৱাৰ বাবে শ্ৰেণী বিভাগ বা বৰ্গীকৰণৰ বিভিন্ন পদ্ধতি ওলাইছে, কাৰণ জীৱৰ ভাগ কৰাৰ ক্ষেত্ৰত কিছুমান বিশেষ বৈশিষ্ট্যক আধাৰস্বৰূপে লোৱা হয় আৰু আধুনিক বিজ্ঞানে নতুন নতুন জৈৱ বৈশিষ্ট্যৰ আৱিষ্কাৰ কৰি দি আছে যিবোৰে জৈৱ বৈচিত্ৰ্যও বঢ়াইছে। প্ৰাণীৰ দৰে উদ্ভিদৰো মেৰুদণ্ডী বা ভাৰ্টিব্ৰাটা, বৰ্গ-প্ৰাইমেট, গোত্ৰ-হোমিনিডি, গণ-হোমো, প্ৰজাতি-চেপিয়ানছ, উপ-প্ৰজাতি-চেপিয়ানছ চেপিয়ানছ। এনেদৰে ভাগ কৰোতে ক্ৰমে বৃহত্তৰ পৰা ক্ষুদ্ৰলৈ আগবঢ়া হয়। যেনে— মানুহ মেৰুদণ্ডী হোৱাৰ দৰে মাছ, সাপ, ভেকুলী, চৰাই, গৰু আদিও মেৰুদণ্ডী, অৰ্থাৎ এই সকলোবোৰ একে জাতিৰ। মানুহ স্তন্যপায়ী, বাঘ, বান্দৰ, হৰিণা আদিও একে 'জাতি'ৰ। সেইদৰে প্ৰাইমেট হিচাপে মানুহ আৰু বান্দৰ একে 'জাতি'ৰ।

মানুহে ব্যৱহাৰ কৰা জাতি আৰু জাতীয়তাবাদ দুটা হৈছে মানুহৰ মাজতে বিভিন্ন বিভাগৰ সৃষ্টি কৰিব পৰা শব্দ। মানুহ জাতি, ভাৰতীয় জাতি, অসমীয়া জাতি, কলিতা জাতি, ভূঞা জাতি— এনেদৰে অধিক সংকীৰ্ণ অৱস্থালৈ নি থাকিব পাৰি। জীৱৰ অধ্যয়নৰ সুবিধাৰ বাবে বিজ্ঞানে জীৱৰ নতুন নতুন ভাগৰ সৃষ্টি কৰিছে, পিছে সাধাৰণ ক্ষেত্ৰত 'জাতি'ৰ সৃষ্টিৰে একতাতকৈ বিভেদৰহে সৃষ্টি কৰা হৈছে। জীৱৰ বিভাগত যেনেকৈ পশু জাতি, উদ্ভিদ জাতি আদি ব্যৱহাৰ কৰিব পাৰি তেনেকৈ ধৰ্ম, ৰাজনীতি, আচাৰ-ব্যৱহাৰ, ভাষা, বৰ্ণ আদিৰ ক্ষেত্ৰতো মানুহক ভাগ ভাগ কৰিব পাৰি। ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনবোৰে জাতীয়তাবাদ প্ৰকাশ কৰিব পৰা শব্দ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যৱহাৰ কৰি নাম দিয়ে। ভাৰতীয় জনতা পাৰ্টি, ভাৰতীয় জাতীয় কংগ্ৰেছ— দুয়োটাতেই ভাৰতীয় শব্দ ব্যৱহাৰ কৰিছে যদিও প্ৰথমটোত আছে হিন্দু জাতীয়তাবাদৰ গোন্ধ, আনটোত আছে ভাৰত স্বাধীন কৰা দল হিচাপে ভাৰতবাসীৰ সন্মুখত নিজকে দাঙি ধৰাৰ প্ৰৱণতা। বিশ্ব হিন্দু পৰিষদ, মুছলিম লীগ আদিয়ে প্ৰত্যক্ষভাৱেই ধৰ্মীয় জাতীয়তাবাদক ব্যৱহাৰ কৰিছে নিজৰ নিজৰ সুবিধাৰ বাবে। অসম জাতীয় দল, বিপিএফ, এমএনএফ ধৰণৰ দলবোৰে একোটা আঞ্চলিক জাতিগোষ্ঠীক আধাৰৰূপে লৈছে।

সাধাৰণতে শাসকীয় দলে জাতীয়তাবাদৰ সুৰসুৰণিৰে মানুহৰ আৱেগক সঞ্চালিত কৰি নিজৰ শাসন অক্ষুণ্ণ ৰাখে। পেট্ৰ'লৰ দাম শতাধিক, গেছৰ দাম সহস্ৰাধিক টকা হোৱাৰ সমস্যা তল পেলাই গো-মাতাৰ সংৰক্ষণ, জেহাদীক ধৰা, আদিবাসী মহিলাক এটা শব্দৰে কৰা অপমান ধৰণৰ কথাৰে তথাকথিত হিন্দু জাতীয়তাবাদক উজ্জীৱিত কৰিলে শাসক দলৰ লাভ হয়। হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ লগালেও শাসকৰেই লাভ, কাৰণ এইবোৰত আৱেগিক হয় সাধাৰণ ৰাইজহে, আজমল-হিমন্তৰ ভিতৰুৱা বুজাবুজি ঠিকেই চলি থাকে।


জাতীয়তাবোধ যদি সমগ্ৰ মানৱ জাতিৰ মংগলৰ অৰ্থে ব্যৱহাৰ কৰা হয়, তথাপি সমস্যা থাকি যায়, কাৰণ ধনী, মধ্যবিত্ত, দুখীয়া ধৰণৰ ভাগবোৰ থকাৰ বাবে একে সময়তে সকলোৱে উন্নতি সাধিব নোৱাৰি। একেদৰে মানৱ জাতিৰ পৰা ক্ৰমান্বয়ে ভাৰতীয়, অসমীয়া, কলিতা, ভূঞা আদি জাতিলৈ নামিলেও সমস্যা একেই থাকে। আচলতে জাতীয়তাবাদ, জাতীয় সংহতি আদি শব্দবোৰেই গোলমলীয়া।

*ফোন: ৮১৩৫৮৩৫২১৯*

# আৰক্ষীৰ আচৰণত এভুমুকি

## আৰক্ষীৰ জিম্মাত থকা লোকক মাৰধৰ কৰাটো মূখাৰ্মি আৰু অজ্ঞানতাৰ বাহিৰে আন একো নহয়

**ফটিকদত্ত গোস্বামী**



**আৰক্ষী** প্ৰশাসন সঁচাকৈয়ে এক অতি গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় জনসেৱা। গণতান্ত্ৰিক ব্যৱস্থাত এই সেৱাৰ অসীম সন্মান আৰু গুৰুত্ব আছে। আজিৰ বিশ্বত আৰক্ষীয়ে কেৱল পৰম্পৰাগতভাৱে চলি অহা অপৰাধ প্ৰতিৰোধ আৰু সামাজিক আইন-শৃংখলা ৰক্ষাৰ কামতেই সীমিত হৈ থকা নাই। ইয়াৰ উপৰি সমাজৰ প্ৰতিটো কৰ্মসূচীক আৰক্ষী-ব্যৱস্থাৰ ওচৰ চপাই শান্তি ৰক্ষাৰ সেৱাত ন্যস্ত কৰা হয়। আৰক্ষীয়ে বানপানী, অগ্নিকাণ্ড, প্ৰাকৃতিক দুৰ্যোগ আদিৰ সময়ত জৰুৰী সেৱা আগবঢ়ায়। সাম্প্ৰতিক কালত বিভিন্ন বৰ্গৰ লোকৰ জীৱন, সম্পত্তি আৰু শান্তি ৰক্ষাৰ ক্ষেত্ৰত সমাজ বিভ্ৰান্ত হৈ পৰা পৰিলক্ষিত হৈছে। পুৰুষানুক্ৰমে চলি অহা মানুহৰ চৰিত্ৰত দেখা দিয়া বৈপৰীত্যক প্ৰশমিত কৰাৰ অৰ্থে আৰক্ষীয়ে ঠেৰেঙা শীতৰ প্ৰকোপ সহি, দবাপিটা বৰষুণ মূৰত লৈ, গৰমৰ ঘামত গা ধুই নিৰলসভাৱে ব্যক্তিৰ মাজত সমিল-মিলেৰে ৰাজনৈতিক ভাৰসাম্য ৰক্ষা আৰু প্ৰশাসনিক দক্ষতাৰে দায়িত্ব বুজি কৰ্তব্য পালন কৰিব লগা হৈছে। সীমিতসংখ্যক আৰক্ষীৰে দৈনিক সংঘটিত হৈ থকা, অসংখ্য দুৰ্ঘটনাৰ প্ৰতি যথোপযুক্ত সঁহাৰি বা মনোযোগ তাৎক্ষণিকভাৱে সকলো সময়তে দিব নোৱাৰিব পাৰে। আৰক্ষীয়ে মোকৰ্দমাত লাগি থকা পৰিস্থিতি নিয়ন্ত্ৰণ কৰা আৰু সংঘটিত ঘটনাৰ সবিশেষ লোৱাৰ ক্ষেত্ৰত সততে চাপত ভুগি থাকে। সেইবাবে তেওঁলোক একে উশাহতে যোগ্যতা আৰু সামৰ্থ্যৰ ঊৰ্ধ্বলৈ যাবলৈ অক্ষম হয়। সামূহিক জীৱনৰ ঘটনা চূড়ান্তভাৱে বেয়াৰ ফালে ঢাল খোৱাৰ পৰা পৰিত্ৰাণকল্পে আৰক্ষীয়ে দিনটোৰ ২৪ ঘণ্টাই টহল দি থাকে, সাধ্যানুসাৰে সংযম প্ৰদৰ্শন কৰে আৰু সন্মান প্ৰদৰ্শন কৰি সংশ্লিষ্টজনক ৰেহাই দিয়ে। সমাজৰ পুঞ্জীভূত সমস্যাসমূহ আৰক্ষীৰ সৃষ্টি নহয়। তথাপি সকলো গেলা-পচা, ধূলি-মাকতি, অভদ্ৰ আচৰণ দেখুৱাই আৰক্ষীক দুৱাৰমুখলৈ বুলি দলিয়াই দিয়ে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ আয়োগে (১৯৬৭) আইনযোগে প্ৰয়োগ আৰু প্ৰশাসন সম্পৰ্কীয় 'আৰক্ষীৰ কাৰ্যকৰী প্ৰতিবেদন'ত এনেদৰে ব্যক্ত কৰিছে— 'প্ৰথমতে নাগৰিক আৰু আৰক্ষীৰ মাজত বহল ভিত্তিত সংস্কাৰ সাধন হ'ব লাগিব। তেতিয়াহে আৰক্ষীয়ে জটিল সমস্যাৰ স'তে মোকাবিলা কৰিবলৈ সহজে আগবাঢ়িবলৈ সুবিধা হ'ব। দ্বিতীয়তে অধিক সতৰ্কভাৱে সমস্যা সমাধানৰ অৰ্থে আৰক্ষী আগ্ৰহী হ'ব। তেতিয়াহে পৰিৱৰ্তিত সামাজিক অৱস্থাৰ পটভূমিত আৰক্ষীয়ে ধাৰাবাহিক ক্ৰমবিকাশৰ স্পষ্ট নীতি-নিৰ্দেশনা কাৰ্যকৰী কৰিব পাৰিব বুলি ভাবিব পাৰি।'


বৰ্তমান সময়ত কিছু ক্ষেত্ৰত পৰিলক্ষিত হোৱা অসৎ উদ্দেশ্যৰে কৰা কাৰ্যকলাপবোৰে আৰক্ষীৰ ভাবমূৰ্তিত পূৰাব নোৱৰা ক্ষতিসাধন কৰিছে। ইয়ে মানুহৰ মনত তিক্ততাৰ সৃষ্টি কৰে, বিশ্বাসযোগ্যতাও নাইকিয়া হয়। আৰক্ষীৰ আচৰণত কৰ্তব্যৰ ভিতৰে-বাহিৰে সূক্ষ্মাতিসূক্ষ্ম ভাবমূৰ্তি প্ৰকাশ পোৱাটো কাম্য। দায়িত্ব আৰু কৰ্তব্য পালনত প্ৰদৰ্শন কৰা আচৰণে আৰক্ষীৰ জীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰে। আগ-পাছ নাভাবি, ক্ষমতা প্ৰয়োগেৰে জোৰ-জুলুম কৰা, উদ্ভট প্ৰবৃত্তি দেখুওৱা, তদন্ত কালত আটক বা অন্য ভাবুকি প্ৰদৰ্শনৰ দ্বাৰা সমগ্ৰ আৰক্ষী ব্যৱস্থাটোৰেই অপূৰণীয় ক্ষতি সাধন কৰে। গ্ৰেপ্তাৰ কৰোতে, খানা তালাচ বা ক্ৰোক কৰোতে আৰু উদ্বেগজনক কাৰ্যকলাপত (গোষ্ঠীগত সংঘৰ্ষ, ছাত্ৰ বিভোক্ষ, ঔদ্যোগিক অশান্তি সংঘৰ্ষ, ধৰ্মীয় শোভাযাত্ৰা আদি) আগ্নেয়াস্ত্ৰৰে সন্দেহযুক্তক বাধা দিয়া বা গ্ৰেপ্তাৰ কৰা বা বিক্ষুব্ধ লোকক নিয়ন্ত্ৰণ কৰা কথাই জনসাধাৰণৰ মনত আৰক্ষী সম্পৰ্কে মচিব নোৱৰা চেকা পেলায়। কাৰণ ৰাইজেই হ'ল আইন প্ৰয়োগকাৰী আৰক্ষীৰ চোকা পৰ্যবেক্ষক, নিৰীক্ষক।

আৰক্ষীৰ কামৰ ধৰণ হিচাপে সদায় উদ্বিগ্ন হৈ থাকিব লগা হয়। বহু সময়ত আৰক্ষী সেৱাৰ গাঁথনিটোৱেই সোলোক-ঢোলোক হৈ পৰা দেখা যায়। আৰক্ষীয়ে দয়া-মমতা আৰু মানৱতাৰ পৰিচয় দিয়াৰ ভালেমান উদাহৰণ আছে; কিন্তু তেনে কামৰ বাবে আৰক্ষীয়ে স্বীকৃতি পোৱাটো দূৰৈৰেই কথা, আনে তেওঁলোকৰ গাত ক'লা দাগহে সানে। জনসেৱাৰ বিনিময়ত আৰক্ষীক অসন্মানজনক নিকৰুণ আৰু কঠোৰ হৃদয়ৰ বুলিহে গণ্য কৰা হয়। চৰকাৰী নীতি-নিয়ম পদ্ধতিতো আৰক্ষীয়ে অসাধ্য, কষ্টকৰ, এৰাব নোৱাৰা, অপৰিহাৰ্য কাম সম্পন্ন কৰে বুলি অগ্ৰাধিকাৰ ভিত্তিত সন্মান বা স্বীকৃতি প্ৰদান কৰা নহয়।

স্বাভাৱিকতে আৰক্ষীৰ স্বভাৱ-চৰিত্ৰ সঠিক হোৱাটো বাঞ্ছনীয়। তাৰ বাবে আৰক্ষীৰ আচাৰ-ব্যৱহাৰ আৰু সামৰ্থ্য সন্দৰ্ভত বিশ্লেষণাত্মক ধাৰণা লোৱা হয়। সেই মতেই জাতি, বৰ্ণ, গোষ্ঠী, সম্প্ৰদায়ৰ মাজত শান্তি বিঘ্নিত নহ'বৰ বাবে জটিল পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সঠিক সিদ্ধান্ত লোৱা হয়। দ্ৰুতগতিত বাঢ়ি অহা সামাজিক সমস্যাৰ শাম কটাবলৈ আৰক্ষীয়ে চৰকাৰৰ মাধ্যমেৰে সজাগতা সৃষ্টিৰ বাবে অক্লান্ত চেষ্টা কৰাৰ প্ৰয়োজন আহি পৰিছে। সময় সলনিৰ স'তে সুৰ মিলাই আৰক্ষীয়ে বুজাবুজিৰ সেতু গঢ়ি স্ব-ইচ্ছাই গঠনমূলক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অপৰাধ নিয়ন্ত্ৰণ (ছেপ্টেম্বৰ, ১৯৭৫ ,কানাডা) সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ কংগ্ৰেছে এনেদৰে প্ৰকাশ কৰিছে— 'আৰক্ষীৰ ভূমিকা হ'ব লাগিব অপৰাধ নিয়ন্ত্ৰণ কৰা। আৰক্ষীৰ প্ৰাথমিক সেৱা হ'ল সমাজসেৱাক স্বীকৃতি প্ৰদান। গ্ৰেপ্তাৰ, সোধা পোছা, জেৰা আদিৰ পৰিৱৰ্তে আৰক্ষীয়ে সাধাৰণ কাজিয়াত লিপ্ত ব্যক্তি বা সমষ্টিক তেনে কামত প্ৰবৃত্ত নহ'বলৈ বুজাব লাগিব, উচিত পৰামৰ্শ আগবঢ়াব লাগিব। পলোৱা, লুকাই থকা, আত্মগোপন কৰা দোষী বা সন্দেহযুক্তক বিচাৰি উলিওৱাত আৰক্ষীয়ে নাগৰিক, ব্যৱসায়ীৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগিব, সহায় বিচাৰিব লাগিব।

কিশোৰ সিং বনাম ৰাজস্থান চৰকাৰৰ মোকৰ্দমা সংক্ৰান্তত ভাৰতৰ উচ্চতম ন্যায়ালয়ে আৰক্ষী সম্পৰ্কত এনেদৰে মন্তব্য কৰিছে— 'আৰক্ষীৰ জীৱনশৈলীত কৌশল বা বুদ্ধিমত্তাৰ সলনি মাৰ-পিট, সংস্কাৰৰ সলনি নিৰ্যাতনৰ দ্বাৰা অপৰাধ নিয়ন্ত্ৰণ সম্ভৱ নহয়। শেষত তেনে কৌশল বিফল হ'ব, বিদ্ৰোহৰ অগনিও নিৰ্বাপণ নহ'ব। এনে কাৰ্যৰ দ্বাৰা ঐক্য হ'ব অৰ্থহীন বা আৰক্ষী সেৱাৰ ভদ্ৰতাৰ বিলুপ্তি ঘটি অপৰাধ গাপ দিবলৈ কৰ্তৃপক্ষক বাধ্যহে কৰাব। তুৰন্তে সমূচিত কাৰ্যব্যৱস্থা হাতত লৈ আৰক্ষীয়ে সামাজিক বিশ্বাসযোগ্যতা সুনিশ্চিত কৰিব লাগে। 'সমালোচকসকলে সদায় ভুল কৰে আৰু আৰক্ষীয়ে লক্ষ্যত স্থিৰ হৈ আছে' বুলি প্ৰচাৰ কৰা উৰাবাতৰিৰ দ্বাৰা কেতিয়াও সমস্যাৰ সমাধান নহয়। আৰক্ষীৰ জিম্মাত থকা লোক এজনক মাৰধৰ কৰাটো মূখাৰ্মি আৰু এয়া অজ্ঞানতাৰ বাহিৰে আন একো নহয়। অত্যাচাৰ কৰি দণ্ড বিহা মানে আমাৰ সংবিধানিক সংস্কাৰৰ ওপৰত গভীৰ আঘাত হনাকে সূচায়। ইয়াৰ দ্বাৰা আৰক্ষীয়ে মানৱ অধিকাৰ উলংঘা কৰাটোহে দেখ দেখকৈ বুজাই দিয়ে।'

আৰক্ষীৰ ব্যৱহাৰ জকাইচুকীয়া নহৈ স্বাধীন, গণতান্ত্ৰিক আৰু কল্যাণকামী ৰাষ্ট্ৰৰ আশা-আকাংক্ষাক প্ৰতিবিম্বিত কৰিব পাৰিলেই অধিক শ্ৰেয় হ'ব। সংবিধানৰ ঊৰ্ধ্বলৈ গৈ আৰক্ষীয়ে হিংসাত্মক আচৰণেৰে নাগৰিকৰ মৌলিক অধিকাৰক সুৰক্ষা দিয়াৰ প্ৰতিকূলে যাব নোৱাৰে। আধুনিক আৰক্ষী ন্যায়ৰ প্ৰতীক হ'ব লাগিব। গণতান্ত্ৰিক আইন, আইনৰ শাসন আদি প্ৰচলিত গাঁথনিৰ আৱৰ্তত থাকি দেশবাসীলৈ সেৱা প্ৰদান কৰাটোৱেই বাঞ্ছনীয়। প্ৰত্যেকজন আৰক্ষীৰ পোছাকধাৰীয়ে নিষ্ঠাৰে, জ্ঞান-বিবেকেৰে শৃংখলা, ন্যায়, সংহতি, প্ৰত্যুৎপন্নমতিতাৰে সাধুতা প্ৰদৰ্শন কৰি, দক্ষতাৰে, নীতিনিষ্ঠভাৱে নিজৰ অভিব্যক্তি প্ৰকাশ কৰিব লাগিব। এয়া



আৰক্ষীৰ খাকী পোছাকযোৰৰ সন্মানৰ প্ৰশ্ন। সমাজৰ আশা-আকাংক্ষা পূৰণৰ অৰ্থে আৰক্ষীৰ আচাৰ-ব্যৱহাৰ সহানুভূতিশীল হোৱাটো বাঞ্ছনীয়। বিশেষকৈ জনসাধাৰণে মুকলিকৈ আৰু লাজ লগাকৈ সাম্প্ৰতিক সময়ৰ আৰক্ষী-ব্যৱস্থাক বক্ৰদৃষ্টিৰে চাইছে। আৰক্ষীয়ে নিঃসন্দেহে শক্তিশালী আৰু ক্ষমতাৰ বাঘজৰী হাতত লৈ আছে; কিন্তু তাৰ অৰ্থ এইটো নহয় যে আৰক্ষী সুশাসকৰ সলনি অত্যাচাৰী, নলগাত জেং লগোৱা, বন্ধুৰ সলনি অপ্ৰিয়ভাজন, সংযমী হোৱাৰ সলনি আওশৰীয়া হোৱা, ধৈৰ্যশীল হোৱাৰ সলনি কঠোৰ হোৱা, মগজুধাৰীৰ সলনি বাহুবলী হোৱা, বিষয়ত-কৰ্তব্যত মনোযোগী হোৱাতকৈ কেৱল ক্ষমতাহে প্ৰয়োগ কৰাটো সূচায়। এই সম্পৰ্কত অ' ডব্লিউ উইলছনে এনেদৰে কৈছে— 'আৰক্ষীয়ে নিজৰ ভাব-ভংগীৰ মাজেৰে সত্যৰ সুৱাস বিলাই সেৱাৰ প্ৰতি আগ্ৰহী হ'ব লাগিব। একে সময়তে আৰক্ষীয়ে সেৱা আৰু দাসত্ব, তেনেদৰে ভদ্ৰতা আৰু কোমলতাৰ মাজত থকা পাৰ্থক্যৰ কথাও জানিব লাগিব। আৰক্ষী দৃঢ়, অথচ নম্ৰ হৈ, ৰুক্ষভাব পৰিবৰ্জন কৰিব লাগিব। আৰক্ষীয়ে বন্ধুত্বপূৰ্ণ, অথচ সন্তোষজনক নিৰপেক্ষতাৰ উপায়েৰে সকলো ব্যক্তিগত সীমাবদ্ধতাৰ অৱস্থা আৰু ব্যৱস্থাক আগুৱাই নিব লাগিব। কঠোৰ, অথচ নিস্বাৰ্থ সেৱা নিয়ন্ত্ৰণৰ মাজেৰে সামৰিব লাগিব। আৰক্ষীয়ে এই কথা ভালদৰে বুজা উচিত যে তেওঁলোকৰ প্ৰধান উদ্দেশ্য হ'ল সংঘৰ্ষ ৰোধহে, মানুহক গ্ৰেপ্তাৰ কৰা নহয়।'

গোপন ষড়যন্ত্ৰৰ আৱৰ্তত আৰক্ষী সেৱা আবদ্ধ থকাটো সমাজে কেতিয়াও সমীচীন বুলি নাভাবে। আৰক্ষী সেৱা জনসমাজৰ পৰা বিচ্ছিন্ন হৈ সঞ্চালিত হ'ব নোৱাৰে; কাৰণ আৰক্ষীৰ অশোভনীয় আৰু ত্ৰুটিপূৰ্ণ আচৰণে মানুহক বিভ্ৰান্ত কৰে। প্ৰত্যক্ষভাৱে সম্ভৱপৰ সকলো প্ৰচাৰ মাধ্যমতে আৰক্ষীৰ কাৰ্য-পদ্ধতি, দোষীৰ অপৰাধৰ পৰিণতি, ভুক্তভোগীৰ কাৰুণ্যই সমাজক প্ৰভাৱিত কৰাকে দেখুৱায়। সেয়ে অপৰাধ আৰু সংঘটিত ঘটনাৰ পটভূমি তাৎক্ষণিক আৰু প্ৰত্যক্ষভাৱে প্ৰচাৰ কৰি আৰক্ষী আৰু ৰাইজৰ মাজত বিশ্বাসৰ সাঁকো গঢ়িব লাগে— পৰস্পৰৰ মাজত প্ৰত্যয় জন্মাব লাগে।

নিম্ন পৰ্যায়ৰ আৰক্ষী ব্যৱস্থাৰ প্ৰকৃতিত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আজি আহি পৰিছে। শতকৰা ৯০ ভাগ নিম্নখাপৰ আৰক্ষী দেশৰ আইনৰ প্ৰকৃত ৰক্ষক হিচাপে পৰিলক্ষিত হৈছে। তেওঁলোকৰ কৰ্ম-অপকৰ্ম, ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু আতিশয্যই আৰক্ষী সমাজৰ ভাবমূৰ্তিত কু-প্ৰভাৱ পেলাইছে। সেয়েহে আমাৰ আৰক্ষী ফৈদৰ গেলা-চেকা আৰম্ভণিতেই পৰিকল্পিত আৰু ঐকান্তিক প্ৰচেষ্টাৰে আঁতৰাব লাগিব। নিযুক্তিত সঠিক পদক্ষেপ, আৰক্ষীৰ ব্যক্তিগত প্ৰশিক্ষণ অন্ততঃপক্ষে নিম্নখাপত সঠিক প্ৰশিক্ষণৰ ব্যৱস্থা লোৱাটো হৈছে বৰ্তমান সময়ৰ আহ্বান। আমাৰ সংবিধানৰ প্ৰাথমিক আৰু মূল কথা হ'ল— আন্তঃজাতি সম্পৰ্কত প্ৰাধান্য প্ৰদান, আৰক্ষীৰ গৌণ সম্পৰ্ক ৰক্ষণ আৰু সমাজ আৰু সামাজিক চৰিত্ৰৰ উত্তৰণত গুৰুত্ব প্ৰদান।

*লেখক প্ৰাক্তন এ ডি জি পি*

*ফোন: ৬০০০৬০৩৮১৭*

## মংকীপক্স আক্ৰান্ত চতুৰ্থ ব্যক্তিৰ সন্ধান দিল্লীত



নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ দিল্লীত চতুৰ্থজন মংকীপক্স আক্ৰান্তৰ কালি সন্ধান লাভ কৰা হ'ল। এইবাৰো দিল্লীত মংকীপক্স সংক্ৰমিত ব্যক্তিজন হৈছে আফ্ৰিকাৰ বাসিন্দা। বিগত তিনিদিনত মংকী ভাইৰাছত সংক্ৰমিত তিনিজন আফ্ৰিকাৰ নাগৰিকৰ সন্ধান লাভ কৰা হ'ল ৰাজধানী দিল্লীত। চৰকাৰী সূত্ৰৰ খবৰ অনুসৰি, আক্ৰান্ত ৩১ বছৰীয়া মহিলাগৰাকী আফ্ৰিকাৰ নাইজেৰিয়াৰ বাসিন্দা। তেওঁৰ শৰীৰত মংকীপক্সৰ উপসৰ্গ চিনাক্ত হোৱাৰ পাছত সম্প্ৰতি আক্ৰান্তক এল এন জে পি চিকিৎসালয়ত ৰখা হৈছে। ভাৰতত বৰ্তমানলৈকে মুঠ নজন মংকীপক্স আক্ৰান্তক চিনাক্ত কৰা হৈছে। আক্ৰান্তৰ পাঁচজন কেৰালাৰ আৰু চাৰিজন দিল্লীৰ বাসিন্দা।

## ভাৰতীয় নৌসেনাত অগ্নিবীৰ হ'বলৈ ন লক্ষাধিকৰ আবেদন, ৮২ হেজাৰ প্ৰাৰ্থী মহিলা



নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ ভাৰতীয় নৌসেনাত এছ এছ আৰ আৰু এম আৰ পৰ্যায়ৰ পদত নিযুক্তিৰ বাবে প্ৰাৰ্থীৰ নাম পঞ্জীয়ন বুধবাৰে বন্ধ হৈছিল। ভাৰতীয় নৌসেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি নৌসেনাক অগ্নিবীৰ হোৱাৰ বাবে অগ্নিপথ আঁচনিৰ অধীনত ৯.৫৫ লাখ যুৱক-যুৱতীয়ে নিজৰ নাম পঞ্জীয়ন কৰালে। নৌসেনাত অগ্নিবীৰ হ'বলৈ নাম পঞ্জীয়ন কৰোৱা এইসকল যুৱ প্ৰাৰ্থীৰ মাজত ৮২ হেজাৰ মহিলা প্ৰাৰ্থী আছে। আজি টুইটাৰ হেণ্ডেলত ভাৰতীয় নৌসেনাই এই তথ্য প্ৰকাশ কৰে। উল্লেখ্য যে স্থলসেনা, বায়ুসেনা আৰু নৌসেনাত পূৰ্বৰে পৰা মহিলা বিষয়াক নিযুক্তি প্ৰদানৰ ব্যৱস্থা আছে যদিও প্ৰথমবাৰৰ বাবে ভাৰতত অগ্নিপথ আঁচনিৰ অধীনত বিষয়াপদৰ তলত পি বি অ' আৰ পৰ্যায়ৰ পদত মহিলাক নিযুক্তি প্ৰদান কৰা হ'ব।

## মহাৰাষ্ট্ৰৰ পালঘৰত আৰক্ষীৰ অভিযানত ১৪০০ কোটি টকাৰ নিষিদ্ধ ড্ৰাগ্‌ছ জব্দ



নিউজ ব্যুৰ', পালঘৰ, ৪ আগষ্ট ঃ মহাৰাষ্ট্ৰ আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণ বিভাগে পালঘৰত নিষিদ্ধ ড্ৰাগছৰ এক বৃহৎ ঘাটি উৎখাত কৰিলে। মহাৰাষ্ট্ৰৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, পালঘৰ জিলাৰ নালাছ'পাৰাত এটা দৰৱ প্ৰস্তুতকাৰক কাৰখানাত তালাচী চলাই আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছ জব্দ কৰে। কাৰখানাটোত থকা ৭০০ কিলোগ্ৰাম মেফেড্ৰ'ন আৰক্ষীয়ে জব্দ কৰে আৰু জব্দকৃত নিষিদ্ধ মাদকৰ মূল্য ১৪০০ কোটি টকা হ'ব। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিলে। ধৃত ব্যক্তিজনৰ চাৰিজন মুম্বাইৰ আৰু এজন নালাছ'পাৰা নিবাসী।

## ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদত সন্ত্ৰাসবাদৰ বিশেষ বৈঠকত সভাপতিত্ব কৰিব ভাৰতে



নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ৪ আগষ্ট ঃ ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘই নিৰাপত্তা পৰিষদত আয়োজন কৰা এখন বিশেষ বৈঠকত সভাপতিত্ব কৰিব। অহা ২৯ অক্টোবৰত নিৰাপত্তা পৰিষদত সন্ত্ৰাসবাদৰ সন্দৰ্ভত এই বৈঠক অনুষ্ঠিত হ'ব আৰু বৈঠকত ১৫ খন দেশৰ প্ৰতিনিধিয়ে অংশ ল'ব। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদক অস্থায়ী সদস্য হিচাপে ভাৰতৰ দুবছৰীয়া কাৰ্যকাল অহা ডিচেম্বৰত সমাপ্ত হ'ব। ভাৰতে ২০২২ বৰ্ষৰ বাবে নিৰাপত্তা পৰিষদৰ সন্ত্ৰাসবাদ বিৰোধীয়ে সমিতিৰ অধ্যক্ষতাৰ দায়িত্ব পালন কৰিব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰাপত্তা পৰিষদত অনুষ্ঠিত হ'ব লগা ২৯ অক্টোবৰৰ বৈঠকত আমেৰিকা, চীন, ৰাছিয়াসহ নিৰাপত্তা পৰিষদৰ ১৫ সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে অংশ ল'ব।

## ছমাহৰ পাছত দিল্লীত ক'ভিডৰ সংক্ৰমণ দুহেজাৰ হ'ল



নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ ছমাহ বিৰতিৰ পাছত দিল্লীত ক'ভিড আক্ৰান্তৰ সংখ্যাই বুধবাৰে দুহেজাৰৰ সীমা অতিক্ৰম কৰিলে। বুধবাৰে দেশৰ ৰাজধানী চহৰখনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমিত হোৱা পাঁচজন ৰোগীৰ মৃত্যু হ'ল। যোৱা চাৰি ফেব্ৰুৱাৰীত দিল্লীত অন্তিমবাৰৰ বাবে ২২৭২ লোক ক'ভিড সংক্ৰমিত হৈছিল। কালি দিল্লীত ২০৭৩ জন লোক ক'ভিডত সংক্ৰমিত হৈছিল। সুদীৰ্ঘ ছমাহৰ পাছত দেশৰ ৰাজধানী চহৰখনত ক'ভিডৰ সংক্ৰমণে পুনৰ দুহেজাৰৰ সীমা অতিক্ৰম কৰা ঘটনাই দিল্লীত ক'ভিডকেন্দ্ৰিক উদ্বেগ বৃদ্ধি কৰিছে।

## ২৪ ঘণ্টাত দেশত ক'ভিড সংক্ৰমণ ১৬ শতাংশ বৃদ্ধি, মৃত্যু ৫৩ জনৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ দেশজুৰি কৰ'নাৰ দৈনিক সংক্ৰমণৰ ৰেখাচিত্ৰ নিম্নমুখী হ'লেও যোৱা ২৪ ঘণ্টাত ১৬ শতাংশ সংক্ৰমণ বৃদ্ধিৰে ১৯,৮৯৩ জন লোক ক'ভিড সংক্ৰমিত হ'ল। বুধবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৭,১৩৫ জন। যোৱা ২৪ ঘণ্টাত কৰ্ণাটকত ২১৩৬, দিল্লীত ২০৭৩, মহাৰাষ্ট্ৰত ১৯৩২, কেৰালাত ১৪৪৯, তামিলনাডুত ১২৮৮, গুজৰাটত ১০৫৯ আৰু পশ্চিমবংগত ৯১১ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, বিগত এদিনত দেশত ৫৩ ক'ভিড ৰোগীৰ মৃত্যু হ'ল। কেৰালাত ১৬, মহাৰাষ্ট্ৰত সাত, দিল্লীত পাঁচ, পশ্চিমবংগ, অসম আৰু হিমাচল প্ৰদেশত চাৰিজন, উত্তৰাখণ্ড, পঞ্জাৱত তিনিজন, কৰ্ণাটকত দুজন, জম্মু-কাশ্মীৰ, মেঘালয়, চণ্ডীগড়, উত্তৰ প্ৰদেশ আৰু তামিলনাডুত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

**পুঁজিৰ ধন ব্যয় নকৰি আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত**

# ন'বেলজয়ী অৰ্থনীতিবিদ মহম্মদ ইউনুছৰ বিৰুদ্ধে তদন্ত কমিটী গঠন বাংলাদেশত

নিউজ ব্যুৰ' ঢাকা, ৪ আগষ্ট ঃ পুনৰ নতুন বিপদৰ সন্মুখীন হ'ল বাংলাদেশৰ ন'বেলজয়ী অৰ্থনীতিবিদ তথা গ্ৰামীণ কমিউনিকেচনৰ অধ্যক্ষ ড° মহম্মদ ইউনুছ। বিত্তীয় অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগত ইউনুছৰ বিৰুদ্ধে তদন্ত চলাবলৈ এইবাৰ তিনিজনীয়া সদস্যৰ কমিটী গঠন কৰিলে বাংলাদেশৰ দুৰ্নীতি নিয়ন্ত্ৰণ আয়োগে। বি বি চিৰ সূত্ৰৰ খবৰ অনুসৰি, গ্ৰামীণ টেলিকমৰ বিৰুদ্ধে প্ৰায় তিনি হেজাৰ কোটি টকা অবৈধভাৱে সহযোগী প্ৰতিষ্ঠানলৈ স্থানান্তৰ, শ্ৰমিক-কৰ্মচাৰীৰ লভ্যাংশৰ ধন লুণ্ঠন, কল্যাণ পুঁজিৰ ধন ব্যয় নকৰি আত্মসাৎ কৰাৰ দৰে উত্থাপিত অভিযোগৰ সন্দৰ্ভত দুৰ্নীতি নিয়ন্ত্ৰণ আয়োগে তদন্ত চলাব। যোৱা সপ্তাহত দুৰ্নীতি নিয়ন্ত্ৰণ আয়োগৰ সচিব মাহবুব হাছানে সাংবাদিকৰ আগত কৈছিল যে শ্ৰম আৰু কৰ্মসংস্থান মন্ত্ৰণালয়ৰ কল-কাৰখানা আৰু প্ৰতিষ্ঠান পৰিদৰ্শন বিভাগৰ পৰা লাভ কৰা অভিযোগৰ পৰিপ্ৰেক্ষিতত অনুসন্ধান আৰম্ভ কৰা হৈছে। বাংলাদেশত গ্ৰামীণ বেংকৰ মাধ্যমৰে ক্ষুদ্ৰ ঋণ ব্যৱস্থা প্ৰৱৰ্তন



কৰিছিল ইউনুছে। গ্ৰামীণ টেলিকমৰ মাধ্যমৰে যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰতো ইউনুছে অৱদান আগবঢ়োৱা বুলি বহুতে মত প্ৰকাশ কৰে। কিন্তু এই দুই প্ৰতিষ্ঠানত বৃহৎ বিত্তীয় অনিয়মৰ অভিযোগ উত্থাপিত হোৱাত বাংলাদেশৰ দুৰ্নীতি নিয়ন্ত্ৰণ আয়োগে তদন্তৰ বাবে কমিটী গঠন কৰিব।



## হৃদৰোগত আক্ৰান্ত হৈ প্ৰয়াত বৰ্ষীয়ান অভিনেতা মিথিলেশ চতুৰ্বেদী

নিউজ ব্যুৰ' লক্ষ্ণৌ, ৪ আগষ্ট ঃ বলিউডৰ বৰ্ষীয়ান অভিনেতা মিথিলেশ চৰ্তুবেদীয়ে যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰিলে। ৬৪ বছৰ বয়সীয়া অভিনেতাজনৰ কিছুদিন পূৰ্বে প্ৰথমবাৰ হাৰ্ট এটেক হৈছিল আৰু সুস্থ হোৱাৰ পাছত চিকিৎসালয়ৰ পৰা ঘৰলৈ আহি লক্ষ্ণৌত তেওঁ বিশ্ৰাম কৰিছিল। বুধবাৰে নিশা পুনৰ হাৰ্ট এটেক হোৱা মিথিলেশক লগে লগে পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও চিকিৎসকে তেওঁক মৃত ঘোষিত কৰে। 'কায়ামত', 'গদৰ', 'কয়ি মিল গেয়া', 'তাল', 'ক্ৰিছ', 'ফিজা', 'বণ্টি আৰু বাবলি', 'ৰেডী'ৰ দৰে কে'বাখনো বাণিজ্যিকভাৱে সফল বলিউডৰ ছবিত মিথিলেশে অভিনয় কৰাৰ লগতে টেলিভিছনৰ ধাৰাবাহিকতো অভিনয় কৰিছিল।

## জেফ বেজ'ছক স্থানচ্যুত কৰিব পাৰে আদানীয়ে, পুনৰ সম্পত্তি বৃদ্ধি

নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ বিশ্বৰ ১০ শীৰ্ষ অৰ্বুদপতিৰ সৰহ সংখ্যকৰে সম্পত্তিৰ পৰিমাণ বুধবাৰে পুনৰ বৃদ্ধি পালে। ফ'ৰ্বছ ৰিয়েল টাইম বিলিয়নেৰ তালিকাত সম্প্ৰতি প্ৰথম স্থানত থকা টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী এলন মাস্কৰ বুধবাৰে ৪.৮ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে। একেদৰে তৃতীয় স্থানত থকা এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছৰ সম্পত্তি ৫.৩ বিলিয়ন ডলাৰ বৃদ্ধি হ'ল। লেৰি পেজৰ ২.৩ বিলিয়ন ডলাৰ, চাৰ্গে ব্ৰিনৰ ২.২ বিলিয়ন ডলাৰৰ সম্পত্তি বুধবাৰে বৃদ্ধি পালে। লেৰি এৰিছনৰ মুঠ সম্পত্তিৰ পৰিমাণ ১০৭.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পোৱাত তেওঁ তালিকাত পঞ্চম স্থান লাভ কৰিলে। লেৰিয়ে বিল গেটছক স্থানচ্যুত কৰে। ভাৰতীয় উদ্যোগপতি গৌতম আদানীয়ে ১২৬ বিলিয়ন ডলাৰৰ সম্পত্তিৰে তালিকাত চতুৰ্থ স্থান দখলত ৰাখিছে। যি দ্ৰুত গতিৰে চলিত বৰ্ষত আদানীৰ সম্পত্তি বৃদ্ধি অব্যাহত আছে, সেয়া আগন্তুক সময়ত বৰ্তি থাকিলে অহা কেইমাহমানৰ ভিতৰতে জেফ



বেজ'ছক স্থানচ্যুত কৰি আদানীয়ে অৰ্বুদপতিৰ তালিকাত তৃতীয় স্থান দখল কৰাৰ সম্ভাৱনা আছে। চলিত বৰ্ষত বৰ্তমানলৈকে আদানীৰ ৫০ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পোৱাৰ বিপৰীতে বেজ'ছৰ ২৮.৯ বিলিয়ন ডলাৰৰ সম্পত্তি হ্ৰাস পালে। একেদৰে মাস্কৰ ৩.৪০ বিলিয়ন ডলাৰ, গেটছৰ ২০.৪ বিলিয়ন ডলাৰ আৰু পেজৰ ২১ বিলিয়ন ডলাৰৰ সম্পত্তি চলিত বৰ্ষত বৰ্তমানলৈকে হ্ৰাস পালে।

## সঞ্জয় ৰাউটৰ ই ডিৰ জিম্মা আঠ আগষ্টলৈ বৃদ্ধি



নিউজ ব্যুৰ', মুম্বাই, ৪ আগষ্ট ঃ মুম্বাইৰ এখন আদালতে আজি শিৱসেনাৰ নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় ৰাউটৰ প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জিম্মাৰ ম্যাদ অহা আঠ আগষ্টলৈ বৃদ্ধি কৰিলে। অবৈধ বিত্তীয় লেনদেনৰ অভিযোগত যোৱা দেওবাৰে মাজনিশা কেন্দ্ৰীয় আৰ্থিক তদন্তকাৰী সংস্থাটোৱে শিৱসেনাৰ সাংসদজনক গ্ৰেপ্তাৰ কৰিছিল। আজি ই ডিয়ে ৰাউটক আদালতে দাখিল কৰিছিল আৰু পি এম এল এ আদালতৰ ন্যায়াধীশ এম জি দেশপাণ্ডেয়ে ই ডিৰ দাবী অনুসৰি ৰাউটক অহা আঠ আগষ্টলৈকে তদন্তকাৰী সংস্থাটোৰ জিম্মালৈ প্ৰেৰণ কৰে। ই ডিয়ে ভূমি কেলেংকাৰিৰ গোচৰত গ্ৰেপ্তাৰ কৰা ৰাউটৰ ঘৰত তালাচী চলাই ১১.৫ লাখ টকাৰ নগদ ধন জব্দ কৰিছিল।




## কানাডা আৰক্ষীয়ে জাৰি কৰা ১১ ম'ষ্ট ৱাণ্টেড গেংষ্টাৰৰ তালিকাত পাঁচজন পঞ্জাৱী মূলৰ

নিউজ ব্যুৰ', টৰণ্টো, ৪ আগষ্ট ঃ কানাডাৰ আৰক্ষীয়ে এক বিবৃতিৰ জৰিয়তে দেশবাসীক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনালে। দৰাচলতে কানাডা আৰক্ষীয়ে দেশখনত সক্ৰিয় হৈ থকা ১১ জন ম'ষ্ট ৱাণ্টেড গেংষ্টাৰৰ এখন তালিকা প্ৰকাশ কৰি সকলোকে সতৰ্ক থাকিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে ১১ জনীয়া গেংষ্টাৰৰ ম'ষ্ট ৱাণ্টেড তালিকাখনত আছে নজনকৈ পঞ্জাৱী মূলৰ গেংষ্টাৰ। কানাডা আৰু ব্ৰিটিছ কলম্বিয়া আৰক্ষীয়ে যৌথভাৱে টুইটাৰত গেংষ্টাৰৰ এই তালিকা শ্বেয়াৰ কৰিছে। তালিকাখনত ফটোসহ ১১ জন গেংষ্টাৰৰ নাম প্ৰকাশ কৰা হৈছে। তালিকাত নাম অন্তৰ্ভুক্ত হোৱা গেংষ্টাৰকেইজন হৈছে শকীল বছৰা, অমৰপ্ৰীত ছমৰা, জগদীপ ছিমা, ৰবিন্দৰ শৰ্মা, বৰিন্দৰ ধালিৱাল, এণ্ডি ছেণ্ট পিয়েৰে, গুৰপ্ৰীত ধালিৱাল, ৰিচাৰ্ড যোছেফ হিটলক, সমৰূপ গীল, সুমদিছ গীল আৰু সুখদীপ পঞ্চালি।

## ভাৰ্চুৱেল বিবাহক স্বীকৃতি প্ৰদান কৰি মাদ্ৰাছ উচ্চ ন্যায়ালয়ে ক'লে, 'বিবাহ মৌলিক অধিকাৰ'



নিউজ ব্যুৰ', চেন্নাই, ৪ আগষ্ট ঃ মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ মাদুৰাই বিচাৰপীঠৰ ন্যায়াধীশ জি আৰ স্বামীনাথনে এক গোচৰৰ ৰায়ত কয় যে বিশেষ বিবাহ আইন ১৯৫৪ৰ ধাৰা ১২ৰ অধীনত এজন ব্যক্তিয়ে বিবাহৰ যিকোনো পদ্ধতি অৱলম্বন কৰাৰ অধিকাৰ আছে। মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠখনে আমেৰিকাত বসবাস কৰা দৰা আৰু ভাৰতত থকা কইনাৰ ভাৰ্চুৱেল বিবাহৰ বাবে অনুমতি প্ৰদান কৰি কয় যে বিবাহ হৈছে এজন ব্যক্তিৰ মৌলিক মানৱাধিকাৰ আৰু ইয়াক বাধাদান কৰিব নোৱাৰি। উল্লেখ্য যে ভাৰ্চুৱেল পদ্ধতিৰে আমেৰিকাত থকা দৰাৰ স'তে বিবাহ সম্পন্ন কৰাৰ অধিকাৰ বিচাৰি এগৰাকী মাদুৰাইৰ যুৱতীয়ে আদালতৰ দ্বাৰস্থ হৈছিল। আদালতে আবেদনকাৰীক অনুমতি প্ৰদান কৰি কয় যে বিবাহৰ প্ৰমাণপত্ৰত যুৱতীয়ে নিজৰ আৰু দৰাৰ স্বাক্ষৰ গ্ৰহণ কৰিব পাৰিব, কিয়নো তেওঁৰ হাতত 'পাৱাৰ অৱ্ এটৰ্নী' আছে।

## টাইৱান সীমান্তত ধাৰাসাৰ ক্ষেপণাস্ত্ৰ নিক্ষেপ চীনৰ, জি-৭ৰ তীব্ৰ বিৰোধিতা

নিউজ ব্যুৰ' বেইজিং, ৪ আগষ্ট ঃ আমেৰিকাৰ সংসদৰ অধ্যক্ষ নেন্সি পেল'চিয়ে টাইৱান ভ্ৰমণ কৰা ক্ষুব্ধ চীনে টাইৱান সীমান্তলৈ নিক্ষেপ কৰিলে অগণন ক্ষেপণাস্ত্ৰ। সামৰিক অনুশীলনৰ অছিলাৰে চীনৰ সেনাই টাইৱানৰ আশে-পাশে থকা সমুদ্ৰলৈ নিক্ষেপ কৰিলে কে'বাটাও বেলিষ্টিক ক্ষেপণাস্ত্ৰ। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে চীনৰ সেনা বাহিনীৰ এই আচৰণক গৰিহণা দি কয় যে এনে পদক্ষেপ গ্ৰহণ কৰি



বেইজিঙে আগ্ৰাসী আচৰণ প্ৰদৰ্শন কৰিলে। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি আজি দুপৰীয়া পূৰ্বোত্তৰ আৰু দক্ষিণ-পশ্চিম টাইৱানৰ আশে পাশে থকা সমুদ্ৰ চীনৰ সেনা বাহিনীয়ে বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। ইফালে, চীনৰ এই বেলিষ্টিক ক্ষেপণাস্ত্ৰ আক্ৰমণৰ তীব্ৰ বিৰোধিতা কৰিলে জি-৭ৰ সদস্য ৰাষ্ট্ৰই। জাপানসহ জি-৭ৰ সদস্য দেশৰ বৈদেশিক মন্ত্ৰীয়ে যোৱা বুধবাৰে চীনক টাইৱানৰ স'তে উদ্ভৱ হোৱা সংঘাত শান্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ আহ্বান জনাইছিল।

## পশ্চিমবংগত এইবাৰ কলেজত অধ্যাপক নিযুক্তিৰ কেলেংকাৰি, গোচৰ উচ্চ ন্যায়ালয়ত

নিউজ ব্যুৰ' কলকাতা, ৪ আগষ্ট ঃ শিক্ষাখণ্ডত পশ্চিমবংগত উন্মোচিত হ'বলৈ ধৰিছে এটাৰ পাছত আন এটা দুৰ্নীতি- কেলেংকাৰি। এছ এছ চি, প্ৰাথমিক শিক্ষক নিযুক্তি কেলেংকাৰিৰ পাছত এইবাৰ ৰাজ্যখনত কলেজৰ অধ্যাপক নিয়োগত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপিত হ'ল। ইতিমধ্যে এই সন্দৰ্ভত কলকাতা উচ্চ ন্যায়ালয়ত এক জনস্বাৰ্থ জড়িত আবেদন দাখিল কৰা হৈছে আৰু শুকুৰবাৰে এই আবেদনৰ শুনানিৰ সম্ভাৱনা আছে। আবেদনকাৰীৰ অভিযোগ অনুসৰি ৰাজ্যখনৰ কলেজত অতিথি প্ৰবক্তা-অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত নিয়ম উলংঘন কৰা হৈছিল। ২০১৯ৰ ডিচেম্বৰত মহাবিদ্যালয়ত শিক্ষক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত অৰ্হতাহীন লোককো কলেজত প্ৰবক্তাৰ পদত নিযুক্তি দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। ১২-১৪ হেজাৰ অতিথি প্ৰবক্তা নিযুক্তিক লৈ আবেদনকাৰীয়ে আদালতত প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে



পশ্চিমবংগৰ বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ দুৰ্নীতিৰ অভিযোগত ইতিমধ্যে ৰাজ্যখনৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীক প্ৰবৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰিছে। এনে পৰিস্থিতিতে পাৰ্থৰ শিক্ষামন্ত্ৰীৰ কাৰ্যকালতে ৰাজ্যখনৰ মহাবিদ্যালয়ত নিযুক্তিৰ ক্ষেত্ৰতো দুৰ্নীতিৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। এই ঘটনাৰ তদন্তৰ দাবীৰে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীলৈ মুকলি পত্ৰ লিখিব কলেজ ছাৰ্ভিচ কমিছনৰ যোগ্য অথচ বঞ্চিত চাকৰি প্ৰাৰ্থীসকলে।

## আৰ্মেনিয়া-আজাৰবাইজানৰ মাজত পুনৰ আৰম্ভ যুদ্ধ, ৰক্তাক্ত হ'ল নাগৰ্ন'-কাৰাবাখ



নিউজ ব্যুৰ', কাৰাবাখ, ৪ আগষ্ট ঃ ইউক্ৰেইনৰ সংঘাতৰ সময়তে আকৌ এবাৰ যুদ্ধত লিপ্ত হ'ল আৰ্মেনিয়া আৰু আজাৰবাইজান। বিতৰ্কিত নাগৰ্ন'-কাৰাবাখ অঞ্চলৰ দখলক লৈ আকৌ এবাৰ যুদ্ধ আৰম্ভ কৰিলে দুই দেশৰ সেনা বাহিনীয়ে। প্ৰকাশিত বাতৰি অনুসৰি সম্প্ৰতি বিতৰ্কিত নাগৰ্ন'-কাৰাবাখ অঞ্চলত কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ একাধিক ওখ অঞ্চল আজাৰবাইজানৰ সেনা বাহিনীয়ে দখল কৰিলে। ইয়াৰ পাছতে প্ৰতি আক্ৰমণ আৰম্ভ কৰিছে আৰ্মেনিয়াৰ সেনা বাহিনীয়ে। এই সংঘৰ্ষত উভয় পক্ষৰ কে'বাজনো সৈনিক হতাহত হোৱা বুলিও বাতৰি লাভ কৰা হৈছে। আৰ্মেনিয়া আৰু আজাৰবাইজানৰ মাজত পুনৰ সংঘাত সৃষ্টি হোৱাত উদ্বেগ প্ৰকাশ কৰিলে আমেৰিকাই। এক বিবৃতিত মাৰ্কিন বৈদেশিক বিভাগে উভয় ৰাষ্ট্ৰক যুদ্ধ এৰি আলোচনাৰ মাধ্যমৰে সমস্যাৰ সমাধান বিচাৰিবলৈ আহ্বান জনাইছিল। বিশ্লেষকৰ মতে আৰ্মেনিয়াক ৰাছিয়াই পৃষ্ঠপোষকতা প্ৰদান কৰি আহিছে যদিও ইউক্ৰেইনত যুদ্ধত ব্যস্ত থকা হেতুকে সম্প্ৰতি আৰ্মেনিয়াক ৰুছ সেনাই প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব পৰা নাই আৰু এই সুযোগতে আজাৰবাইজানে আগ্ৰাসী আচৰণ প্ৰদৰ্শন কৰিছে।

## ছেকেণ্ডতে কৰিব পাৰিব চিনেমা ডাউনলোড ঃ কি কি সুবিধা হ'ব '৫ জি'ত?




নিউজ ব্যুৰ', নতুন দিল্লী, ৪ আগষ্ট ঃ বৰ্তমানে ভাৰতত উপলব্ধ ৪ জি ইণ্টাৰনেট সেৱাত সৰ্বোচ্চ 'স্পীড' অৰ্থাৎ গতিৰ সীমা হৈছে ১০০ এম বি পি এছ। দেশত ৫ জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তনৰ পাছত ইণ্টাৰনেটৰ 'স্পীড' ১০০ গুণলৈকে বৃদ্ধি পাব পাৰে। নতুন প্ৰজন্মৰ ইণ্টাৰনেট সেৱাৰ অধীনত মুহূৰ্ততে ডাউনলোড কৰিব পাৰিব এইচ ডি চিনেমা। বিগত এক দশকত ভাৰতত ৪ জি নেটৱৰ্কৰ যথেষ্ট প্ৰসাৰ ঘটিছে। এইবাৰ চলিত মাহতে দেশত ৫ জি ইণ্টাৰনেট সেৱাৰ প্ৰৱৰ্তনৰ সম্ভাৱনা আছে। কেন্দ্ৰৰ চৰকাৰে ইতিমধ্যে দেশত ৫ জি স্পেকট্ৰামৰ নিলাম সম্পন্ন কৰিলে। ইয়াৰ পাছতে প্ৰশ্ন উত্থাপিত হৈছে ৪ জিৰ তুলনাত ৫ জি নেটৱৰ্কত উপভোক্তাসকলে অতিৰিক্ত কি সুবিধা লাভ কৰিব? সাধাৰণতে ৪ জি নেটৱৰ্কৰ অধীনত ৩৫ এম বি পি এছ স্পীডৰ সেৱা লাভ কৰা হয়। ৫ জি নেটৱৰ্কত ২০ জিবিপিএছৰ স্পীড ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে লাভ কৰিব বুলি কোৱা হৈছে যদিও বিশেষজ্ঞসকলৰ মতে, দেশত এই সেৱা প্ৰৱৰ্তনৰ পাছত ৫ জিৰ অধীনত ৩ জিবিপিএছ পৰ্যন্ত স্পীড লাভ কৰা সম্ভৱ হ'ব। অৱশ্যে ৪ জিৰ দৰে ৫ জি নেটৱৰ্কে সমগ্ৰ দেশক সামৰি ল'বলৈ অধিক সময়ৰ প্ৰয়োজন হ'ব পাৰে। 'স্পীড'ৰ লগতে ৫ জিৰ অধীনত স্মাৰ্টফোনৰ ব্যৱহাৰকাৰীয়ে ফোনকলৰ ক্ষেত্ৰতো উন্নত মানৰ সেৱা লাভ কৰিব।



## এইবাৰ দক্ষিণ কোৰিয়াত উপস্থিত হ'ল মাৰ্কিন সংসদৰ অধ্যক্ষ পেল'চি

নিউজ ব্যুৰ', ছিউল, ৪ আগষ্ট ঃ টাইৱান ভ্ৰমণ সমাপ্ত কৰি এইবাৰ দক্ষিণ কোৰিয়াত উপস্থিত হ'ল আমেৰিকাৰ সংসদৰ অধ্যক্ষ নেন্সি পেল'চি। পেল'চিয়ে দক্ষিণ কোৰিয়াৰ শীৰ্ষ নেতৃত্বক সাক্ষাৎ কৰাৰ লগতে কোৰিয় উপদ্বীপৰ নিৰাপত্তা, আৰ্থিক সহযোগিতা আৰু জলবায়ু বিষয়ত আলোচনাত অংশ ল'লে। এদিন পূৰ্বে চীনৰ তীব্ৰ বিৰোধিতাক নেওচি পেল'চিয়ে টাইৱানত উপস্থিত হৈছিল। স্বশাসিত দ্বীপৰাষ্ট্ৰখনত এইদৰে উপস্থিত হৈ পেল'চিয়ে টাইৱানৰ শীৰ্ষ নেতৃত্বৰ স'তে বৈঠকত অংশ লোৱাত বেইজিঙে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। চীনে পেল'চিৰ টাইৱান ভ্ৰমণৰ বিৰোধিতা কৰি কৈছিল যে আমেৰিকাই চীনৰ আভ্যন্তৰীণ প্ৰসংগত হস্তক্ষেপ কৰিলে ইয়াৰ পৰিণতি ভৱিষ্যতে অধিক ভয়াৱহ হ'ব পাৰে। কিন্তু চীনৰ ৰঙাচকুক নেওচি পেল'চিয়ে সফলতাৰে টাইৱান ভ্ৰমণসূচী সমাপ্ত কৰিলে। বুধবাৰে নিশা মাৰ্কিন কংগ্ৰেছৰ আন কে'বাজনো সদস্যৰ স'তে দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত উপস্থিত হৈছিল। ইয়াৰ পূৰ্বে আমেৰিকাৰ সংসদৰ অধ্যক্ষগৰাকীয়ে ছিংগাপুৰ আৰু মালয়েছিয়াও ভ্ৰমণ কৰিছিল।

# ধাৰ্মিকৰ অৱলম্বন ঈশ্বৰ নাস্তিকৰ অৱলম্বন কি?

**এজন** মানুহে যদি শত্ৰু গঢ়ি লʼব পৰা নাই তেতিয়া জানিব লাগিব যে তেওঁ জীৱনত গুৰুত্বপূৰ্ণ সত্য কেতিয়াও প্ৰকাশ কৰা নাই আৰু তাকে কৰি কাৰো অন্তৰত দুখ বা আঘাত দিয়া নাই। তেওঁ সদায় তোষামোদৰ আশ্ৰয় লৈ নিজৰ জীৱন-যাপনৰ পথ মসৃণ কৰি ৰাখিছে মাত্ৰ। তেওঁ মানুহজন হয় দুমুখীয়া নহয় মিছলীয়া। তেনে ব্যক্তিৰ পৰা অৰশ্যে সমাজে একো ন্যায় আশা কৰিব নোৱাৰে। গুণকাৰী বা সৃষ্টিশীল কাম তেওঁ কৰিবতো নোৱাৰেই!

মানৱ জীৱনৰ আটাইতকৈ সহজ কামটো হʼল ধৰ্মৰ বাণী আৰু গুৰুৰ বচন আখৰে আখৰে পালন কৰি গৰ্ববোধ কৰা। ইয়াত চিন্তা, পৰিশ্ৰম বা কষ্ট বুলি কোনো কথাই নাই। নাই কোনো যুক্তি-বিচাৰ কৰি কাৰো লগত তৰ্কত লিপ্ত হোৱাৰ প্ৰয়োজন। কাৰোবাৰ বিৰুদ্ধে যোৱা নতুবা শত্ৰু গঢ়ি লোৱাতো প্ৰশ্নই উঠিব নোৱাৰে।

ধৰ্মৰ বাণীবোৰ পঢ়ক. ঈশ্বৰক তোষামোদ কৰক আৰু দৰকাৰ হʼলে ঈশ্বৰৰ চৰণত পৰি ইনাই-বিনাই কান্দক। সকলো সমস্যা সমাধান হৈ যাব। ভগৱানক ইটো দিম, তেওঁৰ চৰণত সিটো অগবঢ়াম, পূজা-অৰ্চনা,নাম-প্ৰসংগ কৰিম বুলি প্ৰলোভন দিলেতো কথাই নাই। ভকত বৎসল ভগৱান পৰম ভকতৰ ওচৰত আহি থিয় দিবহি।

কথাবোৰ আমি ভবামতে হয় জানো? কথাবোৰ হওক বা নহওক আমি ভবা বা আশা কৰাতো বাধা নাই। ধাৰ্মিক লোকৰ সহায়-সাৰথি হৈ থকাই ঈশ্বৰৰ একমাত্ৰ কাম নহয় জানো? পৰম কৰুণাময় ঈশ্বৰে তেওঁৰ অনুগামীৰ দুখ-দুৰ্গতি নাশ কৰি থকা নাই জানো? কোনোবা ভক্ত অথাই সাগৰত পৰি কক্‌বকাই থাকিলে তাৰ পৰা উদ্ধাৰৰ কাৰণে দয়াময় ঈশ্বৰ তৎক্ষণাত দৌৰি আহে। বেমাৰ-আজাৰ, বিপদ-আপদ হʼলে তেওঁকে পায় প্ৰথমতে।

সেই কাৰণেই ২০টামান ধৰ্মৰ দেশ ভাৰতবৰ্ষত ধাৰ্মিকৰ কোনো চিন্তা নাই। দুখ-যাতনা-কষ্টও নাই।

সদা-সৰ্বদা গভীৰ চিন্তাত পৰে নাস্তিকেহে। কাৰণ নাস্তিকৰ কোনো অৱলম্বন নাই। কোনো সহায়-সাৰথি নাই। তেওঁ নিজে নিজৰ অৱলম্বন। নিজে নিজৰ সহায়ক। নাস্তিক এজনে ঈশ্বৰৰ ওপৰত বিশ্বাস কৰাতকৈ নিজৰ ওপৰতহে বিশ্বাস ৰাখে। নাস্তিকজন স্বাভাৱিকতে গভীৰ আত্মবিশ্বাসী। তেওঁ তেওঁৰ শিক্ষা-জ্ঞান, বুদ্ধি-কৌশল সকলো প্ৰয়োগ কৰে কাম এটা কৰাৰ সময়ত।

ভাববাদী দৰ্শনৰ প্ৰবক্তাসকলে মানি লোৱাৰ দৰে নাস্তিক এজনে ঈশ্বৰৰ অস্তিত্ব মানি লʼবলৈ অস্বীকাৰ কৰাই নহয় এই ভাৱনাটোকে নস্যাৎ কৰে। পৃথিৱীখনত ঈশ্বৰৰ মালিকীস্বত্বও নাকচ কৰে দৃঢ়ভাৱে। অজ্ঞানৰ মগজুত ঈশ্বৰ বা দেৱ-দেৱীয়ে বসতি স্থাপন কৰা কাৰ্যকো মানৱ জাতিৰ বাবে ক্ষতিকাৰক বুলি মত প্ৰকাশ কৰে।

সৰ্বসাধাৰণ মানুহে আজিওভাৱে ঈশ্বৰ বা ভগৱান মানুহৰ ভাগ্য নিয়ন্তা। অদৃশ্যশক্তি, গ্ৰহ-নক্ষত্ৰ আদিয়েও আমাৰ জীৱনৰ ওপৰত সু বা কুপ্ৰভাৱ পেলাই সুখ-দুখ, ধন-সম্পদ, অপায়-অমংগলৰ কাৰণ ৰূপে দেখা দিব পাৰে। নাস্তিক এজনৰ দৃষ্টিত এইবোৰ কথা অমূলকেই অকল নহয় হাস্যকৰো। বৈজ্ঞানিক দৃষ্টিভংগীৰে লক্ষ্য কৰি যুক্তি-বিচাৰ প্ৰয়োগ কৰি নাস্তিক এজনে কʼব খোজে যে মানুহে নিজে নিজৰ ভাগ্যৰ গৰাকী। ভাগ্য গঢ়ি লʼব পৰা জ্ঞান, বিচাৰ, বুদ্ধি মানুহৰ আছে।

মানুহে নিজৰ প্ৰয়োজনতে সমাজ, সংঘ, চহৰ-নগৰ, ৰাষ্ট্ৰ গঠন কৰি লৈছে। নিজৰ শ্ৰেষ্ঠ কৰ্মৰ দ্বাৰা সভ্যতা-সংস্কৃতি গঢ়ি তুলিছে। আইন-বিধি ৰচনা কৰি মানুহে নিজে নিজক শাসন কৰি শৃংখল জীৱনৰ পাতনি মেলিছে। নিজৰ সুবিধা আৰু সুখ-স্বাচ্ছন্দৰ কাৰণে বিজ্ঞান প্ৰযুক্তি ব্যৱহাৰ কৰি অত্যাধুনিক আহিলা, যন্ত্ৰপাতি, আচবাব তৈয়াৰ কৰিছে। সেই যন্ত্ৰ, আহিলা-পাতিৰ লগত আমি অভ্যস্ত হোৱাই নহয় সেইবোৰ নহʼলে যেন আমি আজি চলিবই নোৱাৰিম। আমাৰ সকলো ধৰণৰ গতি হঠাতে স্তব্ধ হৈ যাব যদি বিজ্ঞানক বাদি দিওঁ।

ধৰ্মক বাদ দিলে আমাৰ একো ক্ষতি নহয়। বৰঞ্চ সমাজ আৰু দেশবোৰৰ অৱস্থা শতগুণে ভালহে হʼব। মানুহৰ মাজত চলিব ধৰা অসহিষ্ণুতাৰ ওৰ পৰিব। জাত-ধৰ্ম সম্প্ৰদায়ক লৈ চলি থকা কাজিয়া-কন্দল কমি যাব? ইজনে সিজনক ঘিণ কৰা, অস্পৃশ্যতাৰে অৱজ্ঞা কৰা আৰু উচ্চ-নীচ আদিৰ দৰে ঘৃণনীয় কথাবোৰ



সমাজৰ পৰা পলাই পত্ৰং দিব। মানুহ হʼব মুক্ত চিন্তাৰ গৰাকী।

প্ৰায়বোৰ ধৰ্ম আৰু শাস্ত্ৰত কৈছে ঈশ্বৰে তেওঁৰ ইচ্ছামতে বিশ্ব-ব্ৰহ্মাণ্ড তৈয়াৰ কৰিছে। তেওঁ ইচ্ছা কৰাতহে পৃথিৱীত জীৱ আৰু মানুহে স্বজন হৈছে। ঈশ্বৰে স্বৰ্গ-নৰক আদি সৃষ্টি কৰিছে। পাপ কৰ্মৰ বাবে শাস্তি বিধান আৰু নৰক নিবাস আনহাতে পুণ্য কৰ্মৰ বাবে পুৰস্কাৰ আৰু স্বৰ্গপ্ৰাপ্তি নিৰ্ধাৰণ কৰি থৈছে।

এইবোৰো অৱশ্যে অমূলক চিন্তা। অপিৰপক্ক মগজুৰ লʼৰামতীয়া ধাৰণা। অপৈণত চিন্তা বা অলীক কল্পনাৰে বাহিৰে আন একো নহয়। তেতিয়াৰ শাস্ত্ৰকাৰসকলে ভাববাদী দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হৈ কথন-মথন, কল্পনা আৰু ভাৱনাবোৰকে বিভিন্ন সময়ত বিভিন্ন শাস্ত্ৰত লিপিবদ্ধ কৰি থৈ গৈছে যিবোৰক আমি ঈশ্বৰ বা আল্লা বা গডৰ মুখৰ বচন বাণী বুলি মানি তাকে উচ্চ মান্যতা দি গদগদ হৈ জ্ঞানীজনৰ দৰে আছোহক সেইবোৰকে চৰ্বিত-চৰ্বণ কৰি। কিছুমান নীতিবচন আৰু সাধুবোৰকে ধৰ্মৰ বাণী বুলিও গ্ৰহণ কৰিছো, তাকেই প্ৰচাৰো কৰিছো। ধৰ্মিষ্ঠও হৈছো সেইৰেই।

প্ৰকৃততে বিশ্ব-ব্ৰহ্মাণ্ড সৃষ্টি হৈছে পদাৰ্থৰ নিয়ম অনুসৰি। ই এক মহাজাগতিক ঘটনা। মহাবিশ্বৰ ঘটনাবোৰ ঘটিবলৈ কোনো ঘটক বা সৃষ্টিকৰ্তা নালাগে। প্ৰকৃতিৰ নিয়ম মতে সকলো ঘটি আছে আৰু ঘটি থাকিব।

তথাকথিত ধাৰ্মিক লোকসকলে নিজৰ বিচাৰ-বুদ্ধি, শিক্ষা-জ্ঞান আৰু যুক্তিৰে কথাবোৰ চোৱাৰ পৰিৱৰ্তে আৱেগৰ বশৱৰ্তী হৈ চিৰাচৰিত ধৰ্ম-পৰম্পৰাকে উত্তম বস্তু জ্ঞান কৰি ভেড়াৰ পালৰ দৰে অনুসৰণ কৰে আৰু আগবাঢ়ে। বহু হেজাৰ বছৰ চিৰসত্য বুলি ভাবি থকাটো কিমান মূৰ্খামি তাকে ভাবিও আচৰিত লাগে। এনেকুৱা অন্ধ অনুকৰণে আমাৰ স্বাধীন চিন্তা-ভাৱনাৰ বিলুপ্তি ঘটাই, মন-মস্তিষ্কক অকৰ্মণ্য কৰি পেলায়। ব্যক্তিৰ ব্যক্তিত্ব আৰু স্বাতন্ত্ৰতা লোপ পাই আহে।

অন্ধ অনুকৰণ কৰি গুৰু-ভকতৰ শৰণ লোৱা ধাৰ্মিকবোৰে 'ইয়েজ ছাৰ', 'হয় ছাৰ', 'হয় গুৰুদেৱ', 'হয় বাপ' কৰি কৰি গৰ্ববোধ কৰাই নহয় তেওঁলোকৰ ভৰি ধোৱা পানীখিনিতো অমৃত প্ৰাপ্তি হয় বুলি পতিয়ন যায়।

এজন নাস্তিক কিন্তু ইমান সাধু-ভকত নহয়। তেওঁ অন্ধ অনুকৰণকাৰীও নহয়। তেওঁ ভৰি ধোৱা পানী বা গংগাজলৰ গুণাগুণ বিচাৰ কৰা লোক। নাস্তিক এজনে পাপ কাম কৰিবলৈ ভয় কৰে। বেয়া কাম কৰিবলৈ মনে নকয় কাৰণ তেওঁৰ দৃষ্টিত তেনে কোনো জল বা গংগা নদী নাই যʼত স্নান কৰি শ-হেজাৰ পাপ ধুই নিকা হʼব পাৰি।

ভাৰতীয় ধৰ্ম আৰু জনবিশ্বাসত গংগাৰ দৰে পাপ ধোৱা নদী আছে বাবেই ভাৰতীয়ই পাপ কাম কৰিবলৈ অৱহেলা নকৰে। গীতাত কোৱাৰ দৰে পাপীৰো মহাপাপীজনে যদি কৃষ্ণত শৰণ লয়, তেওঁত বিলীন হʼব পাৰে নতুবা কৃষ্ণক একান্তভাৱে স্মৰণ কৰি তেওঁৰ শ্ৰীচৰণত আশ্ৰয় বিচাৰে তেনে কৃষ্ণ ভক্তক তেওঁ সকলো পাপৰ পৰা মুক্ত কৰি দিয়ে।



## আছুতীয়া চিন্তা

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

এনেকুৱা সহজ উপায় কিছুমান থকা বাবেইতো ভাৰতত পাপৰ পয়োভৰ বেছি। অন্যায়-অবিচাৰ, দুৰ্নীতি-ভ্ৰষ্টাচাৰত লিপ্ত হʼবলৈ কোনেও কʼতো সংকোচ নকৰে যিহেতু পাপমোচনৰ সহজ ব্যৱস্থা আমাৰ ধৰ্মতে নিৰ্দেশ কৰা আছে। দান-দক্ষিণা দি পুণ্য অৰ্জন কৰিব পাৰি বুলিও সুন্দৰকৈ কোৱা আছে। তেনেস্থলত বেয়া বা পাপ কাম কৰাতনো বাধা কি আছে কওকচোন?

অধাৰ্মিক বা নাস্তিকসকলে এনেকুৱা যুক্তিহীন আৰু প্ৰৰোচনামূলক ধৰ্মীয় কথাক ভুচি জ্ঞান কৰে। ভাৰতীয় ধৰ্মৰ সৰহভাগ কথাই তুঁহ-পতানৰ দৰে সাৰশূন্য বুলিও ভাৱে।

**অজ্ঞ-নিৰক্ষৰ কিয় উচ্চ শিক্ষিত লোকেও যেতিয়া এইবোৰকে কৰিবলৈ লয় তেতিয়া আমাৰ দুখ লাগি যায়। বেয়া লগা কথাটো হৈছে মানুহে বিজ্ঞান পঢ়িছে, বহুতে বিজ্ঞানৰ শিক্ষকো হৈছে কিন্তু তেওঁলোকে বৈজ্ঞানিক দৃষ্টিভংগী আয়ত্ত কৰিব পৰা নাই**

নাস্তিক এজনে সেইজন জ্ঞানী লোকক শ্ৰদ্ধা আৰু অনুকৰণ কৰে যিজন স্বভাৱতে ধৰ্মনিৰপেক্ষ, গোষ্ঠী নিৰপেক্ষ আৰু অসাম্প্ৰদায়িক। তেওঁৰ দৃষ্টিত জগত সত্য, প্ৰকৃতি সত্য আৰু সত্য মানৱতা। ব্যক্তি স্বাৰ্থতকৈ জনগণৰ স্বাৰ্থৰ হকেহে কাম তেওঁ কৰে।

দৰাচলতে এজন নাস্তিক কোনো ধৰ্মীয় পন্থা বা পথ অনুসৰণ কৰি ঠেক গণ্ডীৰ ভিতৰত বন্দী নহয়। সংকীৰ্ণতা আৰু অস্পৃশ্যতাই তেওঁক স্পৰ্শ কৰিব নোৱাৰে। বিশ্ব মানৱ তেওঁৰ ভাই-বন্ধু। তেওঁৰ মনত আমিবোৰে ভবাৰ দৰে কোনো শ্ৰেষ্ঠ বা নীচ নাই। হীন-পৰ নাই। তেওঁ ভাবে আমি সকলো গোলকীয় গাঁৱৰ শান্তিপূৰ্ণ বাসিন্দা। সুখ-শান্তি আৰু প্ৰগতিহে মানুহ চিৰ কাম্য হʼব লাগে।

বিধৰ্মী এজনে জগতখন সুন্দৰ আৰু শান্তিপূৰ্ণ হোৱাটো বিচাৰে। মানুহৰ সুযোগ, সুবিধা আৰু সুখ বৃদ্ধিৰ বাবে শান্তিপূৰ্ণ পৰিৱেশ নিতান্তই দৰকাৰ, কিন্তু ইয়াৰ বিপৰীতে ধৰ্মান্ধবোৰে জগত বুলিয়ে নহয় তেওঁ বাস কৰা সমাজখনতো শান্তি স্থাপন হোৱাটো নিবিচাৰে নিজৰ নিজৰ স্বাৰ্থত ব্যাঘাত জন্মে বুলিয়ে।

হেজাৰজন ধৰ্মান্ধৰ বিপৰীতে অকলে থিয় হʼব পৰা ব্যক্তিজন সবলেই অকল নহয়, সাহসীও। মানসিকভাৱে সবল, শক্তিশালী আৰু সাহসীজনেই হʼল নাস্তিক। তেওঁ গভীৰ আত্মবিশ্বাসীও। তেওঁৰ নিজৰ ওপৰত বিশ্বাস অধিক বাবেই আত্মনিৰ্ভৰশীল। তেওঁৰ অৱলম্বন তেওঁ নিজে বাবেই নিজে নিজৰ সহায়ক, ৰক্ষক আৰু নিৰ্ণায়কো।

জ্ঞানী লোকে তেওঁৰ চাৰিওফালে থকা পদাৰ্থ, বায়ু, পানী, মাটি, চন্দ্ৰ-সূৰ্য আদিৰ অস্তিত্ব মানি লৈ সেইবোৰৰ গুণ-ধৰ্ম, উপকাৰিতা, জীৱজগতৰ ওপৰত সেই মুক্ত বস্তুবোৰৰ এৰাব নোৱাৰা প্ৰভাৱক মান্যতা দি কৃতজ্ঞতা জ্ঞাপন কৰে। সেইবোৰৰ উচিত ব্যৱহাৰ, সুৰক্ষা আৰু সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব দিয়ে।

ধাৰ্মিকবোৰে পদাৰ্থ কণা, অনুজীৱ, বায়ু, পানী, মাটি চন্দ্ৰ-সূৰ্য আদিৰ গুণ-ধৰ্ম, উপকাৰিতা, জীৱৰ ওপৰত সেইবোৰ বস্তুৰ এৰাব নোৱাৰা প্ৰভাৱক আওকাণ কৰি অদৃশ্য ঈশ্বৰক অনুসন্ধান কৰে চকুত কাপোৰ বান্ধি। জীৱনবোৰ নিপাত কৰে ধ্যান-তপস্যা কৰি।

তাতকৈও দুখৰ কথা বিশ্ব-প্ৰকৃতিৰ সৃষ্টিশীলতা ধাৰণ ক্ষমতা আৰু লালন-পালনক নেওচা দি জীৱ-জন্তু, পৰ্বত-পাহাৰ, নদী-নিজৰা, সেউজীয়া হাবি-বন ইত্যাদি সৃষ্টিৰ কৃতিত্ব ঈশ্বৰক দি পূজা-অৰ্চনা কৰি তত নাই সাধু-ভকতৰ। তাকে দেখি সাধাৰণ মানুহৰো অন্ধ অনুকৰণ, ভণ্ড ভক্তি আৰু ঈশ্বৰত আসক্তি দেখি হাঁহি উঠাৰহে কথা। তেনে ঈশ্বৰকে সন্তুষ্ট কৰিবলৈ ভক্তৰ তোষামোদৰ অন্ত নাই। কাকুতি-মিনতিৰো সীমা নাই। ঘিঁ, মৌ, মিঠাইৰ কথা নকলোৱেবা।

অজ্ঞ-নিৰক্ষৰ কিয় উচ্চ শিক্ষিত লোকেও যেতিয়া এইবোৰকে কৰিবলৈ লয় তেতিয়া আমাৰ দুখ লাগি যায়। বেয়া লগা কথাটো হৈছে মানুহে বিজ্ঞান পঢ়িছে, বহুতে বিজ্ঞানৰ শিক্ষকো হৈছে কিন্তু তেওঁলোকে বৈজ্ঞানিক দৃষ্টিভংগী আয়ত্ত কৰিব পৰা নাই।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# মৰ্ত্যৰ সৰগ নগৰী বাৰানসী কাশী বিশ্বনাথ মন্দিৰত এভুমুকি

**যোৱা** ২৬ জুনত আবেলি ৩-২০ বজাত বিমানেৰে গুৱাহাটীৰ পৰা বাৰাণসীলৈ যাত্ৰা কৰো আধুনিক ৰূপত সজোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ চহৰখন দৰ্শনৰ উদ্দেশ্যে। যাত্ৰাৰ দুঘণ্টামান পাছতে বাৰানসীৰ লাল বাহাদুৰ শাস্ত্ৰী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হলো। এই বিমান বন্দৰটোত উপস্থিত হোৱাৰ লগে লগে মনত এক অজান অনুভূতিয়ে খুন্দিয়ালে। ইমান সুন্দৰকৈ সজোৱা হৈছে এই বিমান বন্দৰটো। এই বিমান বন্দৰটো বাটপুৰত অৱস্থিত। বাৰানসীৰপৰা উত্তৰ পশ্চিমে ২৬ কিলোমিটাৰ আতৰত অৱস্থিত এই বিমান বন্দৰটো ২০০৫ৰ আগলৈকে বাৰানসী বিমান বন্দৰ নামেৰে জনাজাত আছিল। সেই বৰ্ষৰ অক্টোবৰত বিমান বন্দৰটোৰ নাম সলনি কৰি লাল বাহাদুৰ শাস্ত্ৰী কৰা হয়। ২০২০ত এই বিমান বন্দৰটোৱে 'এছিয়া পেছিফিক' শ্ৰেষ্ঠ বিমান বন্দৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। এয়াৰপʼৰ্ট কাউন্সিল ইণ্টাৰনেচনেলে এই সন্মান প্ৰদান কৰিছিল। বছৰি ইয়াৰ পৰাই ২-৫ নিযুত লোকে বিভিন্ন ঠাইলৈ উৰা মাৰে। বিমানৰ পৰা নামি আমি পূৰ্বৰে পৰা আমাক আদৰিবলৈ উপস্থিত হোৱা টেক্সিখনত উঠিলো। ছয় শাৰীযুক্ত ৰিং ৰোডেৰে বাৰানসী কাশী বিশ্বনাথ মন্দিৰলৈ যাত্ৰা কৰিলো। এই পথেৰে যাত্ৰা কৰিলে মনত এনেভাব হয় যেন কোনো পশ্চিমীয়া উন্নত দেশৰ ৰাস্তাৰেহে গতি কৰা হৈছে। পথৰ মাজত ফুলৰ পৰা আৰম্ভ কৰি ঔষধি গছ। সৌন্দৰ্যৰে ভৰপূৰ হৈ আছে এই পথৰ মাজভাগ। পূৰ্বৰ তুলনাত এই পথেৰে এতিয়া গতি কৰাসকলেহে অনুভৱ কৰিব পাৰে যে কিবা পৰিবৰ্তন হৈছে। এই পথেৰে গʼলে এটা কথা স্পষ্টকৈ কʼব পাৰি যে যি কোনো বিশ্বৰ আগশাৰীৰ শ্ৰেষ্ঠ মহানগৰীৰ পথৰ সʼতে তুলনা কৰিব পাৰি। চাৰিওফালে কেৱল সৌন্দৰ্যই সৌন্দৰ্য।

আমাৰ উদ্দেশ্য আছিল বাৰানসীৰ কাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰা। যি কোনো হিন্দু ধৰ্মাৱলম্বী লোকৰেই এই মন্দিৰটো দৰ্শনৰ বাবে থাকে সপোন। এই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ সকলোৱে চেষ্টা কৰে। বাৰানসীৰ অন্যতম তীৰ্থস্থানসমূহৰ ভিতৰত অন্যতম হʼল কাশী বিশ্বনাথ মন্দিৰ। ইয়াক স্বৰ্ণ মন্দিৰ নামেৰেও আখ্যা দিয়া হয়। শিৱৰ মন্দিৰটোলৈ নিতৌ শ-শ লোকৰ আগমন ঘটে। আমি পূৰ্বৰে পৰা ঠিক কৰি থোৱা মন্দিৰৰ সমীপৰ যাত্ৰী নিবাস 'জয়পুৰীয়াত' উপস্থিত হʼলোঁ। এই যাত্ৰী নিবাসটোত ভক্ত দৰ্শনাৰ্থীয়ে থাকিবলৈ সকলো সা-সুবিধা উপলব্ধ। ভাৰতৰ ১২ জ্যোতি লিংগৰ ভিতৰত অন্যতম কাশী



## গোপাল জালান

বিশ্বনাথ মন্দিৰ দৰ্শনৰ বাবে আহিলে এই যাত্ৰী নিৱাসটোত কোনো অসুবিধা নোহোৱাকৈ থাকিব পাৰি। খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি থকালৈকে সকলো সা-সুবিধাৰ সুন্দৰ উপলব্ধ।

সন্ধিয়া চহৰখন পৰিভ্ৰমণৰ বাবে ওলালো। গংগাৰ পাৰত সন্ধিয়া আৰতি দিয়ে। এই আৰতি চাবলৈকে বহুলোকৰ সমাবেশ ঘটে। কিছুমান লোকে কেৱল গধূলিৰ এই মনোমোহা দৃশ্য উপভোগৰ বাবেই উপস্থিত হয়। গ্ৰীষ্মৰ সময়ত নিতৌ ৬-৩০ বজাত এই আৰতি আৰম্ভ কৰে। ৪৫ মিনিট সময় সূৰ্য্যাস্তৰ পাছত এই আৰতি দিয়া হয়। আনহাতে শীতকালত সন্ধিয়া ৭ বজাত আৰম্ভ ঘটে। দশশ্বমেধ ঘাটত এই আৰতি সকলো ভক্তৰেই আকৰ্ষণৰ কেন্দ্ৰবিন্দু। গংগা নদীক পূজা কৰি সন্তুষ্ট কৰাৰ উদ্দেশ্যেই এইদৰে আৰতি দিয়া হয়। এই আৰতিত সন্তুষ্ট হৈ নদী মাতৃয়ে সকলোৱে মংগল হʼবলৈ আশীৰ্বাদ দিয়ে।

জয়পুৰীয়াত নিশাৰ আহাৰ গ্ৰহন কৰি শুই পৰিলোঁ। কাৰণ মন্দিৰ দৰ্শনৰ বাবে পুৱা চাৰি বজাতেই উঠিব লাগিব। আগতে বন্দোবস্তি কৰি থোৱা পূজাৰী এজনে আমাক পুৱাই যাত্ৰী নিৱাসৰ পৰা লৈ গʼল। মন্দিৰটোত সোনকালে দৰ্শনৰ বাবে আগতীয়াকৈ টিকটৰ ব্যৱস্থা কৰি থলে সুবিধা হয়। নহʼলে দীঘলীয়া শাৰী পাতিব লাগে। আমি আগতে টিকট বুক কৰি থোৱা বাবে মন্দিৰত প্ৰবেশ কৰাৰ সুবিধা সোনকালে পালো। মন্দিৰত প্ৰবেশ কৰাৰ লগে লগে 'অভিষেক' কৰিলো। মূল মন্দিৰৰ ভিতৰত পূজা-অৰ্চনা কৰি মনটো খুবেই পৱিত্ৰ পৱিত্ৰ লাগিল। ইয়াৰ পাছতেই মন্দিৰৰ চাৰিওফালে পৰিদৰ্শন কৰিলো। ইমান সুন্দৰ পৰিৱেশ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথাটো কʼবই নালাগে। কাৰণ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিনিধিত্ব কৰা এই সমষ্টিটোত স্বচ্ছ ভাৰত অভিযানৰ এক উৎকৃষ্ট নিদৰ্শন বুলি কʼব লাগিব। গংগা নদীৰ পাৰৰ পৰা আৰম্ভ কৰি নতুনকৈ সজোৱা মন্দিৰটো পৰিদৰ্শন কৰি মনত কেনেকুৱা লাগিছিল সেয়া বৰ্ণনা কৰাটো কঠিন বুলি কʼলেও অত্যুক্তি কৰা নহʼব। আগতে মন্দিৰটোৰ চাৰিওফালে বেদখল আছিল। এতিয়া সেইবোৰৰ পৰিৱৰ্তে ধুনীয়াকৈ সজোৱা হৈছে। প্ৰধানমন্ত্ৰীয়ে আৰম্ভ কৰা নতুন কৰিডʼৰৰ লগতে মুকলি সভাগৃহও পৰিদৰ্শন কৰিলোঁ।



উত্তৰ প্ৰদেশৰ আকৰ্ষণীয় স্থানসমূহৰ ভিতৰত অন্যতম কাশী বিশ্বনাথ মন্দিৰ। এই মন্দিৰটোৰ বিষয়ে পূৰাগত বৰ্ণনা কৰা হৈছে। গংগাৰ পাৰৰ এই মন্দিৰটোৰ নিৰ্মাণ সন্দৰ্ভত বহুতো কাহিনী পোৱা যায়। তথ্য অনুসৰি, ১৪৯০ ত এই মন্দিৰটো আৱিষ্কাৰ কৰা হৈছিল। ইন্দোৰৰ ৰাণী অহিল্যা বায়ে পুনৰ নিৰ্মাণ কৰা বুলিও তথ্য পোৱা যায়। বাৰানসী কʼৰিডৰে কাশী বিশ্বনাথ মন্দিৰৰপৰা গংগা নদীক সংযোগ কৰিছে। ২৮৬ বছৰ পাছত মন্দিৰটোৰ পুনৰ সুন্দৰ ৰূপত সজাই তোলা হৈছে একমাত্ৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ একক প্ৰচেষ্টাৰে। পাঁচ লাখ বৰ্গ মিটাৰ এই কৰিডʼৰটোৱে মন্দিৰটোৰ সৌন্দৰ্য পূৰ্বৰ তুলনাত ভালেখিনি বৃদ্ধি কৰিছে।

এই মন্দিৰটো দৰ্শন কৰাৰ পাছত দুৰ্গা মন্দিৰলৈ গʼলো। এই দুৰ্গা মন্দিৰটোক দুৰ্গা দুন্ত মন্দিৰ হিচাপেও জনা যায়। নাটোৰৰ ৰাণী ভৱানীয়ে ১৮ শতিকাতে এই মন্দিৰটো নিৰ্মাণ কৰিছিল। ইয়াতেই দুৰ্গা পূজাৰ সময়ত নৱৰাত্ৰি পালন কৰা হয়। বাৰানসীৰ ভেলপুৰত এইটো মন্দিৰ অৱস্থিত। জনশ্ৰুতি অনুসৰি এই মন্দিৰটোৰ দেৱীক প্ৰতিষ্ঠা কৰা নাছিল। দেৱী দুৰ্গাৰ ইয়াতেই আৱিৰ্ভাৱ হৈছিল। সংকটমোচন পথত নিৰ্মিত মন্দিৰটো তুলসী মায়ম মন্দিৰৰ পৰা ২৫০ মিটাৰ উত্তৰে অৱস্থিত। আনহাতে, সংকটমোচন মন্দিৰৰ পৰা ইয়াৰ দূৰত্ব উত্তৰ-পূৱে ৭০০ মিটাৰ। ইয়াৰ পৰা বাৰানসী হিন্দু বিশ্ববিদ্যালয়লৈ দূৰত্ব ১.৩ কিলোমিটাৰ।

বাৰানসীতে আছে সংকটমোচন হনুমান মন্দিৰ। এই মন্দিৰটো নিৰ্মাণ কৰিছিল কবি সাধু শ্ৰীগোস্বামী তুলসী দাসে। তেওঁ ১৬০০ শতিকাতে এই বিখ্যাত মন্দিৰটো নিৰ্মাণ কৰিছিল। ইয়াত ভক্তৰ নানা বাঞ্চা পূৰণ হয়। ইয়াৰ বেচনৰ লাডু ভক্তৰ আকৰ্ষণৰ অন্যতম উৎস। ৰামচৰিত মানসৰ সৃষ্টা তুলসী দাসে মন্দিৰটো নিৰ্মাণ কৰাৰ পাছত ভক্তৰ সোঁত ববলৈ ধৰে। এই মন্দিৰটোত হনুমান চালিচা পঢ়াৰ সময়ত আজিও নিতৌ হেজাৰ হেজাৰ ভক্তৰ সমাৱেশ ঘটে।

তুলসী মানস মন্দিৰ বা সংকটমোচন মন্দিৰৰ সমীপতে আছে আন এক আকৰ্ষণীয় ত্ৰিদেৱ মন্দিৰ। এইটো মন্দিৰত আছে ৰাণীসতী, শ্যাম বাবা আৰু হনুমানৰ মূৰ্তি। এই কেইটা মন্দিৰলৈ গʼলে যি অনুভৱ হয় সেয়া শব্দৰে প্ৰকাশ কৰাটো কঠিন।

মন্দিৰ দৰ্শন কৰি বাৰানসীৰ বিখ্যাত কচুৰি চবজীৰ সোৱাদ লʼলো। ইয়াৰ সোৱাদেই বেলেগ। তদুপৰি ব্যৱসায়ীসকলেও তীৰ্থযাত্ৰী আৰু পৰ্যটকক কেনেদৰে ব্যৱহাৰ কৰিব লাগে সেয়া ভালদৰে জানে। আন্তৰ্জাতিক পৰ্যায়ৰ এটা স্থানত এনে ধৰণৰ ব্যৱসায়ীসকলেও তেওঁলোকৰ মনোভাব উন্নত কৰাটো অতিকৈ প্ৰয়োজনীয় বুলি বাৰানসীৰ ব্যৱসায়ীসকলৰ পৰাই অনুমান কৰিব পাৰি। ২৭ জুনৰ দুপৰীয়া ১২.৪০ বজাত বিমানত উঠিলো। দিনৰ ২.৪০ বজাত গুৱাহাটীত উপস্থিত হʼলো।

বাৰনসীৰ সুন্দৰ আৰু স্বচ্ছ পৰিৱেশে যিকোনো লোককে আকৰ্ষিত কৰিব পাৰে। সেইবাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নিতৌ হেজাৰ হেজাৰ ভক্ত আৰু পৰ্যটকৰ ইয়ালৈ আগমন ঘটে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৃহ সমষ্টিৰ পৰাই এতিয়া প্ৰতিফলিত হৈছে স্বচ্ছ ভাৰতৰ নিদৰ্শন। ভাৰতৰ আন ৰাজ্যয়ো এনেদৰে যদি বিখ্যাত তীৰ্থস্থানসমূহৰ উন্নতি সাধন কৰি যাত্ৰী তথা পৰ্যটকক আকৰ্ষণ কৰিব পাৰে তেতিয়া হʼলে নিশ্চয় পৰ্যটক তথা তীৰ্থযাত্ৰীৰ পৰা বছৰি কোটি কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিব। তদুপৰি সেই স্থানসমূহৰ উন্নয়নৰ লগতে নিৰনুৱা সমস্যাৰো কিছু পৰিমাণে সমাধান হʼব।

*ফোন ঃ ৯৪৩৫১ ০৩৯৭৭*

# ইছলামিক বিধান পৃথিৱীৰ সকলো ঠাইতে প্ৰযোজ্য নে?

**ইকবাল হুছেইন**

।। যোৱা সংখ্যাৰ পাছৰ পৰা।।

**ডাঃ** জাকিৰ নায়কে এক প্ৰশ্নৰ উত্তৰত কয় যে যিবিলাক সমস্যাৰ সমাধান কোৰান হাদিছ অথবা চাহাবাসকলৰ পৰা পোৱা নাযায়, তেনে ক্ষেত্ৰত ইজ্‌মা বা কিয়াচ (যুক্তি)ৰ আশ্ৰয় লোৱা হয়, যাৰ ভিত্তি হʼল কোৰান আৰু হাদিছ। তেওঁ কয় এনে ক্ষেত্ৰত দুটা উপায় আছে, এটা হʼল, মক্কাৰ সময় আৰু আনটো হʼল কোনো নিকটৱৰ্তী চহৰৰ সময় যাৰ সময়সূচী স্বাভাৱিক গতিত চলি থাকে। তেওঁ কয় কোৰানত এটা আয়াত আছে—' তোমালোকে সকলো চহৰৰ জননী (মক্কা)ৰ ফালে চোৱা।' ডাঃ নায়কে যিকোনো বক্তৃতাত ধৰ্মীয় উদ্ধৃতি দিবলগীয়া হʼলে গ্ৰন্থৰ নাম, পৃষ্ঠা নম্বৰ, অধ্যায় নম্বৰ, শ্লোক নম্বৰ, ছুৰা নম্বৰ, আয়াত নম্বৰ উল্লেখ কৰা দেখা যায়, কিন্তু উক্ত কথাযাৰৰ ক্ষেত্ৰত একো উল্লেখ কৰা দেখা নগʼল। সম্ভৱতঃ তেওঁ ছুৰা 'আনআম'ৰ ৯২ নম্বৰ আয়াতৰ উল্লেখ কৰিব খুজিছিল। আয়াতটো উল্লেখ কৰা হʼল—' আৰু আপুনি সতৰ্ক কৰিব পাৰে মাতৃনগৰী (মক্কা) আৰু তাৰ আশে-পাশে থকা লোকসকলক...।' জাকিৰ নায়কৰ উক্ত কথাফাকিৰ লগত ইয়াৰ সম্পূৰ্ণ মিল নাই। এই আয়াতৰ আলমত তেওঁ কয় যে এণ্টাৰ্কটিকা বা আৰ্কাটিক অঞ্চলৰ মানুহে হয় মক্কাৰ সময়সূচী নতুবা নিকটৱৰ্তী কোনো চহৰৰ সময়সূচী অনুসৰণ কৰিব পাৰে যাৰ সময় স্বাভাৱিক গতিত চলি থাকে। এই ফতোৱা ডাঃ নায়কৰ লগতে বিশ্বৰ অন্যান্য মুছলিম চিন্তাবিদসকলে সমৰ্থন কৰে। ডাঃ নায়কে তেওঁৰ যুক্তিৰ সমৰ্থনত ছুৰা মায়িদাৰ ৫০ নম্বৰ আয়াতৰ উদ্ধৃতি দি কয় যে উক্ত আয়াতৰ দ্বাৰা আল্লাই মদ হাৰাম (নিষিদ্ধ) কৰিছে, ইয়াৰ অৰ্থ, এইটো নহয় যে কেৱল মাত্ৰ মদ নিষিদ্ধ, ইয়াৰ সামগ্ৰিক অৰ্থ হʼল সকলো প্ৰকাৰ মাদক দ্ৰব্যই নিষিদ্ধ বা হাৰাম। এসময়ত ধূমপান মকৰূহ আছিল। আল্লাৰ নবীয়ে কৈছে— ' তোমালোকে নহৰু (পিঁয়াজ) খাই নামাজলৈ নাযাবা। কাৰণ ধূমপান আৰু নহৰুৱে মুখৰ দুৰ্গন্ধ কৰে। এতিয়া জনা গৈছে যে ধূমপান স্বাস্থ্যৰ কাৰণে যথেষ্ট ক্ষতিকাৰক। আল্লাই ছুৰা বাকাৰাৰ১৯৫ নম্বৰ আয়াতত কয়—'তোমালোক নিজৰ হাতেৰে নিজক হত্যা (ধ্বংস) নকৰিবা।' সেয়ে ইছলামত ধূমপান নিষিদ্ধ কৰা হৈছে। এনে ধৰণৰ যুক্তিৰ মাধ্যমেৰে ডাঃ নায়কে বুজাব বিচাৰিছে যে ৰোজা নামাজৰ ক্ষেত্ৰত আৰ্কাটিক অঞ্চলৰ মুছলমানসকলে মক্কা বা নিকটৱৰ্তী কোনো চহৰৰ সময়সূচী অনুসৰণ কৰিব পাৰে যাৰ সময় স্বাভাৱিক গতিত চলি থাকে। এনে ধৰণৰ টুলুঙা যুক্তি ৰোজা নামাজৰ ক্ষেত্ৰত গ্ৰহণযোগ্য হয়নে নহয় তাক পাঠক সমাজে এবাৰ ভাবি চায় যেন।

১৪শ বছৰ পূৰ্বে মৰুময় আৰবভূমিত যাতায়াত ব্যৱস্থা সুচল নোহোৱা বাবে ভ্ৰমণ অতি কষ্টকৰ আছিল আৰু নিজ বাসস্থানৰ পৰা অতিৰিক্ত এশ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিলে ভ্ৰমণকাৰী বুলি গণ্য কৰা হৈছিল। কিন্তু এতিয়া হেজাৰ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিলেও শাৰীৰিক পৰিশ্ৰম নহয়। শাৰীৰিক পৰিশ্ৰমৰ বাবে আল্লাই ৰোজা নামাজৰ ক্ষেত্ৰত কিছু ৰেহাই ঘোষণা কৰিছিল। ছুৰা বাকাৰাৰ ১৮৫ নম্বৰ আয়াত মৰ্মে আল্লাই শাৰীৰিকভাৱে অসুস্থ আৰু ভ্ৰমণকাৰীসকলৰ বাবে ৰোজা ভংগৰ অনুমতি প্ৰদান কৰিছে আৰু তাক আন সময়ত পূৰণ কৰিবলৈ সুবিধা দিছে। যি দেশত ২২-২৩ ঘণ্টা ৰোজা পালন কৰিবলগীয়া হয় সেয়াও কম কষ্টকৰনে? এই ক্ষেত্ৰত আল্লাই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আকৌ এইবোৰ দেশত শীত কালত ৰোজা পালন কৰিবলগীয়া হʼলে মাত্ৰ চাৰি ঘণ্টাৰ পৰা এঘণ্টা সময় ৰোজা পালন কৰিবলগীয়া হয় যʼত ৰোজাৰ উদ্দেশ্য সফল নহয়। নৰৱে', ছুইডেন, গ্ৰীণলেণ্ড আদি দেশৰ কিছুমান মুছলমানে মক্কাৰ, কিছুমানে নিকটৱৰ্তী কোনো চহৰ বা তুৰস্কাৰ সময়সূচী আৰু কিছুমানে স্থানীয় সময়মতে ৰোজা, নামাজ পালন কৰি থাকে। তেওঁলোকে সূৰ্যোদয় আৰু সূৰ্যাস্তৰ লগত সম্পৰ্ক নাৰাখি ধৰ্ম পালন কৰে। নৰৱে' বা ফিনলেণ্ডৰ মুছলমানে ৰোজা পালনৰ বাবে মাজৰাতি ছেহেৰী খায় আৰু দিনৰ দুপৰীয়া ইফ্‌তাৰ কৰে। ৰোজা বা ব্ৰত পালনৰ উপকাৰিতা থাকিলেও ২২ ঘণ্টা ৰোজা পালন কৰা কেতিয়াও স্বাস্থ্যসন্মত বা বিজ্ঞানসন্মত নহয়। দীৰ্ঘ সময়ৰ অনাহাৰে নিশ্চয় শৰীৰত কু-প্ৰভাৱ পেলাব। সেয়ে ইয়াৰ বয়সিয়াল বৃদ্ধ পুৰুষ-মহিলা, শিশু আৰু গৰ্ভৱতী মহিলাসকলে ৰোজা পালন নকৰে। যিসকলে ৰোজা পালন কৰে তেওঁলোকে দিনৰ অধিকাংশ সময় টোপনিৰ মাজেদি সময় কটায়। তদুপৰি যিসকলে ৰোজা পালন কৰে তেওঁলোকে দুই-এঘণ্টা সময়ৰ ভিতৰত ইফ্‌তাৰ কৰা, মাগৰিব, ইশ্বা তাৰাৱী,



তাহাজ্জুদ, ফজৰৰ নামাজ আৰু চেহেৰী খোৱা, যাৱতীয় কাম-কাজ সমাপন কৰাৰ বাবে সময়ৰ নাটনি হয় আৰু খৰতকীয়াকৈ কৰা বাবে এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হয়। যি ইছলামে সৰ্বাংগীন উন্নতি সাধন কৰে বুলি দাবী কৰা হয় আৰু ইছলামী ব্যৱস্থা সম্পূৰ্ণ জীৱন ব্যৱস্থা বুলি গৌৰৱ কৰিব খোজে তেওঁলোকে এনে জীৱন পৰিক্ৰমাৰ কথা এবাৰো ভাবি নাচায়নে?

আল্লাই কয়— (১)'...আল্লাহৰ বাণী পৰিবৰ্তন কৰাৰ ক্ষমতা কাৰো নাই...' (ছুৰা আনআম আয়াত নম্বৰ ১১৫) /(৩) '... তেওঁৰ বাণী পৰিৱৰ্তন কৰোতা কোনো নাই...' (ছুৰা কাহফ আয়াত নম্বৰ-২৭)। এই আয়াতবিলাকৰ পৰা স্পষ্টভাৱে বুজা যায় যে আল্লাহৰ বাণীৰ কেতিয়াও পৰিৱৰ্তন নহয় আৰু ইয়াক কোনেও পৰিৱৰ্তন কৰিব নোৱাৰে। যি সময়ত আল্লাই সূৰ্যোদয় আৰু সূৰ্যাস্তৰ লগত সম্পৰ্ক ৰাখি আল্লাহৰ এবাদত-বন্দেগী কৰাৰ যি কঠোৰ নিৰ্দেশ জাৰি কৰিছিল আৰু দেশীয় অঞ্চলৰ মুছলমানসকলে তাক দেখ-দেখকৈ উলংঘা কৰিছে। ইছলামী আইন মতে ইছলামত যি কোনো নতুন নিয়ম সংযোজনৰ নামেই হʼল বিদাত আৰু যিকোনো বিদাতেই গোমৰাহী আৰু গোমৰাহী বা পথভ্ৰষ্টতাই মুমিনবান্দাসকলক নৰকলৈ ঠেলি পঠিয়ায়।

আজি কিছুবছৰ আগলৈ ঈদ-উল ফিতৰৰ নামাজ আদায় কৰিবলৈ চন্দ্ৰ উদয় হোৱা, নোহোৱাক লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছিল আৰু এখন দেশ বা অঞ্চলত দুদিন ঈদ উদ্‌যাপন কৰা হৈছিল। যান্ত্ৰিক যুগ বা যাতায়াত ব্যৱস্থা উন্নত নোহোৱালৈকে এখন দেশৰ পৰা আন এখন দেশলৈ এখন চিঠি বা খবৰ দিবলৈ কʼবামাহৰ প্ৰয়োজন হৈছিল। সেয়ে ১৪শ বছৰ পূৰ্বে মক্কাৰ সময়সূচী জানিবলৈ আৰ্কাটিক অঞ্চলৰ লোকসকলৰ বাবে প্ৰায় অসম্ভৱেই আছিল নতুবা নিকটৱৰ্তী কোনো চহৰৰ সময়সূচী জানিবলৈ কʼবা হেজাৰ কিলোমিটাৰ দক্ষিণৰ অক্ষৰেখাৰ সন্ধান কৰিবলগীয়া হৈছিল, যিটো অতীত কালত দুঃসাধ্য আছিল। গতিকে আধুনিক যুগত মুছলিম চিন্তাবিদসকলে যিবোৰ ফতোৱা জাৰি কৰিছে সেয়া সঠিক হʼবনে নাই তাক কোনেও ডাঠি কʼব নোৱাৰে। আল্লাই কোৰানত কয় (১) 'এনেদৰে আমি আপোনাৰ প্ৰতি আৰবী ভাষাত কোৰানখন নাজিল কৰিছো যাতে আপুনি মক্কাবাসী আৰু তাৰ আশে- পাশে থকা লোকসকলক সতৰ্ক কৰিব পাৰে...' (ছুৰা-আছ ছুৰা আয়াত নম্বৰ-৭) যদিও আল্লাই কৈছে যে কোৰানখন বিশ্ববাসীৰ বাবে এটা উপদেশ বাণী তথাপি কোৰানৰ উক্ত আয়াতে প্ৰমাণ কৰে যে ইছলামী বিধি-বিধান কেৱল মক্কা আৰু তাৰ আশে-পাশে থকা লোকসকলৰ বাবেহে প্ৰযোজ্য।

অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৫ আগষ্ট শুকুৰবাৰ, ২০২২ পৃষ্ঠা ৮

## নৈত জাহ গ'ল শ শ পৰিয়ালৰ ঘৰ-ভেটি মাটি, বিদ্যালয়ৰ প্ৰতি খহনীয়াৰ ভাবুকি

# কলগাছিয়াত বেঁকী নৈৰ খহনীয়াৰ তাণ্ডৱ



অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ৪ আগষ্ট ঃ** বিগত কিছুদিনৰ পৰা হৈ থকা নেৰানেপেৰা বৰষুণ আৰু বাঢ়নী পানীৰ ফলত বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত কলগাছিয়াৰ সোণাপুৰত বেঁকী নদীৰ বিধ্বংসী খহনীয়াত ৰাইজৰ মাজত তীব্ৰ হাহাকাৰৰ সৃষ্টি হৈছে। ইতিমধ্যে নৈখনৰ প্ৰলয়ংকাৰি খহনীয়াত মছজিদ, শ শ পৰিয়ালৰ ঘৰ, ভেটি-মাটি, খেতিপথাৰ নৈৰ বুকুত জাহ গৈছে। খহনীয়াত ক্ষতিগ্ৰস্ত হোৱা গৃহহীন পৰিয়ালৰ লোকে কোনো মতে উপায়হীন হৈ নিৰাপদ স্থানত আশ্ৰয় লৈছে যদিও খাদ্য, পানী, পশু ধনৰ খাদ্য আৰু চিকিৎসাৰ অভাৱত এক আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। ইপিনে নৈখনৰ খহনীয়াত গাওঁখনৰ বহু খেতি পথাৰ, পুখুৰী আদিও নৈৰ বুকুত জাহ গৈছে। বৰ্তমানেও গৰাখহনীয়া অব্যাহত আছে। যাৰ ফলত আন বহু পৰিয়ালৰ লগতে চৰকাৰী শিক্ষানুষ্ঠান হাজী কৈফত আলী এম ই স্কুল, ৩৭৯ নম্বৰ গাৰাবিল প্ৰাথমিক বিদ্যালয়, ২০০২ নম্বৰ দক্ষিণ সোণাপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ উপৰিও কণ কণ ল'ৰা-ছোৱালীৰ খাদ্য প্ৰস্তুত কৰা ৰান্ধনী ঘৰলৈ খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। ইতিমধ্যে এই বেঁকী নদীৰ খহনীয়াত সোণাপুৰ অঞ্চলৰ হজৰত আলী, আলী আকবৰ, শ্বফিকুল ইছলাম, আমিৰুল ইছলাম, হাফিজুৰ ৰহমান, ছিদ্দিক আলী, মমিন উদ্দিন, শিৰাজুল হক, খোৰশেদ ালী, শ্বহিদুল ইছলাম, ছিদ্দিক আলী, শিৰাজ উদ্দিন, আব্দুল হাই তফিজ উদ্দিনক আদি কৰি বহুতৰে ঘৰ-বাৰী ইতিমধ্যে নদীৰ বুকুত বিলীন হৈছে। এইক্ষেত্ৰত কোনো এজন জনপ্ৰতিনিধিৰ লগতে প্ৰশাসনৰ ফালৰ পৰাও খবৰ নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। এই খহনীয়া প্ৰতিৰোধ কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাইছে ভুক্তভোগী পৰিয়ালে।

# কেন্দ্ৰৰ প্ৰত্যক্ষ হস্তক্ষেপত হ্ৰাস পায় মূল্যবৃদ্ধি ঃ অজন্তা নেওগ

স্টাফ ৰিৰ্পটাৰ

**তেজপুৰ, ৪ আগষ্ট ঃ** মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে তথা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত তেজপুৰতো আজিৰে পৰা আৰম্ভ হ'ল অৰুণোদয় মাহৰ প্ৰশিক্ষণ। প্ৰশিক্ষণত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত যেতিয়া মূল্যবৃদ্ধি ঘটিছে তেতিয়াই কেন্দ্ৰৰ প্ৰত্যক্ষ হস্তক্ষেপত এই মূল্যবৃদ্ধি হ্ৰাস পাইছে। উল্লেখ্য যে তেজপুৰ মহাবিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত হয় 'অৰুণোদয় মাহ-২০২২'ৰ প্ৰশিক্ষণ। তেজপুৰ মহাবিদ্যালয়ৰ লগতে দৰং মহাবিদ্যালয়, তেজপুৰ কন্যা মহাবিদ্যালয়, ৰঙাপৰা মহাবিদ্যালয় আদিৰ প্ৰায় ২৫০ জন ছাত্ৰ-ছাত্ৰীক এইবাৰ প্ৰশিক্ষণ প্ৰদান কৰি নিয়োগ কৰা হ'ব অৰুণোদয় ক্ষেত্ৰ অধ্যয়নৰ কামত। এই প্ৰশিক্ষণৰ দ্বাৰাই ছুপাৰভাইজাৰ তথা পৰ্যবেক্ষণ দল

## তেজপুৰত অৰুণোদয় মাহৰ প্ৰশিক্ষণ আৰম্ভ

গঠন কৰা হ'ব। এই দলে প্ৰতিখন ঘৰত উপস্থিত হৈ অধ্যয়ন কৰিব অৰুণোদয় হিতাধিকাৰীৰ ওপৰত। ইয়াৰ বাবে প্ৰশিক্ষণপ্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক ঘৰ অনুযায়ী একোটাকৈ মাননি প্ৰদান কৰা হ'ব। নিজৰ পঢ়াৰ ক্ষেত্ৰত অসুবিধা নোহোৱাকৈ আজৰি সময় উলিয়াই প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলে এই অধ্যয়নৰ জৰিয়তে অৰুণোদয়ৰ প্ৰকৃত হিতাধিকাৰী বাছনি কৰাত চৰকাৰখনৰ প্ৰতি দায়বদ্ধতাৰে সহায়ৰ হাত আগবঢ়াব বুলি কয় মন্ত্ৰী নেওগে। ইফালে, ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতীয়ে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে ৰাজনীতিৰ উৰ্ধত প্ৰকৃত হিতাধিকাৰী বাছনি কৰি উলিওৱাটো সহজ হ'ব আৰু দৰিদ্ৰ হিতাধিকাৰীয়ে অৰুণোদয় আঁচনি লাভ কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীৰ বিপৰীতে মূল্যবৃদ্ধিৰ প্ৰসংগত ভাষ্য প্ৰদান কৰি মূল্যবৃদ্ধিৰ অস্বাভাৱিক হোৱাৰ কথা স্বীকাৰ কৰে। উল্লেখ্য যে আজিৰ প্ৰশিক্ষণত জিলা উপায়ুক্তকে ধৰি শোণিতপুৰ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ লগতে তেজপুৰ আৰু বৰছলাৰ বিধায়কদ্বয় পৃথ্বিৰাজ ৰাভা আৰু গণেশ লিম্বু তথা তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাও উপস্থিত আছিল।

# নলবাৰীত ছাত্ৰ সন্থা, সাংবাদিকৰ সহায়ৰ হাত ঃ মেধাৱী প্ৰতীক্ষাৰ মুখত হাঁহি

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ৪ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰনৰ্দ্দীৰ চুৰচুৰিৰ মেধাৱী ছাত্ৰী তথা চৰম আৰ্থিক দৈন্যত ভোগা প্ৰতীক্ষা হাজৰিকাৰ ওচৰত জিলা ছাত্ৰ সন্থা আৰু নলবাৰীৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ থিয় হৈছে। উল্লেখ্য যে চৰম আৰ্থিক দৈন্যত ভোগা মেধাৱী ছাত্ৰীগৰাকীৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শিক্ষাৰ খৰচৰ বাবে সাংবাদিকজনে জিলা ছাত্ৰ সন্থাৰ নেতৃত্বত ছাত্ৰীগৰাকীক ৫০ হেজাৰ টকা প্ৰদান কৰিব বুলি আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উল্লেখনীয় যে অতি দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰী প্ৰতীক্ষাই বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৯৪.১৬ শতাংশ নম্বৰেৰে সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হৈছে। অতি দুখীয়া ঘৰৰ ছাত্ৰীগৰাকীৰ অধ্যয়নত যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা ছাত্ৰ সন্থাই ব্যৱস্থা গ্ৰহণ কৰে। আজি ছহিদ ভৱনত আয়োজিত সভাত ছাত্ৰীগৰাকীক জিলা ছাত্ৰ সন্থাই এই মাহৰ মাচুল প্ৰদান কৰে। মাচুল প্ৰদান কৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে গুণজ্যোতি পাঠক আৰু অক্ষয় ডেকাই কয় যে অভাৱ যাতে ছাত্ৰীগৰাকীৰ কোনো বাধা হ'ব নোৱাৰে তাৰ বাবে ছাত্ৰ সন্থাই কাম কৰি যাব। অনুষ্ঠানত ছাত্ৰ সন্থাই প্ৰদান কৰা মাহিলি মাচুলৰ ধনৰাশি জ্যেষ্ঠ সাংবাদিক তালুকদাৰে প্ৰদান কৰি কয় যে প্ৰতীক্ষা আমাৰ সম্পদ। এই সম্পদক আমি আৰ্থিক অভাৱৰ ফলত অপচয় হ'ব দিব নোৱাৰো। আমি ইয়াৰ দায়িত্ব লম অনাগত দিনত। আমাৰ সম্পদ আমি আগুৱাই নিব লাগিব। আজিৰ এই কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদ, জিলা আছুৰ সহকাৰী সম্পাদক দিগন্ত ভৰালী, নিৰুজউদ্দিন আহমেদ, গৌতম বেজবৰুৱা আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি বিশাল বিক্ৰম চৌধুৰী, সাধাৰণ সম্পাদক নৱ ডেকা উপস্থিত থাকে। উল্লেখ্য যে মেধাৱী ছাত্ৰী প্ৰতীক্ষাৰ দেউতাক যোৱা ২৬ মে'ত জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। দেউতাৰ মৃত্যুৰ পাছত মাতৃ বিনিতা হাজৰিকাই পৰিয়াল চলাই নিয়াত যথেষ্ট অসুবিধা হৈছিল আৰু ছাত্ৰীগৰাকীৰ উচ্চ শিক্ষাৰ বাবে বাধাৰ সৃষ্টি হৈছিল। কিন্তু ছাত্ৰ সন্থা আৰু সাংবাদিক তালুকদাৰৰ সহায়ত পৰিয়ালটোৱে আশাৰ ৰেঙণি দেখা পাইছে। প্ৰতীক্ষা হাজৰিকাই আজি আনন্দিত হৈ ছাত্ৰ সন্থা আৰু তালুকদাৰক কৃতজ্ঞতা জ্ঞাপন কৰি সদায় সমাজৰ বাবে কাম কৰিম বুলি মত পোষণ কৰে। মাতৃ বিনিতা হাজৰিকাই চকুলো টুকি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু তালুকদাৰে পৰিয়ালটোক নতুন জীৱন দিয়া বুলি আবেগিক হৈ পৰে। ছাত্ৰীগৰাকীৰ ৫০ হেজাৰ টকাৰ লগতে কিতাপ-পত্ৰ আদিৰ লগতে শৈক্ষিক সঁজুলি যি প্ৰয়োজন হয় ছাত্ৰ সন্থাৰ সহযোগত সাংবাদিক তালুকদাৰে বহন কৰিব বুলি সভাত জিলা নেতৃত্বই সদৰী কৰে।

# বাণ থিয়েটাৰত নটসূৰ্য ফণী শৰ্মা নাট সমাৰোহ

## গুৱাহাটী নাট্য পীঠৰ 'বাগ্ৰুকগীৰ বিষ্ণুপ্ৰসাদ'-অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ ৰক্ষ কুমাৰ মঞ্চায়ন

স্টাফ ৰিপ'ৰ্টাৰ


**তেজপুৰ, ৪ আগষ্ট ঃ** যোৱা ৩১ জুলাইৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে তেজপুৰৰ বাণ থিয়েটাৰত অনুষ্ঠিত হোৱা নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহৰ কালি চতুৰ্থ নিশা অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাই আয়োজন কৰা চেমনীয়া নাট কৰ্মশালাৰ শিক্ষাৰ্থীসকলে তেজপুৰৰ দক্ষ নাট্যশিল্পী গৌতম পাঠকৰ পৰিচালনাত মঞ্চস্থ কৰে পুৰোধা নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীৰ কালজয়ী নাটক 'ৰক্ষকুমাৰ'। পৰিচালক পাঠকৰ লগতে বিজয় শংকৰ শইকীয়া, পীযুষ মহন্ত আৰু গুলেশ্বৰ বড়ো আৰু সত্যদেৱ শৰ্মাৰ সংগীত ব্যৱস্থাপনা, নিতুমণি কলিতা আৰু উজ্জ্বল শইকীয়াৰ আকৰ্ষণীয় আলোক সম্পাত, কুলেন বৰা, দিব্যজ্যোতি নাথ, গৌতম কোচ আৰু ভূপেন শইকীয়াৰ ৰূপসজ্জা, কুলেন বৰাৰ অতি সুন্দৰ দৃশ্য সজ্জাৰে মনোগ্ৰাহী হোৱা নাটকখনৰ প্ৰত্যেক চৰিত্ৰই অতি কঠিন অমৃতাক্ষৰ ছন্দৰ সংলাপসমূহ কোনো ত্ৰুটি নৰখাকৈ মাতি অভিনয়ৰ পাৰদৰ্শিতা প্ৰতিপন্ন কৰাটো আছিল অন্যতম দিশ। উল্লেখ্য যে ৰামায়ণৰ কাহিনীৰ আধাৰত বিভীষণৰ বীৰ পুত্ৰ তৰণী সেনৰ বীৰগাথা আৰু জীৱনৰ কৰুণ পৰিণতিক মূল উপজীব্য কৰি বিশেষ দৰ্শনেৰে সাহিত্যিক লক্ষ্যধৰ চৌধুৰীয়ে ৰচনা কৰা 'ৰক্ষকুমাৰ' নাটকখনৰ কালিৰ আকৰ্ষণীয় মুহূৰ্তৰ মাজত বহুকেইজন কিশোৰ-শিশুৰ মাজত অভিনয়ৰ পাৰদৰ্শিতাৰে উজলি উঠে। উল্লেখ্য যে গ্ৰীষ্মকালীন বিদ্যালয় বন্ধৰ সময়ছোৱাত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় উপ-সভাপতি মৃগেন চন্দ্ৰ বড়াৰ বিশেষ তৎপৰতাত তেজপুৰ শাখা নাট্য সন্মিলনৰ উদ্যোগত অনুষ্ঠিত হোৱা মাহজোৰা চেমনীয়া নাট কৰ্মশালাৰ অন্তত নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰা, সম্পাদক জিন্টু বৰঠাকুৰৰ লগতে মনোৰঞ্জন মহন্ত, শিশু নাট্যকাৰ দ্বীজেন নাথ, বাবুল বৰঠাকুৰ, ভূপেন শৰ্মা, মৃন্ময় মহন্তৰ বিশেষ সহযোগত মঞ্চস্থ হোৱা নাটকখনৰ



বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰিছিল। ৰামৰ চৰিত্ৰত আদিত্য অংকুৰ নাথ, সীতাৰ চৰিত্ৰত নিষ্ঠা মহন্ত, লক্ষ্মণৰ চৰিত্ৰত আয়ুস অমৃত দাস, সুগ্ৰীৱ চান্দীপ কুমাৰ দাস, বিভীষণ ৰুদ্ৰাক্ষ বিভূষণ সমৰা মৃগাক্ষী মহন্ত, ৰাৱণ ৰাজদ্বীপ বৰা, মূল চৰিত্ৰত তৰণীসেন কুলদ্বীপ সোণোৱাল, ইন্দ্ৰজিত চৰ্চিকা চৌধুৰী, মাণ্ডৱ্য লৰিয়া লক্ষ্মী বৈশ্য, কালনেমী সৃষ্টি কাশ্যপ, বক্ৰনাশ অদিতি তালুকদাৰ, মাল্যবন্ত ঋষিৰাজ বণিয়া, গৰুড় ভাস্কৰ বণিয়া, ব্ৰাহ্মণ ইন্দ্ৰ মৌনিতম শইকীয়া, সাগৰ অমিশা বৰা, দ্বাৰৰক্ষী জ্যোতিকা বৈশ্য, প্ৰাচুৰ্য বৰা, নৃত্যাংশত সংস্কৃতি বণিয়া, কাব্যশ্ৰী হাজৰিকা, মুগ্ধা কাশ্যপে অভিনয়ৰ পাৰদৰ্শিতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হয়। নাটকখন উদ্বোধন কৰে তেজপুৰৰ প্ৰবীণ নাট্যশিল্পী তথা শিল্পী পেঞ্চনপ্ৰাপক নৰেন লহকৰে। নাটকৰ অন্তত বাণ থিয়েটাৰৰ আজীৱন সদস্য তথা তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই পৰিচালক গৌতম পাঠকক এখন গামোচাৰে স্নেহাশিস জনোৱাৰ লগতে প্ৰশিক্ষাৰ্থী অভিনয় শিল্পীসকলক অসম নাট্য সন্মিলন তেজপুৰ শাখাই একোখনকৈ মানপত্ৰ প্ৰদান কৰে। আনহাতে, নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহৰ তৃতীয় নিশা গুৱাহাটীৰ নাট্য বীথিকা নামৰ অপেছাদাৰী নাট্য দলটোৱে মঞ্চায়ন কৰে বিশিষ্ট নাট্যকাৰ প্ৰভাত গোস্বামী ৰচিত আৰু স্মিতা বৰ্মন পৰিচালিত নাটক 'বাগ্ৰুকগীৰ বিষ্ণুপ্ৰসাদ' শীৰ্ষক নাটক। ৰাভা 'বাগ্ৰুকগীৰ' অৰ্থাৎ 'যোদ্ধা' বিষ্ণু প্ৰসাদ ৰাভা নামৰ নাটকখনৰ জৰিয়তে নাট্যকাৰজনে কলাগুৰুক শ্ৰদ্ধাঞ্জলি জনাবলৈ কৰা এই প্ৰয়াসৰ মাজত দৰ্শকে এখন জীৱনীমূলক নাটক উপভোগ কৰাৰ সুবিধা লাভ কৰে। উল্লেখ্য যে নাটকখনৰ মূল বিষ্ণুপ্ৰসাদ ৰাভাৰ চৰিত্ৰ ৰূপায়ণ কৰে অসম চলচ্চিত্ৰ উন্নয়ন নিগমৰ উপাধ্যক্ষ ডাঃ আলেখ্য বৰুৱাই। ইয়াচিনুৰ ৰহমান সংগীত, ডিম্পল দাসৰ পোহৰেৰে মঞ্চায়ন হোৱা এই বিশেষ নাটখনত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ চৰিত্ৰত কৌশিক ভৰদ্বাজ, নটসূৰ্য ফণী শৰ্মাৰ চৰিত্ৰত নৱজ্যোতি কোঁৱৰ, নবীন মেধিৰ চৰিত্ৰত অনিল হালৈ, লোকনাথ বৰুৱাৰ চৰিত্ৰত অপূৰ্ব গোস্বামী, বিষ্ণুপ্ৰসাদ ৰাভাৰ শিষ্য তথা প্ৰেয়সী নিৰুপমাৰ চৰিত্ৰত পপী মহন্ত, মোহিনী ৰাভাৰ চৰিত্ৰত ছানভি বড়ো, কনকলতা মেধিৰ চৰিত্ৰত প্ৰীমৰোজ শইকীয়া, জগৰুৰ চৰিত্ৰত দৰ্শন ভট্টাচাৰ্য, মিহিৰ সেনৰ চৰিত্ৰত সমৰ ভৰালী, নগেনৰ চৰিত্ৰত উদ্দীপ্ত বৰগোহাঁই, দাৰোগা কৌশিক কাশ্যপ, শিশু নিষ্ঠাজিতাৰ লগতে নৃত্যাংশত অংশী আৰু দ্বীজেন বৰ্মনে অংশ লৈ নাটকখনৰ সফলতাত ইন্ধন যোগায়। নাটকৰ অন্তত নাট্যকাৰ, পৰিচালকৰ লগতে সকলো কুশীলৱকে বাণ থিয়েটাৰ পৰিয়ালৰ একোখনকৈ গামোচাৰে সন্মান জনায়। তৃতীয় নিশা নাটকখন তেজপুৰৰ শতবৰ্ষ গৰকা সামাজিক অনুষ্ঠান অসমীয়া ক্লাবৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত জিলা আৰু সত্ৰ ন্যায়াধীশ অৰুণা দেৱীয়ে উদ্বোধন কৰে।

## বিভিন্ন চোৰ-ডকাইতি কাৰ্যত জড়িত ধৃত আবু বক্কৰ, আলাল উদ্দিন

# ঠেলামৰাত দুজনকৈ দুৰ্ধৰ্ষ ডকাইত গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৪ আগষ্ট ঃ** ৰাজ্যজুৰি আৰক্ষী প্ৰশাসনে বিভিন্ন ধৰণৰ অপৰাধজনিত ঘটনা প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যাপক তৎপৰ হৈ থকাৰ সমান্তৰালকৈ শোণিতপুৰ জিলাৰ ঠেলামৰাত আৰক্ষীৰ বৃহৎ সাফল্য। যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই ৰাজাবাৰী অঞ্চলৰ পৰা দুটাকৈ দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰাৰ লগতে ডকাইতি কাৰ্যত জড়িত বিভিন্ন অস্ত্ৰ-শস্ত্ৰ আৰু চাৰিটা চুৰি ম'বাইল ফোন উদ্ধাৰ কৰে। ঠেলামৰাৰ লগতে দাঁতিকাষৰীয়া অঞ্চলত বিভিন্ন চুৰি কাৰ্য আৰু ডকাইতিৰ ঘটনাত জড়িত থকা আবু বক্কৰ ছিদ্দিকী আৰু আলাল উদ্দিনক গ্ৰেপ্তাৰ কৰে ঠেলামৰা আৰক্ষীয়ে। ঠেলামৰাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিতুল মনি দাসৰ নেতৃত্বত চলা এই অভিযানত দুৰ্ধৰ্ষ দুজন ডকাইতসহ কেবাটাও চুৰি ম'বাইল ফোন আৰু ডকাইতি কাৰ্যত ব্যৱহৃত সামগ্ৰীও উদ্ধাৰ কৰিছে আৰক্ষীয়ে। ডকাইত দুজনক গ্ৰেপ্তাৰ কৰাৰ পাছতেই আৰক্ষী থানাত একাংশ লোক উপস্থিত হৈ থানাত ভিৰ কৰি নিজৰ হেৰুওৱা সা-সামগ্ৰী সন্দৰ্ভত আৰক্ষীক অৱগত কৰে। ইতিমধ্যে ধৃত ডকাইত কেইজনক আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে।

# আছাৰ ডিব্ৰুগড় জিলাৰ সভাপতিক বহিষ্কাৰ

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ৪ আগষ্ট ঃ** আছাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ইগ্নেচিউছ তপ্পক সংগঠনটোৰ পৰা বহিষ্কাৰ কৰা হৈছে। তেওঁ দীৰ্ঘদিন ধৰি সংবিধান বিৰোধী কাৰ্যকলাপ আৰু সংগঠনৰ নীতি-নিয়ম উলংঘা কৰি বিভাজন আনিবলৈ চেষ্টা কৰাৰ বাবে বহিষ্কাৰ কৰা হৈছে বুলি আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগ, সাধাৰণ সম্পাদক নোৱাছ বাৰ্লা আৰু যুটীয়া সম্পাদক পুৰণ গঞ্জুৱে আজি স্বাক্ষৰ কৰা এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। বহিষ্কৃত ইগ্নেচিউছ তপ্পক আছাৰ ছীল, পেড ব্যৱহাৰ কৰাৰ পৰা অব্যাহতি দিয়াৰ উপৰি আছাৰ নামত সংবাদ মেল, সভা আদি অনুষ্ঠিত কৰিব নোৱাৰিব বুলি প্ৰেছ বিজ্ঞপ্তিটোত উল্লেখ কৰি তেওঁৰ লগত আছাৰ সাংগঠনিক দিশত যোগাযোগ নকৰিবলৈ আছাৰ সকলো বিষয়ববীয়াক আহ্বান জনাইছে। আছাৰ ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰূপে অভিমান্য ধৰুৱা আৰু সাধাৰণ সম্পাদক ৰূপে গৌতম চাংগাক জিলাৰ সাংগঠনিক কামকাজৰ দায়িত্ব দিয়া হৈছে বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰিছে।

# নলবাৰীত চিআৰপিএফৰ ত্ৰিৰংগা যাত্ৰা শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৪ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা উপলক্ষে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে পালন কৰা পৰিলক্ষিত হৈছে আজাদী কা অমৃত মহোৎসৱ। ইয়াৰ অংশ হিচাপে নলবাৰীৰ জাপাৰকুছিস্থিত ১৩৬ নম্বৰ বেটেলিয়ন চিআৰপিএফ বাহিনীৰ উদ্যোগতো আজি পালন কৰা হয় আজাদী কা অমৃত মহোৎসৱ। এই উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা শীৰ্ষক কাৰ্যসূচীত নলবাৰী জাপাৰকুছিৰ চিআৰপিএফ বাহিনীৰ চাউনীৰ পৰা নলবাৰী চহৰৰ বিভিন্ন পথেৰে সমদল কৰাৰ উপৰি চহৰৰ মাজেৰে এই 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক এক শোভাযাত্ৰা উলিওৱা হয়। ১৩৬ নম্বৰ বেটেলিয়ন চিআৰপিএফ বাহিনীৰ কামাণ্ডেন্ট অজিত চাংওৱাঙৰ নেতৃত্বত অনুষ্ঠিত এই ত্ৰিৰংগা যাত্ৰা আৰম্ভণি কৰে সহকাৰী কামাণ্ডেন্ট চি ৰি তিৱাৰীয়ে। আনহাতে, এই ত্ৰিৰংগা যাত্ৰাত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে স্থানীয় ৰাইজে সহযোগ আগবঢ়ায়। উক্ত কাৰ্যসূচীত ১৩৬ নম্বৰ বেটেলিয়ন চিআৰপিএফ বাহিনীৰ ভালেকেইগৰাকী বিষয়ববীয়া, জোৱানসকলৰ লগতে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অসম ইছলামিক মৌলবাদীৰ পৃষ্ঠভূমি

*এক পৃষ্ঠাৰ পৰা* পাঁচমাহত অসমত ভাৰতীয় উপ-মহাদেশত অল-কায়দা (আকিছ)ৰ মূল গোট বাংলাদেশৰ আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ পাঁচটা মডিউলৰ উৎখাতৰ পাছত আজি জনতা ভৱনত এক সংবাদমেলত এইদৰে কয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যত ইছলামিক মৌলবাদী আৰু জেহাদী শক্তিৰ উত্থানৰ ভয়াৱহতাৰ তথ্য দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্থানীয়ভাৱে জন্ম লোৱা সন্ত্ৰাসবাদ আৰু এইসকলৰ মাজত পাৰ্থক্য আছে। 'জেহাদী কাৰ্যকলাপ সন্ত্ৰাসবাদী অথবা উগ্ৰপন্থাৰ কাৰ্যকলাপতকৈ অতি পৃথক। এওঁলোকৰ লক্ষ্য দীঘলীয়া। একেদিনাই কূটাঘাতমূলক কাৰ্যকলাপত জড়িত হোৱাৰ তেওঁলোকৰ প্ৰয়োজন নাথাকে। প্ৰথমতে তেওঁলোকে মতবাদৰ দীক্ষাদানৰ বাবে এক ভেঁটি বিচাৰি লয়। তাৰ পাছত আহে সক্ৰিয় অংশগ্ৰহণ আৰু পৰৱৰ্তী পৰ্যায়ত কূটাঘাতমূলক কাৰ্যকলাপৰ পৰ্যায়ত উপনীত হয়। তেওঁলোকৰ উদ্দেশ্য হৈছে বৃহৎ সংখ্যক জনসংখ্যাক প্ৰথমতে জেহাদী মতবাদত দীক্ষিতকৰণ। তেওঁলোকে বিশ্বাস কৰে যে শ্বৰিয়তৰ শাসন প্ৰতিষ্ঠা কৰিবলৈ এজন-দুজনক দীক্ষা দিলে নহ'ব। কিয়নো তেওঁলোক সন্ত্ৰাসবাদী নহয়। সন্ত্ৰাসবাদী সংগঠন হ'লে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ স্বাধীনতা দিৱসত বোমা বিস্ফোৰণ অন্যতম লক্ষ্য হৈ পৰে, কিন্তু এওঁলোকৰ কাৰ্যকলাপ সম্পূৰ্ণ ভিন্ন। তেওঁলোক কূটাঘাতমূলক কাৰ্যকলাপত আগ্ৰহী নহয়। বৃহৎ সংখ্যক লোকক জেহাদী দীক্ষা দিয়াটোহে তেওঁলোকৰ মূল লক্ষ্য যাতে ৰাষ্ট্ৰৰ বিৰুদ্ধে বিদ্ৰোহ হ'ব পাৰে। এওঁলোকৰ উদ্দেশ্য দীঘলীয়া। অসম বা ভাৰতত কিমান লোকক জেহাদীৰ দীক্ষা দিয়া হৈছে সেই কথা কোৱাটো সম্ভৱ নহয়।' মুখ্যমন্ত্ৰীয়ে আজি সংবাদমেলত অসমত জেহাদী কাৰ্যকলাপ সন্দৰ্ভত বিতং ব্যাখ্যা আগবঢ়াই এইসমূহ তথ্য দাঙি ধৰে। তেওঁ কয়, 'এই বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ। অসম আৰক্ষীকো বিশেষভাৱে এনে জেহাদী কাৰ্যকলাপৰ ওপৰত দৃষ্টি ৰাখিবলৈ কোৱা হৈছে। আমি এই বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে লৈছো।' এইদৰে উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যৰ গোৱালপাৰা, বৰপেটা আৰু মৰিগাঁও এই তিনিওখন জিলাতে উৎখাত হৈছে জেহাদীৰ কাৰ্যকলাপ। ইতিহাসলৈ চালে অধিকাংশ জেহাদী গোট বৰপেটাতে সক্ৰিয় আছিল। ১০ বছৰত পাঁচটা মডিউল আৰু ছমাহত ছটা মডিউল উৎখাত কৰাটোৱে বিষয়টোৰ ভয়াৱহতা দাঙি ধৰে বুলি শৰ্মাই কয়।

### জেহাদী কাৰ্যকলাপৰ মূল অভিকেন্দ্ৰ হৈছে মাদ্ৰাছাসমূহ

'কোনোবাই দুখ পাব পাৰে কিন্তু লক্ষ্যণীয়ভাৱে এই পৰ্যন্ত সকলো জেহাদী মডিউলৰ কাৰ্যকলাপৰ মূল অভিকেন্দ্ৰ হৈছে মাদ্ৰাছাসমূহ। মই সাধাৰণীকৰণ কৰা নাই, কিন্তু যাকেই আমি ধৰিছো তাৰেই মাদ্ৰাছাৰ স'তে কিবা প্ৰকাৰে সম্পৰ্ক আছে অথবা কিছুমান মছজিদৰ ইমামৰ স'তে সম্পৰ্ক আছে। জেহাদী কাৰ্যকলাপ ঢাকিবলৈ মছজিদ ব্যৱহাৰ কৰা হৈছে। বিশেষকৈ মছজিদৰ ইমামৰূপে থাকিলে তেওঁলোকে ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে জেহাদৰ সূচনা কৰি শ্বৰিয়ত আইন প্ৰতিষ্ঠাৰ উদ্দেশ্যৰ নিজৰ প্ৰকৃত পৰিচয় ঢাকি ৰাখিব পাৰে।' এইদৰে কয় মুখ্যমন্ত্ৰী শৰ্মাই। তেওঁ আৰু সদৰী কৰা অনুসৰি ক'ভিড অতিমাৰীৰ সময়ছোৱাত ৰাজ্যবাসী ইয়াৰ স'তে মোকাবিলা কৰাত ব্যস্ত থকাৰ সুযোগ লৈ অসমত এবিটিয়ে বহুকেইটা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। বিভিন্ন ধৰণৰ কাৰিকৰী প্ৰশিক্ষণো এই সময়ছোৱাত দিয়া হৈছে। জেহাদীৰ মন্ত্ৰৰে দীক্ষাকৰণ, চাইবাৰ সুৰক্ষা, বোমা নিৰ্মাণ আদিৰ প্ৰশিক্ষণেৰে ক'ভিডৰ সময়ছোৱাত বৃহৎ সংখ্যক কাৰ্যকলাপ চলোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'যদি বিগত চাৰি-পাঁচমাহত আমি এবিটিৰ পাঁচটা মডিউল উৎখাত কৰিলো তেন্তে কল্পনা কৰিব পাৰি আমি অসমত কি ধৰণৰ পৰিস্থিতিত আছো।'

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বাহিৰৰ পৰা ইমামসকলে বিভিন্ন মাদ্ৰাছাত মুছলমান তৰুণক জেহাদীৰ মন্ত্ৰত দীক্ষিত কৰাটো অত্যন্ত উদ্বেগৰ বিষয়। তেওঁ কয় যে এবিটিৰ ছজন বাংলাদেশী নাগৰিকে অসমত প্ৰৱেশ কৰিছে। ইয়াৰে এজনক বৰপেটাত যোৱা মাৰ্চত গ্ৰেপ্তাৰ কৰা হয়। বাকী পাঁচজনৰ এই পৰ্যন্ত কোনো সন্ধান নাই। ভাৰতীয় উপ-মহাদেশত অল কায়দাৰ সহযোগী আনছাৰউল্লাহ বাংলা টীমৰ অসমত প্ৰৱেশ কৰা ধৃত সদস্যজন হৈছে মহম্মদ সুমন ওৰফে ছাইফুল ইছলাম ওৰফে হাৰুণ ৰছিদ। এওঁক মাৰ্চত গ্ৰেপ্তাৰ কৰা হয়। বাংলাদেশৰ নাগৰিক সুমনে অসমত অনাথ বুলি ভুৱা পৰিচয় দি চিৰাং জিলাৰ এগৰাকী যুৱতীৰ স'তে বিবাহ পাশত আৱদ্ধ হয়। এই পৰ্যন্ত গ্ৰেপ্তাৰ নোহোৱাকৈ ৰাজ্যত বিচৰণ কৰি থকা বাকী এবিটিৰ সদস্য কেইজন হৈছে বাদছাহ ছুলেমান খান, মহম্মদ নৌছাদ আলী, খাইৰুল ইছলাম, টাইমুৰ ৰহমান খান আৰু মামুনৰ ৰছিদ। সুমনৰ ঘৰ নাৰায়ণগঞ্জ জিলাৰ আৰাইহাজাৰ আৰক্ষী থানাৰ আতালী গাঁৱত। বৰপেটাত সুমনে এবিটি মডিউলৰ নেতৃত্ব দিয়াৰ লগতে বঙাইগাঁও আৰু মৰিগাঁৱতো নেতৃত্ব দিছিল। সুমনে ২০১৬-১৭ত পশ্চিমবংগৰে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰে আৰু ২০১৮ত ইয়াতে সংস্থাপিত হয়। বৰপেটাৰ যোশী হাতীপাৰাৰ ছাইখুল হিন্দ মাহমুদুল হাছান জমিউল হুদা ইছলামিক একাডেমীৰ আৰবী ভাষাৰ শিক্ষকৰ ভেশ ধৰি তেওঁ এবিটিৰ কাম-কাজ চলাই গৈছিল। একেদৰে বৰপেটাৰ হাউলীৰ ঢাকালিয়াপাৰা মছজিদৰ ইমামৰো কাম কৰিছিল। জেহাদী সংগঠনত যোগদান কৰিবলৈ তৰুণসকলক উত্তেজিত কৰিব পৰাকৈ সুমনৰ জিম্মাৰ পৰা বহু নথিপত্ৰ আৰু গ্ৰন্থ উদ্ধাৰ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে সুমনে মুছলমান যুৱকসকলক জেহাদৰ মতবাদেৰে দীক্ষিত কৰি সংগঠনটোত নিযুক্তি দিয়াৰ উদ্দেশ্যে কাম কৰিছিল। তেওঁ লগতে কয় যে বাংলাদেশত এবিটিক ইতিমধ্যে নিষিদ্ধ কৰা হৈছে। বৰপেটাত ইয়াৰ পাছতে ১৪ এপ্ৰিলত এবিটিৰ দ্বিতীয়টো মডিউল উৎখাত কৰি ছজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। এওঁলোকৰ জিম্মাৰ পৰাও জেহাদৰ হাতপুথিকে ধৰি বিভিন্ন নথি উদ্ধাৰ কৰে। পৰৱৰ্তী পৰ্যায়ত ১৫ এপ্ৰিলত বঙাইগাঁৱত এবিটিৰি তৃতীয়টো মডিউল উৎখাত কৰে আৰু চাৰিজনক গ্ৰেপ্তাৰ কৰে। এবিটিৰি চতুৰ্থটো মডিউল উৎখাত কৰা হয় মৰিগাঁও জিলাত যোৱা ২৭ জুলাইত। একেদিনাই বৰপেটা জিলাৰ জনিয়াত এবিটিৰ পঞ্চমটো মডিউল উৎখাত কৰে আৰক্ষীয়ে। এইদৰে ৰাজ্যত চলিত বৰ্ষতে মাৰ্চৰ পৰা আৰম্ভ কৰি জুলাই পৰ্যন্ত বৰপেটা, বঙাইগাঁও আৰু মৰিগাঁও জিলাত আৰক্ষীয়ে উৎখাত কৰে এবিটিৰ পাঁচটা মডিউল। মুখ্যমন্ত্ৰীয়ে কয়, 'মৰিগাঁৱত কেৱল এটা সাধাৰণ মডিউল বুলি ক'ব নোৱাৰি। মৰিগাঁও হৈছে কিছু পৰিমাণে তলতীয়া মুখ্য কাৰ্যালয়। এক অভিকেন্দ্ৰ। এই অভিকেন্দ্ৰৰ অধিকাংশ মডিউলৰ স'তে যোগাযোগ আছে।' তেওঁ লগতে সদৰী কৰে যে এই সকলোবোৰ মডিউলৰ লক্ষ্য হৈছে শ্বৰীয়তৰ শাসন প্ৰতিষ্ঠা। সুমনৰ দৰে দুৰ্ধৰ্ষ জেহাদীৰ পৰা উদ্ধাৰ কৰা বিভিন্ন তথ্যপাতিয়ে উদঙাইছে যে মুছলমান যুৱকক জেহাদৰ দীক্ষাকৰণ, জেহাদী সংগঠনত অন্তৰ্ভুক্তিৰ লগতে অল কায়দাৰ বাবে এক ভেটি তৈয়াৰৰ কামত নিয়োজিত হৈছে এই মডিউলসমূহ। এই পৰ্যন্ত উদ্ধাৰ হোৱা জেহাদী নথিসমূহত দেখা গৈছে যে মুকলিভাৱে মানুহক জেহাদত যোগদান কৰিবলৈ আৰু সভ্যতা ধ্বংস কৰিবলৈ কোৱা হৈছে। এই পৰ্যন্ত উৎখাত কৰা প্ৰতিটো মডিউল আৰু গ্ৰেপ্তাৰ হোৱা জেহাদীৰ জিম্মাৰ পৰা বৃহৎ সংখ্যক নথি, গ্ৰন্থ উদ্ধাৰ কৰা হৈছে। তদুপৰি এনে কে'বাজনো জেহাদীয়ে বাংলাদেশলৈ গৈ যোগাযোগৰ অতি উন্নত প্ৰযুক্তিৰ প্ৰশিক্ষণ লৈছে। অত্যাধুনিক প্ৰযুক্তিৰ যোগাযোগ ব্যৱস্থাৰে বাংলাদেশত থকা শীৰ্ষ নেতৃত্বৰে এইসকলে যোগাযোগ সম্পন্ন কৰে। ধৃত জেহাদীসকলে অত্যাধুনিক প্ৰযুক্তিৰ এপ ব্যৱহাৰ কৰে আৰু পৰৱৰ্তী পৰ্যায়ত এইবোৰ ম'বাইলৰ পৰা নোহোৱা কৰি পেলোৱাৰ ফলত তেওঁলোকক অনুসৰণ কৰাটো কঠিন হৈ পৰে। যোৱা পাঁচ মাহত অসম আৰক্ষীয়ে উৎখাত কৰা এবিটিৰ পাঁচটা মডিউলৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ হৈছে মৰিগাঁৱৰ ঘটনা। আজি অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইন আৰু দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত মৈৰাবাৰীৰ জমিৰুল হুদা মাদ্ৰাছা ভাঙি পেলোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মৰিগাঁৱৰ ধৃত মুফটি মহম্মদ মুস্তাফাই বিত্তীয় লেনদেনৰ মূল যোগাযোগকাৰী। মুস্তাফাই মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশত মাদ্ৰাছাত অধ্যয়নৰ পাছত ২০১৭ত ভূপালত ইছলামিক আইনৰ ওপৰত ডক্টৰেট ডিগ্ৰী লয়। ইয়াৰ পাছত তেওঁ নিজৰ মাটিতে মাদ্ৰাছাখন স্থাপন কৰে। মুস্তাফা এবিটিৰ উচ্চ পৰ্যায়ৰ নেতৃত্বৰাহী। তেওঁ জেহাদৰ মৌলিক পৰ্যায় অতিক্ৰম কৰিছে। মাদ্ৰাছাতে বাংলাদেশী নাগৰিকক আশ্ৰয় দি নিশাৰ ভাগত ছাত্ৰসকলক জেহাদীৰ পাঠ দিছিল মুস্তাফাই। এই সম্পৰ্কে নিশ্চিত তথ্য লাভ কৰিছে আৰক্ষীয়ে। ড° শৰ্মাই কয় যে অসমত উৎখাত হোৱা আটাইকেইটা মডিউলৰ লগতে এবিটিৰ শীৰ্ষ নেতাৰ স'তে যোগাযোগ থকা মুস্তাফালৈ বহুবাৰ ধন আহিছিল। এই পৰ্যন্ত আৰক্ষীৰ জালৰ পৰা সাৰি থকা বাংলাদেশৰ পৰা অহা এবিটিৰ সদস্যসকলৰ বিষয়েও মুস্তাফা জ্ঞাত। অসমত সক্ৰিয় হোৱা এবিটিৰ গোটসমূহে উচ্চ পৰ্যায়ৰ প্ৰযুক্তিৰ তথ্য উদ্ধাৰ হৈছে।

এই তথ্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত প্ৰৱেশ কৰা এবিটিৰ ছজন সদস্যই পাঁচটা মডিউল সৃষ্টি কৰাৰ তথ্য উদ্ধাৰ হৈছে যদিও এনে আন বহুতো মডিউল থকাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

### আৰক্ষীলৈ তথ্য সৰবৰাহ কোনে কৰিছে?

'আমি যি তথ্য লাভ কৰিছো তাৰ উৎস হৈছে ইছলাম ধৰ্মাৱলম্বী লোক। আমি জেহাদীৰ বিষয়ে অধিকাংশ তথ্যই ইছলাম ধৰ্মীয় লোকৰ পৰা লাভ কৰিছো। এইবোৰ তথ্য কোনো হিন্দু মানুহেই দিব নোৱাৰে। শান্তিপ্ৰিয় ইছলামধৰ্মীয় লোকে আমাক এই সকলোবোৰ মডিউলৰ তথ্য যোগান ধৰিছিল। সেই গাঁওবোৰলৈ কোনো হিন্দু মানুহ যাব নোৱাৰে বা সেই স্থানত হিন্দু লোক নাই। গতিকে সাধাৰণতে সকলো মুছলমান মানুহ জেহাদৰ পক্ষত বুলি কোৱাটো একেবাৰে অসত্য কথা। মই অসমৰ ৰাইজক আহ্বান জনাইছো যাতে কথাবোৰৰ সাধাৰণীকৰণ নকৰে। এনে কৰাটো উচিত নহ'ব।' এইদৰে কয় মুখ্যমন্ত্ৰী শৰ্মাই। তদুপৰি তেওঁ কয় যে মছজিদলৈ যদি বাহিৰৰ পৰা কোনো ইমাম আহে তেন্তে তেওঁলোকক আতিথ্য দিয়াৰ পূৰ্বে স্থানীয় থানাত বিষয়টো অৱগত কৰিব লাগে। তেওঁ কয়, 'আধাৰ কাৰ্ড থকাটোৱে গুৰুত্বপূৰ্ণ নহয়, কিয়নো নাগৰিক নহ'লেও আধাৰ কাৰ্ড থাকিব পাৰে। আপোনালোকক আহ্বান জনাও যে অচিনাকি ইমাম অথবা নজনা ঠাইৰ পৰা ইমাম আহিলে অনুগ্ৰহ কৰি স্থানীয় থানাত জনাব। আমি তেওঁৰ তথ্য পৰীক্ষা-নিৰীক্ষা কৰি জনাব পাৰিম।' এইদৰে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত স্থানীয় লোকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তদুপৰি মাদ্ৰাছাত কি শিক্ষাদান কৰা হৈছে তাৰ প্ৰতিও স্থানীয় লোকে দৃষ্টি ৰাখিব পাৰে। 'আমি অসমত চৰকাৰী মাদ্ৰাছা প্ৰায় আঠশখন বন্ধ কৰিছো। অৱশ্যে এতিয়াও কৌমি মাদ্ৰাছা চলি আছে। মাদ্ৰাছাসমূহত আটাইতকৈ দৰিদ্ৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে অধ্যয়ন কৰে। তেওঁলোকৰ অভিভাৱকৰ বাবে সন্তানে কি পঢ়িছে সেই কথা চালি-জাৰি চোৱাৰ উপায় নাই। সেয়েহে স্থানীয় লোকে চাব লাগে যে শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক কি পঢ়ুৱাইছে। মই অৱশ্যে সকলোকে সন্দেহ কৰিবলৈ কোৱা নাই। মাদ্ৰাছাসমূহত কি শিক্ষাদান কৰা হৈছে সেই বিষয়ে আপোনালোকে সময়ে সময়ে আমাৰ স'তে যোগাযোগ ৰাখক। মছজিদলৈ অপৰিচিত ইমাম আহিলে থানাত খবৰ দিব আৰু একেদৰে মাদ্ৰাছাত অপৰিচিত শিক্ষক আহিলেও থানাত খবৰ দিব।' এইদৰে আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে।

ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ মুছলমান ৰাইজে সহযোগ কৰিব বুলি তেওঁ আশাবাদী। 'মই কাকো বদনাম কৰিবলৈ এই কথাবোৰ কোৱা নাই। সতৰ্ক কৰি দিবলৈহে কৈছো। মই বিশ্বাস কৰো যে ভাৰতৰ ৯৯.৯ শতাংশ মুছলমান জেহাদৰ দ্বাৰা বিকৃত হোৱা নাই। আজিৰ পৰা আমি অসমৰ বাহিৰৰ পৰা অহা ইমাম আৰু মাদ্ৰাছাৰ শিক্ষকৰ ওপৰত নিকট দৃষ্টি দিব লাগিব। এইটো এতিয়া বিক্ষিপ্ত ঘটনা নহয়। আমাৰ চৰকাৰৰ দিনত মুছলমানৰ সহযোগিতা বৃদ্ধি পাইছে।' তেওঁ কয় যে মাদ্ৰাছাসমূহত আধুনিক শিক্ষা প্ৰদানৰ লগতে নিয়মিত পৰিদৰ্শনৰ ব্যৱস্থা কৰিব লাগিব। মুছলমান অধ্যুষিত অঞ্চলত মডেল স্কুল আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰসাৰৰ বাবে ব্যৱস্থা কৰি থকা বুলিও তেওঁ কয়। ৰাজ্যত আঠশখন কৌমি মাদ্ৰাছা আৰু পাঁচশখন হাফিজিয়া মাদ্ৰাছা থকা বুলি তেওঁ কয়। এই পৰ্যন্ত ৰাজ্যত উৎখাত হোৱা এবিটিৰ মডিউলসমূহ পৃথক আৰু ইয়াৰ স'তে জড়িতসকলে এজনে আনজনক নাজানে বুলিও তেওঁ সদৰী কৰে। কিছুমান মাদ্ৰাছা জেহাদীয়ে আশ্ৰয় হিচাপে ব্যৱহাৰ কৰি আছে আৰু এই ক্ষেত্ৰত সকলোকে একাকাৰ কৰিব নোৱাৰে বুলিও তেওঁ স্পষ্ট কৰি দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত মুছলমানসকলে অধিকাংশ সা-সুবিধা লাভ কৰা বুলি দাবী কৰে ড° শৰ্মাই। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে পিএফআইৰ দৰে সংগঠনে জেহাদী কাৰ্যকলাপ শিপাব পৰাকৈ পৰিৱেশ উৰ্বৰ কৰি তুলিছে। তেওঁলোকে মুছলমানসকল ৰাষ্ট্ৰৰ দ্বাৰা শোষিত হোৱা বুলি এক আবেগৰ জন্ম দিয়ে। তাৰ ওপৰত নিৰ্ভৰ কৰি জেহাদীয়ে প্ৰসাৰ কৰে দীক্ষান্তকৰণ। এই প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিৰ পৰা আৰম্ভ কৰি চাকৰিত নিযুক্তি আদি সকলো ক্ষেত্ৰতে মুছলমানসকলে প্ৰধানমন্ত্ৰী মোদীৰ কাৰ্যকলাপত সমঅধিকাৰ লাভ কৰিছে।

### আমি মাদ্ৰাছাক লক্ষ্য কৰি লোৱা নাই

'জমিয়ত উলেমা-ই-হিন্দে মাদ্ৰাছাক লক্ষ্য কৰি লোৱা হৈছে বুলি মোক পত্ৰ প্ৰেৰণ কৰি আছে। মই তেওঁলোকক অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শকক সাক্ষাৎ কৰিবলৈ অনুৰোধ জনাইছো। তেওঁলোকক যথোপযুক্ত তথ্য যোগান দিয়া হ'ব। আমি কাকো লক্ষ্য কৰি লোৱা নাই। এই সকলোবোৰ ভাৰতক সুৰক্ষা দিবলৈ আৰু আইন সংগত প্ৰশাসন বাহাল ৰাখিবলৈ নিৰ্দিষ্ট তথ্যৰ ওপৰত নিৰ্ভৰ কৰা হৈছে। ইয়াত কোনো অভিপ্ৰায় অথবা অসৎ উদ্দেশ্য নাই। ইয়াৰ লগতে মই শান্তিপ্ৰিয় মুছলমান ৰাইজক অনুৰোধ কৰিম যে আপোনালোকৰ গাঁও বা অঞ্চলত যদি কোনো অচিনাকি লোক আহে বা সন্দেহজনক গতিবিধি প্ৰত্যক্ষ কৰে তেন্তে খবৰ দিয়ক।' মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

আনহাতে, তেওঁ আৰু কয় যে জেহাদীক মুছলমান সমাজৰ পৰা বিচ্ছিন্ন কৰাটোহে চৰকাৰৰ উদ্দেশ্য। সেইবাবে মাদ্ৰাছাসমূহৰ ওপৰত নিৰীক্ষণ বৃদ্ধি কৰা হৈছে।

### অল-কায়দাৰ ভূমিকা

অসমত বিধ্বংসী কাৰ্যকলাপৰ বাবে এবিটিক নিয়োগ কৰিছিল আকিছে। ক'ভিডৰ সময়ত হোৱা প্ৰশিক্ষণ কালত বৰপেটাত এটা মডিউলত অস্ত্ৰ চালনাৰ প্ৰশিক্ষণো দিয়া হৈছিল। এই তথ্যসমূহ মুছলমান সমাজৰ পৰা লাভ কৰা বুলিও তেওঁ কয়। অলপতে কাবুলত নিহত অল-কায়দাৰ মুৰব্বী আইমান আল জৱাহিৰিয়ে অসমত জেহাদৰ বাবে আহ্বান জনোৱাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম ইতিমধ্যে জেহাদীৰ নিৰীক্ষণত আছে। মৈৰাবাৰীত ধৃত মুস্তাফাৰ ম'বাইলত উদ্ধাৰ হৈছে বহু ভয়াৱহ ভিডিঅ'কে ধৰি তথ্য। ৰাজ্যত জেহাদীৰ দীক্ষাকৰণ উদ্বেগজনক বুলি মুস্তাফাৰ ম'বাইল ফোনত উদ্ধাৰ হোৱা তথ্যই কূটাঘাতৰ পৰ্যায়লৈ জেহাদী কাৰ্যকলাপ লৈ যোৱাৰ পৰিকল্পনা দাঙি ধৰে। মানৱ বোমা হিচাপে একাংশক সাজু কৰাৰ প্ৰশিক্ষণৰ পৰিকল্পনাও আছে।

### আইনগতভাৱে ভাঙি পেলোৱা হৈছে মাদ্ৰাছা

মৈৰাবাৰীত আজি ভাঙি পেলোৱা মাদ্ৰাছাখন স্থাপনৰ বাবে স্থানীয় পঞ্চায়তৰ পৰাও আদায় ল'বলগীয়া অনুমতি পত্ৰ নাছিল। তদুপৰি বিদ্যুৎ সংযোগো আছিল অবৈধ। এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে সকলো ন্যায়িক আনুষ্ঠানিকতা পালন কৰি মাদ্ৰাছাখন আজি ভাঙি পেলোৱা হৈছে।

## ছয়গাঁৱত মণিকূটৰ আধাৰশিলা স্থাপন বিধায়ক ৰেকিবুদ্দিনৰ



**ছয়গাঁও, ৪ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ ধোঁৱাৰগাঁৱত শ্ৰী শ্ৰী বাসুদেৱ সত্ৰৰ মণিকূটৰ আধাৰশিলা স্থাপন কৰা হয় ।ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্ত, কামৰূপ জিলাৰ উন্নয়ন বিষয়া নৰসিং বে' আৰু চক্ৰ বিষয়া সৰোজ সোণোৱাল উপস্থিত আছিল। বিধায়ক ৰেকিবুদ্দিন আহমেদে ছয়গাঁও সমষ্টিটো বিভিন্ন পন্থাৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত মৰণপণ যুদ্ধ দিব বুলি কয় । আহমেদে লগতে কয় যে ছয়গাঁও কলেজ আৰু বামুণীগাঁৱত থকা বৃদ্ধা আৰু নিৰাশ্ৰয়া আবাসগৃহ উন্নয়নৰ বাবে চৰকাৰে শীঘ্ৰে কেবাকোটি টকা ধাৰ্য কৰিছে বুলি কয়। আনটাইড পুঁজিৰ ১০ লাখ টকাৰে নিৰ্মাণ কৰিব লগা এই অনুষ্ঠানৰ পূৰ্বে এখন সভাৰ আয়োজন কৰা হয়। ৰাইজ গয়ৰহৰ মুখীয়াল দিলীপ কুমাৰ সাউদে পৰিচালনা কৰা অনুষ্ঠানৰ সভাপতি প্ৰফুল্ল মেধি, সত্ৰাধিকাৰ অনন্ত অধিকাৰী, অখিল মহন্ত প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত আছিল ।

## নৱপ্ৰজন্মৰ ভোটাৰৰ নাম অন্তৰ্ভুক্তি সন্দৰ্ভত তিনিচুকীয়া উপায়ুক্তৰ শোষণ

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৪ আগষ্ট ঃ** ভোটাৰ তালিকাত নৱপ্ৰজন্মৰ ভোটাৰসকলকৰ নাম অন্তৰ্ভুক্তিৰ বাবে ভাৰতীয় নিৰ্বাচনী আয়োগে কেতবোৰ বিশেষ পদক্ষেপ হাতত লৈছে। যোৱা ৩১ জুলাইত সেই সন্দৰ্ভত বিতংকৈ অৱগত কৰিবৰ বাবে তিনিচুকীয়া জিলাৰ উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নৰসিং পাৱাৰে উপায়ুক্ত কাৰ্যালয় সভাকক্ষত এখন সংবাদমেলৰ আহ্বান কৰে। উপায়ুক্তই নৱপ্ৰজন্মৰ ভোটাৰসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিব বাবে ভাৰতীয় নিৰ্বাচনী আয়োগে লোৱা পদক্ষেপৰ বিষয়ে উপস্থাপন কৰে। উল্লেখ্য যে ১৭ বছৰৰ ঊৰ্দ্ধৰসকলে এতিয়া ভোটাৰ তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে আগতীয়াকৈ আবেদন কৰিব পাৰিব। পূৰ্বৰ নিয়ম অনুসৰি বছৰৰ পহিলা জানুৱাৰীত ১৮ বছৰ বয়সপ্ৰাপ্ত কৰালৈকে অপেক্ষা কৰিব নালাগে। ভাৰতীয় নিৰ্বাচনী আয়োগে নৱপ্ৰজন্মৰ ভোটাৰসকলৰ বাবে বছৰত চাৰিটাকৈ দিন বয়সৰ সীমাৰেখাৰ স্বৰূপে নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি ১৭ বছৰ ঊৰ্দ্ধৰ কিশোৰ-কিশোৰীসকলে এতিয়া বছৰৰ পহিলা জানুৱাৰী, পৰিলা এপ্ৰিল, পহিলা জুলাই অথবা পহিলা অক্টোবৰত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিব। ভোটাৰ পঞ্জীয়নৰ বাবে নতুন ব্যৱহাৰ-অনুকূল প্ৰপ-পত্ৰ অহা পহিলা আগষ্টৰ পৰা উপলব্ধ হ'ব। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিব। ভোটাৰ পঞ্জীয়নৰ বাবে নতুন ব্যৱহাৰ অনুকূল প্ৰ-পত্ৰ নম্বৰ ছয় আৰু সাত ব্যৱহাৰ কৰিব লাগিব। যাৱতীয় তথ্যৰ শুধৰণিৰ বাবে প্ৰপত্ৰ নম্বৰ আঠ ব্যৱহাৰ কৰিব লাগিব। আনহাতে, ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ লগত আধাৰ সংযুক্ত কৰিবৰ বাবে প্ৰপত্ৰ নম্বৰ ছয়খন নতুনকৈ প্ৰৱৰ্তন কৰা হৈছে বুলি জিলা উপায়ুক্তই সংবাদমেলত উল্লেখ কৰে। অৱশ্যে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ স'তে আধাৰ সংযোগ কৰাটো সম্পূৰ্ণ স্বেচ্ছামূলক বুলিও উপায়ুক্তই সদৰী কৰিছে। বৰ্তমান ভোটাৰ তালিকাত নাম সন্নিৱিষ্ট হৈ থকা ভোটাৰসকলৰ আধাৰ নম্বৰ সংগ্ৰহৰ বাবে পহিলা আগষ্টৰ পৰা এক অভিযান আৰম্ভ কৰা হ'ব। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ভোটাৰসকলৰ পৰিচয় সঠিকভাৱে প্ৰতিষ্ঠা কৰা আৰু ভোটাৰ হেল্পলাইন এপ আৰু এনভিএছপি পৰ্টেলৰ জৰিয়তে অথবা বিএলঅ'ৰ জৰিয়তে নিজেই নিজৰ ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ আধাৰৰ স'তে সংযোগ কৰিব পাৰিব বুলি জিলা উপায়ুক্তই অৱগত কৰে। উল্লেখ্য যে ন নৱেম্বৰত ২০২২ত সংহত খচৰা ভোটাৰ তালিকাত প্ৰকাশ পাব।

## নাজিৰা মহকুমাত বিশেষ সংক্ষিপ্ত সংশোধনী সন্দৰ্ভত সংবাদমেল

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ৪ আগষ্ট ঃ** নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত কালি নাজিৰা ৰাজহ চক্ৰ বিষয়া ভানলাল লিম্পুইয়া নাম্পুইৰ অধ্যক্ষতাত ভাৰতৰ নিৰ্বাচনী আয়োগে জাৰি কৰা শেহতীয়া নিৰ্দেশনা তথা সংশোধনীসমূহৰ সন্দৰ্ভত এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। নাজিৰাৰ নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠকে সংবাদমেলত ভাৰতীয় নিৰ্বাচনী আয়োগে ভোটাৰ তালিকাত নতুন ভোটাৰসকলক অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা বিশেষ পদক্ষেপসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। উল্লেখ্য যে পূৰ্বতে বছৰৰ এক জানুৱাৰীত ১৮ বছৰ হোৱা ব্যক্তিসকলেহে ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব পাৰিছিল; কিন্তু শেহতীয়া নিৰ্দেশনা অনুসৰি আগন্তুক বছৰৰ এক জানুৱাৰীৰ উপৰি এক এপ্ৰিল, এক জুলাই আৰু এক অক্টোবৰৰ ভিতৰত ১৮ বছৰ হোৱা যিকোনো ব্যক্তিয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰপত্ৰ নম্বৰ ছয়ৰ যোগেদি আগতীয়াকৈ আবেদন দাখিল কৰিব পাৰিব। লগতে ১৭ বছৰ ঊৰ্দ্ধৰ যুৱক-যুৱতীসকলেও এতিয়া ভোটাৰ তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে আগতীয়াকৈ আবেদন কৰিব পাৰিব। তদুপৰি প্ৰপত্ৰ নম্বৰ সাত, আঠৰ জৰিয়তে ভোটাৰসকলে ক্ৰমে নিজৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন, যাৱতীয় তথ্যসমূহ শুধৰণি কৰিব পাৰিব। আনহাতে, ভোটাৰ কাৰ্ডৰ লগত আধাৰ সংযুক্ত কৰিবৰ বাবে প্ৰপত্ৰ নম্বৰ ছয় বি নতুনকৈ প্ৰৱৰ্তন কৰা হৈছে বুলি নিৰ্বাচনী বিষয়াই সংবাদমেলত উল্লেখ কৰে। অৱশ্যে ফটোযুক্ত ভোটাৰ পৰিচয়পত্ৰ আধাৰৰ লগত সংযোজন কৰাটো সম্পূৰ্ণ স্বেচ্ছামূলক। বৰ্তমান ভোটাৰ তালিকাত নাম সন্নিবিষ্ট হৈ থকা ভোটাৰসকলৰ আধাৰ নম্বৰ সংগ্ৰহৰ বাবে অহা পহিলা আগষ্টৰ পৰা এক অভিযান আৰম্ভ কৰা হ'ব। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে ভোটাৰসকলৰ পৰিচয় সঠিকভাৱে প্ৰতিষ্ঠা কৰা আৰু ভোটাৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে কৰা আবেদনসমূহৰ সত্যতা নিৰূপণ কৰা। ভোটাৰসকলে ভোটাৰ হেল্পলাইন এপ আৰু এনভিএছপি পৰ্টেলৰ জৰিয়তে অথবা বিএলঅ'ৰ জৰিয়তে উপৰোক্ত প্ৰপত্ৰৰ যোগেদি নিজৰ আবেদনসমূহ দাখিল কৰিব পাৰিব। তেওঁ কয় যে আয়োগে পঞ্জীয়ন প্ৰপত্ৰসমূহ অধিক ব্যৱহাৰকাৰী অনুকূল আৰু সহজ কৰি তুলিছে। নতুনকৈ সংশোধিত প্ৰপত্ৰসমূহ এক আগষ্টৰ পৰা উপলব্ধ হ'ব। উল্লেখ্য যে ন নৱেম্বৰ ২০২২ত সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ পাব। ন নৱেম্বৰৰ পৰা আঠ ডিচেম্বৰলৈকে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি দাখিলৰ নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰতে ভোটাৰ তালিকা সন্দৰ্ভত বিশেষ অভিযান চলোৱা হ'ব। ২৬ ডিচেম্বৰৰ ভিতৰত সকলো ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব আৰু পাঁচ জানুৱাৰী ২০২৩ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব।



কৃষকৰ মাজত জাতীয় পতাকাৰ লগতে কঠীয়া বিতৰণ কৰিছে মৰিগাঁও কৃষি বিভাগে।

# অস্তিত্বহীন হোৱাৰ পথত গোৱালপাৰাৰ ৰেছম প্ৰকল্প

## পুনঃ কাৰ্যক্ষম কৰাৰ আহ্বান জিলাবাসীৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৪ আগষ্ট ঃ** অসমৰ গৌৰৱোজ্জ্বল ইতিহাসত পাট মুগা তথা এৰীৰ দৰে ৰেছমৰ স্থান সদায় সুকীয়া । ১১শ শতিকাৰ পাল ৰাজবংশৰ ৰাজত্ব কালৰ পৰাই বৰ অসমত পাট, মুগা আৰু এৰীৰ বস্ত্ৰই বিশেষ মৰ্যাদা লাভ কৰি আহিছে। ১১ শ শতিকাত পাল ৰাজবংশৰ ৰজা ধৰ্মপালে তাঁতীকুছিৰ পৰা ২৬ টা বোৱনী পৰিয়ালক শুৱালকুছিত আনি প্ৰতিষ্ঠা কৰে । ১৭ শ শতিকাত মোগলক পৰাস্ত কৰি শানসকলে শুৱালকুছি দখল কৰাৰ পাছত ইয়াত বয়ন শিল্পই গঢ় লৈ উঠে। কৌটিল্যৰ অৰ্থশাস্ত্ৰতো কামৰূপৰ পাট মুগা বস্ত্ৰৰ কথা উল্লেখ থকা কথাৰ পৰাই ইয়াৰ ঐতিহাসিক গুৰুত্বৰ কথা অনুধাৱন কৰিব পাৰি। এযোৰ খমখমীয়া মুগাৰ সাজ নতুবা হাতৰ মুঠিত লুকুৱাব পৰা জোখেৰে এযোৰ ৰংচঙীয়া পাট কাপোৰে অতি মূল্যবান আ-অলংকাৰৰ জ্যোতিকো যেন ম্লান কৰে। অতীজৰে পৰা ৰজাঘৰীয়া ডা-ডাঙৰীয়াৰ পৰা সাধাৰণ জনতাৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা পাট-মুগাৰ উত্তৰণৰ বাবে পৰৱৰ্তী কালত ইয়াক শিল্পৰ মৰ্যাদা প্ৰদান কৰে দেশৰ চৰকাৰে। মুগা শিল্প, পাট শিল্প তথা এৰী শিল্পীই ক্ৰমান্বয়ে বিশ্বদৰবাৰতো নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয় । সেয়ে স্বাধীনোত্তৰ পৰৱৰ্তী কালত ইয়াৰ এক সুকীয়া বিভাগ প্ৰতিষ্ঠা কৰে চৰকাৰ যন্ত্ৰই । ৰেছম বিভাগ নামৰ এই বিভাগটোৱে পাট মুগা তথা এৰী শিল্পৰ উন্নতিৰ বাবে বিভিন্ন আঁচনি যুগুত কৰি কোটি কোটি টকা খৰচ কৰি আহিছে । পিছে বিভাগটোৰ বিষয়া কৰ্মচাৰীসকলৰ গা এৰা দিয়া মনোভাৱৰ বাবে মুগা পাট শিল্পৰ গৰিমা ক্ৰমান্বয়ে ম্লান পৰাৰ উপক্ৰম হৈছে। ইয়াৰ উৎকৃষ্ট উদাহৰণ হিচাপে নামনি অসমৰ গোৱালপাৰা জিলাৰ কথাকে ক'ব পাৰি। প্ৰচুৰ সম্ভাৱনা থকাৰ পাছতো একমাত্ৰ বিভাগীয় কৰ্তৃপক্ষৰ হেমাহিৰ বাবে লাখ লাখ টকাৰ অভিলাষী আঁচনিসমূহ বৰ্তমানে বিকল, পৰিত্যক্ত হৈ পৰি আছে। জিলাখনৰ মাদাং, কায়স্থপাৰা, ধনুভাঙা, আগিয়া আদিত মুগা,এৰীৰ দৰে ৰেছমৰ বৃহৎ বৃহৎ প্ৰকল্প স্থাপন কৰা হৈছিল যদিও সেইবোৰ এতিয়া নামমাত্ৰহে জীৱিত হৈ আছে। আঁচনিসমূহৰ যন্ত্ৰ-পাতিবোৰ বিকল হৈ এতিয়া জহি খহি যোৱাৰ উপক্ৰম হৈছে । ইয়াৰ জ্বলন্ত উদাহৰণ হৈছে ৰংজুলিত স্থাপন কৰা 'সোণালী সুতা প্ৰকল্প' নামৰ অভিলাষী আঁচনিখন। উল্লেখ্য যে জিলা গ্ৰামোন্নয়ন আৰু জিলা ৰেছম বিভাগে কোটি টকা ব্যয়ৰে প্ৰতিষ্ঠা কৰা অভিলাষী আঁচনিখনৰ আধাৰ শিলা স্থাপন কৰিছিল তেতিয়াৰ অগপ চৰকাৰৰ মন্ত্ৰী অকন ৰাভাই। ইয়াৰ পাছত ২০০১ত কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত প্ৰকল্পটো উদ্বোধন কৰাৰ পাছত কাৰ্যক্ষম হৈ উঠে। পিছে বিভাগীয় অৱহেলাৰ ফলত এতিয়া প্ৰকল্পটো গৰাকীবিহীন সম্পত্তিৰ দৰে অৱহেলিত হৈ পৰি আছে। প্ৰকল্পটোৰ বৃহৎ বৃহৎ মূল্যবান যন্ত্ৰপাতিবোৰ বিকল তথা জহি-খহি যাব ধৰিছে। জিলাখনৰ বাকীবোৰ প্ৰকল্পৰো একেই অৱস্থা। সেয়ে গোৱালপাৰাৰ সচেতন মহলে জিলা ৰেছম বিভাগৰ অধীনস্থ মুগা এৰী প্ৰকল্প তথা কেন্দ্ৰসমূহ পুনঃ কাৰ্যক্ষম কৰি তুলিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে।

## চিৰাঙৰ ভৱানীপুৰ-কলীয়াগাঁৱত ভয়ংকৰ খহনীয়া

অগ্ৰদূত বাৰ্তা,

**কাজলগাঁও, ৪ আগষ্ট ঃ** চিৰাঙৰ ভৱানীপুৰত কানা মাক্ৰা নৈৰ ভয়ংকৰ গৰাখহনীয়া। ভুটানৰ পৰা নামি অহা খৰস্ৰোতা মাক্ৰা নৈৰ বাঢ়নী পানী কমি অহাৰ পাছতে আৰম্ভ হৈছে খহনীয়াৰ তাণ্ডৱ। ব্যাপক হাৰত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আল্লাহৰ ওচৰত প্ৰাৰ্থনা গঞাৰ। খহনীয়াৰ পৰা ৰক্ষাৰ বাবে এই প্ৰাৰ্থনাৰ ব্যৱস্থা কৰে গঞাই। চৰকাৰে একো নকৰাত একমাত্ৰ আল্লাই ভৰষা ভৱানীপুৰ গাঁওবাসীৰ। যোৱা চাৰি-পাঁচ বছৰৰ পৰা কানা মাক্ৰা নৈৰ গৰাখহনীয়াত ইতিমধ্যে ভৱানীপুৰ গাঁওখন নিঃশেষপ্ৰায় অৱস্থা। তাৰ পাছতো চৰকাৰে বান প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ গঞাৰ। ইতিমধ্যে গাঁওখনৰ খেতি পথাৰকে আদি কৰি তামোলবাৰী তথা মানুহৰ ঘৰ বিলীন হৈছে কানা মাক্ৰা নৈৰ বুকুত। একেদৰেই নাঙলভাঙা নৈৰ খহনীয়াই কলীয়াগাঁৱত কালৰূপ ধাৰণ কৰিছে। যোৱা বছৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা নিজে আহি পৰিদৰ্শন কৰিছিল কলীয়াগাঁৱৰ গৰাখহনীয়া। তাৰ পাছতো আজিলৈ চৰকাৰে বান খহনীয়া প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই পুনৰ গৰাখহনীয়াৰ কবলত পৰিছে কলীয়াগাঁৱৰ ৰাইজ। ইতিমধ্যে গাঁওখনৰ কে'বাটাও ঘৰ খহনীয়াত জাহ যোৱাৰ লগতে খেতি মাটীৰ বৃহৎ ভূমি নৈৰ বুকুত জাহ গৈছে। গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে ভুক্তভোগী গাঁওবাসীয়ে।

## গোৱালপাৰাত চৰকাৰী কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৪ আগষ্ট ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান গোৱালপাৰা জিলাৰ জীৱিকা সখী আৰু বেংক সখীসকলে কালিৰে পৰা চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়সমূহত গৈ ত্ৰিৰংগা পতাকা বিক্ৰী আৰম্ভ কৰিছে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা এই অভিযান আৰম্ভ কৰা হয়। উল্লেখ্য যে ইতিমধ্যে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান গোৱালপাৰা জিলাৰ অধীনত থকা আত্মসহায়ক গোটৰ মহিলাসকলে ৰাষ্ট্ৰীয় পতাকা তৈয়াৰ কৰি বিভিন্ন ঠাইত বিক্ৰীৰ ব্যৱস্থা কৰাৰ লগতে জিলাৰ বিভিন্ন ঠাইত ত্ৰিৰংগা পতাকা লৈ সমদল কৰি স্বদেশপ্ৰেম অধিক জাগ্ৰত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।

### শোণিতপুৰ জিলা দিৱস উদ্‌যাপন

## তেজপুৰত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰিলে মন্ত্ৰী পীযুষ হাজৰিকাই

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৪ আগষ্ট ঃ** 'এতিয়াৰে অৱসৰ গ্ৰহণ কৰা শিক্ষকেই হওঁক বা আন চৰকাৰী কৰ্মচাৰীয়েই হওঁক, কোনেও পেঞ্চনৰ টকা কেইটাৰ বাবে গুৱাহাটীলৈ তাঁতবাটি কৰিব নালাগে। তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে আৰম্ভ কৰিছে পেঞ্চন সেৱা কেন্দ্ৰ।' আজি বিয়লি তেজপুৰত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰি এই মন্তব্য কৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই। তেজপুৰৰ চৰকাৰী বাছ আস্থানৰ সমীপত বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত বৰ্তমান মুকলি কৰা হৈছে এই পেঞ্চন সেৱা কেন্দ্ৰ। ৰাজ্য চৰকাৰৰ আন এজন মন্ত্ৰী অশোক সিংহলৰ উপস্থিতিত মন্ত্ৰী হাজৰিকাই ফিটা কাটি পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰি কয় যে ৰাজ্য চৰকাৰে বৰ্তমান এনে ২২ টা পেঞ্চন সেৱা মুকলিৰ কথা চিন্তা কৰিছে। আনহাতে, ডিপিআই প্ৰসংগত মন্ত্ৰী হাজৰিকাই কয় যে তাতো ভাল মানুহ আছে। তাক অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু একাংশ লোকৰ বাবে সৃষ্টি হোৱা কেৰোণ আঁতৰাবলৈ চেষ্টা চলাই থকা হৈছে বুলিও তেওঁ উল্লেখ কৰে। উল্লেখ্য যে তেজপুৰ নেহৰু ময়দানত আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় 'শোণিতপুৰ জিলা দিৱস'। ১৯৮৩ৰ তিনি আগষ্টৰ দিনটোতে দৰং জিলাৰ পৰা পৃথক হৈছিল শোণিতপুৰ জিলা। আজিৰ এই ঐতিহাসিক দিনটোত অনুষ্ঠিত বিয়লিৰ মুকলি সভাত জিলাখনৰ অভিভাৱক মন্ত্ৰীৰূপে মন্ত্ৰী হাজৰিকাই অংশগ্ৰহণ কৰে। আনহাতে, শোণিতপুৰ জিলা গঠনৰ ৩৯ বছৰত ভৰি দিয়াৰ বিশেষ দিনটোত প্ৰথমবাৰলৈ শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তেজপুৰ নেহৰু ময়দানত উদ্‌যাপন কৰা হয় 'শোণিতপুৰ জিলা দিৱস'। বুৰঞ্জী প্ৰসিদ্ধ জিলাখনৰ ইতিহাস সামৰি এটা দিনৰ ভিতৰত একাধিক বৰ্ণিল কাৰ্যসূচীৰে 'শোণিতপুৰ জিলা দিৱস'ৰ যি আয়োজন কৰা হৈছে সেয়া আজি পুৱা চাইকেল সমদলৰে আৰম্ভ কৰা হয়। নেহৰু ময়দানৰ পৰা উলিওৱা চাইকেল সমদলৰ ফ্লেগ অফ কৰে শোণিতপুৰৰ জিলা আৰু সত্ৰ ন্যায়াধীশ চত্ৰভূষণ গগৈয়ে।

## ২৮ বাৰকৈ ৰক্তদানেৰে খ্যাতি গোৱালপাৰাৰ আমিনুলৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৪ আগষ্ট ঃ** আৰ্তজনক সময় মতে ৰক্তদান কৰি গোৱালপাৰাৰ ব্লাড বয়ৰূপে খ্যাতি অৰ্জন কৰা ৰাহুল খানৰ পাছতে টীম হিউমেনিটীৰ গোৱালপাৰা জিলাৰ সভাপতি আমিনুল হক চৌধুৰীয়ে ২৮ বাৰকৈ ৰক্তদান কৰি জিলাখনৰ ভিতৰৰ দ্বিতীয় সৰ্বাধিক ৰক্তদানকাৰী হিচাপে অভিলেখ সৃষ্টি কৰিছে। উল্লেখ্য যে টীম হিউমেনিটিৰ জিলা সভাপতি তথা আমছুৰ গোৱালপাৰা জিলাৰ কমিটীৰ সভাপতি আমিনুল হক চৌধুৰীয়ে ছাত্ৰ সংগঠনৰ কাম-কাজ চলাই যোৱাৰ সমান্তৰালভাৱে বিভিন্ন সামাজিক কামত ব্যস্ত হৈ থাকে। বৰ্তমানলৈ ২৮ বাৰ ৰক্তদান কৰাৰ লগতে প্ৰতিদিনে বিভিন্নজনক ৰক্তৰ বিনামূলীয়াকৈ ব্যৱস্থা কৰি দিয়ে। বছৰত তিনিবাৰ ক্ৰমে ৰক্তদাতা দিৱস, স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস উপলক্ষে ৰক্তদান শিবিৰ অনুষ্ঠিত কৰি ৰক্তদান কৰা তথা ৰাইজক সজাগ কৰে। তাৰ উপৰি সমাজৰ পৰা বাল্য বিবাহ, কু-সংস্কাৰ, শিশু শ্ৰমিক, ডাইনী হত্যা, মদ ভাং ড্ৰাগছ, জুৱা আদি বন্ধ কৰাৰ বাবে বিভিন্ন অঞ্চলত সজাগতা সভা কৰা আৰু প্ৰশাসনৰ সহযোগত বন্ধ কৰাৰ চেষ্টা চলাই আহিছে চৌধুৰীয়ে। ছাত্ৰনেতা হিচাপে জিলাখনৰ শৈক্ষিক জাগৰণ আনিবৰ কাৰণে নিয়মীয়াকৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিভিন্ন সমাজ সেৱামূলক কাম-কাজৰ লগতে বৰ্তমানলৈ ২৩৬ গৰাকী লোকক কবৰস্থ কৰাত চৌধুৰীয়ে অংশগ্ৰহণ কৰা বুলি জনা গৈছে। তদুপৰি বিভিন্ন ৰাজহুৱা কামত শ্ৰমদান কৰা, বানপীড়িত ৰাইজক সহায় কৰাৰ লগতে কৰ'না মহামাৰীৰ ওপৰত সজাগতা কৰা তথা ৰোগী সকলক সহায়-সহযোগিতা কৰা আমিনুল হক চৌধুৰীয়ে ইতিমধ্যে কে'বাটাও দল-সংগঠনৰ পৰা সমাজসেৱক হিচাপে বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। সেয়ে ৰক্তদানেৰে অভিলেখ সৃষ্টি কৰা এইগৰাকী যুৱ সমাজকৰ্মীক আগন্তুক স্বাধীনতা দিৱসত সম্বৰ্ধনা জনাবলৈ গোৱালপাৰা জিলা প্ৰশাসনক সচেতন মহলে দাবী জনাইছে।

## গোৱালপাৰাৰ ৰাইজিং ডেন্স একাডেমীৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা,

**মাটিয়া, ৪ আগষ্ট ঃ** গোৱালপাৰা চহৰৰ বলদমাৰীস্থিত ৰাইজিং ডেন্স একাডেমীৰ আজি দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক তথা সাহিত্যিক দিলীপ শৰ্মাই কয় যে আজৰি সময়ত নৃত্য শিকোৱাৰ বাবে এফালে ল'ৰা-ছোৱালীৰ মন-মগজু শৰীৰ ভালে থাকে আনহাতে বেয়া চিন্তাৰ পৰা আঁতৰি থাকে। সভাত ডেন্স একাডেমীৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক, আন্তঃৰাষ্ট্ৰীয় নৃত্য প্ৰতিযোগিতাত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীক আজি ফুলাম গামোচা, মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক উপস্থিত থাকে।

## মৰিয়নি মহাবিদ্যালয়ত এদিনীয়া কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৪ আগষ্ট ঃ** মৰিয়নি মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব আৰু অৰ্থনীতি বিভাগৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ আইকিউএচিৰ সহযোগত 'পাঠ পৰিকল্পনা' সম্পৰ্কীয় এদিনীয়া কৰ্মশালা যোৱা দুই আগষ্টত সম্পন্ন হয়। মহাবিদ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গোলাঘাট জিলাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক ভগীৰথ সন্দিকৈয়ে পাঠ পৰিকল্পনাৰ ওপৰত সুন্দৰ, সাৱলীল আৰু তত্ত্বগধুৰ বক্তব্য দাঙি ধৰে। কৰ্মশালাৰ মূল উদ্দেশ্য আছিল বৰ্তমানৰ শিক্ষাদান প্ৰক্ৰিয়াক পাঠ পৰিকল্পনাৰ জৰিয়তে অধিক ফলপ্ৰসূ কৰি তুলিবলৈ মহাবিদ্যালয়ৰ শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে। অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক কৰুণা কলিতাই আঁত ধৰা আৰু সহকাৰী অধ্যাপিকা অৰূপাঞ্জলী বৰাই শলাগৰ শৰাই আগবঢ়োৱা কৰ্মশালাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালা, উপাধ্যক্ষ ড° মঞ্জুলা বৰঠাকুৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ অধ্যাপক-অধ্যাপিকাসকলে অংশগ্ৰহণ কৰে।

## ভাৰত-ভূটান সীমান্তৰ পূৰ্ণিমাগাঁৱত এছএছবিৰ উদ্যোগত চিকিৎসা শিবিৰ




অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৪ আগষ্ট ঃ** চিৰাং জিলা সদৰ কাজলগাঁওস্থিত সশস্ত্ৰ সীমা বল চমুকৈ এছ এছ বিৰ ১৫ নম্বৰ বেটেলিয়নৰ সামাজিক চেতনা অভিযানৰ অধীনত কালি ভাৰত-ভূটান সীমান্ত কয়লা ময়লাৰ পূৰ্ণিমাগাঁৱত বিনামূলীয়া মানৱ চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। চিকিৎসা শিবিৰটোত এছ এছ বিৰ ১৫ নম্বৰ বেটেলিয়নৰ চিকিৎসক কমাণ্ডেন্ট ডাঃ নিশিকান্তে ১৪ গৰাকী এছ এছ বি জোৱানৰ সহযোগত চিকিৎসা সেৱা আগবঢ়ায়। চিকিৎসা শিবিৰত পূৰ্ণিমাগাঁৱৰ ওচৰ-পাজৰৰ ৬৬ জন পুৰুষ, ৯৮ গৰাকী মহিলা আৰু ৩৩ গৰাকী স্কুলীয়া ছাত্ৰ-ছাত্ৰীসহ মুঠ ১৯৭ গৰাকী লোকে স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা সেৱা গ্ৰহণ কৰে। শিবিৰত চিকিৎসা সেৱা গ্ৰহণ কৰা লোকসকলক এছ এছ বিৰ ফালৰ পৰা বিনামূলীয়া ঔষধ যোগান ধৰা হয়। এছ এছ বিৰ দ্বাৰা আয়োজন কৰা চিকিৎসা শিবিৰত এছ এছ বিৰ বিষয়া কেশৰ লাল মিনা, থাইগৰগুৰী গাঁৱৰ গাঁও বুঢ়া মতীন নাৰ্জাৰী, ময়নাগুৰী গাঁৱৰ গাঁওবুঢ়া অনিল বসুমতাৰীসহ কে'বাজনো আমন্ত্ৰিত অতিথি উপস্থিত থাকে। উল্লেখ্য যে পূৰ্ণিমাগাঁৱৰ চিকিৎসা শিবিৰ সমাপ্ত কৰি এছ এছ বিৰ দলটোয়ে বানপানীত ক্ষতিগ্ৰস্ত ৰাঙীঝোৰা গাঁৱত উপস্থিত চিকিৎসা সেৱা প্ৰদান কৰাৰ উপৰি ঔষধ পাতি বিতৰণ কৰে। এই সন্দৰ্ভত সশস্ত্ৰ সীমা বলৰ ১৫ নম্বৰ বেটেলিয়নৰ চিকিৎসক ডাঃ নিশিকান্তে কয় যে সশস্ত্ৰ সীমা বলৰ এই 'সামাজিক চেতনা অভিযান'ৰ অধীনত এনেধৰণৰ সেৱামূলক কাম কৰি থকা হয়। এনে ধৰণৰ সেৱামূলক কাৰ্যসূচীৰ দ্বাৰা ভাৰত-ভূটান সীমান্ত অঞ্চলৰ সাধাৰণ ৰাইজ উপকৃত হয় আৰু এই কাৰ্যই

## নামৰূপত নটসূৰ্য ফণী শৰ্মা দিৱস

অগ্ৰদূত বাৰ্তা

**নামৰূপ, ৪ আগষ্ট ঃ** পদাতিক নাট্য গোষ্ঠীৰ উদ্যোগত আৰু নামৰূপ বসুন্ধৰা জাতীয় বিদ্যালয়ৰ সৌজন্যত নটসূৰ্য ফণী শৰ্মা দিৱস অনুষ্ঠিত হৈ যায় ।ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰীষ্ম বন্ধৰ প্ৰায় এমাহ সময় নাট কৰ্মশালা আয়োজন কৰি তিনিখন শিশু নাট ক্ৰমে নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ নাট এটি উদীয়মান সপোন, নাট্যকাৰ ব্ৰজানন্দ ভূঞাৰ নাট কৰো আহা, নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ নাট নুফুলা ফুলৰ মালিতা আৰু নবীন বৰুৱা আৰু ময়ূৰাক্ষী মহন্তৰ পৰিচালনাৰে চিনাকি বাঁহীৰ সুৰ নামৰ এখন গীত-নৃত্য-নাটিকা নামৰূপ সাহিত্য সভা প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হয়। মূলতঃ শিশুসকলক পঢ়া-শুনাৰ লগতে সংস্কৃতিবান ৰূপত গঢ় দিবলৈ আয়োজকসকলে হাতত লোৱা এই প্ৰচেষ্টাত প্ৰায় শতাধিক শিশুৱে অংশগ্ৰহণ কৰে ।

## ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ পৰিচালনা-উন্নয়ন সমিতিৰ বৈঠক

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৪ আগষ্ট ঃ** 'বিদ্যালয় এখনৰ মূল চালিকা শক্তি হ'ল শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু পৰিচালন সমিতি। এই চাৰিওটাৰ সংমিশ্ৰণত বিদ্যালয় এখন প্ৰাণৱন্ত হৈ উঠে যদিও ইয়াৰ সামগ্ৰিক উন্নয়নৰ বাবে সুপৰিকল্পিত কৰ্মসূচীৰ প্ৰয়োজন।' কালি ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ বৈঠকত এই মন্তব্য কৰে শিক্ষাসেৱী তথা সমগ্ৰ শিক্ষাৰ ৰাজ্যিক সমল ব্যক্তি গিৰিন্দ্ৰ কাশ্যপে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত বিদ্যালয়খনে পূৰ্বতে হেৰুওৱা মৰ্যাদা ঘূৰাই অনাৰ স্বাৰ্থত শিক্ষক-শিক্ষয়িত্ৰীসকলে অধিক ত্যাগ স্বীকাৰ কৰি 'ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ যাও আহক' কাৰ্যসূচী ল'বলৈ কাশ্যপে আহ্বান জনায়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনহৰি কলিতাই আঁত ধৰা সভাখনত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মাই ছাত্ৰ-ছাত্ৰীক অধিক অনুশীলন কাৰ্য দিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। ঘগ্ৰাপাৰ আঞ্চলিক পঞ্চায়ত সদস্য মনেশ্বৰ ভড়ালীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল উন্নত কৰাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে পৰিচালনা সমিতিয়েও উদ্যম ল'ব লাগিব বুলি কয়। সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি দ্বীনেশ শৰ্মায়ো তত্ত্বগধুৰ মন্তব্য দাঙি ধৰে। বিদ্যালয়খনৰ আটাইবোৰ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সভাখনত শিক্ষকৰ ফালৰ জ্যেষ্ঠ শিক্ষক অমূল্য কলিতা, শিক্ষক প্ৰণৱ কুমাৰ লহকৰ, কুশল কুমাৰ শইকীয়া, অপূৰ্ব কলিতা, শিক্ষয়িত্ৰী সংগীতা ডেকা আদিয়ে তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ কথা অৱগত কৰে।

## শিৱসাগৰত গ্ৰেণ্ড শিৱসাগৰ-যোৰহাট-২০২২ সৌন্দৰ্য প্ৰতিযোগিতা

# গ্ৰেণ্ড মিঃ-মিছ খিতাপ প্ৰাণদ্বীপ দত্ত-উষা কিৰণ সিন্‌হা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৪ আগষ্ট ঃ** শিৱসাগৰ যুৱদলৰ প্ৰেক্ষাগৃহত সোমবাৰে অনুষ্ঠিত হয় গ্ৰেণ্ড শিৱসাগৰ আৰু গ্ৰেণ্ড যোৰহাট-২০২২ সৌন্দৰ্য প্ৰতিযোগিতাখন। ফেছন উইজাৰ্দ গ্ৰেণ্ড ইভেণ্ট আৰু মিচটিক ইস্ফেৰৰ যুটীয়া উদ্যোগত আৰু গ্ৰেণ্ড অসমৰ সৌজন্যত যুৱদলৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখন কে'বাটাও শাখাত অনুষ্ঠিত হৈছিল। প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটো উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ব্ৰজেন ফুকনে। ইয়াৰ পূৰ্বে অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বিষ্ণু শইকীয়া, সমীৰণ বৰদলৈ, অনুষ্ঠানৰ মুখ্য আহ্বায়ক অভ্যৰ্থনা দত্ত, ৰক্তিম দাস, মৃণালিনী দাস, পল্লৱী চহৰীয়া কলিতাকে ধৰি কে'বাগৰাকী ব্যক্তিয়ে। ধৰ্মেন্দ্ৰ দত্ত আৰু দিপু চৰণ গগৈয়ে আঁতধৰা প্ৰতিযোগিতাখনত উদ্যোক্তাই জিলাখনৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে বঁটা বিতৰণী সভাত শিৱসাগৰ সদৰ আৰক্ষী বিষয়া যুগল কিশোৰ কলিতা, বিশিষ্ট ব্যৱসায়ী ৰাজভূষণ গগৈ, সাংবাদিক মনোজ গগৈ, কামাখ্যা প্ৰসাদ মজিন্দাৰ বৰুৱা, সন্তোষ দত্তকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিজয়ী আৰু বিজিতসকলক পুৰস্কাৰ প্ৰদান কৰে। প্ৰতিযোগিতাত গ্ৰেণ্ড মিঃ শিৱসাগৰৰ খিতাপ প্ৰাণদ্বীপ দত্তই লাভ কৰাৰ বিপৰীতে গ্ৰেণ্ড মিঃ যোৰহাটৰ খিতাপ লাভ কৰে ৰাজদ্বীপ গগৈয়ে। গ্ৰেণ্ড মিছ শিৱসাগৰ উষা কিৰণ সিন্‌হা আৰু মুনমী পাংগিঙে লাভ কৰে গ্ৰেণ্ড মিছ যোৰহাটৰ খিতাপ। ইফালে গ্ৰেণ্ড লিটল মিঃ শিৱসাগৰত প্ৰথম সুভাশীষ গগৈ, দ্বিতীয় ভাস্কৰজ্যোতি চিৰিং ফুকন আৰু তৃতীয় হয় আদিত্য বিকাশ বৰা। গ্ৰেণ্ড মিছ টিন শিৱসাগৰ শাখাত বিদিশা দত্ত প্ৰথম, প্ৰিয়াংশী দত্ত দ্বিতীয় আৰু পিউ শেনচোৱাই লাভ কৰে তৃতীয় স্থান। গ্ৰেণ্ড লিটল মিছ শিৱসাগৰৰ ক শাখাত ৰিমিশা গগৈ প্ৰথম, তনয়া দৰ্শিনী চেতিয়া দ্বিতীয় আৰু চাকিৰা চুলতানা আহমেদে লাভ কৰে তৃতীয় স্থান। খ শাখাত ৰানী দুৱৰী প্ৰথম, আকাংশা গগৈ দ্বিতীয় আৰু সুনাক্সী দাসে লাভ কৰে তৃতীয় স্থান। গ্ৰেণ্ড মিছেচ যোৰহাটৰ খিতাপ লাভ কৰে স্মৃতা চাহুৰে। গ্ৰেণ্ড মিছ টিন যোৰহাটত মৃন্ময়ী বৰা প্ৰথম, বিস্মিতা নাৰাহ দ্বিতীয় আৰু নাটোচা বৰবৰুৱাই লাভ কৰে তৃতীয় স্থান। গ্ৰেণ্ড মিঃ টিন যোৰহাট খিতাপ লাভ কৰে ৰাজনাৰায়ণ বৰচেতিয়াই। গ্ৰেণ্ড লিটল মিছ যোৰহাটৰ ক শাখাত নিতুৎপ্ৰিয়া বৰা প্ৰথম, অংকিতা তামুলী দ্বিতীয় হয়। খ শাখাত আয়ুংক্ষা পাঠক প্ৰথম হয়। গ্ৰেণ্ড লিটল মিঃ যোৰহাট শাখাত প্ৰথম হয় নাওমান জ্যোতি বৰুৱা। উল্লেখ কৰাৰ প্ৰয়োজন যে প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰতিযোগীসকলে নিজ নিজ জিলাৰ হৈ অনুষ্ঠিত হ'ব লগা গ্ৰেণ্ড আছাম আৰু গ্ৰেণ্ড নৰ্থ-ইষ্ট ২০২২ প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি উদ্যোক্তাই জানিবলৈ দিয়ে।

### ৫০খন পতাকা উত্তোলনেৰে সোণালী জয়ন্তী বৰ্ষৰ উদ্বোধন

# দুধনৈ মহাবিদ্যালয়ক স্বতন্ত্ৰ বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ আহ্বান ড° হাকাচামৰ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ৪ আগষ্ট:** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যালয়ৰ ৫০ বছৰ পূৰ্তি উপলক্ষে আজিৰ পৰা বৰ্ষব্যাপী কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হৈছে। আজি পুৱা ১০ বজাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচাম, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গোপাল ফুকন, দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীৰ লগতে ৫০ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০ খন পতাকা উত্তোলনেৰে সোণালী জয়ন্তী বৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ক্ষীৰোদ খাখলাৰীয়ে। ইপিনে, মহাবিদ্যালয়ৰ স্থায়ী প্ৰতীকৰ আধাৰশিলা স্থাপন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। আনহাতে, মহাবিদ্যালয়ৰ প্ৰথম স্থায়ী অধ্যক্ষ প্ৰয়াত কৰুণা কান্ত ৰাভাৰ আৱক্ষ মূৰ্তিৰ আধাৰশিলা স্থাপন কৰে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। ইয়াৰ উপৰি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অনুদানেৰে নিৰ্মিত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। দুপৰীয়া ১২ বজাত দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্থাৰ সভাপতি দিগন্ত ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হয় এই অধ্যাপক-অধ্যাপিকা আৰু প্ৰাক্তন তথা বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ। সমাৰোহত অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ পুৰণি স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। আবেলি ৩.৩০ বজাত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত দুধনৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে তেওঁৰ ভাষণত কয় যে দুধনৈ হ'ল ৰাভা আৰু বড়ো জনগোষ্ঠী অধ্যুষিত স্থান। এই ৰাভা আৰু বড়ো জনজাতি অধ্যুষিত অঞ্চলৰ এই উচ্চ শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যালয়খনৰ শিক্ষকৰ অভাৱ, আন্তঃগাঁথনিৰ অভাৱৰ মাজতো চলি আছে। সেয়ে এই অভাৱ-অনাটন সমূহৰ মমিমুৰ কৰি মহাবিদ্যালয়খন স্বতন্ত্ৰ বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক আহ্বান জনায়। সভাত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণ আগবঢ়াই প্ৰথমতে শিক্ষানুষ্ঠানখনৰ ৫০ বছৰ পূৰ্তিত শুভেচ্ছা জ্ঞাপন কৰে মহাবিদ্যালয়খনৰ মাটি কিমান আছে? কিয়নো আগতকৰ ৫০ বছৰৰ পাছত মহাবিদ্যালয়খনৰ শতবৰ্ষ পালন কৰিব। তাৰ বাবে এতিয়াৰ পৰাই প্ৰস্তুতি চলাব লাগিব। তেওঁ আৰু কয় যে বৰ্তমান ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ বহুমুখী শিক্ষানীতি। বৰ্তমানৰ শিক্ষানীতি চাকৰি বিচৰা শিক্ষানীতি নহয়, চাকৰি সৃষ্টি কৰিব পৰা শিক্ষা নীতি। এই ৰাষ্ট্ৰীয় শিক্ষানীতি ইতিমধ্যে চৰকাৰে অনুমোদন জনাইছে। ইয়াৰ পাঠ্যক্ৰম আৰু প্ৰয়োগৰ ব্যৱস্থা কৰণৰ বাবে বিশ্ববিদ্যালয়সমূহে কাম কৰিব। তেওঁ লগতে কয় যে বৰ্তমানৰ শিক্ষা ব্যৱস্থা অকল চাকৰি মুখী নহৈ ইয়াৰ বিকল্প ব্যৱস্থাৰে যাতে শিক্ষাৰ্থীসকলৰ কৰ্ম সংস্থাপন পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। শিক্ষামন্ত্ৰীজনে পুনৰ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাংশ শিক্ষাৰ্থীয়ে ইংৰাজী, গণিত আৰু বিজ্ঞান বিষয়ত বেয়া কৰে। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে যদি চিকিৎসা বিজ্ঞান বা অভিযান্ত্ৰিক শিক্ষা পঢ়িবলৈ যায় তেনেহ'লে ইংৰাজী জানিব লাগিব। সেয়ে এতিয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে গণিত আৰু বিজ্ঞান বিষয় দুটা তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী লৈ ইংৰাজী মাধ্যমত শিকিব লাগিব। লগতে বিদ্যালয়সমূহত সমাজ বিজ্ঞান বিলুপ্ত হোৱাই ভূগোল আৰু বুৰঞ্জী বিষয় প্ৰৱৰ্তন কৰাৰ কথাও উল্লেখ কৰে। তেওঁ এই কথাও কয় যে অসম চৰকাৰখনে অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানসমূহক ধ্বংসৰ গৰাহলৈ লৈ নিয়াৰ চিন্তা কেতিয়াও কৰা নাই। সভাত শিক্ষামন্ত্ৰীজনে মহাবিদ্যালয়খনত এটা অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰাৰ লগতে মহাবিদ্যালয়খনক স্বতন্ত্ৰ মহাবিদ্যালয়লৈ উন্নীতকৰণৰ বাবে যি সমূহ কাৰ্য ব্যৱস্থা কৰিব লাগে সেইসমূহ কৰি যাবৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু, ৰাভা, গাৰো, কোচ-ৰাজবংশী জনগোষ্ঠীৰ কুশান নৃত্য পৰিৱেশনেৰে সকলোকে মুগ্ধ কৰে।

# বাঘ ওলোৱা নাই, ৰাইজ খৰিকটীয়াৰ

*এক পৃষ্ঠাৰ পৰা* পাঠদানক লৈ সৃষ্টি হোৱা বিৰূপ প্ৰতিক্ৰিয়াৰ প্ৰত্যুত্তৰত আজি প্ৰতিবাদী দল-সংগঠনক এনেদৰে খৰিকটীয়াৰে তুলনা কৰি কটাক্ষ কৰে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰীজনৰ মতে কিছুমান মানুহে ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰি থাকে। সাইলাখ বাঘ ওলাইছে বুলি কোৱা খৰিকটীয়াৰ সাধুটোৰ দৰে। এনেকৈ আতংক বিয়পোৱাতকৈ শিক্ষামন্ত্ৰীয়ে আজি চৰকাৰৰ স'তে আলোচনাৰ মেজলৈ আহ্বান জনাই আছু, সাহিত্য সভা, বুদ্ধিজীৱীসকলক। আজি সাংবাদিকৰে বাৰ্তালাপত শিক্ষামন্ত্ৰী পেগুৱে এই বুলিও কয় যে চৰকাৰে মাতৃভাষাক শক্তিশালী কৰিবলৈহে পদক্ষেপ লৈছে। উচ্চ শিক্ষাৰ বাবে ইংৰাজী ভাষা জনা প্ৰয়োজন বুলি মন্তব্য কৰি তেওঁ এইদৰেও কয় যে ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষাৰ বিদ্যালয়ত এটাৰ ঠাইত দুটা ভাষা শিকিব পাৰিব। প্ৰাথমিক স্তৰতে ইংৰাজী ভাষা নিশিকিলে হঠাতে গৈ একাদশ বা স্নাতক পৰ্যায়ত ইংৰাজীত পাঠগ্ৰহণত অসুবিধা হয়। ৰাজ্যবাসীৰ মনত সৃষ্টি হোৱা সন্দেহ-সংশয় দূৰ কৰিবলৈ শিক্ষামন্ত্ৰীয়ে এই কথাও স্পষ্ট কৰি দিয়ে যে মাতৃভাষা বিদ্যালয় বন্ধৰ কোনো পৰিকল্পনা নাই চৰকাৰৰ। একেদৰে বিদ্যালয়ৰ পৰা মাতৃভাষা প্ৰত্যাহাৰৰো কোনো সিদ্ধান্ত লোৱা নাই বুলি কয়। চৰকাৰে মাতৃভাষাক শক্তিশালী কৰিবলৈহে সিদ্ধান্ত গ্ৰহণ কৰি বুৰঞ্জী আৰু ভূগোল মাতৃভাষাত শিকোৱাৰ সমান্তৰালকৈ বিজ্ঞান আৰু গণিত ইংৰাজী ভাষাত শিকোৱাৰ পৰিকল্পনা যুগুতাইছে বুলিও তেওঁ দোহাৰে। ইফালে বিদ্যালয়ত ইংৰাজী ভাষা শিকাই চিকিৎসা পাঠ্যক্ৰম অসমীয়াত শিকাবলৈ চৰকাৰে লোৱা সিদ্ধান্তক লৈ সৃষ্টি হোৱা বিতৰ্কৰ প্ৰসংগত শিক্ষামন্ত্ৰীজনে আজি কয় যে অসমীয়া ভাষাত চিকিৎসা শিক্ষাৰ পাঠ্যক্ৰম অসম্ভৱ নহয়, ই সম্ভৱ। চিকিৎসা পাঠ্যক্ৰমৰ শব্দাৰ্থসমূহ সকলো ভাৰতীয় ভাষালৈ অনুবাদৰ অনুশীলন ইতিমধ্যে চলি আছে বুলিও সদৰী কৰি শিক্ষামন্ত্ৰী পেগুৱে কয়, 'সকলো ভাৰতীয় ভাষাত চিকিৎসা বিজ্ঞান পাঠ্যক্ৰম উপলব্ধ হ'ব লাগে বুলি নতুন শিক্ষানীতিত উল্লেখ আছে। সেয়ে আমি এতিয়া শব্দ বুটলিছো।' তেওঁ নতুন শিক্ষানীতিৰ প্ৰসংগত এই কথাও সদৰী কৰে যে এতিয়াৰে পৰা মাধ্যমিক শিক্ষাৰ প্ৰস্তুতি তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীতে আৰম্ভ কৰা হ'ব। ইয়াৰ অংশৰূপে মাধ্যমিকৰ প্ৰস্তুতি যিহেতু তৃতীয় শ্ৰেণীতে আৰম্ভ হ'ব সেয়ে তৃতীয় শ্ৰেণীৰ পৰা দুটা বিষয় ইংৰাজী ভাষাত পঢ়ুওৱাৰ সিদ্ধান্ত লোৱা হৈছে বুলি মন্ত্ৰীজনে কয়।

# কমনৱেল্‌থৰ দুশ মিটাৰৰ ছেমিফাইনেলত

*এক পৃষ্ঠাৰ পৰা* লাভলীনা বৰগোহাঁইৰ ব্যৰ্থতাৰ কিছু সময়ৰ পাছতে ইংলণ্ডৰ বাৰ্মিংহামত উজলি উঠিল আন এগৰাকী অসম-কন্যা। দীৰ্ঘদিনৰ অন্তত সংবাদৰ শিৰোনাম দখল কৰি চলিত কমনৱেল্‌থ গেমছত মহিলাৰ দুশ মিটাৰ দৌৰৰ ছেমিফাইনেলত প্ৰৱেশ কৰিলে হিমা দাসে। 'ধিং এক্সপ্ৰেছ' হিমাই আজি দুশ মিটাৰৰ হিটছৰ নিজা লেগত প্ৰথম স্থান অধিকাৰ কৰে। ২৩.৪২ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি এছিয়ান গেমছৰ পাছত পুনৰ পদকৰ আশা সজীৱ কৰি তুলিলে। কাইলৈ তেওঁ আন ১৫গৰাকী প্ৰতিযোগীৰ স'তে ছেমিফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে শীৰ্ষ আঠগৰাকী প্ৰতিযোগী ফাইনেললৈ অগ্ৰসৰ হ'ব। অৱশ্যে আজিৰ অন্যান্য প্ৰতিযোগীসকলৰ দৌৰ সম্পূৰ্ণ কৰা সময় পৰ্যবেক্ষণ কৰিলে কাইলৈৰ দৌৰ হিমাৰ বাবে যথেষ্ট কঠিন হ'ব। তথাপি অসম-কন্যাৰ সাফল্যৰ প্ৰতি অসমৰ লগতে সম্প্ৰতি সমগ্ৰ দেশবাসী আশাবাদী। উল্লেখ্য যে হিমাই কমনৱেল্‌থৰ বাবে ভাৰতৰ ৰীলে দলতহে স্থান লাভ কৰিছিল। যদিও দুশ মিটাৰ দৌৰৰ বাবে নিৰ্বাচিত হোৱা এথলীট ধনলক্ষ্মী ড'পিঙত ব্যৰ্থ হোৱাত হিমাক সুযোগ দিয়া হয়।

ইপিনে, হিমাই আজি কমনৱেল্‌থ গেমছৰ ২০০ মিটাৰ দৌৰৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে আনন্দৰ জোৱাৰ উঠে তেওঁৰ গৃহভূমি ধিঙত। আজি পুৱাৰে পৰা হিমাৰ ধিং কান্ধুলিমাৰীস্থিত বাসগৃহত তেওঁৰ পৰিয়ালৰ স'তে একেলগে এথলীটগৰাকীৰ দৌৰ উপভোগ কৰাৰ বাবে বহু লোকৰ সমাগম ঘটে। হিমাৰ দৌৰাৰ আগমুহূৰ্তত পৰিয়াল তথা শুভাকাংক্ষীসকলৰ উৎকণ্ঠিত দৃষ্টি নিবদ্ধ আছিল টেলিভিছনৰ পৰ্দাত। আজিৰ হিটছত হিমাই নিজৰ লেগত প্ৰথম স্থান অধিকাৰ কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ লগে লগে উপস্থিত সকলোৱে উল্লাসত মতলীয়া হৈ পৰে। সমগ্ৰ গাঁওখনতে আনন্দৰ জোৱাৰ উঠে। হৰ্ষোল্লাসৰ সমান্তৰালকৈ অধিকাংশৰে চকুত দেখা গ'ল আনন্দৰ চকুলো। তাৰকা এথলীটগৰাকীৰ কনিষ্ঠা ভগ্নীৰ দুচকুও সেমেকি উঠা দেখা যায়। এই আনন্দৰ মাজতেই ছেমিফাইনেলৰ বাবে হিমাক আশীৰ্বাদ দিবলৈ তেওঁৰ পিতৃ-মাতৃয়ে উপস্থিত শুভাকাংক্ষীসকলৰ লগতে ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। উল্লেখ্য যে ধিং আৰু বটদ্ৰৱাৰ বিভিন্ন মছজিদত আজি স্থানীয় ইছলামধৰ্মী লোকসকলেও হিমাৰ সাফল্য কামনা কৰি সমূহীয়া দোৱা কৰে।

ইফালে, আশাৰ সঞ্চাৰ কৰিও ব্যৰ্থ হ'ল টকিঅ' অলিম্পিকৰ পদক বিজয়ী লাভলীনা। কমনৱেল্‌থৰ প্ৰথম ৰাউণ্ডত লাভলীনাই সহজে জয়লাভ কৰিছিল যদিও যোৱা নিশাৰ কোৱাৰ্টাৰ ফাইনেলৰ যুঁজত তেওঁ ৱেলছৰ ৰ'জী ইকলেছৰ বিপক্ষে থমকি ৰ'বলগীয়া হয়। ৭০ কেজি শাখাৰ যুঁজত লাভলীনাই তুমুল প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও মূৰকত ৱেলছৰ প্ৰতিদ্বন্দ্বীগৰাকীয়ে ৩-২ পইণ্টৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে বিশ্ব চেম্পিয়নশ্বিপৰ পাছত উপৰ্যুপৰি দ্বিতীয় প্ৰতিযোগিতাত ব্যৰ্থ হ'ল লাভলীনা।

# বাগিচাৰ দখলত থকা অতিৰিক্ত ভূমিৰ

*এক পৃষ্ঠাৰ পৰা* প্ৰস্তুতি আৰম্ভ কৰিছে। অহা দুই অক্টোবৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই মুকলি কৰিবলগীয়া 'মিছন বসুন্ধৰা'ৰ দ্বিতীয় সংস্কৰণত চাহ জনগোষ্ঠীৰ লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা অন্তৰ্ভুক্ত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি আজি ইয়াত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে সদৰী কৰে। মন্ত্ৰী মহনে চাহ জনগোষ্ঠীৰ লোকসকলে যাতে মাটিৰ অধিকাৰ লাভ কৰে, এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি সদৰী কৰি 'মিছন বসুন্ধৰা-দ্বিতীয়'ত এই ভাল খবৰ আহিব পাৰে বুলি কয়। উল্লেখ্য যে ৰাজ্যৰ ভূমি সম্পৰ্কীয় সকলো জটিলতা দূৰ কৰা তথা মাটি-বাৰী সম্পৰ্কীয় সমস্যাসমূহ নিষ্পত্তিৰ উদ্দেশ্যে বিগত বৰ্ষৰ দুই অক্টোবৰত মুকলি কৰা ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি 'মিছন বসুন্ধৰা'ৰ প্ৰথম সংস্কৰণৰ সমাপ্তিৰ পাছত এইবাৰ 'মিছন বসুন্ধৰা'ৰ দ্বিতীয় সংস্কৰণ মুকলিৰ পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে। এই উপলক্ষে আজি মন্ত্ৰী মহনৰ উপস্থিতিত খানাপাৰাস্থিত প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়ুক্ত সচিব, সচিব, যুটীয়া সচিব আৰু প্ৰতিখন জিলাৰ ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠক তথা মিছন বসুন্ধৰাৰ সন্দৰ্ভত মন্ত্ৰী মহনে কয় যে 'মিছন বসুন্ধৰা-দ্বিতীয়'ৰ সেৱা অহা দুই অক্টোবৰৰ পৰা মুকলি হ'ব। এইবাৰ ছটা নতুন বিষয়বস্তু লৈ এই সেৱা মুকলি কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয়, 'আজি এই সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এইবাৰ ছটা বিষয় লৈ 'মিছন বসুন্ধৰা-দ্বিতীয়' মুকলি হ'ব। এইবাৰ 'ভিজিআৰ', 'পিজিআৰ'ত বহুদিন ধৰি বসবাস কৰি থকা লোকসকলক এই মাটিত পুনৰ সংস্থাপন দিয়া, 'এপি'ৰ পৰা 'পিপি' কৰা এনেধৰণে ছটা গুৰুত্বপূৰ্ণ কাম আমি কৰিবলৈ গৈ আছো। বিশেষকৈ খিলঞ্জীয়া যিসকলে চাহ খেতি বা ৰবৰ খেতি কৰি আছে, তেওঁলোকক এইবাৰ মাটিৰ অধিকাৰ দিয়া হ'ব। ছটা বিষয় লৈ 'মিছন বসুন্ধৰা-দ্বিতীয়' মুখ্যমন্ত্ৰীয়ে অহা দুই অক্টোবৰত মুকলি কৰিব। ইতিমধ্যে ইয়াৰ যাৱতীয় কাৰ্যপন্থা অব্যাহত আছে।'

উল্লেখ্য যে সংশ্লিষ্ট বিভাগৰ ১৯৮৬ৰ আইনৰ কিছু দফা সংশোধন কৰি জটিল বিষয়সমূহ নিষ্পত্তি কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰী মহনে পুনৰ কয়, 'এই আইনৰ দফা সংশোধনৰ কাৰণে ইতিমধ্যে এখন কেবিনেট উপ-কমিটী গঠন কৰা হৈছে। মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেশৱ মহন্ত, ইউ জি ব্ৰহ্মৰ উপৰি এই কমিটীত ময়ো আছো। এই সমিতিৰ দুখনকৈ বৈঠক ইতিমধ্যে অনুষ্ঠিত হৈছে। উদ্দেশ্য এটাই, যাতে জনতাক মাটিৰ অধিকাৰ দিব পাৰি, যিখিন জটিল বিষয় আছে সেয়া নিষ্পত্তি হওক।' উল্লেখ্য যে চাহ জনগোষ্ঠীৰ সমান্তৰালভাৱে জনজাতি লোকসকলেও 'মিছন বসুন্ধৰা-দ্বিতীয়' সংস্কৰণে ভাল খবৰ কঢ়িয়াই আনিব বুলি মন্ত্ৰী মহনে সদৰী কৰি কয়, 'জনজাতীয় লোকসকলে আইন অনুসৰি সাত বিঘা মাটিৰ অধিকাৰ তেওঁলোকে লাভ কৰে; কিন্তু জনজাতিসকলৰ পৈতৃক উত্তৰসূৰী সূত্ৰে বিঘাই বিঘাই মাটি আছে। জনজাতি লোকসকলে ৫০ বিঘালৈকে যাতে মাটি অধিকাৰ লাভ কৰে বা দিব পাৰি, এই বিষয়টো মিছন বসুন্ধৰা-দ্বিতীয়ত আহিব।' একেদৰে চাহ জনগোষ্ঠী লোকক ভূমি অধিকাৰ দিয়া প্ৰসংগত মন্ত্ৰীজনে চাহ জনগোষ্ঠী ৰাইজক ভূমি অধিকাৰ প্ৰদানৰ দায়িত্ব যোৱা চৰকাৰৰ দিনতে ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অধীনত এখন সমিতি গঠন কৰি দিয়া হৈছিল বুলি উল্লেখ কৰি সংশ্লিষ্ট চক্ৰ বিষয়া (ৰাজহ)ক অধ্যক্ষ, চক্ৰ বিষয়াক সদস্য সচিব আৰু চাহ জনগোষ্ঠীৰ এজন প্ৰতিনিধিক লৈ গঠন কৰা এই সমিতিখনক সৰ্বোচ্চ ক্ষমতা দিয়া হৈছে আৰু এই সমিতি এতিয়াও আছে বুলি কয়। উল্লেখ্য যে চাহ বাগিচাসমূহৰ দখলত থকা অতিৰিক্ত ভূমি তথা চাহ শ্ৰমিকৰ দখলত বা খেতি কৰি থকা চাহ বাগিচা ভূমিৰ অধিকাৰ সংশ্লিষ্ট চাহ জনগোষ্ঠী লোকক প্ৰদান কৰা হ'ব বুলি মন্ত্ৰী মহনে কয়। ইয়াৰ উপৰি মন্ত্ৰীজনে সংৰক্ষিত বনাঞ্চলৰ আওতাত নপৰা মহানগৰীৰ পাহাৰৰ লোকে ভূমিৰ অধিকাৰ লাভ কৰিব বুলি সদৰী কৰে।

# দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ

*এক পৃষ্ঠাৰ পৰা* বৰ্তমানৰ মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাৰ কাৰ্যকাল অন্ত পৰাৰ দিনটোতে নতুন মুখ্য ন্যায়াধীশৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিব উদয় ইউ ললিতে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নিযুক্তিৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি দেশৰ আইন মন্ত্ৰণালয়ে পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদত কোন অধিষ্ঠিত হ'ব সেই বিষয়ে মতামত বিচাৰি মুখ্য ন্যায়াধীশ ৰামান্নালৈ পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰৰ উত্তৰত মুখ্য ন্যায়াধীশ ৰামান্নাই আজি তেওঁৰ উত্তৰসূৰীৰূপে জ্যেষ্ঠ ন্যায়াধীশ উদয় ইউ ললিতৰ নাম কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। প্ৰসংগত উল্লেখ্য যে দেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত প্ৰায় তিনিমাহৰ বাবেহে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ পাব ললিতে। অহা আঠ নৱেম্বৰত তেওঁ অৱসৰ গ্ৰহণ কৰিব। এগৰাকী আইনজীৱীৰ পৰা দেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত কাৰ্যনিৰ্বাহ কৰি কৰ্মজীৱন অন্ত পেলোৱা প্ৰাক্তন মুখ্য ন্যায়াধীশ এছ এছ চিক্ৰিৰ পাছত উদয় ইউ ললিত হ'ব দ্বিতীয়গৰাকী মুখ্য ন্যায়াধীশ। ১৯৫৭ৰ ন নৱেম্বৰত মহাৰাষ্ট্ৰত জন্মগ্ৰহণ কৰা দেশৰ উচ্চতম ন্যায়ালয়ৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশগৰাকীয়ে ১৯৮৩ত আইনজীৱী হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। ১৯৮৫ লৈকে বোম্বে উচ্চ ন্যায়ালয়ৰ অধিবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰা ললিতে ২০১৪ত উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ ন্যায়াধীশ পদত নিযুক্তি লাভ কৰিছিল। মূলতঃ অপৰাধ সংক্ৰান্তীয় গোচৰৰ ক্ষেত্ৰত অভিজ্ঞ আইনজীৱীৰূপে খ্যাতি থকা ললিতে টু জি স্পেকট্ৰাম গোচৰৰ বিচাৰৰ সময়ত উচ্চতম ন্যায়ালয়ৰ দ্বাৰা বিশেষ সহায়কাৰীৰূপে দায়িত্ব লাভ কৰিছিল। আকৌ উচ্চতম ন্যায়ালয়ৰ যিখন বিচাৰপীঠে তিনি তালাক প্ৰথাক অসাংবিধানিক ঘোষণা কৰিছিল সেই বিচাৰপীঠৰ অন্যতম সদস্য আছিল ন্যায়াধীশ উদয় ইউ ললিত।

বিগত সময়ছোৱাত ভালেমান গুৰুত্বপূৰ্ণ গোচৰৰ ৰায়দান কৰা অভিজ্ঞ তথা জ্যেষ্ঠ ন্যায়াধীশ ললিতৰ নাম পৰৱৰ্তী মুখ্য ন্যায়াধীশ পদৰ বাবে মনোনীত হোৱাত আইনজীৱীসকলে সন্তোষ প্ৰকাশ কৰিছে।

# আৰক্ষীৰ বুলড'জাৰত ধ্বংস

*এক পৃষ্ঠাৰ পৰা* মুফটি মহম্মদ মুস্তাফা নামৰ লোকজনে এই মাদ্ৰাছাখন স্থাপন কৰি অঞ্চলটোত ধৰ্মীয় শিক্ষা প্ৰদানৰ নামত জেহাদৰ বীজ ৰোপণ কৰিছিল। ধনৰ লোভত বহিঃৰাজ্য আৰু বহিঃৰাষ্ট্ৰত ব্যক্তি-সংগঠনৰ স'তে পোনপটীয়া যোগাযোগ ৰক্ষা কৰি অহা মুফটি মহম্মদ মুস্তাফাই তেওঁৰ মাদ্ৰাছাখনতে আনকি আশ্ৰয় দিছিল বাংলাদেশৰ দুৰ্ধৰ্ষ জেহাদীকো। লক্ষ্যণীয় যে ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মুফটি মহম্মদ মুস্তাফাই আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে মাদ্ৰাছা স্থাপন কৰি বিদেশী ৰাষ্ট্ৰৰ ইছলামিক মৌলবাদী সংগঠনৰ স'তে সম্পৰ্ক ৰক্ষা কৰি ধন আহৰণ কৰি থকাৰ তথ্য। এনেবোৰ তথ্যৰ ভিত্তিতে আজি পুৱা মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনৰ নেতৃত্বত যোৱা আৰক্ষী-নিৰাপত্তাৰক্ষী বাহিনীয়ে সম্পূৰ্ণৰূপে উচ্ছেদ কৰে এই মাদ্ৰাছাখন। আৰক্ষীৰ এই কাৰ্যক স্থানীয় অঞ্চলবাসী ৰাইজে আদৰণি জনোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ২০১৮ত মুস্তাফাই মৈৰাবাৰী থানাৰ অন্তৰ্গত লেংৰিবড়ি পঞ্চায়তৰ অধীনস্থ চহৰীয়া গাঁৱত প্ৰতিষ্ঠা কৰিছিল জমিৰ উল হুদা মাদ্ৰাছাখন। স্থানীয় লোকে সদৰী কৰা মতে, এই মাদ্ৰাছাখন স্থাপনৰ পাছতে মুস্তাফাৰ জীৱন নিৰ্বাহ প্ৰণালী সম্পূৰ্ণৰূপে সলনি হৈছিল। এক বিলাসী জীৱন যাপন আৰম্ভ কৰিছিল মুস্তাফাই। বিভিন্ন সময়ত মাদ্ৰাছাৰ কামত বহিঃৰাজ্যলৈও গৈছিল মুস্তাফাই। মাদ্ৰাছাখন আৰম্ভ কৰাৰ পূৰ্বে উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আদি ৰাজ্যত ধৰ্মীয় শিক্ষা লৈছিল মুস্তাফাই। অঞ্চলটোত ধৰ্মীয় শিক্ষা আৰম্ভ কৰাৰ উদ্দেশ্যে এই মাদ্ৰাছাখন স্থাপন কৰা বুলি ভাবি অঞ্চলবাসীয়ে পোনতে মুস্তাফাৰ কামত সন্তোষ প্ৰকাশ কৰিছিল যদিও লাহে লাহে ৰাইজৰ মোহভংগ ঘটিবলৈ আৰম্ভ কৰে। প্ৰায় ৫০ জন ছাত্ৰই অধ্যয়ন কৰা মাদ্ৰাছাখনত শিক্ষকতা কৰিয়ে কিদৰে মুস্তাফাই ৰাজকীয় জীৱন যাপন আৰম্ভ কৰিছিল তাক লৈ বিভিন্ন পক্ষই সন্দেহ প্ৰকাশ কৰিছিল। ৰাইজৰ মাজত আৰম্ভ হোৱা এনে উৎসুকতাৰ মাজতে অসম আৰক্ষীয়ে মুস্তাফাৰ বিৰুদ্ধে তথ্য লাভ কৰি তেওঁক গ্ৰেপ্তাৰ কৰে।

### জেহাদীৰে মুস্তাফাৰ কি সম্পৰ্ক আছে?

অল কায়দা সমৰ্থিত বাংলাদেশৰ জেহাদী সংগঠন এবিটিয়ে অসমত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ জৰিয়তে ৰাজ্যখনত অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিবলৈ পৰিকল্পনা গ্ৰহণ কৰা বুলি আৰক্ষীয়ে পোনতে তথ্য লাভ কৰিছিল। অসম আৰক্ষীৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰা তথ্য মতে, কিছুদিন পূৰ্বে কলকাতাত বংগ আৰক্ষীয়ে বাংলাদেশী সংগঠন আনছাৰউল্লাহ বাংলা টীমৰ আমিৰুদ্দিন আনছাৰী নামৰ এজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছিল। এই সন্ত্ৰাসবাদীজনৰ স্বীকাৰোক্তিৰ ভিত্তিতে অসমৰ বৰপেটাতো মামুনুৰ ৰছিদ নামৰ এবিটিৰ এজন জেহাদীক গ্ৰেপ্তাৰ কৰা হয়। বাংলাদেশৰ সন্ত্ৰাসবাদী সংগঠন এবিটিৰ এই দুই জেহাদীক গ্ৰেপ্তাৰৰ পাছতে উন্মোচিত হয় অসমত এবিটিয়ে একাংশ মাদ্ৰাছাত খোপনি পুতি সংগঠনটোৰ নেটৱৰ্ক বৃদ্ধি কৰা তথ্য। অসম আৰক্ষীৰ তদন্তকাৰী দলে এই তথ্যও লাভ কৰে যে মৈৰাবাৰীৰ মুফটি মহম্মদ মুস্তাফাই সন্ত্ৰাসবাদী সংগঠন এবিটিৰ একাংশ সদস্যৰ স'তে বিত্তীয় লেনদেনো কৰিছিল। এই তথ্য লাভৰ পাছতে মৰিগাঁও আৰক্ষীয়ে যোৱা ২৮ জুলাইত মুস্তাফাক গ্ৰেপ্তাৰ কৰি সোধপোচ আৰম্ভ কৰে। ইফালে, মুস্তাফাই প্ৰতিষ্ঠা কৰা জমিৰ উল হুদা নামৰ মাদ্ৰাছাখনৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলৰ সৰুচলা বান্নাত মাদ্ৰাছাখনো যোৱা ২৮ জুলাইত আৰক্ষীয়ে ছীল কৰি দিছিল। একেদৰে সৰুচলা বান্নাত মাদ্ৰাছাৰ আঠজন শিক্ষকক আৰক্ষীয়ে সোধপোচৰ বাবে আটক কৰি নিছিল। আৰক্ষীৰ জিম্মাত থকাৰ সময়তে মুস্তাফা আৰু মাদ্ৰাছাৰ শিক্ষককেইজনক সোধপোচ কৰিবলৈ আহে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা এনআইএৰ এটা তিনিজনীয়া দলে। এনআইএৰ সোধপোচৰ অন্তত মাদ্ৰাছাখনৰ শিক্ষকসকলক মুকলি কৰি দিয়া হয় যদিও মুস্তাফাক আৰক্ষীয়ে যোৱা ২৯ জুলাইত আদালতত হাজিৰ কৰোৱাই ১৪ দিনৰ বাবে নিজৰ জিম্মালৈ লয়। একেদিনাই আৰক্ষীয়ে মুস্তাফাৰ পত্নী আছমিনা আৰু ভ্ৰাতৃ জাকাৰিয়াকো আটক কৰি সোধপোচ আৰম্ভ কৰে। তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰা তথ্য মতে, মুস্তাফাই ২০১৭ৰ পৰা ২০২০ লৈকে বহিঃৰাষ্ট্ৰৰ বহু সন্দেহজনক লোকৰ স'তে বিত্তীয় লেনদেনৰ তথ্য লাভ কৰিছে। মৰিগাঁৱৰ আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনে ইতিপূৰ্বে এক সংবাদমেলত প্ৰকাশ কৰিছিল যে মুস্তাফাই বহিঃৰাষ্ট্ৰৰ সন্দেহজনক লোকৰ স'তে অবৈধ বিত্তীয় লেনদেন কৰাৰ তথ্যৰ ভিত্তিতে মৈৰাবাৰী থানাত ১৫৬/২২ নম্বৰৰ এটা গোচৰ পঞ্জীয়ন কৰি মুস্তাফাক গ্ৰেপ্তাৰ কৰা হৈছিল। আৰক্ষীয়ে এই কথাও প্ৰকাশ কৰিছে যে ২০১৯ত এখন বিদেশী ৰাষ্ট্ৰৰ এজন ম'ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদীয়েও মুস্তাফাৰ মাদ্ৰাছাত আশ্ৰয় লৈছিল। পৰৱৰ্তী সময়তো এই মাদ্ৰাছাখনলৈ অল কায়দা সমৰ্থিত এবিটিৰ বহু সদস্যই অহা-যোৱা কৰাৰ বহু তথ্য লাভ কৰিছে আৰক্ষীয়ে। আৰক্ষী অধীক্ষকগৰাকীয়ে সদৰী কৰা তথ্য মতে ২০১৯ত চাৰিজন, ২০২০-২১ত তিনিজন আৰু তাৰ ছমাহৰ পাছতে দুজন অৰ্থাৎ সৰ্বমুঠ নজন সন্দেহজনক বাংলাদেশী সন্ত্ৰাসবাদীক মাদ্ৰাছাখনত আশ্ৰয় দিছিল মুস্তাফাই। লক্ষ্যণীয় যে অসম আৰক্ষীৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙেও দুদিন পূৰ্বে জাগীৰোডলৈ আহি মুস্তাফা সন্দৰ্ভত প্ৰকাশ কৰিছিল ভালেমান তথ্য। মুস্তাফাৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰা ইলেকট্ৰনিক ডিভাইছত বহু আপত্তিজনক তথ্য লাভ কৰা আৰক্ষীয়ে আনকি মুস্তাফাৰ ম'বাইলৰ পৰাও উদ্ধাৰ কৰিছে জেহাদী সংগঠনৰ প্ৰশিক্ষণৰ ভিডিঅ'। আৰক্ষীৰ মতে, সন্ত্ৰাসবাদীক প্ৰশিক্ষণ দিয়া এনে ভিডিঅ' মাদ্ৰাছাৰ ছাত্ৰসকলক দেখুৱাই তেওঁলোকক জেহাদী কাম-কাজৰ বাবে অনুপ্ৰাণিত কৰিবলৈ চেষ্টা চলাইছিল মুস্তাফাই। সম্প্ৰতি আৰক্ষীৰ জিম্মাত থকা মুস্তাফাৰ পৰা অসমত জেহাদী সংগঠনৰ নেটৱৰ্ক সম্পৰ্কে আৰু অধিক তথ্য উদ্‌ঘাটন কৰিবলৈ আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ইফালে, মুস্তাফাৰ পত্নী আৰু ভ্ৰাতৃকো আৰক্ষীয়ে সোধপোচ অব্যাহত ৰাখিছে।

### মাদ্ৰাছাত জেহাদীক আশ্ৰয় দিয়াৰ ঘটনাক নিন্দা, তদন্তৰ দাবী মৈৰাবাৰীৰ বাসিন্দাৰ

মৈৰাবাৰীত আৰক্ষী প্ৰশাসনে আজি জমিয়া উল হুদা মাদ্ৰাছাখন উচ্ছেদ কৰাৰ পাছতে মৰিগাঁও জিলাত আজি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আৰক্ষীয়ে গ্ৰহণ কৰা এই ব্যৱস্থাক সমৰ্থন জনাই অঞ্চলবাসীয়ে জেহাদীৰ তৎপৰতাৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে। একেদৰে সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া পক্ষক কঠোৰ শাস্তিৰো দাবী তুলিছে স্থানীয় ৰাইজে। মৈৰাবাৰীৰ ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী আব্দুল গফুৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মাদ্ৰাছাত জেহাদীক আশ্ৰয় দিয়া ঘটনাক আমি নিন্দা কৰো। এনে ঘটনা কোনো ব্যক্তি বিশেষে কৰিছে। গতিকে ঘটনাৰ উচিত তদন্ত হ'ব লাগে আৰু দোষীক কঠোৰতম শাস্তি দিব লাগে; কিন্তু এই বিষয়টোক লৈ সমগ্ৰ মৈৰাবাৰী অঞ্চলটোকে জেহাদীৰ ঘাটি বুলি একাংশই প্ৰচাৰ কৰা কাৰ্যই আমাক মৰ্মাহত কৰিছে। মুফটি মহম্মদ মুস্তাফা এজন ব্যক্তিহে, তেওঁ এটা অনুষ্ঠান বা জাতি নহয়। কৰ্ম অনুসৰি ফল নিশ্চয় ভোগ কৰিব।' ইফালে, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক নৱ কুমাৰ নাথে কয়, 'মৈৰাবাৰীত জেহাদীৰ নেটৱৰ্কৰ কথা শুনি আমি আতংকিত হৈছো।' এনে শক্তিক পুলিতে শেষ কৰিবলৈ আৰক্ষীক আহ্বান জনাই তেওঁ কয়, '১৯৮৩ৰ আন্দোলনৰ সময়ত মৈৰাবাৰীৰ মুছলমান লোকে শংকৰদেৱৰ জন্মস্থান পাতেকিবড়ী সত্ৰক পহৰা দিছিল যাতে কোনো শক্তিয়ে সত্ৰখনৰ ক্ষতি কৰিব নোৱাৰে। সেই অঞ্চলটোতে এতিয়া মাদ্ৰাছাত জেহাদীক আশ্ৰয় দি আমাৰ অঞ্চলটোৰ শান্তি-শৃংখলা ভংগ কৰিব বিচাৰিছে এচাম শক্তিয়ে।' এনে সমাজবিৰোধী চক্ৰক কঠোৰ শাস্তি বিহিব লাগে বুলিও তেওঁ দাবী কৰে। আকৌ মৰিগাঁও জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সম্পাদক আনোৱাৰ হুছেইনে কয়, 'মাদ্ৰাছাত ধৰ্মীয় শিক্ষা দিব বুলি যদি তাত অপশক্তিক আশ্ৰয় দিছে, তেন্তে এয়া ৰাষ্ট্ৰদ্ৰোহ। এনে কাৰ্যক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছো আৰু উচিত তদন্ত বিচাৰিছো। জেহাদীক কোনো ভাৰতীয়ই সমৰ্থন নকৰে; কিন্তু জেহাদীৰ নামত যাতে নিৰপৰাধী লোকে অযথা মনোকষ্ট নাপায় তাৰ প্ৰতিও আৰক্ষীয়ে দৃষ্টি ৰাখিব লাগে।'

# দুই পুত্ৰক বিহ দি নিজেও সেৱন কৰি

*এক পৃষ্ঠাৰ পৰা* আত্মহত্যাৰ ঘটনা। জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ডিমৌ কিনাৰৰ মৃদুল সন্দিকৈ (৩২)য়ে নিজেই বিহ সেৱন কৰাৰ লগতে দুই পুত্ৰ পিন্টু (৬) আৰু মিন্টু (১০)কো খুৱাই দিয়ে। পাছত যন্ত্ৰণাত চটফটাই মিন্টুৱে দেউতাকৰ ম'বাইল ফোনৰ পৰাই স্থানীয় লোকক খবৰ দিয়ে। স্থানীয় লোকে ডিমৌ কিনাৰৰ এখন পথাৰৰ কাষৰ ৰাস্তাত পিতা-পুত্ৰ তিনিওকে পৰি থকা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে পিছত মৃদুল সন্দিকৈ আৰু তেওঁৰ কনিষ্ঠ পুত্ৰ পিন্টুৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে অতি সংকটজনক অৱস্থাত উদ্ধাৰ কৰে মিন্টুক। মিন্টুক ততাতৈয়াকৈ শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা অতি সংকটজনক হোৱাত পাছত চিকিৎসকে তেওঁক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান মিন্টু আই চি ইউত চিকিৎসাধীন হৈ থকা বুলি সদৰী কৰিছে চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়াই। আৰক্ষীয়ে সমগ্ৰ বিষয়টো তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এটা চুইচাইড নোট উদ্ধাৰ কৰিছে। তাত পাৰিবাৰিক কন্দলৰ বাবেই মৃদুলে এনে পথ বাছি লোৱা বুলি উল্লেখ কৰিছে। চুইচাইড নোটত উল্লেখ থকা অনুসৰি মৃদুলে শেহতীয়াকৈ কিছুদিন ধৰি মাতৃগৃহত থকা পত্নীলৈ ফোন কৰিছিল। তেওঁৰ পত্নীয়ে ফোনতে মৃদুলক গালি-গালাজ পৰাৰ লগতে দুই পুত্ৰক লৈ যাব বুলিও ভাবুকি দিছিল। বিগত সময়ছোৱাত মৃদুলে পত্নীক মাৰধৰ কৰাৰ বাবে ক্ষমা বিচাৰিছিল যদিও পত্নীয়ে ক্ষমা নকৰাৰ বাবেই এনে পথ বাচি লোৱা বুলি উল্লেখ কৰিছে চুইচাইড নোটত। কোনো চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা মৃদুল সন্দিকৈৰ পৰিয়ালটোৱে চৰম আৰ্থিক অনাটনৰ মাজেৰে দিন পাৰ কৰিছিল বুলি সদৰী কৰিছে স্থানীয় লোকে। এমাহ পূৰ্বেও মৃদুলে আত্মহত্যাৰ অপচেষ্টা কৰিছিল।

# নগা গাথা

*এক পৃষ্ঠাৰ পৰা* ঘন অৰণ্যৰ মাজেৰে যাত্ৰা আৰম্ভ কৰাৰ লগে লগে দিল্লী বিশ্ববিদ্যালয়ৰ ডেকা অধ্যাপক কেইজনমানে মনৰ আনন্দতে হিন্দী চিনেমাৰ গীত গাবলৈ আৰম্ভ কৰিলে। লগে লগে মোৰ ওচৰতে বহি থকা নগালেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক এজনে মোক ক'লে তেওঁলোকক ক'বলৈ তেওঁলোকৰ গান বন্ধ কৰিবলৈ। মই আচৰিত হৈ সুধিলো। গান কিয় বন্ধ কৰিব লাগে? তেতিয়া নগা অধ্যাপকজনে ক'লে যে আমি হিন্দী গান আৰু হিন্দী কথা বেয়া পাওঁ। মই পুনৰ সুধিলো, হিন্দী ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষা আৰু হিন্দী চিনেমাৰ গান ভাৰতবৰ্ষৰ অন্যতম জনপ্ৰিয় গান। আপোনালোকে কিয় বেয়া পায়। তেতিয়া নগা অধ্যাপকজনে ক'লে যে আপুনি নগালেণ্ডৰ স্বাধীনতা সংগ্ৰামৰ কথা হয়তো নাজানে? আপুনি নগালেণ্ডৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কেও হয়তো নাজানে? বৰ্তমান নগালেণ্ডৰ আধা জনসংখ্যা হিন্দীভাষী। এই হিন্দীভাষীসকলৰ বেছিভাগেই ভাৰতীয় সৈন্য অথবা চি আৰ পি এফৰ লোক। তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য হ'ল নগা জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰা। যেতিয়াৰ পৰা নগাসকলে ভাৰতবৰ্ষৰ স'তে থাকিবলৈ অস্বীকাৰ কৰিছে আৰু স্বাধীনতা দাবী কৰিছে, তেতিয়াৰ পৰাই নগাসকলৰ ওপৰত অমানসিক অত্যাচাৰ কৰিছে। যিহেতু এই অত্যাচাৰী ভাৰতীয়সকল হিন্দীভাষী লোকে সেইবাবেই আমি নগাসকলে হিন্দী ভাষা আৰু হিন্দীভাষীক ঘৃণা কৰো। এজন নগা অধ্যাপকৰ মুখত এই কথা শুনি মই আচৰিত হ'লো। অধ্যাপকৰ এই অনুভৱৰ কথা যেতিয়া দিল্লী বিশ্ববিদ্যালয়ৰ পৰা অহা হিন্দীভাষী অধ্যাপকসকলক ক'লো তেতিয়া অধ্যাপকসকলেও আশ্চৰ্য প্ৰকাশ কৰিলে। তেতিয়াৰ পৰাই নগালেণ্ডৰ শিক্ষা সম্পৰ্কে অনুসন্ধান কৰাৰ উপৰি নগালেণ্ডৰ সামাজিক অৱস্থা বিশেষকৈ নগাসকলৰ স্বাধীনতা সংগ্ৰামৰ বিষয়েহে জানিবলৈ অধিক আগ্ৰহী হ'ল।

আমি সেইদিনা নগালেণ্ডৰ পেৰেণ জিলাৰ কে'বাখনো গাঁৱলৈ গ'লো। এই গাঁওকেইখনলৈ যোৱাৰ অন্যতম প্ৰধান উদ্দেশ্য আছিল, সেই গাঁৱৰ শিক্ষা ব্যৱস্থাৰ উপৰি নগাসকলৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে কিছু অভিজ্ঞতা লাভ কৰাটো। গাঁৱৰ গাঁওবুঢ়া আৰু জ্যেষ্ঠ নাগৰিকসকলে আমাক নগা সংগ্ৰামৰ প্ৰাৰম্ভণিৰ সময়ত সৈন্যসকলে নগা বিদ্ৰোহীসকলৰ ওপৰত আৰু নগা গাঁওবাসীৰ ওপৰত কেনেদৰে অত্যাচাৰ কৰিছিল, সেই কথা বৰ্ণনা কৰিলে। নগাসকলে সাধাৰণতে পৰ্বতৰ টিঙত বাস কৰে। তেওঁলোকে সাধাৰণতে সমভূমিত গাঁও নাপাতে; কিন্তু আমি যোৱা কে'বাখনো গাঁও সমভূমিত আছিল। গাঁওবুঢ়াসকলে দূৰৈৰ পৰ্বত এখনলৈ দেখুৱাই কৈছিল— 'আমি সেই পৰ্বতৰ টিঙতহে আছিলো। আমাৰ পূৰ্বপুৰুষে সেই টিঙতহে গাঁও পাতিছিল। ভাৰত স্বাধীন হোৱাৰ সময়ত যেতিয়া আমি নগাসকলে ভাৰতবৰ্ষৰ স'তে থাকিবলৈ নিবিচাৰিলো, আমি যেতিয়া আমাৰ নিজৰ স্বাধীনতা দাবী কৰিলো, তেতিয়া আমাৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিলে। পৰ্বতৰ টিঙত থকা আমাৰ গাঁওসমূহত জুই জ্বলাই দিলে। গাঁৱৰ মানুহবিলাকক সেই পৰ্বতৰ টিঙৰ পৰা এই সমভূমিলৈ নমাই আনিলে আৰু ইয়াতে আমাক বাঁহৰ অস্থায়ী জেল সাজি মাহৰ পাছত মাহ ধৰি জেলত ভৰাই ৰাখিলে। আমি এই বাঁহৰ জেলত গৰু, ম'হৰ দৰে আছিলো, ইয়াতে অনাহাৰে-অনিদ্ৰাই ৰোগাগ্ৰস্ত হৈ বহুতৰ মৃত্যুও হৈছিল। সেই কথা আজিও মনত পৰে। তাৰ পাছত আমি আৰু পৰ্বতৰ টিঙলৈ গুচি নগ'লো ইয়াতে ঘৰ সাজি বসবাস কৰিলো।' কথাবিলাক কৈ কৈ বৃদ্ধ নগা লোকসকলে উচুপি উঠিছিল। আমি অধ্যয়নকাৰী দলটোৱে তেওঁলোকৰ এই দুখৰ কাহিনী শুনি বিস্মৃত হৈছিলো আৰু আমাৰ অন্তৰেও কান্দি উঠিছিল। নগা বিদ্ৰোহ আৰু ভাৰতীয় শাসকৰ দমনৰ কাহিনী শুনি আমি বিস্ময় মানিছিলো। এই অধ্যয়নৰ সময়ত মই বিশেষভাৱে জাতীয়তাবাদী নগাসকলৰ স'তে নগা আন্দোলনৰ কথাহে শুনিব বিচাৰিছিলো আৰু তেতিয়াই মোৰ মনলৈ আহিছিল যে পাৰিলে নগা আন্দোলনৰ বিষয়ে অধ্যয়ন কৰি অসমীয়া ভাষাত এখন কিতাপ লিখিম।

নগালেণ্ডৰ এই অভিজ্ঞতাৰ কে'বা বছৰো পাছত এগৰাকী নগা ছোৱালী আমাৰ ওচৰলৈ আহিল। আমাৰ স'তে গৱেষণা কৰিম বুলি। প্ৰাথমিক পৰ্যায়ত কথা-বতৰা হওঁতে এই নগা ছোৱালীজনীৰ পৰিচয় লৈছিলো— তেওঁৰ দেউতাকে কি কৰে বুলি সোধোতে ছোৱালীজনীয়ে কৈছিল— 'দেউতাকে নগা সেনাবাহিনীত কাম কৰিছিল (নগা আৰ্মি) যুদ্ধত মৃত্যু হ'ল।' তেতিয়া মই আকৌ সুধিলো— নগা আৰ্মি মানে কি? ইণ্ডিয়ান আৰ্মি নেকি? তেতিয়া ছোৱালীজনীয়ে দৃঢ়ভাৱে কৈছিল—'ইণ্ডিয়ান আৰ্মি নহয়, নগা আৰ্মি।' মই আকৌ সুধিছিলো— ভাৰতবৰ্ষত ভাৰতীয় সেনাহে আছে। ৰাজ্যই ৰাজ্যই ৰাজ্যিক সেনা নাই। যিদৰে অসমত অসমীয়া সেনা নাই, সেইদৰেই নিশ্চয় নগালেণ্ডতো নগা সেনা নাই। তোমাৰ কথাতো মই ভালদৰে বুজা নাই। তেতিয়া নগালেণ্ডৰ কোনোবা এখন কলেজত চাকৰি কৰা এইগৰাকী অধ্যাপিকাই মোক স্পষ্টভাৱে ক'লে— 'নগা আৰ্মি মানে এন এছ চি এন। আমি নগাসকলে এন এছ চি এনকে নগা সেনা বুলি কওঁ।' মোৰ স'তে গৱেষণা কাৰ্য আৰম্ভ কৰা এই অধ্যাপিকাগৰাকীয়ে কিছুদিন পাছত মোক এখন কিতাপ উপহাৰ দিলে। কিতাপখনৰ নাম হ'ল— 'দ্য নাগা ছাগা', কাকা দ্য ইৰালু নামৰ এজন লোকে এই গ্ৰন্থখন লিখিছে। গম পালো কাকা দ্য ইৰালু এজন সক্ৰিয় এন এছ চি এনৰ নেতা। এই গ্ৰন্থখন অধ্যয়নৰ পাছত মোৰ প্ৰবল হেঁপাহ হ'ল— এই গ্ৰন্থখনৰ কিছু তথ্য লৈ অসমীয়া ভাষাত নগা বিদ্ৰোহ সম্পৰ্কীয় কিতাপ এখন লিখিম। পৰৱৰ্তী সময়ত আমাৰ এই ইচ্ছাৰ কথা ছ'চিয়েল মিডিয়াত থকা 'দ্য নাগা মিৰ'ৰ' নামৰ গ্ৰুপ এটাত মোৰ ইচ্ছা প্ৰকাশ কৰিলো। 'দ্য নাগা মিৰ'ৰ' এই গ্ৰুপটোত কাকা দ্য ইৰালুৰ 'দ্য নাগা ছাগা' কিতাপখনৰ সহায়ত অসমীয়া কিতাপ এখন লিখাৰ কথা প্ৰকাশ কৰাৰ লগে লগে ভালেমান নগালোকে আমালৈ অকুণ্ঠ সঁহাৰি আগবঢ়ালে। মই কাকা দ্য ইৰালুৰ পৰা অনুমতি বিচৰাৰ কথা ক'লো। কে'বাজনো লোকে ক'লে যে তেওঁলোকে ইৰালুৰ পৰা অনুমতি আনি দিব। এজনে আকৌ ইৰালুৰ ফোন নম্বৰটোও দিলে। আন এজনে আমাক অনুৰোধ কৰিলে ইৰালুলৈ ফোন নকৰিবলৈ। কাৰণ ইৰালুৰ ফোনলৈ ফোন কৰাটো মোৰ বাবে বিপজ্জনক হ'ব পাৰে। সেইবাবে মই ইৰালুলৈ ফোন নকৰিলো; কিন্তু অতি আচৰিত ধৰণে এদিন কাকা দ্য ইৰালুৰ পৰা মই এটা ফোন পালো। মোৰ ইচ্ছাৰ কথা জানি তেওঁ আনন্দিত হৈছে বুলি ক'লে আৰু তেওঁৰ কিতাপৰ সকলো তথ্য ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিলে। কাকা দ্য ইৰালুৰ স'তে কথা পাতি মই বিশেষ ধৰণে অনুপ্ৰাণিত হ'লো নগাসকলৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে কিতাপ এখন লিখিবলৈ।

নগাসকলক এসময়ত শিৰকটা জনগোষ্ঠী হিচাপে জনা গৈছিল। কথিত আছে যে তেওঁলোকে শত্ৰুৰ স'তে যুঁজি শত্ৰুৰ মূৰটো কাটি আনি সংৰক্ষণ কৰি থয়। সেয়া অতীতৰ কথা। এতিয়া নগাসকল এক আধুনিক জনগোষ্ঠী।

ভাৰতবৰ্ষৰ অইন সকলো ৰাজ্যৰ তুলনাত নগালেণ্ডতে সৰ্বাধিক ভাষা-উপভাষা আছে। নগাসকলৰ ভাষিক বৈচিত্ৰ্য বিশ্ববিখ্যাত। ভাষা বিজ্ঞানীসকলৰ মতে নগাসকলে ৯০টাতকৈ অধিক ভাষা-উপভাষাত কথা পাতে। ভাষা বিজ্ঞানীসকলে নগা ভাষিক জনগোষ্ঠীসমূহক কে'বাটাও ভৌগোলিক ভাগত বিভক্ত কৰিছে। পশ্চিমাঞ্চলত আংগামি, ছুমি আৰু ৰেংমা ভাষা সৰ্বাধিক প্ৰচলিত। মধ্য অঞ্চলত আও আৰু লোথা ভাষা সৰ্বাধিক প্ৰচলিত। পূৰ্বাঞ্চলত কন্যাক, ফ'ম', চাংটাং আৰু চাং ভাষা প্ৰচলিত। চুমি ভাষিক জনগোষ্ঠীটো মধ্যাঞ্চল আৰু পশ্চিমাঞ্চল উভয়তে আছে। ইয়াৰ উপৰি কে'বাটাও নাগা, বড়ো ভাষিক গোষ্ঠী কুকি, লোথা আদি বিভিন্ন ঠাইত প্ৰচলিত।

১৯৬৭ত নগালেণ্ড বিধানসভাই ইংৰাজী ভাষাক চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰে। নগালেণ্ডত শিক্ষাৰ মধ্যাম ইংৰাজী। অৱশ্যে প্ৰায় সকলো নগালোকে নগা-অসমীয়া মিশ্ৰিত ভাষা নাগামিজক কথিত ভাষা হিচাপে ব্যৱহাৰ কৰে। মণিপুৰত থকা নগাসকলে আকৌ মণিপুৰৰ কথিত ভাষা মেইটে ব্যৱহাৰ কৰে।

নগাসকল পাৰম্পৰিকভাৱে এটা যুঁজাৰু জনগোষ্ঠী বুলি জনাজাত। নগাসকলে সাধাৰণতে পৰ্বতৰ টিঙত গাঁও সাজি বসবাস কৰে। প্ৰাচীন কালৰে পৰা নগাসকলে খাৰ-বাৰুদ উৎপাদন কৰাৰ পাৰম্পৰিক জ্ঞান আহৰণ কৰিছে বুলি ঐতিহাসিকসকলে কয়। নগাসকলৰ মাজত বন্দুকৰ ব্যৱহাৰ পাৰম্পৰিক। নগা জনগোষ্ঠীসমূহৰ মাজত যদিও বিভিন্ন প্ৰকাৰৰ ভাষা-উপভাষা আছে, কিন্তু তেওঁলোকৰ সামগ্ৰিক সংস্কৃতি প্ৰায় একে ধৰণৰ। তেওঁলোকৰ খাদ্য প্ৰণালী, সাজ-পোছাক, পাৰম্পৰিক নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ আদিৰ বহুতো সামঞ্জস্য আছে। নগাসকলৰ ভাষিক, সামাজিক আৰু সাংস্কৃতিক বৈচিত্ৰ্য বিশ্ববিশ্ৰুত।

১৩শ শতিকাৰ আগলৈকে চুবুৰীয়া অসমৰ লোকসকলৰ বাহিৰে নগাসকলৰ বহিঃবিশ্বৰ লগত কোনো সম্পৰ্ক নাছিল বুলিয়ে ক'ব লাগিব। অসমত আহোমসকলে আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পাছত নগা আৰু আহোমৰ মাজত সৰু সৰু যুদ্ধ মাজে মাজে হৈ আছিল। ১৮২৮ খ্ৰীষ্টাব্দত ব্ৰিটিছসকলে ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে তেতিয়াৰ অসমখনক ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনলৈ আনে যদিও নগাভূমিত থকা নগা জনগোষ্ঠীসমূহৰ অধিকাংশকে কিন্তু ব্ৰিটিছে নিজৰ অধীনলৈ আনিব পৰা নাছিল। নগাসকলে ব্ৰিটিছৰ বিৰুদ্ধে আৰম্ভণিৰে পৰা যুঁজি আছিল। ব্ৰিটিছে সমগ্ৰ নগাভূমিকে ব্ৰিটিছ প্ৰশাসনৰ অধীনলৈ আনিবলৈ চেষ্টা কৰিছিল যদিও তেওঁলোকৰ এই উদ্দেশ্য ফলৱতী হোৱা নাছিল। ১৭৩৯ত ৰেভাৰেণ্ড মাইলছ্ ব্ৰনছন নামৰ খ্ৰীষ্টান মিছনেৰী এজনে প্ৰথমবাৰৰ বাবে নগাভূমিত প্ৰৱেশ কৰি নগাসকলৰ মাজত খ্ৰীষ্টান ধৰ্ম আৰু আধুনিক সংস্কৃতি প্ৰচাৰৰ কামত ব্ৰতী হয়। নগাভূমিত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ লগে লগে তেওঁলোকৰ মাজত থকা ক্ষুদ্ৰ ভাষিক-উপভাষিক জনগোষ্ঠীয় প্ৰভেদৰ বেৰখন লাহে লাহে আঁতৰি যায় আৰু সকলো জনগোষ্ঠীয়ে নগা জনগোষ্ঠী হিচাপে এক নতুন পৰিচয়ৰ দ্বাৰা জনাজাত হৈ পৰে। সম্প্ৰতি প্ৰায় ৯৫ শতাংশ নগাই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছে। নগাসকলৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত খ্ৰীষ্টানসকলৰ ভূমিকা উল্লেখযোগ্য।

নগাসকলক উগ্ৰ জাতীয়তাবাদী জনগোষ্ঠী বুলি ক'লেও ভুল কৰা নহয়। সাংস্কৃতিকভাৱে তেওঁলোক বহিঃৰাজ্যৰ সংস্কৃতিৰ পৰা সম্পূৰ্ণভাৱে বেলেগকৈ থাকিবলৈ চেষ্টা কৰিছে। নগাসকলৰ জাতীয়তাবাদ অতি উগ্ৰ। নগাসকলৰ সামাজিক ব্যৱস্থাতে জনগোষ্ঠীয় উগ্ৰতা প্ৰতিপন্ন হয়। পাৰম্পৰিকভাৱে নগাসকলে প্ৰতিখন গাঁৱকে একোখন স্বাধীন ৰাজ্য বা দেশ হিচাপে গণ্য কৰি আহিছে। নগাসকলে বহিৰাগতৰ শাসন সহজে মানি নলয়।

আধুনিক শিক্ষা ব্যৱস্থা আৰু খ্ৰীষ্টান ধৰ্মৰ বহুল প্ৰচাৰৰ লগে লগে নগা জাতীয়তাবাদী ৰাজনীতিলৈকেও ব্যাপক পৰিৱৰ্তন আহিছে। ১৯১৮ত শিক্ষিত নগাসকলে নগা ক্লাব নামৰ এটা সংগঠন কৰি তোলে। ১৯২৯ত এই নগা ক্লাবৰ সদস্যসকলে চাইমন কমিছনলৈ এখন পত্ৰ প্ৰেৰণ কৰি কৈছিল যে 'ভাৰতবৰ্ষৰ পুনৰ গঠনৰ আঁচনিৰ ভিতৰত নগাসকলক ধৰিব নালাগে। নগাসকলে ভাৰতবৰ্ষৰ স'তে থাকিব নোখোজে। ১৯৪৭ৰ ১৪ আগষ্টত নগাসকলে নিজাববীয়াকৈ স্বাধীন নগা ৰাজ্য ঘোষণা কৰে। নগাসকলক একত্ৰিত কৰি এখন স্বাধীন নগা ৰাজ্য গঠন কৰিবলৈ আংগামী জাপু ফিজোৰ নেতৃত্বত নগা নেছনেল কাউন্সিল গঠিত হৈছিল।

এটা শিশু পৰিপুষ্টিৰ বাবে শিশুটো সদায় মাকৰ ওপৰত নিৰ্ভৰ কৰি চলে। ঠিক তেনেকৈ এটা জাতিও নিজৰ মাতভূমিৰ ওপৰত নিৰ্ভৰ কৰি বিকাশ লাভ কৰে। মাতৃভূমিয়ে জাতি এটাৰ মাতৃ। এটা জাতিৰ জাতীয় পৰিচয় মাতৃভূমিৰ ভৌগোলিক সীমাৰ ভিতৰত বৰ্তি থাকে আৰু বিকশিত হয়। মাতৃভূমিৰ এটা জাতিক কেতিয়াও নিলগাই ৰাখিব নোৱাৰি। মাতৃভূমিৰ সুৰক্ষাৰ ওপৰতে এটা জাতিৰ সুৰক্ষা নিৰ্ভৰ কৰে।

নগালেণ্ড হ'ল নগাসকলৰ মাতৃভূমি। নগাসকলৰ বাবে নগাভূমিৰ বাহিৰে এই পৃথিৱীত অইন কোনো মাতৃভূমি নাই গতিকে নগাসকলক নগাভূমিতে স্বাধীনভাৱে জীয়াই থাকিব লাগিব। ৰাজনৈতিকভাৱে স্বতন্ত্ৰ হৈ নগা নামৰ এটা জাতি এটা জীয়াই থাকিব লাগে তেনেহ'লে ৰাজনৈতিক স্বতন্ত্ৰ এক নগাভূমি থাকিব লাগিব নগাসকলৰ বাবে। নগাসকল কেতিয়াও কোনো দেশৰ অধীনত নাছিল। ভাৰত স্বাধীন হোৱাৰ লগে লগে নগাভূমিক ভাৰতবৰ্ষৰ অধীনলৈ অনা হ'ল। ব্ৰিটিছৰ বিৰুদ্ধে স্বাধীনতাৰ যুদ্ধত ভাৰতীয়সকলৰ দৰে নগাসকলেও যুঁজিছিল। সমগ্ৰ ভাৰতবৰ্ষ ব্ৰিটিছৰ অধীনত আছিল; কিন্তু স্বাধীন নগাসকলৰ সকলোকে ব্ৰিটিছৰ অধীনত আনিব পৰা নাছিল। অৰ্থাৎ ভাৰতবৰ্ষ যেতিয়া পৰাধীন আছিল, নগাসকলৰ অধিকাংশ লোকে স্বাধীন আছিল। ভাৰতবৰ্ষ স্বাধীন হ'ল। ব্ৰিটিছে ভাৰতবৰ্ষক স্বাধীনতা দিলে; কিন্তু ভাৰতবৰ্ষই নগাভূমিক পৰাধীন কৰিলে। নগাভূমি ভাৰতবৰ্ষৰ তলতীয়া জাতিলৈ ৰূপান্তৰিত হ'ল।

ভাৰতীয় মানুহৰ স'তে নগাসকলৰ কোনো মিল নাই, ভাৰতীয় মানুহ দ্ৰাবিড় আৰু আৰ্য জনগোষ্ঠীৰ লোক নহয়। নগাসকল মংগোলীয় জনগোষ্ঠীৰ লোক। ধৰ্মীয় ভাৰতবৰ্ষৰ অধিকাংশ লোকে হিন্দু-মুছলমান, বুদ্ধ, জৈন অথবা শিখ ধৰ্মৰ লোক ভাৰতবৰ্ষত খ্ৰীষ্টান ধৰ্মৰ লোক তেনেই কম। নগাসকল হিন্দু-মুছলমান, বুদ্ধ কোনো ভাৰতীয় জাতিৰ স'তে নিমিলে। আদিতে নগাসকল প্ৰকৃতি উপাস্য আছিল আৰু পাছলৈ তেওঁলোক সম্পূৰ্ণভাৱে খ্ৰীষ্টান হয়। নগাভূমিত খিলঞ্জীয়া হিন্দু বা মুছলমান নগা নাই।

ভাষিকভাৱেও নগাসকল বেলেগ। ভাৰতীয়সকলৰ লগত কোনো মিল নাই। ভাষিকভাৱে ভাৰতীয় লোকসকল সংস্কৃত, উৰ্দু, হিন্দী, তামিল, তেলেগু, বাঙালী, অসমীয়া ইত্যাদি বিভিন্ন ভাষিক গোষ্ঠীৰ লোক। ভাষিকভাৱে নগাসকল কোনোটো ভাষিক গোষ্ঠীৰ স'তে নিমিলে। নগাসকল তিবেতোবৰ্মন ভাষিক গোষ্ঠীৰ লোক।

*ফোন: ৯৮৬৪০-২০১১২*

# আৰএছএছৰ জ্যেষ্ঠ প্ৰচাৰক বিনায়ক বিশ্বনাথ কানেটকাৰলৈ শ্ৰদ্ধাঞ্জলি

## গীতা পাঠ, নাগাৰা নাম পৰিৱেশনৰে মুখৰিত অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৪ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দতৰা গাঁও পঞ্চায়তৰ সভাগৃহত কালি সন্ধিয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ ঘগ্ৰাপাৰ খণ্ডৰ দতৰা শাখাৰ উদ্যোগত সদ্য প্ৰয়াত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক বিনায়ক বিশ্বনাথ কানেটকাৰৰ আত্মাৰ চিৰশান্তিৰ বাবে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কৰা হয়। সন্ধিয়া বেদ বিদ্যালয় শিক্ষাৰ্থীৰ দ্বাৰা গীতা পাঠৰে আৰম্ভণি হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৌদ্ধিক প্ৰদান কৰে ক্ৰমে অখিল ভাৰতীয় সহকাৰ ভাৰতীৰ উপ-সভাপতি প্ৰশান্ত বুজৰবৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা সংঘৰ স্বয়ং সেৱক দিলীপ শৰ্মা, শংকৰদেৱৰ শিশু নিকেতন (উদয়পুৰ) ৰবীন ডেকাই। অনুষ্ঠানত প্ৰশান্ত বুজৰবৰুৱাই নিজৰ ভাষণত সংঘৰ জ্যেষ্ঠ প্ৰচাৰক প্ৰয়াত বিনায়ক বিশ্বনাথ কানেটকাৰ জন্ম-মৃত্যু আৰু শিক্ষা-দীক্ষাৰ ওপৰত আলোকপাত কৰাৰ লগতে সংঘ প্ৰচাৰকৰ হিচাপে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসম তথা নলবাৰীত কিদৰে সংঘৰ সংগঠন বিস্তাৰ কৰিছিল তাৰ ওপৰত মন্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ নলবাৰী বিভাগ শাৰীৰিক প্ৰমুখ পংকজ বুজৰবৰুৱা, জিলাসহ বৌদ্ধিক প্ৰমুখ সঞ্জীৱ বৰাকে ধৰি প্ৰায় দুই শতাধিক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত নিশালৈকে গীতা-পাঠ আৰু নাগাৰা নামৰ পাঠিকা বিশিষ্ট পাঠিকা অনামিকা দাসে নাগাৰা নাম পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলিস্থলী মুখৰিত কৰি তোলে। অনুষ্ঠানৰ আঁত ধৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ঘগ্ৰাপাৰ খণ্ড কাৰ্যবাহী দীপাংকৰ ৰাজবংশীয়ে। উল্লেখ্য যে সংঘৰ জ্যেষ্ঠ প্ৰচাৰক কানেটকাৰে যোৱা ১৮ জুলাইত ইহলীলা সম্বৰণ কৰিছিল।

# শিৱসাগৰ পৌৰসভাই বিজুলী বিভাগক দিব আছে কোটি টকাৰ বিদ্যুৎ মাচুল

## বিদ্যুৎ বিল বাকী চাৰি লাখ টকা-শীঘ্ৰে অন্ধকাৰ হ'ব শিৱ দ'ল চৌহদ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৪ আগষ্ট ঃ** বিজেপি চৰকাৰৰ ঘৰে ঘৰে ২৪ ঘণ্টা বিদ্যুতৰ শ্ল'গান ধোঁৱা চাঙত উঠাৰ পাছত এইবাৰ চৰকাৰী বিভাগসমূহৰ বিৰুদ্ধে বিজুলী বিভাগে অভিযান আৰম্ভ কৰিছে। শিৱসাগৰ পৌৰসভাৰ অনাদায় বিজুলী বিল প্ৰায় এক কোটি ২০ হেজাৰ টকা হোৱা অৱস্থাত বিজুলী বিভাগে কৰ্তন কৰিলে নগৰৰ ২২ টা হাইমাক্স লাইটৰ বিদ্যুৎ সংযোগ। বিজেপি চৰকাৰে সৌ সিদিনা ব্যাপক ঢোল-খোল বজাই নগৰৰ তিনিআলি-চাৰিআলিত স্থাপন কৰিছিল পোহৰৰ খেল। ওখ ওখ গম্বুজ স্থাপন কৰি সংযোগ কৰিছিল আন্ধাৰ দূৰ কৰিব পৰা হাইমাক্স লাইট। শিৱসাগৰ পৌৰসভাৰ অধীনত স্থাপন কৰা এই লাইটসমূহ উদ্বোধন কৰিছিল সাংসদ তপন গগৈয়ে। কিন্তু পোহৰৰ খেল এবছৰ হ'ল কি নহ'ল যোৱা দুই আগষ্টত শিৱসাগৰ বিজুলী বিভাগে কৰ্তন কৰিলে এনে ২২ টা হাইমাক্স লাইটৰ বিদ্যুৎ সংযোগ। কিয়নো এই লাইটসমূহৰ বাবদ শিৱসাগৰ পৌৰসভাই দিবলৈ আছে ৩৪ লাখ ১৪ হেজাৰ ৩১১ টকা। পৌৰসভাই বিগত এবছৰে বিজুলী বিভাগক দিব পৰা নাই হাইমাক্স লাইটৰ বিল সেইদৰে শিৱসাগৰ পৌৰসভাই বিজুলী বিভাগক নগৰীয়া পানী যোগান প্ৰকল্প দুটাৰ বাবদ দিবলৈ আছে ৭৭ লাখ ৮৭ হেজৰ ৫৯ টকা। অনাদায় এই বৃহৎ ৰাশি পৌৰসভাই অনতিপলমে পৰিশোধ নকৰিলে পানী যোগান প্ৰকল্প দুটাৰ বিদ্যুৎ সংযোগ শীঘ্ৰে কৰ্তন কৰাৰ হুংকাৰ দিছে বিজুলী বিভাগে। ফলত পৌৰসভাৰ গাফিলতিৰ বাবে শিৱসাগৰ নগৰৰ ৰাইজে এটুপি খোৱাপানীৰ বাবে আগন্তুক সময়ত হাহাকাৰ কৰিব লাগিব সেয়া নিশ্চিত হৈ পৰিছে। শিৱসাগৰ পৌৰসভাই কৰদাতা ৰাইজৰ পৰা পৌৰ কৰ সময় অনুসৰি সংগ্ৰহ কৰি অহাৰ পাছত কিয় বিজুলী বিলৰ নামত ইমান বৃহৎ ৰাশিৰ মাচুল অনাদায় হৈ আছে সেই সন্দৰ্ভত ৰাইজে উত্থাপন কৰিছে প্ৰশ্নৰ। শিৱসাগৰ পৌৰসভাৰ অনাদায় কোটি টকাৰ বিদ্যুৎ মাচুলৰ লগতে বিশ্বাস আৰু আস্থাৰ প্ৰতীক শিৱ দ'ল, দেৱী দ'ল আৰু বিষ্ণু দ'লৰ বিদ্যুৎ সংযোগৰ নামত অনাদায় হৈ আছে প্ৰায় চাৰি লাখ ২০ হেজাৰ টকা। স্বয়ং জিলা উপায়ুক্তগৰাকী দ'ল উন্নয়ন সমিতিৰ সভাপতিৰূপে থকাৰ পাছতো বিদ্যুৎ মাচুলৰ বাবদ লাখ লাখ টকা অনাদায় হৈ ৰৈছে। ৰাইজৰ ভক্তি আৰু আস্থাৰ প্ৰতীক শিৱ দ'লৰ অনাদায় বিদ্যুৎ মাচুলৰ পৰিমাণ হৈছে প্ৰায় দুই লাখ টকা। বিজুলী বিভাগে এই মাচুল পৰিশোধ নকৰিলে তিনিওটা দ'লৰ বিদ্যুৎ সংযোগ কৰ্তন কৰাৰ হুংকাৰ দিছে। শিৱসাগৰ পৌৰসভাৰ গাফিলতিৰ বাবে অনাদায় কোটি টকাৰ বিদ্যুৎ মাচুলৰ বাবে এতিয়া শিৱসাগৰ নগৰৰ ৰাইজে যাতনা ভুগিব লগতে প্ৰায় ৩০০ বছৰীয়া দ'ল তিনিটাৰ চৌহদ অন্ধকাৰত ডুব যোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

### সপ্তদশ নাট্যবৰ্ষত ছয়গাঁৱৰ বিষ্ণুজ্যোতি নাট্যগোষ্ঠী

# 'শ্মশান দেৱতা' আৰু 'শেষ উপহাৰ' নাটকেৰে মহুৰত সম্পন্ন



**ছয়গাঁও, ৪ আগষ্ট ঃ** বিগত দুটা বছৰে ক'ভিডে জুৰুলা কৰা অসমৰ নাট্য জগতখন চলিত বৰ্ষত পুনৰ যেন মুৰ দাঙি উঠিছে। ভ্ৰাম্যমাণ থিয়েটাৰসমূহৰ লগতে যাত্ৰা নাট্য দলসমূহেও পূৰ্ণ প্ৰস্তুতি চলাইছে আগন্তুক নাট্য বৰ্ষৰ বাবে। একেদৰেই আজি দক্ষিণ কামৰূপৰ এটি আগশাৰীৰ যাত্ৰা নাট্য দল 'বিষ্ণু জ্যোতি নাট্য গোষ্ঠী'য়েও আগন্তুক ২০২২-২৩ নাট্য বৰ্ষৰ বাবে শুভ নাট্যাৰম্ভ কাৰ্যসূচী অনুষ্ঠিত কৰে। ছয়গাঁৱৰ জ্যেষ্ঠ সাংবাদিক তথা সাংস্কৃতিক কৰ্মী বিপুল দাস প্ৰযোজিত নাট্যদলটিৰ সপ্তদশ নাট্যবৰ্ষৰ পুৰা বিশিষ্ট অতিথি দেবেন গোস্বামীয়ে নাৰিকল ভাঙি শুভ মহুৰৎ অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ লগতে অনুষ্ঠানটিৰ বৃক্ষৰোপণ কাৰ্যসূচী উদ্বোধন কৰে সদৌ অসম যাত্ৰা দল প্ৰযোজক সন্থাৰ সভাপতি নৱ শৰ্মা, অভিনেতা বিক্ৰম জিৎ, বিশিষ্ট ব্যক্তি যতীন গোস্বামী আৰু হীৰেন শালৈয়ে। আগন্তুক বৰ্ষৰ বাবে নাট্য দলটিয়ে দুখন আজি উন্মোচন 'শেষ উপহাৰ' নাটখনি উন্মোচন কৰে বিশিষ্ট ব্যক্তি হীৰেণ শালৈয়ে। আনহাতে, মৃগেন কলিতাৰ ৰচিত 'শ্মশান দেৱতা' নাটখন উন্মোচন কৰে বিশিষ্ট শিল্পী নৱ শৰ্মাই। অনুষ্ঠানত নাট পৰিচালকদ্বয় জোন কুমাৰ দাস, অবিনাশ কলিতা, সংগীত পৰিচালকদ্বয় হৰিণ শালৈ আৰু ভাস্কৰ দেৱান আৰু নৃত্য পৰিচালক প্ৰদীপ দাস উপস্থিত থাকে। আনহাতে, অনুষ্ঠানত আৰাধনা নাট্য দলৰ প্ৰযোজক দেৱেশ্বৰ তালুকদাৰ উপস্থিত থাকে। কাদম্বৰী নাট্য পৰিষদৰ প্ৰযোজক হিতেশ ডেকা, ত্ৰিকাল নাট্য দলৰ এগৰাকী প্ৰযোজক জয়ন্ত মহন্ত, শ্ৰীশ্ৰীবুঢ়াগোঁসাই নাট্য পৰিষদৰ প্ৰযোজক খৰ্গেশ্বৰ দাস আৰু নৱ দেৱৰাজ নাট্য পৰিষদৰ প্ৰযোজক জয়ন্ত তালুকদাৰ প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত নাট উপদেষ্টা বিপিন ঠাকুৰীয়া, প্ৰতিনিধি অজয় বৰ্মন প্ৰমুখ্যে কে'বাগৰাকী ব্যক্তিয়ে ভাষণ দিয়ে। নাট্য দলটিয়ে অহা আঠ আগষ্টৰ পৰা নাটকৰ আখৰা আৰম্ভ কৰিব।'



*আমগুৰিত অসম যুৱ পৰিষদৰ তৰফৰ পৰা জাতীয় পতাকা বিতৰণ, বৃহস্পতিবাৰে।*

# দুদিন ধৰি এটোপাল খোৱাপানীৰ বাবে হাহাকাৰ বিশ্বনাথ নগৰবাসী

## বিদ্যুত বিভাগক ১২ লাখ টকা পৰিশোধ নকৰাৰ বাবেই কৰ্তন কৰিলে পানী যোগান আঁচনিৰ বিদ্যুৎ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৪ আগষ্ট ঃ** গুৱাহাটী মহানগৰী নহয়, এইবাৰ বিশ্বনাথ নগৰবাসী ৰাইজ এটুপি খোৱাপানীৰ বাবে হাহাকাৰ অৱস্থা। কালিৰ পৰা বিশ্বনাথ নগৰৰ প্ৰায় ৮০০টা পৰিয়ালে এটুপি পানীৰ বাবে হাহাকাৰ পৰিস্থিতি কৰিবলগীয়া হৈছে। এই পৰিয়ালকেইটাই প্ৰতিমাহে পানী যোগান বিভাগক বিল পৰিশোধ কৰি অহাৰ পাছতো হঠাৎ কিয় বিশ্বনাথ নগৰৰ পানী যোগান আঁচনিয়ে কালিৰ পৰা নগৰবাসীক পানী দিয়া বন্ধ কৰাৰ কাৰণ জানিবলৈ বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিৰ স্থানত উপস্থিত হ'ল উপভোক্তা। তাৰ পাছতহে গম পোৱা গ'ল যে বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিয়ে বিদ্যুৎ বিভাগৰ প্ৰায় ১২ লাখ টকা বিল আদায় নকৰাৰ বাবে বিদ্যুৎ বিভাগে কালিয়ে কৰ্তন কৰিছে বিদ্যুতৰ যোগান। পানী যোগান আঁচনিৰ কৰ্মচাৰীৰ মতে শেহতীয়াকৈ বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছে বিশ্বনাথ চাৰিআলি পৌৰসভাই। বিশ্বনাথ চাৰিআলি পৌৰসভাই বিদ্যুৎ বিভাগক বিদ্যুতৰ বিল পৰিশোধ নকৰাৰ বাবেই আজি বিশ্বনাথ নগৰবাসী পানী যোগানৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এইফালে এই সন্দৰ্ভত বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতিক সাংবাদিকে প্ৰশ্ন কৰাত পৌৰপতি অমৰ জ্যোতি বৰঠাকুৰে এই সন্দৰ্ভত জনাই যে মিউনিচিপালিটি বৰ্ড আৰু পানী যোগান আঁচনিৰ বৰ্ড দুয়োটা পৃথক পৃথক। বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিৰ দায়িত্ব পৌৰসভাক প্ৰদান কৰা আৰু পানী যোগান আঁচনিৰ অনাদায় বিল পৰিশোধ কৰাৰ বাবে পৌৰসভালৈ এক আবেদন আহিছে যদিও এতিয়া পৰ্যন্ত বিভাগীয়ভাৱে এই ক্ষেত্ৰত কোনো ধৰণৰ আনুষ্ঠানিক নিৰ্দেশ অহা নাই। যাৰ বাবে পৌৰসভাৰ অঞ্চলত পানীৰ পৰা বঞ্চিত লোকৰ দায়িত্ব বিশ্বনাথ চাৰিআলি পৌৰসভাৰ নহয়। তথাপি বিশ্বনাথ চাৰিআলি পৌৰসভাই বিভাগীয় কৰ্তৃপক্ষ ইতিমধ্যে এই সমস্যা সমাধানৰ বাবে তেওঁলোকে নিজে এই অনাদায় বিল পৰিশোধ কৰি ৰাইজক পুনৰ পানী যোগান দিয়াৰ বাবে অসম মিউনিচিপালিটি ব'ৰ্ডত আনুষ্ঠানিক নিৰ্দেশ বিচাৰিছে যদিও আজিৰ ভিতৰত এই নিৰ্দেশ লাভ কৰাৰ সম্ভাৱনা আছে। তাৰ পাছতহে নগৰবাসী পানী যোগান পাবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

# বিশ্বনাথৰ মূৰ্ছনা নাট্য প্ৰশিক্ষণ কেন্দ্ৰত পৰ্যালোচনা সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৪ আগষ্ট ঃ** শিৱসাগৰ নাট্য বিদ্যালয়ৰ উদ্যোগত আৰু বহুকেইটা স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগত যোৱা ২৯ আৰু ৩০ জুলাইত শিৱসাগৰ যুবদ'লত একাদশ সংখ্যক সদৌ অসম শিশুনাট সমাৰোহ অনুষ্ঠিত কৰা হৈছিল। ইতিমধ্যে জিলাখনৰ লগতে অসমৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৩৫ খনতকৈ অধিক নাট্যদলে এই সমাৰোহত নিজ নাট্য দলৰ দ্বাৰা নাট মঞ্চস্থ কৰিছিল। এই সমাৰোহত বিশ্বনাথৰ হৈ দুটাকৈ নাট্যদলে অংশগ্ৰহণ কৰি নাট মঞ্চস্থ কৰিছিল। তাৰ ভিতৰত বিশ্বনাথৰ নাট্যদল মূৰ্ছনাই নাটক 'কি যে খেলিমেলি' মঞ্চস্থ কৰিছিল। নাটখনৰ নাট্যকাৰ হ'ল বিশ্বনাথৰ বিশিষ্ট নাট্যকাৰ কৃষ্ণ ভূএঞা। আনহাতে, পৰিচালকৰূপে আছিল খঞ্জন বৰা। মূৰ্ছনা নাট্যদলে শ্ৰেষ্ঠ নাট্যদল আৰু শ্ৰেষ্ঠা প্ৰতিভাৱান অভিনেত্ৰী গৃতিষ্ণা মহন্তই লাভ কৰিবলৈ সক্ষম হয়। ইফালে, বিশ্বনাথ চাৰিআলিৰ আন এটা নাট্যদল নাট্য প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা মঞ্চস্থ কৰা হৈছিল 'কৰিশ্মা আহি আছে' শীৰ্ষক নাটকখন। এই নাটত বিশ্বনাথৰ কৰ্ষিতা কাশ্যপে শ্ৰেষ্ঠা প্ৰতিভাৱান অভিনেত্ৰীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, উক্ত সমাৰোহৰ লগত সংগতি ৰাখি সমাৰোহে এই বৰ্ষৰ পৰা প্ৰদান কৰা 'অসম নাট্য অৰুণোদয় ২০২২' শীৰ্ষক বঁটা বিশ্বনাথৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক তথা অভিনেতা জিংকু বৰুৱাক প্ৰদান কৰে। এই উদ্দেশ্যে আজি বিশ্বনাথ নগৰস্থিত মূৰ্ছনাৰ কাৰ্যালয়ত এই নাট্য দলৰ নাট্যকাৰ, পৰিচালক তথা কলা-কুশলীসকলে কালি এক সভাত মিলিত হয়। অনাগত সময়ত নাট্যদলকেইটাই ভৱিষ্যতৰ পৰিকল্পনা আৰু বিগত সময়ত প্ৰদৰ্শন কৰা নাটকৰ ওপৰত পৰ্যালোচনা কৰা পৰিলক্ষিত হয়।

# ধুমাৰপথাৰ গাঁও পঞ্চায়তত দুৰ্নীতিৰ অভিযোগ অস্বীকাৰ কৰিলে গাঁওসভাই

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৪ আগষ্ট ঃ** বাগ্‌সাৰ শালবাৰীৰ সীমামূৰীয়া বজালী জিলাৰ ৪১ নম্বৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ ১১৫ নম্বৰ ধুমাৰপথাৰ গাঁও পঞ্চায়তত সঘনাই দুৰ্নীতি সংঘটিত হোৱা বুলি বিভিন্ন সংবাদ মাধ্যমত বিগত কিছুদিন ধৰি এক বাতৰি সম্প্ৰচাৰ হৈ অহা পৰিলক্ষিত হৈছিল। তাৰ পাছতে দেশ স্বাধীনৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সন্দৰ্ভত ধুমাৰপথাৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ত যোৱা দুই আগষ্টত বিয়লি এখন গাঁওসভা অনুষ্ঠিত হৈ যায়।

সেই সভাৰ জৰিয়তে ধুমাৰপথাৰ গাঁও পঞ্চায়তত কোনো দুৰ্নীতি সংঘটিত হোৱা নাই বুলি ৰাইজৰ ফালৰ পৰা প্ৰতিক্ৰিয়া ব্যক্ত কৰে। ধুমাৰপথাৰ গাঁও পঞ্চায়তৰ মাধপুৰত ১১ লাখ টকাৰ ভিতৰত কাম নকৰাকৈয়ে পঞ্চায়তৰ লোকে আঠ লাখ টকা মোকলাই লোৱা বুলিও বাতৰি সম্প্ৰচাৰ হৈছিল। এই সকলোবোৰ কথা মিছা আৰু সম্পূৰ্ণ ভিত্তিহীন বুলি ৰাইজমেলত আলোচনা হয়। এক দুষ্টচক্ৰই এনেবোৰ ঘটনা সংঘটিত কৰি আহিছে বুলি ৰাইজমেলত কে'বাজনেও মন্তব্য কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক ধুমাৰপথাৰ গাঁও পঞ্চায়তত বিভ্ৰান্তিৰ সৃষ্টি কৰা দুষ্টচক্ৰক চিনাক্ত কৰি শীঘ্ৰেই বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও দাবী উত্থাপন কৰে ৰাইজে।

# বিহগী মিডিয়া গ্ৰুপ অসমৰ মুখপত্ৰ 'ৰামধেনু' উন্মোচন ঃ বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৪ আগষ্ট ঃ** সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ অসমৰ বাৰ্ষিক অধিবেশন আৰু বঁটা প্ৰদান অনুষ্ঠান অলপতে পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী হাইস্কুল, আদাবাৰীত অনুষ্ঠিত হয়। পুৱা মিডিয়া গ্ৰুপৰ পতাকা উত্তোলন কৰে মিডিয়া গ্ৰুপৰ সঞ্চালক কনক কলিতাই। অনুষ্ঠানত প্ৰয়াত শিল্পী, সাহিত্যিক, সাংবাদিকৰ স্মৃতিত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে শিক্ষাবিদ খগেন্দ্ৰ নাথ মেধি আৰু সমাজসেৱক হৰমোহন কলিতাই। সাহিত্যিক দিলীপ বৰ্মনে সম্পাদনা কৰা বিহগী মিডিয়া গ্ৰুপ, অসমৰ বাৰ্ষিক মুখপত্ৰখন উন্মোচন কৰে 'দৈনিক অসম'ৰ কাৰ্যবাহী সম্পাদক দিলীপ মহন্তই। উন্মোচনী ভাষণত মহন্তই কয় যে এই নৈপৰীয়া অঞ্চলটো ঐতিহ্যপূৰ্ণ। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো আগবঢ়া, এই অঞ্চলতে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জন্ম হৈছিল। সাহিত্য, সংস্কৃতিৰ উপৰি এই অঞ্চলৰ অৰ্থনৈতিক দিশটো লক্ষ্যণীয়। এই আলোচনীখনে ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনত অৰিহণা যোগাই আহিছে। আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত সম্পাদকৰ শ্ৰম সাৰ্থক হৈছে। ইয়াৰ পাছত সঞ্চালক কনক কলিতাই অভিভাষণ পাঠ কৰে। বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। বৰ্মনে উদ্বোধনী ভাষণত কয় যে বিহগী মিজিয়া গ্ৰুপ, অসমৰ কাৰ্য প্ৰশংসনীয়। এনে কাৰ্যই আনন্দ দিয়ে। উল্লেখ্য যে এইবেলি বিহগী মিডিয়া গ্ৰুপ অসমে মৰণোত্তৰভাৱে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনক মৰণোত্তৰভাৱে ৰামধেনু বঁটা প্ৰদান কৰা হয়। বঁটাটো গ্ৰহণ কৰে ডাঃ বৰ্মনৰ পুত্ৰ তথা বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। ইয়াৰ পাছত কণ্ঠশিল্পী কুমাৰ ভৰেশক 'সংগীতৰত্ন' ৰামধেনু বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰাৰ পাছত কুমাৰ ভৰেশে দুটি গীত পৰিবেশন কৰি দৰ্শকক মনোৰঞ্জন দিয়ে। এইবেলি 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰা হয় বিশিষ্ট সাহিত্যিক, স্তম্ভ লেখক, বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দীনেশ বৈশ্যক। তেনেদৰে 'সমাজৰত্ন' দীনেশ মেধি, 'শিক্ষাৰত্ন বঁটা' শুকদেৱ মালাকৰ, 'সাহিত্য প্ৰাণ' বঁটা বিপিন চন্দ্ৰ কলিতা, 'শিল্পী প্ৰাণ' বঁটা ধীৰেন কুমাৰ বৰ্মন, শিল্পী বঁটা বিনু দেৱী, শ্ৰেষ্ঠ অভিনেতা বঁটা দ্বিবন আৰ্য, ৰামধেনু বঁটা লীলাধৰ পাঠক, অচ্যুত লহকৰ বঁটা ৰঞ্জিত দত্ত, শ্ৰেষ্ঠ অভিনেতা বঁটা নৱ শৰ্মা, ৰঘুনাথ চৌধাৰী বঁটা ললিতা দাস বণিক্য, গ্ৰাম্য সাংবাদিক বঁটা নগেন তালুকদাৰ, 'সংগীত সূৰ্য বঁটা' নিৰ্মালী দাস, 'শিক্ষাৰত্ন বঁটা' লীলাধৰ দাস, 'শ্ৰেষ্ঠ অভিনেতা বঁটা ভূপেন ডেকা, 'সমাজৰত্ন' বঁটা ৰুবুল আলী, 'সমাজৰত্ন' বঁটা লক্ষী পাটোৱাৰী, 'শিক্ষাৰত্ন' বঁটা উৎপল দাস, 'কৰ্ম সাধনা বঁটা বিকি আহমেদ, 'শিল্পীপ্ৰাণ' বঁটা সৰ্বেশ্বৰ কলিতা, যুৱ সমাজকৰ্মী বঁটা প্ৰীতম গোস্বামী, সাহিত্য সাধনা বঁটা শিখাঞ্জলী ডেকা বৰ্মনসহ আৰু কে'বাজনকো প্ৰদান কৰা হয়। উল্লেখনীয় যে বিহগী মিডিয়া গ্ৰুপ, অসমে ১৬ বৰ্ষত পদাৰ্পণ কৰা হেতুকে ১৬টা গছপুলি ৰোপণ কৰাৰ লগতে ১৬ গৰাকী সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়।

# ৰঙামাটিৰ দুধকুঁৱৰী পীঠত মনসা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৪ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ ৰঙামাটিস্থ ঐতিহাসিক শ্ৰীশ্ৰীদুধকুঁৱৰী পীঠত এইবেলিও অহা ১৭ আগষ্টৰ পৰা তিনিদিনীয়াকৈ শ্ৰীশ্ৰীমনসা পূজাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে গোলাপ মালাকাৰক সভাপতি, হৰমোহন কলিতা, সুভাষ মালিকক উপ-সভাপতি, নয়নজ্যোতি শৰ্মাক সম্পাদক, বসন্ত শৰ্মাক সহকাৰী সম্পাদক তথা ভোলা নাথ, বানেশ্বৰ নাথ আৰু মণ্টু কলিতাক ভৰালীক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে।

# আৱাস যোজনাৰ নামত উৎকোচ বিচাৰিলে অভিযোগ দিয়াৰ আহ্বানৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰীৰ সপোন '২০২৪ৰ ভিতৰত সকলোৰে বাবে আৱাস গৃহ', এই আঁচনিৰ বাস্তৱ ৰূপ দিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰৱিচ্ছিন্নভাৱে চেষ্টা অব্যাহত ৰাখিছে। শিৱসাগৰ জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত হিতাধিকাৰীয়ে লাভ কৰা গৃহ আৰু কিস্তিৰ ধন মুকলি কৰি দিয়াৰ সময়ত অথবা নতুনকৈ গৃহ আবণ্টনৰ ক্ষেত্ৰত নাম অন্তৰ্ভুক্ত কৰিবলৈ কোনো চৰকাৰী-বেচৰকাৰী আৰু গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য-সদস্যা, গাঁও পঞ্চায়তৰ সভাপতি-সভানেত্ৰী আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা অথবা কোনো মধ্যভোগীক টকা-পইচা বা উৎকোচ নিদিবলৈ শিৱসাগৰৰ উপায়ুক্ত মেঘ নিধি দাহালে আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আঁচনি অথবা অন্য কোনো চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিবলৈ ঘোচ বা উৎকোচ দিয়া আৰু লোৱা উভয়পক্ষই আইন মতে দণ্ডনীয় হ'ব। এই সংক্ৰান্তত কোনো ব্যক্তিয়ে টকা দাবী কৰিলে আৰু নতুনকৈ প্ৰস্তুত কৰা তালিকাৰ ক্ষেত্ৰত কিবা অভিযোগ থাকিলে ১৮০০-৩৪৫-৩৮৯৮ ট'ল ফ্ৰী নম্বৰত ফোন কৰি আৰু ৯৪৩৫৩০৬০০ নম্বৰত হোৱাটছ এপ যোগে অভিযোগ দিব পাৰিব বুলি শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী কুমাৰ দলেই জানিবলৈ দিছে।

### বনাইত জাঁজী নদীত অবৈধ বালি খনন

# নিশা জব্দ কৰা দুই ট্ৰিপাৰ এৰি অসাধু চক্ৰৰ লগত মিতিৰালি টীয়ক আৰক্ষীৰ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৪ আগষ্ট ঃ** ৰাজ্যৰ চৌদিশে বানৰ সংহাৰী মূৰ্তি চলি থকাৰ মাজতে যোৰহাট জিলা বন বিভাগক অস্তিত্বহীন কৰি টীয়কৰ আয়ুসৰেখাস্বৰূপ জাঁজী নদীত ভৰ বাৰিষাও এক অসাধু চক্ৰই নিশা নিশা বালিৰ চোৰাং খনন চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। একাংশ ৰাজনৈতিক দলৰ নেতাৰ পদলেহনকাৰীয়ে জাঁজী নদীত অবাধে বালি খনন তথা সৰবৰাহ কৰাত জাঁজী নদীৰ দুয়োপাৰৰ জনজীৱনলৈ প্ৰৱল ভাবুকি নামি আহিছে। নৈপৰীয়া বাসিন্দাৰ পৰা পোৱা তথ্য মতে, এই চোৰ ৰেকেটটোৱে জাঁজী শিমলুগুৰিৰ পৰা বনাইঘাটৰ লগতে সমীপৱৰ্তী নৈখনৰ বিভিন্ন ঠাইত মেচিনৰ সহায়ত বালি-পলস খনন তথা মুকলি সৰবৰাহ কৰি আছে। যোৱা দুই আগষ্টৰ নিশাও মেচিনযোগে বালি খনন কৰি থাকোতেই টীয়ক আৰক্ষীয়ে দুখন ট্ৰিপাৰ জব্দ কৰে। অৱশ্যে আৰক্ষী অহাৰ উমান পাই ট্ৰিপাৰ চালক ওফন্দি থকা নৈৰ বুকুত সাঁতুৰি পলায় যায় যদিও আৰক্ষীয়ে ট্ৰিপাৰৰ চাবি থানালৈ নি কালি গাড়ীৰ গৰাকীক মাতি থৈ যায়। সেই অনুসৰি, এখন বাহনৰ গৰাকীসহ এটা দল থানাত হাজিৰ হৈ বিনাদ্বিধাই জব্দকৃত বাহন দুখন মুকলি কৰি আনে। এই খবৰ বিয়পি পৰাৰ পাছতে প্ৰতিক্ৰিয়াই বিৰাজ কৰা স্থানীয় ৰাইজৰ প্ৰশ্ন বনজ সম্পদ ধ্বংস কৰা এই চক্ৰটোক মুকলি কৰি দিবলৈকে নিশা অভিযান চলাইছিল নেকি নাক কটা টীয়ক আৰক্ষীয়ে? তাক লৈ এতিয়া সৰ্বত্ৰে চৰ্চিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে জাঁজী তামুলীছিগাৰ পৰা এজাৰগুৰিলৈকে নৈখনৰ দুয়োপাৰে বৃহৎ খহনীয়াৰ কবলত পৰিছে। ইফালে, মথাউৰিসমূহ দীৰ্ঘদিন মেৰামতি নোহোৱাত নদী কাষৰীয়া ৰাইজ চিন্তিত হৈ পৰিছে। তেনে সময়ত এই চক্ৰটোৱে নিশাৰ ভাগত জনতাৰ নিদ্ৰা হৰি গুৰু গোসাঁই নামানি বালি-পলসৰ চোৰাং খনন চলাই যোৱা বিষয়টোৱে ভৱাই তুলিছে আচলতে টীয়কত বন বিভাগ-আৰক্ষী প্ৰশাসনৰ অৱস্থিতি ক'ত??

# স্বাধীনতা দিৱস উদ্‌যাপন সম্পৰ্কে সভা

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৪ আগষ্ট ঃ** বোকাখাত মহকুমা প্ৰশাসনৰ উদ্যোগত আজি মহকুমাধিপতি কাৰ্যালয়ৰ সভাগৃহত আগন্তুক ১৫ আগষ্ট পালন সম্পৰ্কে এখন ৰাজহুৱা সভা মহকুমাধিপতি ডাঃ নেহা যাদৱৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। আজাদী কা অমৃত মহোৎসৱ বৰ্ষৰ বাবে এইবাৰ উলহ-মালহেৰে বিভিন্ন কাৰ্যসূচীৰে দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস পালন কৰা হ'ব। বিভিন্ন খেলা, গীত-মাত, ৰচনা প্ৰতিযোগিতা, সমূহীয়া দৌৰ, সাংস্কৃতিক কাৰ্যসূচী লোৱা হৈছে। তদুপৰি বিভিন্ন ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা কিছু লোকক সম্বৰ্ধনা জনোৱা হ'ব। তাৰ বাবে কে'বাখনো উপ-সমিতি গঠন কৰা হয়। মহকুমা প্ৰশাসনৰ সহকাৰী আয়ুক্ত বিক্ৰম নেৱাৰ, পাপু গগৈ, ৰিতুপৰ্ণা দাস, জনসংযোগ বিষয়া নীৰা ৰায়, জেডিএছজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰুদ্ৰেশ্বৰ শইকীয়া আদিৰ লগতে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, সংবাদ মাধ্যমৰ লোকসকলে অংশগ্ৰহণ কৰে।

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফলাফলত বিসংগতি ঃ নলবাৰী কলেজত এবিভিপিৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৪ আগষ্ট ঃ** নলবাৰী মহাবিদ্যালয়ৰ সমুখত কালি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, নলবাৰী নগৰ শাখাৰ উদ্যোগত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত স্নাতক পঞ্চম যাণ্মাসিকৰ ফলাফলৰ বিসংগতিৰ বাবে যোৱা দুই আগষ্টত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ সমুখত যোৱা গণতান্ত্ৰিক আন্দোলনৰ সময়ত প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ ওপৰত হোৱা বৰ্বৰ লাঠিচালনাৰ বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। লগতে সমগ্ৰ প্ৰক্ৰিয়াৰ এক উচিত তদন্তৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি পদক্ষেপ ল'বলৈ দাবী জনায়। উল্লেখ্য যে ইয়াৰ পূৰ্বেও গুৱাহাটী বিশ্ববিদ্যালয় প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ ফলাফলক লৈ খেলিমেলি কৰাৰ অভিযোগ আছে। প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে হাতত বেনাৰ প'ষ্টাৰ লৈ 'গুৱাহাটী বিশ্ববিদ্যালয় প্ৰশাসন হায় হায়, ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা বন্ধ কৰক, প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীৰ ওপৰত লাঠিচালনা সহ্য কৰা নহ'ব, স্নাতক পঞ্চম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ বহী পুনৰ মূল্যায়নৰ ব্যৱস্থা কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশ উত্তাল কৰি তোলে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত এবিভিপি নলবাৰী জিলা সংযোজক নৱজ্যোতি বৰ্মন, জিলা সাংগঠনিক সম্পাদক হেৰল্ড মহন, নলবাৰী মহাবিদ্যালয় আৰু নলবাৰী বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধিকে ধৰি প্ৰায় অৰ্ধশতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে।

# বানেবিধ্বস্ত কৰিছে বাট-পথ ঃ যাতায়াতত ৰাইজৰ দুৰ্ভোগ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৪ আগষ্ট ঃ** যোৱা ১৬ জুনত কামৰূপ আৰু নলবাৰী জিলাৰ সীমান্তৱৰ্তী বৰলীয়া নৈৰ দুঠাইত মথাউৰি ছিঙি নলবাৰী সমষ্টিৰ পূৰ্ণদৈচপৰা আৰু পূৰ্ণকামদেৱ গাঁৱৰ পূব প্ৰান্তৰ লগতে হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ মৌজাৰ প্ৰায়বোৰ গাঁৱে জলমগ্ন হৈ পৰিছিল। বহুতৰে ঘৰ-দুৱাৰ উটুৱাই নিয়াৰ লগতে আশ্ৰয়হীন হৈ পৰিছিল কে'বাটাও পৰিয়াল। গৰু-ছাগলীকে ধৰি পোহনীয়া জীৱ-জন্তু আদিৰ বিলাই-বিপত্তিয়ে একপ্ৰকাৰ বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি হৈছিল। সমগ্ৰ অঞ্চলটোত আশ্ৰয় শিবিৰত চকুপানী টুকি বিনিদ্ৰ ৰজনী কটাইছিল কতজনে। এতিয়া পানী শুকাইছে; কিন্তু দুৰ্ভাগ্যজনক কথা যে বানৰ প্ৰচণ্ড সোঁতে ঠায়ে ঠায়ে পথ আৰু কালভাৰ্ট উটুৱাই নি যোগাযোগ বিচ্ছিন্ন কৰি দিছে। ইয়াৰে একাংশ ৰাইজে ভগ্ন দলং আৰু কালভাৰ্টৰ ওপৰত বাঁহৰ সাঁকো বনাই যাতায়াত কৰিছে। ইপিনে, কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া পূৰ্ণদৈচপৰাত মৰোৱা-কমলপুৰ পথৰ কালভাৰ্ট এটা বানে সম্পূৰ্ণৰূপে উটুৱাই নি দুয়ো জিলাৰ সংযোগ বিচ্ছিন্ন কৰি দিছিল। সম্প্ৰতি উক্ত ঠাইত লোকনিৰ্মাণ বিভাগৰ দ্বাৰা এখন বাঁহৰ দলং বনাইছে যদিও যাতায়াতৰ নিৰ্ভৰযোগ্য হোৱা নাই দলংখন। মন কৰিবলগীয়া যে উক্ত ভগ্ন পথছোৱা মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী সঞ্জয় কিষাণ, নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী নন্দিতা গৰ্লোছা আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে প্ৰত্যক্ষ কৰি অস্থায়ীভাৱে বাঁহৰ দলং এখন বনোৱাৰ ব্যৱস্থা কৰিছে। সম্প্ৰতি উক্ত দলংখনে দুয়ো জিলাৰ একমাত্ৰ যাতায়াতৰ সম্বল। সম্প্ৰতি বাঁহৰ দলংখনৰ অৱস্থা অতিপাত শোচনীয়। মটৰ চাইকেল আৰোহীয়ে নিজৰ বাহনখন মৰণত শৰণ দি বাঁহৰ দলংখন পাৰ কৰিব লাগে। অতিশয় জৰাজীৰ্ণ বাঁহৰ দলংখন যিকোনো মুহূৰ্ততে ভাঙি কাৰোবাক বিপদত পেলোৱাৰ সম্ভাৱনা যথেষ্ট আছে। সেয়েহে ভুক্তভোগী ৰাইজ তথা একাংশ দল-সংগঠনৰ প্ৰতিনিধিয়ে ঘটনাস্থলী পৰ্যবেক্ষণ কৰি অনতিপলমে কালৰ্ভাটৰ ব্যৱস্থা কৰাৰ বাবে দাবী জনাইছে। ইয়াৰ উপৰি মৰোৱা-কমলপুৰ পথটোৱে প্ৰায়ভাগ ঠাইতে খহনীয়া কৰি মৰণফান্দৰ সৃষ্টি কৰিছে। সেইসমূহো মেৰামতি কৰাৰ বাবে ৰাইজ তথা দল-সংগঠনৰ প্ৰতিনিধিসকলে দাবী জনাইছে। উল্লেখ্য যে দুয়ো জিলাৰ যোগাযোগৰ বিকল্প দুটা পথ আছে যদিও তাক সম্পূৰ্ণ মেৰামতি কৰিলে ৰাইজে কিছু সকাহ পাব পাৰে। ইয়াৰ উপৰি মৌজাখনৰ চাপোনৰ মাজতো এটি পকীপথ কে'বাঠাইতো ছিঙি বিপদগ্ৰস্ত কৰিছে। তদুপৰি দৈচপৰা পথ, পূৰ্ণখুমদুম পথ, কএঞাৰ ভিতৰৰ আটাইকেইটা পথেই ভাঙি-ছিগি একাকাৰ হৈছে। এই ক্ষেত্ৰত স্থানীয় জনপ্ৰতিনিধিয়ে গুৰুত্ব দি মেৰামতিৰ ব্যৱস্থা নকৰিলে ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'ব লাগিব।

# বহিঃৰাজ্যৰ কাপোৰ সম্পূৰ্ণ ৰূপে অসমত বন্ধ কৰিব নোৱাৰো ঃ মন্ত্ৰী ব্ৰহ্ম

## কাজলগাঁৱত নৱনিৰ্মিত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়-জিলা পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৪ আগষ্ট ঃ** চিৰাঙৰ কাজলগাঁৱত নৱনিৰ্মিত বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় আৰু জিলা পেঞ্চন সেৱা কেন্দ্ৰ কালি উদ্বোধন কৰা হয়। নৱ নিৰ্মিত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু জিলা পেঞ্চন সেৱা কেন্দ্ৰৰ উদ্বোধন কৰে অসমৰ বস্ত্ৰ শিল্প আৰু হস্তাঁত বিভাগৰ মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই। জিলা পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন কৰি মন্ত্ৰী ব্ৰহ্মাই কয় যে অসমৰ ২৭খন জিলাৰ লগতে চিৰাং জিলাৰ কাজলগাঁৱত এই জিলা পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন কৰা হ'ল। জিলা পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন হোৱাৰ আগলৈকে জিলাখনৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে পেঞ্চনৰ কাৰণে যি ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল চিৰাঙত এই পেঞ্চন সেৱাকেন্দ্ৰ স্থাপন কৰাৰ পাছত এতিয়াৰে পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষাগুৰুসকলে পেঞ্চন লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট সকাহ পাব বুলি মন্তব্য কৰে মন্ত্ৰীজনে। আনহাতে, বিপিএফৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে বিজেপি-ইউপিপিএলৰ মিত্ৰতা কম দিনৰ ভিতৰতে ভাঙিব বুলি কৰা সন্দৰ্ভত মন্ত্ৰীজনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নাৰ্জাৰীয়ে বিৰোধীৰ দায়িত্ব পালন কৰিছে। ইউপিপিএলে বিজেপিৰ লগত মিত্ৰতা ৰাজনৈতিক স্বাৰ্থত কৰা নাছিল, শান্তি চুক্তিৰ স্বাৰ্থতহে কৰিছিল। তাৰ বাবেই আজি এই অঞ্চলত স্থায়ীভাৱে শান্তি প্ৰতিষ্ঠা হৈছে। বিটিআৰ শান্তি চুক্তি সফল হোৱাৰ পাছত মিত্ৰতা ভংগৰ প্ৰশ্ন নাহে। লগতে অসম কেবিনেটৰ সিদ্ধান্ত লৈ যি বিতৰ্কৰ সৃষ্টি হৈছে সেই সন্দৰ্ভত কয় যে চৰকাৰৰ স'তে শীঘ্ৰে এবছু আৰু বড়ো সাহিত্য সভাৰ আলোচনা অনুষ্ঠিত হ'ব আৰু যি ভুল বুজাবুজিৰ সৃষ্টি হৈছে সেয়াও আঁতৰিব। মন্ত্ৰীজনে নিজৰ বিভাগ হস্তাঁত আৰু ১৩ পৃষ্ঠাত চাওক

■ অখিল গগৈ নিজে এজন মানসিক ৰোগী ঃ বলেন বৈশ্য

# শ্বেৰমান আলী ইছলামিক জেহাদীৰ অন্যতম সংগঠক ঃ হিন্দু যুৱ-ছাত্ৰ

অগ্ৰদূত ব্যুৰ

**বঙাইগাঁও, ৪ আগষ্ট ঃ** 'শ্বেৰমান আলী হৈছে অসমৰ ইছলামিক সাম্ৰাজ্যবাদী আৰু জেহাদীৰ অন্যতম সংগঠক' এই দাবী হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমৰ। কালি বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত এই মন্তব্য কৰে পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্যই। বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলীয়ে শেহতীয়াভাৱে সংবাদ মাধ্যমৰ আগত জেহাদীৰ সমৰ্থনত দিয়া মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি বৈশ্যই সংবাদমেলত কয় যে শ্বেৰমান আলী, আমিনুল ইছলামহঁতৰ দৰে এচাম ধুৰন্ধৰে জেহাদীক সুৰক্ষা দিয়াৰ বাবে উঠি পৰি লাগিছে। জেহাদীক অসমত মজবুত কৰি তোলা আৰু আৰক্ষীয়ে ধৃত জেহাদীক নিৰপৰাধী, নিৰীহ আদি শব্দ প্ৰয়োগেৰে জেহাদীৰ লগত থিয় হৈ জেহাদীৰ একোজন অভাৰগ্ৰাউণ্ড কাৰ্যকৰ্তা হিচাপে ধৰা দিছে। এজন ব্যক্তিক কৰায়ত্ত কৰাৰ লগে লগে তেওঁ দোষী নে নিৰ্দোষী সেয়া আদালতে প্ৰমাণ কৰিব। শ্বেৰমান আলী, আমিনুল ইছলামৰ এই ধৃষ্টতা কিয় হ'ল যে আদালতৰ দায়িত্ব তেওঁলোকে ল'লে? এই কাৰণে লৈছে যে তেওঁলোকে জেহাদীৰ হৈ অভাৰগ্ৰাউণ্ডৰ কাম কৰি আছে। অসমক স্বাধীন ইছলামিক ৰাষ্ট্ৰ হিচাপে গঢ়িবৰ বাবে অসমত জেহাদীয়ে যি ১৩ পৃষ্ঠাত চাওক

# কিছুমত কাঠমী গাঁও পঞ্চায়তৰ বিশেষ গাঁওসভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**সোণতলী, ৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আগন্তুক স্বাধীনতা দিৱসৰ কাৰ্যসূচী সম্পূৰ্ণ ব্যতিক্ৰমী ধৰণে পালন কৰিববলৈ 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক কাৰ্যসূচী আৰু প্ৰধান মন্ত্ৰী আবাস যোজনাৰ হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়া সন্দৰ্ভত বিশেষ গাঁওসভা অনুষ্ঠিত হৈ যায়। জাওকাটা কলহীকাষ বজাৰস্থিত সমূহীয়া সভাঘৰত আজি পঞ্চায়ত সভাপতি গিয়াছউদ্দিনৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এই সভা। পঞ্চায়ত সচিব মধুস্মিতা কলিতাই আঁত ধৰা সভাত ২০২২-২৩ৰ বাবে আবন্টিত মুঠ ১,৪৮৩টা গৃহৰ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। লগতে প্ৰতিজন যোগ্য আৰু দৰিদ্ৰ লোক যাতে বাদ নপৰে, তাৰ উদ্দেশ্য আগত ৰাখি বিশেষ সভাখন অনুষ্ঠিত কৰে । উল্লেখ্য যে আজিৰ সভাত একাংশ দৰিদ্ৰ হিতাধিকাৰীৰ ঘৰত হাফ ৱাল গৃহৰ গৰাকীকো চৰকাৰী গৃহ আৱন্টন দিব লাগে বুলি বিপুল দাবী জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে বিষয়টো বিভাগীয় কৰ্তৃপক্ষৰ লগতে খণ্ড উন্নয়ন বিষয়াৰো হস্তক্ষেপ বিচাৰি ৰাইজে আশা প্ৰকাশ কৰে। আজি আয়োজিত সভাত সভাপতি, সচিবে উপস্থিত ৰাইজক প্ৰতিজন লোকৰ ঘৰত একোখনকৈ জাতীয় পতাকা উত্তোলনৰ পোষকতা কৰে। এই সভাত উপস্থিত থাকে গ্ৰাম ৰোজগাৰ সহায়ক আয়নাল হকৰ লগতে পঞ্চায়ত সদস্য-সদস্যাৰ লগতে বহু সংখ্যক লোক।

# মেৰাপানীত বন্ধন স্বাস্থ্য কৰ্মসূচীৰ উদ্যোগত মাতৃদুগ্ধ পান সপ্তাহ পালন

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৪ আগষ্ট ঃ** পহিলা আগষ্টৰ পৰা সাত আগষ্টলৈ ৰাজ্যত মাতৃদুগ্ধ পান সপ্তাহৰূপে পালিত হৈ আছে। ইয়াৰ লগত সংগতি ৰাখি আজি গমাৰিগুৰি বন্ধন স্বাস্থ্য কৰ্মসূচীৰ উদ্যোগত মেৰাপানী গাঁও পঞ্চায়তৰ সভা কক্ষত মাতৃদুগ্ধ পান সপ্তাহৰ এক সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে মেৰাপানীৰ অংগনৱাড়ী কেন্দ্ৰৰ জ্যেষ্ঠা কৰ্মী অনিমা ভূঞাই। উদ্দেশ্য ব্যাখ্যা কৰে বন্ধন স্বাস্থ্য কৰ্মসূচীৰ কৰ্মী পম্পী দত্তই। উদ্দেশ্য ব্যাখ্যাত স্বাস্থ্য কৰ্মীগৰাকীয়ে কয় যে দেশত এক আগষ্টৰ পৰা সাত আগষ্টলৈকে মাতৃদুগ্ধ পান সপ্তাহ পালন কৰি আহিছে। সেই কাৰ্যসূচীৰ লগত সংগতি ৰাখি মেৰাপানীতো মাতৃদুগ্ধ পান সপ্তাহ পালন কৰা হৈছে। আমাৰ গাঁৱৰ তথা সমাজৰ মাতৃসকলে সন্তানক কি দৰে দুগ্ধ পান কৰিব লাগে বা সন্তানৰ প্ৰতি মাতৃসকলৰ কতৰ্ব্য আৰু দায়িত্বৰ সজাগতামূলক ব্যাখ্যা দাঙি ধৰি তেওঁ সভাৰ উদ্দেশ্য ব্যাখ্যা সামৰে। ইয়াৰ পাছতেই মেৰাপানী সমূহীয়া চিকিৎসালয়ৰ চিকিৎসা কৰ্মী মিনুচায়াই মাতৃসকলৰ লগতে সন্তানৰ দুগ্ধপান সম্পৰ্কত বিতং ব্যাখ্যা দাঙি ধৰে। উক্ত কাৰ্যসূচীত স্থানীয় অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী, আশা কৰ্মী আৰু স্থানীয় বহুকেইগৰাকী প্ৰসুতি, মাতৃ উপস্থিত থাকে। পহিলা আগষ্টৰ পৰা সাত আগষ্টলৈকে বন্ধন স্বাস্থ্য কৰ্মসূচীৰ উদ্যোগত আদৰ্শ গমাৰি পঞ্চায়ত আৰু মেৰাপানী পঞ্চায়তৰ বিভিন্ন গাঁৱত মাতৃ, প্ৰসূতিসকলক লগ কৰি সন্তানৰ প্ৰতি ল'ব লগা সাৱধানতা, যত্ন আদিৰ সম্পৰ্কত সজাগতা সৃষ্টি কৰা বুলি বন্ধন স্বাস্থ্য কৰ্মসূচীৰ কৰ্মী পম্পী দত্ত আৰু দীপশিখা বুঢ়াগোহাঁয়ে জনায়।

# জেংৰাইমুখ আছুৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৪ আগষ্ট ঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্ভুক্ত আঞ্চলিক জেংৰাই আঞ্চলিক ছাত্ৰ সন্থাই কালি ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান আৰু বাণিজ্য) শাখাৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰে। মধ্য মাজুলী মিলন সংঘ, ফুলনিৰ প্ৰেক্ষাগৃহত মন্টু গায়নৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই। সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পবিত্ৰ গোস্বামীয়ে। বিশিষ্ট অতিথিৰূপে জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, সাধাৰণ সম্পাদক বিতোপন শৰ্মা, ফুলনি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দ্বিজেন শইকীয়া, ডন বস্ক' হাইস্কুলৰ অধ্যক্ষ উপস্থিত থাকি বক্তব্য প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দিগন্ত বৰুৱাই আঁতধৰা সভাখনত জেংৰাই আঞ্চলিকৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মুঠ ২৬৭গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। জেংৰাই আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মনোজ শইকীয়াই সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰি সহযোগিতা কৰা বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।



নলবাৰীত চিআৰপিএফৰ দ্বাৰা পালন কৰিলে ত্ৰিৰংগা যাত্ৰা, বৃহস্পতিবাৰে।

# এমেচাৰ থিয়েটাৰ ছ'চাইটীৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত একক অভিনয় প্ৰতিযোগিতা

## আজাদী কা অমৃত মহোৎসৱ উপলক্ষে

বিশেষ সংবাদদাতা

**গোলাঘাট, ৪ আগষ্ট ঃ** গোলাঘাট এমেচাৰ ছ'চাইটীয়ে ভাৰতৰ আজাদী কা অমৃত মহোৎসৱ উদযাপনৰ উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উৎসৱ উদযাপনৰ বিষয়ে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে প্ৰকাশ কৰিছে ছ'চাইটীৰ সভাপতি ডাঃ অজিত বৰুৱা আৰু প্ৰশাসনীয় সম্পাদক দীপমণি খাটনিয়াৰে জনাইছে যে তিনিদিনীয়াকৈ আয়োজন কৰা এই কাৰ্যসূচীৰ প্ৰথম দিনা ১৩ আগষ্টৰ সন্ধিয়া দেশপ্ৰেমমূলক গীতৰ অনুষ্ঠান, ১৪ আগষ্টৰ সন্ধিয়া সাত বজাত বক্তৃতা অনুষ্ঠান। এই বক্তৃতা প্ৰদান কৰিব সু-সাহিত্যিক ডাঃ অজিত বৰুৱাই আৰু ১৫ আগষ্টৰ পুৱা ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু সন্ধিয়া ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা হৈছে একক অভিনয় প্ৰতিযোগিতাৰ। একক অভিনয় প্ৰতিযোগিতাত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কোনো এজন সংগ্ৰামীৰ চৰিত্ৰক এককভাৱে অভিনয় কৰিব লাগিব। গোলাঘাট জিলা ভিত্তিত আয়োজন কৰা এই প্ৰতিযোগিতাত প্ৰতিযোগীসকলে চাৰি মিনিট সময়ত অভিনয় প্ৰদৰ্শন কৰিব লাগিব। পঞ্চম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ পুৰস্কাৰ ৰূপে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাসকলক ক্ৰমে ১৫০০, ১০০০ আৰু ৮০০ টকাৰ লগতে মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। যুটীয়াভাৱে স্থান লাভ কৰাসকলক স্থান অনুসৰি পুৰস্কাৰৰ ধন ৫০ শতাংশকৈ দিয়া হ'ব। বিচাৰকৰ বিচাৰেই চূড়ান্ত সিদ্ধান্ত হ'ব বুলি জানিবলৈ দি বিবৃতিত যোগাযোগৰ বাবে ৯৪০১১-১৬১৩৩, ৯৪৩৫৬-১৫১৩৬ আৰু ৯৪৩৫১-৫০৯২০ নম্বৰত ফোন কৰিব পাৰিব বুলি উল্লেখ কৰে।

## বৰালিমাৰী সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

# ক্ষুদ্ৰ সঞ্চয় যোগেদি গ্ৰাহকে ৩৬,৯৩৩ টকা পালে লাভাংশ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ৪ আগষ্ট ঃ** মৰিগাঁও জিলাৰ বৰালিমাৰী সমবায় সমিতি লিমিটেডৰ ২০২২-২৩ৰ সাধাৰণ সভাখন কালি দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। বৰালিমাৰী সমবায় সমিতিৰ স্থানীয় গুদাম ঘৰত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে সমবায় সমিতিৰ সভাপতি জীৱন চন্দ্ৰ বৰাই। তিনি শতাধিক অংশীদাৰ সদস্যৰ উপস্থিতিত অনুষ্ঠিত সাধাৰণ সভাখনত অতিথিৰূপে উপস্থিত থাকে মৰিগাঁও ক'অ'পাৰেটিভ বেংকৰ শাখা পৰিচালক জি ভৰালী, বৰালিমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰহেলিকা কলিতা বড়ো, নিজগেৰুৱা গাঁও পঞ্চায়তৰ সভানেত্ৰী বুদ্ধেশ্বৰী বৰদলৈ। আনহাতে, বিভাগীয় পৰ্যবেক্ষকৰূপে উপস্থিত থাকে চৰিফুদ্দিন আহমেদ। বাৰ্ষিক সভাখনত সমিতিৰ দীৰ্ঘকালীন পৰিকল্পনাৰ লগতে আয়-ব্যয়ৰ বাজেট গ্ৰহণ, চলিত বিত্তীয় বৰ্ষৰ বাবে কাৰ্যকৰী পৰিকল্পনা আৰু আয়-ব্যয়ৰ ওপৰত পৰ্যালোচনা, বিগত ২০২০-২১ আৰু ২০২১-২২ বিত্তীয় বৰ্ষৰ উদ্ধৃত পত্ৰৰ আয়-ব্যয়ৰ ওপৰত আলোচনা আৰু গ্ৰহণ, বিগত বৰ্ষৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষণৰ প্ৰতিবেদনৰ লগতে বিত্তীয় প্ৰতিবেদনৰ ওপৰত আলোচনা কৰাৰ উপৰি বহু কেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সমিতিৰ সভাপতি জীৱন চন্দ্ৰ বৰাই জনোৱা মতে, সভাত দাখিল কৰা বিত্তীয় প্ৰতিবেদন অনুসৰি ২০২০-২১ত সমবায় সমিতিখনৰ লাভালাভ ১২,৪৪,২৭১.২৭ টকা আৰু ২০২২-২৩ত লাভালাভ হয় ১,২১,৮৩৫.২২ টকা। আনহাতে, সমবায়খনত সদস্যসকলে একত্ৰিত হৈ এটি ক্ষুদ্ৰ সঞ্চয় বেংকো চলাই আছে। বৰ্তমান উক্ত ক্ষুদ্ৰ সঞ্চয় বেংকত জমাৰ পৰিমাণ তিনি লাখ ৭০ হেজাৰ। চলিত বৰ্ষত উক্ত সঞ্চয়ৰ পৰা সদস্যসকলে লাভাংশ লাভ কৰিছে ৩৬,৯৩৩ টকা। সম্প্ৰতি বহু সমবায় সমিতিৰ দেউলীয়া অৱস্থাৰ বিপৰীতে বৰালিমাৰী সমবায় সমিতিখনে যোৱা দুটা বৰ্ষত লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে।

# বঙাইগাঁৱত শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন মুকলি মন্ত্ৰী সঞ্জয় কিষাণৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৪ আগষ্ট ঃ** কালি বঙাইগাঁও জিলা শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ নৱনিৰ্মিত ভৱন মুকলি কৰে অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে। ভাষণ প্ৰসংগত তেওঁ কয় যে শ্ৰমিক কল্যাণ বিভাগৰ দায়িত্ব গধুৰ। এই বিভাগেই ৰাজ্য তথা দেশৰ অৰ্থনীতিত অৰিহণা যোগোৱা, কপালৰ ঘাম মাটিত পেলাই দেশ তথা ৰাজ্যৰ উন্নতিত অৰিহণা যোগোৱা শ্ৰমিকসকলৰ কল্যাণৰ হকে কাম কৰে। উদ্যোগৰ শ্ৰমিকেই হওঁক বা আন শ্ৰমিকেই হওঁক তেওঁলোকে বহু আশা বুকুত বান্ধি শ্ৰম বিষয়াৰ কাৰ্যালয়লৈ আহে, ১৩ পৃষ্ঠাত চাওক

# ভাদৰ পালনামৰ বাবে ভক্তক আদৰিবলৈ সাজু হৈ উঠিছে মইনাপৰীয়া নামঘৰ

অগ্ৰদূত বাৰ্তা

**কাকজান, ৪ আগষ্ট ঃ** পূব যোৰহাটৰ অন্যতম ধৰ্মানুষ্ঠান মহিমামণ্ডিত মইনাপৰীয়া নামঘৰত পবিত্ৰ ভাদৰ মাহজোৰা পালনামৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতি তথা মইনাপৰীয়াবাসীয়ে। ১৯৫৫ৰ পৰা প্ৰতিবছৰে ৩১ শাওণৰ পৰা ৩১ ভাদলৈ অবিৰতভাৱে চলাই অহা এই পালনামৰ বাবে পূৰ্ব পৰম্পৰা অনুসৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱক আদৰিবলৈ সাজু হৈ উঠিছে নামঘৰ পৰিচালনা সমিতি। ৩৭ নম্বৰ ঘাইপথৰ দাঁতিৰ সুদৃশ্য তোৰণৰ পৰা আৰম্ভ কৰি সজাই পৰাই তোলা হৈছে সমগ্ৰ নামঘৰ চৌহদ। এক সংবাদযোগে আগন্তুক মাহজোৰা কাৰ্যসূচী সন্দৰ্ভত এই কথা সদৰী কৰে মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতিয়ে। এই বৰ্ষৰ ১৭ আগষ্টৰ পুৱা সাত বজাত পৰিৱেশ নিকাকৰণৰ পাছতে ১০ বজাৰ পৰা নাম আৰম্ভ হ'ব। ভাদৰ প্ৰতিদিনেই তিনি প্ৰসংগ নাম অনুষ্ঠিত হোৱাৰ লগতে পালন কৰা হ'ব দুজনা গুৰুৰ তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী। ৩০ ভাদৰ নিশা আঠ বজাৰ পৰা পালনাম আৰু ৩১ ভাদত বৰসবাহ তথা নিশালৈ 'প্ৰহ্লাদ চৰিত্ৰ' ভাওনাৰে মাহজোৰা কাৰ্যসূচীৰ সামৰণি পৰিব। এইবাৰ নামাচাৰ্যৰূপে থাকিব ঐতিহাসিক পটিয়ৰী সত্ৰৰ নিতু গোস্বামী। আনহাতে, পবিত্ৰ মাহটোত সহযোগিতাৰ বাবে ইতিমধ্যে জিলা প্ৰশাসন, স্বাস্থ্য সেৱা আদিৰ লগত যোগাযোগ ৰাখিছে সমিতিয়ে। শৃংখলিত আতিথ্যৰ পৰিচয় থকা মইনাপৰীয়াবাসীয়ে প্ৰতিঘৰেই দৰ্শনাৰ্থীৰ সেৱা কৰাৰ লগতে পৰিচালনা সমিতিয়ে নিয়োগ কৰিব যথেষ্ট সংখ্যক স্বেচ্ছাসেৱক। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে প্লাষ্টিক বৰ্জনৰ চৰকাৰী নিৰ্দেশনাক সন্মান জনাই এইবাৰ নামঘৰত প্ৰসাদ ল'বলৈ হাচতি বা অন্যান্য ব্যৱস্থা কৰিবলৈ ভক্তপ্ৰাণ ৰাইজৰ প্ৰতি বিনম্ৰ অনুৰোধ জনাইছে পৰিচালনা সমাতিয়ে। মূল নামঘৰ চৌহদত প্ৰৱেশ কৰিবলৈ ধৰ্মীয় পোছাক পৰিধান কৰি আহিবলৈও আহ্বান জনাইছে উদ্যোক্তাসকলে। বিগত দুটা বছৰে ক'ভিড পৰিস্থিতিৰ পাছত এইবাৰ মইনাপৰীয়াত লক্ষাধিক ভক্তৰ উপস্থিতি আশা কৰা হৈছে। অসম দৰ্শন আঁচনিৰ জৰিয়তে অতিথিগৃহৰ কামো ইতিপূৰ্বে সম্পূৰ্ণ হৈ উঠিছে। মুঠতে জাতি ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো ভকত বৈষ্ণৱক আদৰণি জনাইছে নামঘৰ পৰিচালনা সমিতিয়ে। সংবাদমেলত পৰিচালনা সমিতিৰ সভাপতি হৰেন দত্ত, সম্পাদক শৰৎ নেওগ, কাৰ্যকৰী সদস্য মনি দত্ত, চন্দন নেওগ, নামঘৰীয়া যোগেন নেওগ প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে।

ঘোঁৰাথলত স্মৃতি চাৰণ অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন

# আদৰ্শ মহিলা প্ৰভাৱতী দেৱীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৪ আগষ্ট ঃ** যোৱা ২৪ জুলাইত ইহলীল সম্বৰণ কৰা ৰঙিয়া মহকুমাৰ অন্তৰ্গত ঘোঁৰাথল নিবাসী আদৰ্শ মহিলা প্ৰভাৱতী দেৱীৰ আদ্যশ্ৰাদ্ধৰ স'তে সংগতি ৰাখি কালি মহিলাগৰাকীৰ বাসগৃহ প্ৰাংগণত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ যে সৰবৰহী তথা আদৰ্শ মহিলা প্ৰভাৱতী দেৱীৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে পৰিয়ালবৰ্গই প্ৰকাশ কৰা এখন স্মৃতিগ্ৰন্থ উক্ত অনুষ্ঠানতে উন্মোচন কৰা হয়। শতাধিক গুণমুগ্ধৰ উপস্থিতিত অনুষ্ঠানত স্মৃতিগ্ৰন্থখন উন্মোচন কৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতাই। ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিকজনে কয় যে প্ৰতিটো জীৱই জন্মৰ সময়তে মৃত্যুক লগত লৈ আহে। মৃত্যু এক চিৰন্তন ৰীতি যদিও কোনো লোকৰ মৃত্যুই সকলোকে মৰ্মাহত কৰে বুলি মন্তব্য কৰি তেওঁ ১৩ পৃষ্ঠাত চাওক

# বৰঝাৰ বিমানকোঠত ৰক্ষা বন্ধন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৪ আগষ্ট ঃ** গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠৰ চৌহদৰ আদানী গ্ৰুপৰ কাৰ্যালয়ৰ সভাগৃহত আজি জিআইএএলৰ উদ্যোগত আৰু ব্ৰহ্মাকুমাৰীৰ সহযোগত ৰক্ষা বন্ধন উদ্‌যাপন কৰা হয়। এই উপলক্ষে জিআইএএলৰ মানৱ সম্পদ বিকাশ শাখাৰ কাৰ্যবাহী অৰ্ণব চাংমাই আঁতধৰা অনুষ্ঠানত বি কে ৰাকেশ ভাইয়ে ৰক্ষা বন্ধনৰ তাৎপৰ্য দাঙি ধৰি ধ্যান, আত্মা, জীৱন আদিৰ ওপৰত তত্ত্বগধুৰ ব্যাখ্যা আগবঢ়ায়। আনহাতে, অনুষ্ঠানত বি কে শাৰদা বহন, বি কে সুপতা বহনকে ধৰি ব্ৰহ্মকুমাৰীৰ কে'বাজনো কৰ্মকৰ্তা, ভাৰতীয় বিমানকোঠ প্ৰাধিকৰণৰ উত্তৰ-পূব মণ্ডলৰ ক্ষেত্ৰীয় কাৰ্যবাহী সঞ্চালক সন্মুখ যুগানি, বৰঝাৰ বিমানকোঠৰ মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱা, বৰঝাৰ বিমানকোঠৰ নিৰাপত্তাৰ দায়িত্বত থকা চিআইএছএফ ইউনিটৰ কমাণ্ডেণ্ট লালমোহন ঠাকুৰ, জিআইএএল আৰু আদানী গ্ৰুপৰ কে'বাজনো বিষয়া উপস্থিত থাকে। আনহাতে, ব্ৰহ্মকুমাৰীৰ ফালৰ পৰা ক্ষেত্ৰীয় কাৰ্যবাহী সঞ্চালক সন্মুখ যুগানি আৰু মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱাৰ হাতত ৰাখী পিন্ধোৱাই ৰক্ষা বন্ধনৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। উল্লেখ্য যে কাৰ্যসূচীত বৰঝাৰ বিমানকোঠত বিভিন্ন বিভাগত কৰ্মৰত ১০০ ৰো অধিক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# ছিপাঝাৰত পৰিবহণ বিভাগৰ ত্ৰিৰংগা বিতৰণ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৪ আগষ্ট ঃ** আজি দৰং জিলাৰ ছিপাঝাৰত জিলাখনৰ পৰিবহণ বিভাগৰ দ্বাৰা ত্ৰিৰংগা বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দৰং জিলা পৰিবহণ বিভাগে আজাদী কা অমৃত মহোৎসৱৰ উপলক্ষে ছিপাঝাৰত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গ্ৰহণ কৰে ত্ৰিৰংগা বিতৰণ আৰু পথ সজাগতা কাৰ্যসূচী। জিলা পৰিবহণ বিভাগৰ সহকাৰী প্ৰৱৰ্তক পৰিদৰ্শক আৰিফুল ইছলামৰ নেতৃত্বত গ্ৰহণ কৰা কাৰ্যসূচীত মটৰ চাইকেল আৰোহী আৰু যাত্ৰীবাহী বাহনৰ একাংশ যাত্ৰীৰ মাজত জাতীয় পতাকা বিতৰণ কৰাৰ লগতে পথ দুৰ্ঘটনা ৰোধৰ বাবে পালন কৰিবলগীয়া সাৱধানতা সন্দৰ্ভত অৱগত কৰে বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে। তদুপৰি মটৰ চাইকেল আৰোহীসকলক হেলমেট পৰিধান কৰাৰ বাবে আহ্বান জনাই তীব্ৰ বেগত গাড়ী নচলাবলৈ অনুৰোধ কৰে পথ পৰিবহণ বিভাগৰ বিষয়াসকলে।

# অসম যুৱ পৰিষদৰ দ্বাৰা আমগুৰিত জাতীয় পতাকা বিতৰণ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৪ জুলাই ঃ** অসম যুৱ পৰিষদে আজি আমগুৰিত ভাৰতৰ জাতীয় পতাকা বিতৰণ কৰে। অসম গণ পৰিষদৰ ভ্ৰাতৃ সংগঠন যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সুদৰ্শন বৰ হাজৰিকাই তেওঁৰ হোটেল ববত আমগুৰি মহাবিদ্যালয়ৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীক ঘৰত উত্তোলন কৰিবলৈ ৰাষ্ট্ৰীয় পতাকা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলে পতাকা হাতত লৈ ভাৰত মাতা কি জয়ধ্বনি দিয়ে। পতাকা প্ৰদান অনুষ্ঠানত অগপ নেতা ৰাতুল মহন্ত আৰু পুলকেশ গগৈ আৰু আমগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক ৰাহুল মাদগীও উপস্থিত থাকে।

# জাগীৰোডত হাতে-লোটে ধৰি আৰক্ষীক গতালে দুই কুকুৰ সৰবৰাহকাৰীক

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ৪ আগষ্ট ঃ** গৰু নহয়, এইবাৰ বহিঃৰাজ্যলৈ কুকুৰ সৰবৰাহ কৰিবলৈ আহি জাগীৰোডত ধৰা পৰিল মেঘালয়ৰ দুজন লোক। যোৱা নিশা অসমৰ ভতুৱা কুকুৰ ডিমাপুৰলৈ সৰবৰাহ কৰাৰ উদ্দেশ্যে জাগীৰোডৰ নেতাজী নগৰত সন্দেহজনকভাৱে চলা-ফুৰা কৰি আছিল দুজন লোক। হাতত বস্তা আৰু মোনা লৈ নিশাৰ আন্ধাৰত অঞ্চলটোত অনাই বনাই ঘূৰি ফুৰিছিল লোক দুজন। স্থানীয় গাঁওৰক্ষী বাহিনীয়ে অতি তৎপৰতাৰে লোক দুজনক নিৰীক্ষণ কৰি আছিল আৰু এটা সময়ত দুটাকৈ ভতুৱা কুকুৰ বস্তাত ভৰাই নিবলৈ লওঁতেই গাঁওৰক্ষী বাহিনীৰ লোকে হাতে-লোটে কৰায়ত্ত কৰে। গাঁওৰক্ষী বাহিনীয়ে সোধ-পোছ কৰাত লোক দুজনে কুকুৰ সৰবৰাহৰ কথা স্বীকাৰ কৰে। মেঘালয়ৰ পৰা অহা এই লোক দুজনে স্বীকাৰ কৰা মতে, অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভতুৱা কুকুৰ ধৰি বস্তাত ভৰাই বিভিন্ন সময়ত ডিমাপুৰলৈ সৰবৰাহকাৰ কৰি আহিছে। প্ৰতিটো কুকুৰৰ বাবদ সৰবৰাহকাৰী কেইজনে লাভ কৰে ১৫০০ৰ পৰা ২০০০ টকা পৰ্যন্ত। পাছত গাঁওৰক্ষী বাহিনীৰ খবৰৰ ভিত্তিত নিশাই ঘটনাস্থলীত উপস্থিত হয় জাগীৰোড আৰক্ষী। জাগীৰোড আৰক্ষীয়ে দুটা কুকুৰৰ স'তে দুই সৰবৰাহকাৰীক গাড়ীত ভৰাই থানালৈ লৈ যায়।

# বিশ্ব স্তনপান সপ্তাহ উপলক্ষে টিহু সংহত শিশু উন্নয়ন প্ৰকল্পত সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ৪ আগষ্ট ঃ** টিহু সংহত শিশু উন্নয়ন প্ৰকল্পত আজি বিশ্ব স্তনপান সপ্তাহ উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত বিভিন্ন শিশুৰ ওজন জোখাৰ লগতে স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত সজাগতা সভাখন অনুষ্ঠিত হয়। টিহু সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া মাধুৰী দাসৰ সঞ্চালনাত অনুষ্ঠিত আৰু মুখ্য সেৱিকা ভাৰতী মেধিয়ে আঁত ধৰা সভাখনত টিহু চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ তপন তালুকদাৰে সমল বক্তাৰূপে অংশগ্ৰহণ কৰি শিশু-মাতৃৰ স্বাস্থ্য সুৰক্ষা, মাতৃৰ দায়িত্ব, পৰিয়ালৰ আন সদস্যৰ কৰণীয় আদি বিষয়ে বক্তব্য আগবঢ়ায়। তদুপৰি প্ৰকল্প বিষয়া মাধুৰী দাসে শিশুৰ বাবে মাতৃদুগ্ধৰ প্ৰয়োজনীয়তা, স্তনপান কিদৰে কৰোৱা উচিত, শিশুক সুস্থ কৰি ৰাখিবলৈ ল'বলগীয়া ব্যৱস্থা আদিৰ বিষয়ে সুন্দৰ ব্যাখ্যা দাঙি ধৰে। উক্ত সভাতে স্বাস্থ্য সজাগতা বজাই ৰখা শিশুসকলক প্ৰেৰণামূলক পুৰস্কাৰ প্ৰদান কৰা হয়। সভাত টিহু চিকিৎসালয়ৰ ব্লক ফাৰ্মাচিষ্ট পুলকেশ দাস, পোষণ ষ্টাফ, কে'বাগৰাকী মুখ্য সেৱিকা, বিভিন্ন অংগনৱাড়ীৰ কৰ্মী-সহায়িকা আৰু বিভিন্ন গ্ৰামাঞ্চলৰ পৰা অহা শিশুসহ মাতৃসকলে অংশগ্ৰহণ কৰে।




বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ বিৰুদ্ধে টাইপাৰ বিক্ষোভ কাৰ্যসূচী মৰাণত, বৃহস্পতিবাৰে।

# ৰঙাপৰাত আদৰ্শ গাঁও যোজনাৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ৪ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত দুলাপাদুং চাহ বাগিচাত উপস্থিত হৈ বিত্ত বিভাগৰ উপ-সচিব সংঘমিত্ৰা ভাগৱতীয়ে আদৰ্শ গাঁও যোজনাৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। দুলাপাদুং চাহ বাগিচাৰ দুই নম্বৰ টিজি এলপি স্কুলত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি বিত্ত সচিব সংঘমিত্ৰা ভাগৱতীয়ে আদৰ্শ গাঁও যোজনাৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি যোজনাৰ কাম-কাজ সঠিক দিশত ৰূপায়ণৰ বাবে যাৱতীয় দিহা-পৰামৰ্শ প্ৰদান কৰে। গাঁৱক বহনক্ষম উন্নয়নৰ দিশত সবলীকৰণৰ বাবে আন্তঃগাঁথনি আৰু গুণগত মানৰ সেৱা প্ৰদানৰ বাবে এই আঁচনিখন হাতত লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। গাঁৱৰ সামগ্ৰিক আৰু সৰ্বাংগীণ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক বিকাশক মৌলিক লক্ষ্যৰূপে লৈ আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰৰ বিশেষ পদক্ষেপ বুলি মন্তব্য কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক গাঁওবাসীৰ স'তে বৈঠক অনুষ্ঠিত কৰি এই আঁচনিৰ পৰা জনসাধাৰণে যাতে সহজে উপকৃত হ'ব পাৰে সেই উদ্দেশ্যৰে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ কয়। ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, দুলাপাদুং চাহ বাগিচাৰ শ্ৰম কল্যাণ বিষয়া ৰবিন্দৰ সিং, ফুলুগুৰি গাঁও পঞ্চায়তৰ সচিব কমল দৰ্জী, ফুলুগুৰি গাঁও পঞ্চায়তৰ সভাপতি কৈলাস উৰাঙে সভাত অংশগ্ৰহণ কৰে। আজি দিনৰ ১২ মান বজাত দুলাপাদুং চাহ বাগিচাত উপস্থিত হৈ সংঘমিত্ৰা ভাগৱতীয়ে নিৰ্মাণাধীন আদৰ্শ গাঁও তোৰণ, শিশু উদ্যান, জগন্নাথ মন্দিৰ, দুলাপাদুং চাহ বাগিচা চিকিৎসালয়, অংগনৱাড়ী কেন্দ্ৰ আদি পৰিদৰ্শন কৰে।

# অভয়াপুৰীত মালভৰ্তি বাহন ৰখাই ধন দাবী কৰা চাৰি দুৰ্বৃত্ত আটক

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰক্ষী থানাৰ অন্তৰ্গত দেওহাটীত যোৱা নিশা চিমেণ্ট ভৰ্তি ট্ৰাকৰ পৰা দুৰ্বৃত্তই ধন দাবী কৰি থকা অৱস্থাত আৰক্ষীয়ে চাৰি দুৰ্বৃত্তক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, যোৱা নিশা দুই মান বজাত কলগাছিয়াৰ পৰা যোগীঘোপালৈ এএছ-১৭ বি-০২৫৯ আৰু এএছ-১৭ বি-২৩৯২ নম্বৰৰ দুখন চিমেণ্টভৰ্তি ট্ৰাক যোগীঘোপালৈ আহি আছিল। এনেতে দেওহাটী ৰেল ক্ৰছিঙৰ ওচৰত দুৰ্বৃত্তৰ এটি দলে ট্ৰাক দুখন ৰখাই চাবি কাঢ়ি নি চালকক মাৰপিট কৰিবলৈ লয়। দুৰ্বৃত্তৰ দলটোৱে বাহনৰ পৰা চিমেণ্টৰ বেগবোৰ বগৰাই লুট কৰাৰ লগতে ধন দাবীও কৰে। এনে অৱস্থাত আৰক্ষীয়ে জানিব পাৰি অভিযান চলাই দেওহাটীৰ কন্দৰ্প দেৱ, সুৰজিত ৰায়, মুনীন্দ্ৰ ৰায় ওৰফে লীলাবন্ত দেৱক কৰায়ত্ত কৰে যদিও দীপাংকৰ ৰায় নামৰ এজন দুৰ্বৃত্ত পলাই যায়। আনহাতে ধৃত কন্দৰ্প ৰায় ২২ আইআৰবিএনৰ জোৱান বুলি আৰক্ষী সূত্ৰই জনাইছে।

# কলিয়াবৰ মহকুমাত ভোটাৰ কাৰ্ডৰ স'তে আধাৰ সংযোগী প্ৰক্ৰিয়া আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ৪ আগষ্ট ঃ** নগাওঁ জিলাৰ সমূহ বিধানসভা সমষ্টিৰ সমান্তৰালকৈ চামগুৰি আৰু কলিয়াবৰ বিধানসভা সমষ্টিত ভোটাৰসকলৰ আধাৰ তথ্য সংযোগৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে কলিয়াবৰ বিধানসভা সমষ্টিত ভোটাৰৰ আধাৰ তথ্য সংযোগী প্ৰক্ৰিয়া আৰম্ভ হৈছে।আনহাতে, চামগুৰি বিধানসভা সমষ্টিৰ বিএলঅ' সকলক আধাৰ তথ্য সংযোগ প্ৰক্ৰিয়াৰ হেতু প্ৰশিক্ষণৰ প্ৰস্তুতি কৰিছে। যোৱা এক আগষ্টত কলিয়াবাৰ জিলা নিৰ্বাচনী বিষয়া পবিত্ৰ কুমাৰ দাস আৰু নিৰ্বাচন বিষয়া ভূপালী কাশ্যপে কলিয়াবৰ বিধান সভা সমষ্টিৰ ভোটাৰসকলৰ আধাৰ সংযোগী প্ৰক্ৰিয়া মুকলি কৰে। কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত নিৰ্বাচনী বিষয়া জনে কয়, 'ভোটাৰ কাৰ্ডৰ স'তে আধাৰ সংযোগ বাধ্যতামূলক নহয় যদিও এই প্ৰক্ৰিয়াৰে ভোটাৰৰ সবিশেষ প্ৰমাণীকৰণৰ ক্ষেত্ৰত সহায় কৰিব।' কলিয়াবৰ মহকুমা কাৰ্যবাহী দণ্ডাধীশদ্বয় তৃষ্ণা মিপুণ আৰু দেবাসনা বৰ্মনৰ উপৰি নিৰ্বাচনী পঞ্জীয়ন বিষয়া, বিএলঅ', ছুপাৰভাইজাৰ, বিএলঅ', ৰাজনৈতিক দলসমূহৰ সদস্য, কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, এনচিচি, এনএছএছৰ শিক্ষাৰ্থীসকল উপস্থিত থকা অনুষ্ঠানটোত ভোটাৰসকলক আধাৰ সংযোগ কৰা প্ৰক্ৰিয়াটোত গুৰুত্ব দিবলৈ কলিয়াবৰ জিলা নিৰ্বাচন বিষয়াজনে সকলোকে আহ্বান জনায়। এই বিষয়ে কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটি সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইপিনে, কলিয়াবৰ মহকুমাৰ একাংশ চামগুৰি বিধানসভা সমষ্টিৰ ভোটাৰসকলৰ আধাৰ সংযোগী প্ৰক্ৰিয়াৰ বাবে বিএলঅ'সকলৰ অহা ছয় আগষ্টৰ প্ৰশিক্ষণৰ পাছতে আধাৰ তথ্য সংযোগ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি প্ৰশাসনৰ পৰা জনাইছে।

# বহিঃৰাজ্যৰ কাপোৰ সম্পূৰ্ণ ৰূপে

*১২ পৃষ্ঠাৰ পৰা* বস্ত্ৰশিল্প সন্দৰ্ভত কয়, 'বহিঃৰাজ্যৰ কাপোৰ অসমত সম্পূৰ্ণৰূপে বন্ধ কৰিব নোৱাৰো। কাৰণ অসমৰ কাপোৰো বহিঃৰাজ্যত বিক্ৰী হয়। তাৰ পাছতো আমি বিহুৰ সময়ত বহিঃৰাজ্যৰ কাপোৰ জব্দ কৰিছিলো। আমি যদি অসমত বহিঃৰাজ্যৰ কাপোৰ সম্পূৰ্ণৰূপে বন্ধ কৰো তেন্তে অসমৰ কাপোৰ বহিঃৰাজ্যত বিক্ৰীত অসুবিধা হ'ব পাৰে। গতিকে আমি সজাগ হ'ব লাগিব। আমাৰ জাতীয় সংস্কৃতি ৰক্ষাৰ বাবে আমি নিজে সজাগ হৈ আমাৰ সংস্কৃতি ৰক্ষা কৰিব লাগিব।' অনুষ্ঠানত মন্ত্ৰী ব্ৰহ্মৰ স'তে চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী, উপায়ুক্ত পি ভাস্কৰ ৰেড্ডী, জিলা আৰক্ষী অধীক্ষক প্ৰাঞ্জিত বৰা, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া বিজয় বৈষ্ণৱসহ জিলা প্ৰশাসন তথা জিলা শিক্ষা বিভাগৰ বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# আদৰ্শ মহিলা প্ৰভাৱতী দেৱীলৈ ৰাজহুৱা

*১২ পৃষ্ঠাৰ পৰা* কয় যে ঘোঁৰাথলৰ আদৰ্শ মহিলা প্ৰভাৱতী দেৱীয়ে প্ৰকৃতিৰ নিয়মানুসাৰে কায়িক দেহ ত্যাগ কৰিছে যদিও তেওঁৰ আদৰ্শ জীয়াই ৰখাটো সকলোৰে দায়িত্ব। পৰিয়ালৰ সদস্যসকলে আদৰ্শ মহিলা প্ৰভাৱতী দেৱীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছতে অনুষ্ঠিত স্মৃতিচাণৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰেশ্বৰ কলিতা আৰু বালিসত্ৰ সৎসংগী সত্ৰৰ অন্যতম সদস্য কৈলাস কলিতাই আদৰ্শ মহিলাগৰাকীৰ জীৱন কৃতি ৰোমন্থন কৰাৰ লগতে প্ৰায় ৫২ বছৰ পূৰ্বে বৈধব্য সাজ পৰিধান কৰি বিভিন্ন ঘাত-প্ৰতিঘাত আৰু প্ৰত্যাহ্বান নেওচি পৰিয়ালটোক সঠিক পথেৰে আগবঢ়াই নিবলৈ সক্ষম হৈছিল বুলি কয়।

সমাজকৰ্মী সত্যব্ৰত শৰ্মাই আঁতধৰা স্মৃতিচাৰণ অনুষ্ঠানত কে'বাগৰাকী গুণমুগ্ধই অংশগ্ৰহণ কৰি আনুষ্ঠানিক শিক্ষা অবিহনে পৰিয়ালৰ প্ৰতিগৰাকী সদস্যক উচ্চ শিক্ষাৰ সমান্তৰালভাৱে নৈতিক শিক্ষাৰে শিক্ষিত কৰি সমাজত প্ৰতিষ্ঠা কৰাবলৈ সক্ষম হোৱা প্ৰভাৱতী দেৱী আন ১০ গৰাকীৰ বাবে আদৰ্শ হোৱা উচিত বুলি কয়। উল্লেখ্য যে যোৱা ২৪ জুলাইত ৮৮ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা এইগৰাকী মহিলাই ঘোঁৰাথলকে ধৰি বৃহত্তৰ বালিসত্ৰ অঞ্চলৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল।

# বঙাইগাঁৱত শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ

*১২ পৃষ্ঠাৰ পৰা* গতিকে তেওঁলোকে যেন আশাহত হৈ উভতি যাবলগীয়া নহয় তাৰ প্ৰতি শ্ৰম বিষয়া বা আন বিষয়ববীয়াই নজৰ দিব লাগিব। গতিকে সময়মতে বিষয়া-কৰ্মচাৰীয়ে নিজৰ কাৰ্যালয়লৈ আহি শ্ৰমিকৰ কল্যাণৰ হকে কাম কৰিব লাগিব। মন্ত্ৰীজনে আৰু কয় যে তেওঁ নিজে চাহ শ্ৰমিকৰ পৰিয়ালৰ পৰা আহিছে। গতিকে শ্ৰমিকৰ কষ্টৰ বিষয়ে তেওঁ অৱগত। শ্ৰম পৰিদৰ্শকে যাতে উচ্চ পদস্থ আন বিষয়াৰ পৰা নিৰ্দেশ অহালৈ বাট নাচাই নিজৰ দায়িত্ব অনুসৰি, উদ্যোগ, চাহ বাগিচা বা অসংগঠিত শ্ৰমিকৰ অৱস্থা পৰিদৰ্শন কৰি সময়মতে ল'বলগীয়া ব্যৱস্থা লয় তাৰ বাবে আহ্বান জনায় মন্ত্ৰী সঞ্জয় কিষাণে। পুৰণি অস্থায়ী ভাড়াঘৰৰ পৰা এতিয়া নিজাববীয়াকৈ চৰকাৰী কাৰ্যালয় লাভ কৰি নিশ্চয় শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ বিষয়ববীয়াৰ কিছু সুবিধা হ'ব কাম-কাজ কৰাত। গতিকে নিজৰ দায়িত্ব অনুসৰি শ্ৰমিকৰ প্ৰাপ্য আদায় দিয়াৰ হকে কাম কৰাৰ বাবে মন্ত্ৰী কিষাণে আহ্বান জনায় বিষয়া-কৰ্মচাৰীক। কালিৰ সভাত সভাপতিত্ব কৰে শ্ৰম আয়ুক্ত অনামিকা তিৱাৰীয়ে। তেওঁ ভাষণ প্ৰসংগত কয় যে তেওঁ শ্ৰম আয়ুক্ত হিচাপে তেওঁৰ যিখিনি কৰিবলগীয়া দায়িত্ব আছে সেইখিনি কৰি যাব। তেওঁ অসংগঠিত শ্ৰমিকসকলক ই-শ্ৰম পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। লগতে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে শ্ৰমিকৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পিএম শ্ৰমযোগী পেঞ্চন আঁচনি পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত শ্ৰম বিভাগৰ অতিৰিক্ত সচিব চন্দ্ৰা দেৱী, অতিৰিক্ত উপায়ুক্ত শ্যামল ক্ষেত্ৰ গগৈ আৰু সমাজকৰ্মী হিমানী অধিকাৰীয়েও বক্তব্য ৰাখে। সভাত অতিৰিক্ত শ্ৰম আয়ুক্ত কে চিংচন, সহকাৰী আয়ুক্ত শিল্পীৰেখা পণ্ডিতো উপস্থিত থাকে। সভাত শলাগৰ শৰাই আগবঢ়ায় বঙাইগাঁৱৰ জিলা শ্ৰম বিষয়া বিচিত্ৰ কুমাৰ শৰ্মাই। সভাত বঙাইগাঁও জিলা শ্ৰম বিষয়াৰ কাৰ্যালয় নিৰ্মাণ কৰা ঠিকাদাৰ আহাদুল্লা খানক সম্বৰ্ধনা জনোৱা হয়।

# শ্বেৰমান আলী ইছলামিক জেহাদীৰ

*১২ পৃষ্ঠাৰ পৰা* ভয়ানকভাৱে সংগঠন কৰিছে তাক চৰকাৰেবাধা দিবলৈ চেষ্টা কৰাৰ কথা উল্লেখ কৰি সভাপতি বৈশ্যই কয় যে শ্বেৰমান আলীয়ে বৈদ্যুতিন মাধ্যমত জেহাদীক একপ্ৰকাৰ পৱিত্ৰ বুলিয়ে উল্লেখ কৰে আৰু অন্যলোকে জেহাদীক বেয়া মানুহ বুলি কোৱাতো যেন ভুলহে হৈছিল তেনেকুৱা ভাব প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে শ্বেৰমান আলী যে প্ৰকৃততে জেহাদীৰ অভাৰ গ্ৰাউণ্ডৰ সংগঠক এইটোকে প্ৰমাণিত কৰে বুলি আন এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে সভাপতিজনে। সংবাদমেলত বৈশ্যই কয় যে শ্বেৰমান আলীয়ে নিজৰ মন্তব্যত এজন সন্মানীয় সত্ৰাধিকাৰক শংকৰ গুৰুজনাৰ বিষয়ে অধ্যয়ন কৰিবলৈ কৈ চূড়ান্ত ধৃষ্টতা কৰিছে। এই অক্ষমনীয় অপৰাধ কৰাৰ বাবে শ্বেৰমান আলীৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায় সংগঠনটোৱে। একেখন সংবাদমেলত বৈশ্যই লগতে কয় যে শ্বেৰমান আলীয়ে সদ্য ধৃত জেহাদী কেইজনক জেহাদী নহয় সাধাৰণ চোৰ আৰু গৰু চোৰ বুলি মন্তব্য কৰা কথাটোৱে এইটোও প্ৰমাণ কৰে যে অসমৰ মুছলমান সমাজৰ সাধাৰণ চোৰ আৰু গৰু চোৰসকলৰ লগত শ্বেৰমান আলীৰ মিতিৰালি আছে। গতিকে তেনেকুৱা গৰু চোৰৰ মিতিৰৰ মুখত ৰাম নামৰূপী বৰ বৰ কথা অশোভনীয় বুলিও বৈশ্যই সংবাদ মেলখনত কটাক্ষ কৰে। লগতে গৰু চোৰ আৰু সাধাৰণ চোৰৰ লগত মিতিৰ এজন জনপ্ৰতিনিধি হৈ অসমৰ সন্মানীয় বিধানসভাৰ মজিয়াত থকাটো আমাৰ কাৰণে দুৰ্ভাগ্যজনক বুলি কৈ আমি অসম চৰকাৰক দাবী জনাইছো এই গৰু চোৰৰ মিতিৰজনক গ্ৰেপ্তাৰ কৰিব লাগে আৰু তদন্ত কৰিব লাগে তেওঁ জেহাদীৰ হৈ কিমান অভাৰগ্ৰাউণ্ডৰ কাম কৰি আছে। ইপিনে, বিধায়ক অখিল গগৈয়ে সত্ৰাধিকাৰ জনাৰ্দন গোস্বামীক মানসিকভাৱে বিকৃতি ঘটা বুলি কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি বৈশ্যই কয় যে অখিল গগৈৰ মন্তব্যৰ আমি কোনো প্ৰতিক্ৰিয়া নিদিওঁ। কাৰণ তেওঁ নিজে এজন মানসিক ৰোগী। তেওঁ মানসিক ৰোগৰ চিকিৎসা কৰি ভঙাগড়স্থিত গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ কেবিনেট আছিল। যেনেকৈ এজন ভাল মানুহে সকলোকে ভাল দেখে, এজন চোৰে সকলোকে চোৰ দেখে, ঠিক তেনেকৈ এজন মানসিক ৰোগীয়ে সকলোকে মানসিক ৰোগী দেখে। কিন্তু আমাৰ কাৰণে দুৰ্ভাগ্য যে তেনেকুৱা মানসিক ৰোগী আজি সন্মানীয় বিধানসভাৰ মজিয়াত আহি স্থান পাইছে। গতিকে তেওঁৰ কথাত বেছিকৈ গুৰুত্ব নিদিওঁ। কিন্তু তেওঁ যিবিলাক কথা কৈছে এই কথাবিলাকত আমাৰ আপত্তি আছে। এই আপত্তিটো এনেকুৱা ধৰণৰ যে অখিল গগৈয়ে যি ধৰণৰ দালালি কৰে, ৰতন শৰ্মা, পৃথ্বানী, ভুৰুকীয়া, হিমৎসিংকা আদিৰ পৰা টকা লৈ আন্দোলনৰ নামত দালালি কৰে, অসমৰ ভূমিহীন লোকক ভূমি দিম বুলি প্ৰণৱ বড়োক জ্বলাই মৰাৰ নিচিনা নিকৃষ্ট কাণ্ড কৰে, তেনেকুৱা কাণ্ড জনাৰ্দন গোস্বামীয়ে কোনো কালে কৰা নাই। কোনো কালে তেওঁ মানসিক ৰোগী হিচাপে চিকিৎসাধীনো হোৱা নাই। তেনেস্থলত অখিল গগৈৰ নিচিনা মানসীক ৰোগী এটাৰ কথাত আমি ইমান প্ৰতিক্ৰিয়া দিবলৈ নাই। কিন্তু অখিল গগৈৰ যি দালালি আছিল সেইটো ওলাই পৰিছে আৰু গণভিত্তি হেৰুৱাইছে কাৰণে মুছলমান সমাজক জগতলৈ তেওঁ পুনৰ গণভিত্তি প্ৰতিষ্ঠা কৰাৰ কাৰণে লাগি আছে। তেওঁ এটা কথা কৈছে যে সত্ৰাধিকাৰৰ দায়িত্ব সত্ৰ পৰিচালনা কৰা। কথা হ'ল তেওঁৰ বিবেকে ঢুকি নাপায় যে সত্ৰৰ সত্ৰাধিকাৰে সোমাই থাকে আৰু সমাজৰ প্ৰতি অহা ভাবুকিৰ ক্ষেত্ৰত যদি সচেতন নহয়, তেনে সত্ৰাধিকাৰহে অসমৰ সচেতন সমাজে সমালোচনা কৰে যে সত্ৰাধিকাৰসকলে সত্ৰৰ পৰা নোলায় কাৰণে আৰু পাহাৰে-ভৈয়ামে নুঘূৰে কাৰণে খ্ৰীষ্টান মিছনেৰী বাঢ়িছে, অমুক হৈছে। সেয়ে সত্ৰাধিকাৰসকল ওলাই আহিব লাগে। সত্ৰাধিকাৰজন যাতে ওলাই নাহে তাৰ কাৰণে দালালৰ দৰে অখিল গগৈয়ে তেনে ধৰণৰ কথা কৈছে। আচলতে অখিল গগৈয়ে চিঞৰি থাকিলেও সমাজত একো নহয়, সমাজৰ কাম চলি থাকিব। আমি আমাৰ কাম কৰিমেই। আমি বিচলিত নহওঁ। সংবাদ মেলত কেন্দ্ৰীয় সাধাৰণ সম্পাদক মাধৱ দাস, মুখ্য সাংগঠনিক সম্পাদক বিতুমনি গগৈ, সাংগঠনিক সম্পাদাক হেমন্ত বৰুৱা, বিপিন দৈমাৰীসহ বিষয়ববীয়াসকল উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত শিক্ষক-খেলুৱৈ অমৃত চন্দ্ৰ নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত গহিয়া গাওঁ নিবাসী অৱসৰী শিক্ষক তথা খেলুৱৈ অমৃত চন্দ্ৰ নাথৰ যোৱা নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। ১৯৩৫ চনত সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত গহিয়া গাঁৱত জন্মগ্ৰহণ কৰা নাথে গহিয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত সৰুক্ষেত্ৰী হাইস্কুল, প্ৰাগজ্যোতিষ কলেজত শিক্ষা গ্ৰহণ কৰিছিল। ১৯৬২ ত গহিয়া মজলীয়া বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি ১৯৯৬ ত গহিয়া হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰে। এসময়ত সুদক্ষ ফুটবল খেলুৱৈ ৰূপে সমাদৃত নাথে পৰৱৰ্তী সময়ত ফুটবল ৰেফাৰী ৰূপেও সুখ্যাতি অৰ্জন কৰিছিল। পূব বৰপেটাৰ ভিতৰতে অন্যতম গহিয়াৰ শ্ৰীশ্ৰী শ্যামাকালী পূজাৰ প্ৰতিষ্ঠাতা নাথে জীৱিত কালত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ আৰু দুগৰাকী কন্যা আৰু বহু সংখ্যক গুণমুগ্ধক এৰি থৈ যায়। তেওঁৰ মৃত্যুত গহিয়া গাওঁ উন্নয়ন সমিতি, গহিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# গোলাঘাটৰ মাটিখোলা পঞ্চায়তৰ বিশেষ গাঁওসভা

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ৪ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে গোলাঘাট বিধানসভা সমষ্টিৰ মাটিখোলা গাঁও পঞ্চায়ত সভাকক্ষত পঞ্চায়তৰ উদ্যোগত দুই আগষ্টত আগন্তুক ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন সন্দৰ্ভত এখন বিশেষ গাওঁ সভা সম্পন্ন হয়। পঞ্চায়ত সভাপতি ভাৰতী নাগবংশীৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰশিক্ষণ প্ৰাপ্ত গাঁও প্ৰধান সুৰেশ গগৈয়ে ৰাষ্ট্ৰীয় পতাকাখনৰ মৰ্যাদা আৰু খ্যাতিৰ বিষয়ে বিস্তৃত ব্যাখ্যা দাঙি ধৰি পতাকাখনক প্ৰতিজন নাগৰিকক সন্মান কৰিবলৈ আহ্বান জনায়। সভাত গোলাঘাট জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য দীপেন গগৈ, আঠগাঁও মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক দিলীপ বৰা, শক্তি প্ৰমুখ যতীন গগৈ, অভিযন্তা লেলিন সন্দিকৈ, পঞ্চানন শইকীয়া, পঞ্চায়ত কৰ্মকৰ্তাসকল, ৱাৰ্ড সদস্য-সদস্যাসকল, দলীয় কাৰ্যকৰ্তাসকলৰ উপৰি ভালেসংখ্যক নাগৰিক উপস্থিত থাকে।

# সমবায় বিভাগৰ উদ্যোগত ধাৰাপুৰত সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৪ আগষ্ট ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰীয়া বৰ্ষপূতি উপলক্ষে আজাদী কী অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি এইবেলি 'ঘৰে ঘৰে ত্ৰিৰংগা' কাৰ্যসূচীৰ অধীনত তিনিদিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। তদুপৰি 'ফ্লেগ ক'ড অৱ ইণ্ডিয়া, ২০২২'ৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলিত হৈ থকাৰ অনুমতি প্ৰদান কৰা হৈছে। অহা ১৩ আগষ্টৰ পুৱা সাত বজাৰ পৰা ১৫ আগষ্টৰ সূৰ্যোদয়লৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলিত হৈ থাকিব। আনহাতে, এইবেলি স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ ভাৰতবৰ্ষৰ ২০ কোটি নাগৰিকৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আহ্বান জনাইছে বুলি ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ সহকাৰী পঞ্জীয়ক দেৱকান্ত দুৱৰাই কয়। উল্লেখ্য যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ গুৱাহাটী কাৰ্যালয়ৰ উদ্যোগত যোৱা তিনি আগষ্টত আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত ধাৰাপুৰ তালুক ভৱন প্ৰাংগণত এখন সজাগতা সভা অনুষ্ঠিত হয়। ধাৰাপুৰস্থিত ৰামছাৰাণী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সভাপতি পৰাগমণি কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাখনত উপস্থিত থাকি সহকাৰী পঞ্জীয়ক দুৱৰাই সভাখনত উপস্থিত থকা উত্তৰ ৰামপুৰ, দক্ষিণ ৰামপুৰ, চম্পক নগৰ, ছয়গাওঁ পান্তান, ৰামছাৰাণী আৰু দক্ষিণ সৰু বংশৰ গাওঁ পঞ্চায়ত সমিতিসমূহৰ বিষয়ববীয়া সকলৰ লগতে সমবায় সমিতিসমূহৰ এজেণ্ট আৰু উপভোক্তাসকলক এই সজাগতা সভাৰ জৰিয়তে অহা ১৩ আগষ্টৰ পুৱাৰ পৰা ১৫ আগষ্টৰ সন্ধিয়ালৈ নিজ বাসগৃহত মৰ্যাদা সহকাৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায়। তদুপৰি ৰাষ্ট্ৰীয় পতাকাখন যাতে আন্ধাৰত ডুব গৈ নাথাকে তাৰবাবে পোহৰৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়।

**কলিয়াবৰত নিশা চাঞ্চল্যকৰ ঘটনা**

# শুই থকা অৱস্থাৰ পৰাই দুৰ্বৃত্তই দাঙি নিলে শিশু কন্যাক

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৪ আগষ্ট ঃ** কলিয়াবৰত আজি পুৱতি নিশা সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। মাতৃৰ স'তে বিছনাত শুই থকা অৱস্থাৰ পৰাই দুৰ্বৃত্তই এজনি ছবছৰীয়া কন্যাক উঠাই নি আদবাটতে এৰি থৈ যোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কলিয়াবৰৰ এক নম্বৰ হাতীগাঁও চাহ বাগিচাৰ ১৭ নম্বৰ লাইনত সংঘটিত হৈছে এই চাঞ্চল্যকৰ ঘটনাটো। আহমেদ আলী নামৰ লোকজনৰ ছবছৰীয়া কন্যাক পুৱতি নিশা দুই মান বজাত দুৰ্বৃত্তই মাতৃৰ লগত শুই থকাৰ পৰাই দাঙি লৈ যায়। পিছত শিশুটিয়ে চিঞৰ-বাখৰ কৰাত বাগিচাৰ মাজত শিশুটিক পেলাই থৈ যায় দুৰ্বৃত্তই। স্থানীয় মিছা আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও বাতৰি লিখাৰ সময়লৈকে কোনো শুংসূত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। উক্ত ঘটনাক লৈ এতিয়াও অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰা পৰিলক্ষিত হৈছে।

# ঘিলাগুৰীত দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত ঘিলাগুৰীত কালি বিয়লি সংঘটিত মটৰ চাইকেল দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহী থিতাতে নিহত হয়। প্ৰাপ্ত তথ্য মতে, এএছ-১৯ কিউ-৬১৯৬ নম্বৰৰ মটৰ চাইকেলখন দ্ৰুত বেগেৰে যোৱাৰ ফলতে পথৰ পৰা এশ মিটাৰমান ছিটিকি যায়। স্থানীয় লোকে ততাতৈয়াকৈ ১০৮ গাড়ীৰে হাস্পতাললৈ নিয়ে যদিও চিকিৎসকে আৰোহীজনক মৃত ঘোষণা কৰে। নিহত যুৱকজন ঘিলাগুৰীৰে গৌতম দাস বুলি স্থানীয় লোকে জনাইছে।

# নদী সাঁতুৰি পাৰ হ'বলৈ আপ্ৰাণ চেষ্টা এটা হাতীৰ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৪ আগষ্ট ঃ** খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্য হস্তীৰ উপদ্ৰৱত এতিয়া উজাগৰি নিশা কটাব লগা হৈছে বিশ্বনাথ ঘাট অঞ্চলবাসীয়ে। সমান্তৰালকৈ আজি পুৱা ভাগত এটা হাতীয়ে সাঁতুৰি পাৰ হৈ জনাঞ্চলত প্ৰৱেশ কৰিবলৈ লোৱাৰ সময়তে বন বিভাগৰ তৎপৰতাত গাঁৱত প্ৰৱেশ কৰিব নোৱাৰিলে। অৱশ্যে আজি কিছু দিনৰ পৰা অঞ্চলটোত বন্য হস্তীয়ে প্ৰৱেশ কৰাৰ ফলত উজাগৰি নিশা কটাব লগা হৈছে গাঁওবাসীয়ে। কাজিৰঙাৰ পৰা ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হ'বলৈ চেষ্টা কৰা হাতীটোক বন বিভাগৰ স্পীড বোটেৰে কাজিৰঙালৈ খেদি পঠোৱাৰ চেষ্টা কৰে। উল্লেখ্য যে বিগত কেইটামান দিন বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাইছিল বিশ্বনাথত।


## হাতীৰ পাছত এইবাৰ গঁড়ৰ আতংক বিশ্বনাথত

আনহাতে, হাতীৰ পিছত এইবাৰ গঁড়ৰ আতংক বিশ্বনাথত। বিশ্বনাথৰ ননকে জাপৰি গুৰীৰ মৰাপাট খেতিৰ সমীপত আশ্ৰয় গ্ৰহণ কৰি আছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা প্ৰকাণ্ড গঁড়ে। পুৱা ভাগত স্থানীয় এজন প্ৰত্যক্ষ দৰ্শীৰ ভিত্তিত বন বিভাগৰ দলে অনুসন্ধান চলাই নিশ্চিত কৰে গঁড়ৰ অৱস্থিতি। ইতিমধ্যে গঁড়টোৱে খেতিডৰাত আশ্ৰয় গ্ৰহণ কৰাৰ বিপৰীতে বন বিভাগৰ দলে অঞ্চলটোত টহল দি আছে।

**শ্ৰদ্ধাঞ্জলি**

# গৌতম শৰ্মা

## এক বিৰল প্ৰতিভা



যেতিয়া তেওঁ সোমাই আহিছিল, তেতিয়া কাহিনীৰ পাহাৰ এটাহে যেন হিলদল ভাঙি সোমাইছিলহি—

যেতিয়া তেওঁ মুখৰ হৈ পৰি ছিল, তেতিয়া সৌৰজগতৰ সূৰ্যটোৰ দৰে তেওঁ সকলোৰে মধ্যমণি হৈ পৰিছিল—

যেতিয়া তেওঁ মুখ-হাতৰ ভংগিমা মেলিছিল, তেতিয়া যেন ভাৰতীয় নাট্যশাস্ত্ৰত নতুন মুদ্ৰাৰহে সংযোজন ঘটিছিল—

যেতিয়া তেওঁ কাহিনীৰ ৰহঘৰা মেলিছিল, তেতিয়া মহাসাগৰৰ অটল গহ্বৰৰ পৰা হিমালয়ৰ পৰ্বতচূড়ালৈকে যেন শব্দব্ৰহ্ম প্ৰসাৰিত হৈছিল—

গৌতম বুদ্ধৰ জ্ঞানৰ গৰিমাৰেহে যেন তেওঁ মহিমামণ্ডিত আছিল— শব্দাৰ্থৰ কালিমাৰ পৰা, ধৰ্ম-দৰ্শন-সাহিত্য-স্থাপত্য-ক্ৰীড়া-বিনোদনৰ জগতলৈকে তেওঁৰ সাৱলীল গতি অবাধে চলিছিল।

লিচু-পণিয়ন-আম-কল-কঠালৰ লগতে সকলো ঠাইৰ সকলো খাদ্যৰ তেওঁ আছিল ৰসিক লুজান—

ঘৰুৱা বা সামাজিক বা ৰাজহুৱা মেহফিলত ভাড়াতীয়া গায়ক-বাদ্যযন্ত্ৰীয়ে মিচিকি হাঁহিৰে তেওঁক বাট এৰি দিছিল— সসন্মানে; তেওঁলোক শ্ৰোতা-দৰ্শকহে হৈ পৰিছিল— উপভোগ কৰিছিল সম্ভ্ৰমেৰে— কিশোৰ কুমাৰ, মহম্মদ ৰফী জীৱন্ত হৈ উঠা দেখি—

দুহাত সম্প্ৰসাৰিত কৰি, দুহাতৰ মুঠি খুলি তেওঁ বোৱাই দিছিল তেওঁৰ উদাৰ বুকুখন— আনকি তেওঁলৈ বুলি অহা তেলঁৰ জীৱন-মৰণৰ যুঁজত সহায়ৰ অৰ্ঘ্যৰ পৰাও দুহাত ভৰাই অৱদান দিছিল তেওঁতকৈ নিঃকিন বা নিঃস্বজনলৈ বুলি।

যেতিয়া তেওঁ সমতে-আহু-অনাহুত সকলোকে বাক চাতুৰ্য্যৰ প্ৰগল্‌ভতাৰে মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল, তেতিয়া সময়ৰ আপোন ভোল গতিয়েও যেন তেওঁলৈ চাবলৈ পাহৰি গৈছিল বা হয়তো সময় ৰৈয়েই গৈছিল—

আৰু যেতিয়া সময়ক আমি ক'লো সদায়েই নোচোৱাকৈ নিচিনাকৈ আজিও নাচাবাচোন তেওঁৰ ফালে, তেতিয়া নিষ্ঠুৰ সময়ে তাতোধিক নিষ্ঠুৰ নিয়তিলৈ চাই হাত দাঙি দিলে, ক'লে— মই নিৰুপায়, মই অসহায়; মোৰো মন নাছিল; কিন্তু চৰাচৰ জগত দুৰ্বোধ্য সাঁথৰৰ ৰহস্যময়তাৰে আবৃত— মানি লোৱা, মানি লোৱা আৰু ক্ষন্তেক চকুপানীকেই সৰ্বোত্তম আভৰণ বুলি তেওঁক পিন্ধাই দিয়া—

তথাপি যেতিয়া বিশ্বাসত নিমজ্জিত আমিবোৰ সাধাৰণ মানুহে বিশ্বব্ৰহ্মাণ্ডৰ খনিকৰজনক সুধিলো এই নিখুঁত পাৰ্থিব ভাস্কৰ্যটো যে ৰসে-পমে-বুদ্ধিৰে নিপোটল কৰি সাজিলা, পৃথিৱীৰ স্থাপত্য কলাৰ শোভাবৰ্ধন কৰিবলৈ, এতিয়া তেওঁক নিবৰ পৰত তুমি বেজাৰ পোৱা নাইনে?

ঈষৎ হাঁহিৰে মৌনতাৰ শব্দেৰে তেওঁ আমাৰ বুকুত লিখি দিলে— অহ, মই সন্তুষ্ট; তেওঁ তেওঁৰ কামখিনি কৰিলে। পিছে চাবা, সুমধুৰ-সুগন্ধি স্মৃতিৰে, তেওঁৰ দৰে বিশাল, উদাৰ হৃদয়ৰ মাজতহে সদায় তেওঁক পাই থাকিব পাৰিবা।

হ'লেও এটা গধুৰ মনেৰে মাথোঁ ৫৯ বছৰ (৬/৯/১৯৬২-২৬/৭/২০২২) বয়সতে মেলানি মগা আৰ্কিটেক্ট গৌতমলৈ চাইছো— ১৮০ টাতকৈও অধিক প্ৰকল্পত তেওঁৰ অৱদানক সুঁৱৰিছো— কহিমাৰ নাগালেণ্ড হাইক'ৰ্ট ভৱন, অৰুণাচল প্ৰদেশৰ বাছ আস্থান তথা পাৰ্কিং স্থান, গুৱাহাটীৰ হজ ভৱন, আৰ্য হাস্পতাল, আৰ্য নাৰ্ছিং কলেজ, কেজিএমটি হাস্পতাল, অজস্ৰ আবাস গৃহ— কিমান নাম ল'ম! চণ্ডীগড় কলেজ অৱ আৰ্কিটেকচাৰৰ পৰা পাছ কৰি গুৱাহাটীৰ গাৰ্লছ পলিটেকনিক, গুৱাহাটী কলেজ অৱ আৰ্কিটেকচাৰ আৰু শেষত ৰয়েল স্কুল অৱ আৰ্কিটেকচাৰৰ অধ্যাপক-ডীন আদি বিভিন্ন দায়িত্ব তেওঁ পালন কৰিলে। অসম বেদ বিদ্যালয়ৰ আজীৱন সদস্য, নিউ আৰ্ট প্লেয়াৰ্ছৰ সভ্য, কেজিএমটি-আৰ্য নাৰ্ছিং কলেজ আদিৰ ন্যাসৰক্ষী হিচাপেও তেওঁ বিভিন্ন অৰিহণা যোগাই গ'ল।

গভীৰ জ্ঞানী-স্ফূৰ্তিবাজ-সদা উৎসাহী, সদা পৰোপকাৰী, সুন্দৰ বক্তা, অসমীয়া, বাংলা, হিন্দী, ইংৰাজী, পাঞ্জাবী, ৰাজস্থানী, ভোজপুৰী, সংস্কৃত আদি সকলো ভাষাতে সাৱলীল, অতি সুন্দৰ গায়ক, ভাল গীটাৰ বাদক আৰু এক সুবিশাল মনৰ অধিকাৰী গৌতমক হেৰুৱাই তেওঁৰ লগৰ-মনৰ মানুহবিলাক ৰিক্ত হোৱাটো স্বাভাৱিক। আমাৰ সমাজো আজি দুখী আৰু দুখীয়া হ'ল।

**সঞ্জীৱ সভাপণ্ডিত**

# নগাঁৱত এছ এফ আইৰ ধৰ্ণা



**বিশেষ সংবাদদাতা**
**নগাঁও, ৪ আগষ্ট ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ে ষষ্ঠ ষাণ্মাসিকৰ ফলাফল নিকাচাৰে অনতিপলমে ঘোষণা কৰা, ফলাফলৰ বিসংগতি দূৰ কৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত পুলিচৰ দমন নীতি বন্ধ কৰাৰ দাবীত ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ (এছএফআই)ৰ নগাঁও জিলা সমিতিয়ে আজি ধৰ্ণা কাৰ্যসূচি ৰূপায়ণ কৰে। নগাঁও চহৰৰ মতিৰাম বৰা উদ্যানৰ সন্মুখত ছাত্ৰ সংগঠনটোৰ কৰ্মীসকলে 'ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা নচলিব', 'ছাত্ৰ-ছাত্ৰীৰ ওপৰত পুলিচী নিৰ্যাতন বন্ধ কৰক' 'পুলিচী নিৰ্যাতনৰ বিৰুদ্ধে ছাত্ৰ সমাজ এক হওক', 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্থাৰ সাধন কৰক' আদি ধ্বনিৰে নগাঁৱৰ ৰাজপথ উত্তাল কৰি তোলে। এছএফআই জিলা সভাপতি নৰোত্তম দাস আৰু সম্পাদক বিশ্বাস ভূঞাৰ নেতৃত্বত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্থাৰ সাধনৰ আহ্বান**

# ধুবুৰীৰ কিছমত হাছদহ আদৰ্শ চিকিৎসালয়ৰ উদ্বোধন

**ধুবুৰী, ৪ আগষ্ট ঃ** বহু জল্পনা-কল্পনাৰ অন্ততঃ আজি ধুবুৰীৰ কিছমত হাছদহ আদৰ্শ চিকিৎসালয়খন উদ্বোধন কৰে ধুবুৰী সমষ্টিৰ বিধায়ক নজৰুল হকে। উল্লেখ্য যে বিগত ১৯৮৫ৰ পৰা ভূমি অধিগ্ৰহণকে ধৰি বিভিন্ন সমস্যা সমাধানৰ মাজেদি ধুবুৰীৰ কালাৰহাট গাঁও পঞ্চায়তৰ অন্তৰ্গত দেবত্তৰ হাছদহ চতুৰ্থ খণ্ডত ২০১৪ত কিছমত হাছদহ আদৰ্শ চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য সমাপ্ত হয়। বিগত ২০১৪ত চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য সমাপ্ত হোৱাৰ পাছৰে পৰা চিকিৎসা সেৱাৰ বাবে কাৰ্যক্ষম কৰি তোলা নাছিল অসম চৰকাৰে। উক্ত চিকিৎসালয়খন ক'ভিড-১৯ মহামাৰীৰ সময়ত ধুবুৰী জিলা স্বাস্থ্য বিভাগে ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে ব্যৱহাৰ কৰিছিল যদিও তাৰ পাছতে কিন্তু বন্ধ কৰি ৰখা হৈছিল উক্ত চিকিৎসালয়টো। আজি ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ তৎপৰতাত বিধায়ক নজৰুল হকৰ উপস্থিতিত কিছমত হাছদহ আদৰ্শ চিকিৎসালয়খন উদ্বোধন কৰে আৰু ৰাইজৰ সেৱাৰ বাবে মুকলি কৰি দিয়ে। আজিৰে পৰা চিকিৎসালয়খনৰ সেৱা মুকলি হোৱাত কালাৰহাট গাঁও পঞ্চায়তৰ আঠখন গাঁৱৰ লগতে ওচৰ চুবুৰীয়া গাঁৱ লগ লাগি মুঠ প্ৰায় ২০ খন গাঁৱৰ ৰাইজ এই চিকিৎসালয়খনত চিকিৎসাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব বুলি বিধায়কজনে জানিবলৈ দিয়ে। স্থানীয় বিধায়কজনে লগতে কয় যে উক্ত চিকিৎসালয়ত যাতে পৰ্যাপ্ত চিকিৎসক, নাৰ্ছ চৰকাৰী কৰ্মচাৰী নিয়োগ কৰা হয় তাৰ বাবেও অসম চৰকাৰক হেচা প্ৰয়োগ কৰিব বুলি স্থানীয় ৰাইজক আশ্বাস প্ৰদান কৰে বিধায়কজনে। আজিৰ উদ্বোধনী সভাত উপস্থিত থাকে ধুবুৰী বিধানসভাৰ প্ৰাক্তন বিধায়ক জাহান উদ্দিন, ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱময় সান্যাল, স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক ইমদাদউল্লাহ, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৰী, গৌৰীপুৰ উন্নয়ণ খণ্ড ধৰ্মশালাৰ খণ্ড উন্নয়ণ বিষয়া সঞ্জীৱ ভৰালী, গৌৰীপুৰ খণ্ড উন্নয়নৰ পঞ্চায়ত সভানেত্ৰী মিনাৰা খাতুনৰ লগতে স্থানীয় গণ্য-মান্য ব্যক্তিসকল।

# বেজেৰাৰ পৰা প্ৰশিক্ষণৰ বাবে কন্যাকা কৃষি পামলৈ ৬২ জন সদস্য প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন আঁচনিৰ জৰিয়তে অসম চৰকাৰৰ পশুপালন বিভাগৰ পৰিচালনাৰে বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সাতখন গাঁও পঞ্চায়তৰ আত্মসহায়ক গোটৰ সদস্যসকলৰ উন্নত প্ৰশিক্ষণৰ বাবে চতিয়া সমষ্টিৰ কন্যাকা কৃষি পামলৈ পঠিওৱা হ'ব। আজি তাৰে অংশৰূপে বেজেৰা ৰাজহুৱা প্ৰেক্ষাগৃহৰ পৰা প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ বাবে চতিয়া সমষ্টিৰ কন্যাকা কৃষি পামলৈ ৬২ জন সদস্য প্ৰেৰণ কৰা হয়। দুদিনীয়া কৰ্মশালাত উপস্থিত থাকিবলৈ আজি পঠিওৱা ৬২ জনীয়া দলটোৰ যাত্ৰাৰ আৰম্ভণি কৰে বেজেৰাৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাই। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন আঁচনিৰ জৰিয়তে গৰু, ছাগলী, গাহৰি পালনৰ উন্নত প্ৰশিক্ষণ দিয়া হ'ব। এই আঁচনিৰ আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক কিৰণ চন্দ্ৰ কাকতি, প্ৰাক্তন ছাত্ৰনেতা বনজিৎ ডেকা, সমাজকৰ্মী তথা শিক্ষাবিদ ৰজনীকান্ত তালুকদাৰ প্ৰমুখ্যে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি। আজিৰ সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বেজেৰা গাঁৱৰ গাঁও প্ৰধান দণ্ডধৰ ভূএগাই।






## এজন শিশু বিশেষজ্ঞ আৰু মেডিচিন বিশেষজ্ঞ

# বেজেৰা স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ অভাৱ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টি জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ অভাৱৰ বাবে আহুকালৰ সন্মুখীন হৈছে ৰোগী। ২০০৬ ত স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত এফআৰইউ পৰ্যায়লৈ উন্নীত হোৱা বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰতিমাহত ৩০ ৰ পৰা ৫০ টি শিশুৱে জন্ম লাভ কৰিছে যদিও এই সকলৰ শিশু চিকিৎসাৰ বাবে নাই শিশু বিশেষজ্ঞ। যাৰ বাবে নৱজাতকসকলৰ জন্মৰ পাছত দেখা দিয়া বিভিন্ন ৰোগৰ চিকিৎসা সাধাৰণ এমবিবিএছ বা প্ৰসূতি বিভাগৰ চিকিৎসকে কৰিবলগীয়া হৈ আছে। আনহাতে, দৈনিক চিকিৎসালয়খনলৈ অহা প্ৰায় তিনিশ-চাৰিশ ৰোগীৰ চিকিৎসাৰ বাবে নাই পৰ্যাপ্ত চিকিৎসক। বৰ্তমান কৰ্মৰত ছগৰাকী চিকিৎসকৰ তিনি গৰাকী প্ৰসূতি বিভাগৰ। এগৰাকী এনাস্থেছিয়ান। বাকী সাধাৰণ ৰোগীৰ বাবে থাকে মাত্ৰ এজন চিকিৎসক। বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰ মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিত হোৱা হেতুকে উন্নত সুবিধা লাভৰ আশাত দৰং, বাগ্‌সাৰ পৰাও ৰোগী আহি ভিৰ কৰে এই চিকিৎসালয়ত। তেনে অৱস্থাত চিকিৎসালয়খনৰ ওপৰত নিৰ্ভৰশীল ৰাইজে ড° শৰ্মাৰ মুখলৈ আশাৰে বাট চাই ৰৈছে। ৰাইজে অন্ততঃ এগৰাকী শিশু বিশেষজ্ঞ আৰু মেডিচিন বিশেষজ্ঞ চিকিৎসক বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰত নিযুক্তি দিবলৈ স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী ড° শৰ্মাক অনুৰোধ জনাইছে।

## শ্ৰীৰামপুৰত ‘হৰ ঘৰ ত্ৰিৰংগা’ সজাগতা শোভাযাত্ৰা




অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৪ আগষ্ট ঃ** সমাগত ৭৫ সংখ্যক স্বাধীনতা দিৱসত প্ৰতিটো ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ যি কাৰ্যসূচী ভাৰত চৰকাৰে ঘোষণা কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখি আৰু আজাদী কী অমৃত মহোৎসৱৰ অংশ হিচাপে ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ অঞ্চলৰ বিভিন্ন আত্মসহায়ক গোট, মহিলা সমিতিয়ে ত্ৰিৰংগা পতাকা প্ৰস্তুত কৰি উলিয়াইছে। হাতীধুৰা উন্নয়ন খণ্ডৰ অধীনস্থ মহিলা গোটসমূহে ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে হৰ ঘৰ ঘৰ পতাকা উত্তোলন কৰাৰ উদ্দেশ্যে আজি এক শোভাত্ৰা উলিয়ায়। শ্ৰীৰামপুৰ বজাৰৰ মাজমজিয়াৰ পৰা উলিওৱা বিশাল শোভাযাত্ৰাটো সমগ্ৰ শ্ৰীৰামপুৰ অঞ্চল পৰিভ্ৰমণ কৰি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰে। উক্ত শোভাযাত্ৰা মুকলি কৰে শ্ৰীৰামপুৰ সমষ্টিৰ এম চি এল এ সজল কুমাৰ সিংহই। আজাদী কী অমৃত মহোৎসৱৰ এই তিনিদিনীয়া কাৰ্যসূচীত সকলো পৰিয়ালক অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনায় সজল কুমাৰ সিংহই।

# শ্ৰীৰামপুৰত পাঁচশ বস্তা চোৰাং ইউৰিয়া সাৰভৰ্তি ট্ৰাক জব্দ ঃ এজনক গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৪ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি আৰক্ষীয়ে ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং ইউৰিয়া সাৰভৰ্তি এখন ট্ৰাক জব্দ কৰাৰ লগতে এজনক আটক কৰে। আৰক্ষীয়ে গোপন সূত্ৰত লাভ কৰা তথ্যৰ ভিত্তিত শ্ৰীৰামপুৰত ৩১ নম্বৰ ‘গ’ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই চোৰাং ইউৰীয়া সৰবৰাহ কৰা আৰ জে-১৪ জিকে নম্বৰৰ এখন ১২ চকীয়া কণ্টেইনাৰ ট্ৰাক আটক কৰি তালাচী চলোৱাত নথিপত্ৰ বিহীনভাৱে অসমলৈ সৰবৰাহ কৰা পাঁচশ বস্তা চোৰাং ইউৰিয়া সাৰ থকা প্ৰত্যক্ষ কৰে। পাছত সাৰসহ কণ্টেইনাৰখন জব্দ কৰাৰ লগতে ট্ৰাকৰ চালক ৰাজস্থানৰ বাসিন্দা গবৰধন ৰামক আটক কৰে। অবৈধ সাৰখিনি পশ্চিমবংগ-বিহাৰ সীমান্তৱৰ্তী ডালখোলাৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল বুলি ট্ৰাকখনৰ চালকে কয়। ইউৰিয়া সাৰৰ কোনো নথিপত্ৰ নাই আৰু উক্ত সাৰসমূহ চোৰাংভাৱে অসমলৈ আনিছিল বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

## সোণাৰিত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**সোণাৰি, ৪ আগষ্ট ঃ** সোণাৰিত যোৱা নিশা এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। সোণাৰি নগৰৰ সমীপৱৰ্তী ভজো বগৰিগুৰিৰ পৰা নিজগৃহ গুৱালাপথাৰ অভিমুখে আহি থকা অৱস্থাত হৰি তামাং (৪০) নামৰ যুৱকজন দুৰ্ঘটনাত পতিত হয়। সোণাৰি অভিমুখে এএছ-৩৩ ৩৬৬৪ নম্বৰৰ ছুপাৰ স্প্লেণ্ডাৰ মটৰ চইকেলখনত আহি থকা অৱস্থাত বগৰিগুৰিৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ খালত ছিটিকি পৰি গুৰুতৰভাৱে আহত হয়। পাছত স্থানীয় ৰাইজৰ সহযোগত লোকজনক সংকটজনক অৱস্থাত সোণাৰিৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ অনা হয় যদিও তাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত তামাঙে পত্নীসহ দুই সন্তান আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

## ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ বৈঠক

# বিদ্যালয় উন্নয়নৰ বাবে লাগিব এক সুপৰিকল্পিত কৰ্মসূচী ঃ গিৰীন্দ্ৰ কাশ্যপ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৪ আগষ্ট ঃ** ‘বিদ্যালয় এখনৰ মূল চালিকা শক্তি হ’ল শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু পৰিচালনা সমিতি। এই চাৰিওটাৰ সংমিশ্ৰণত বিদ্যালয় এখন প্ৰাণৱন্ত হৈ উঠে যদিও ইয়াৰ সামগ্ৰিক উন্নয়নৰ বাবে সুপৰিকল্পিত কৰ্মসূচীৰ প্ৰয়োজন।’ অলপতে ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ বৈঠকত এই মন্তব্য কৰে শিক্ষাসেৱী তথা সমগ্ৰ শিক্ষাৰ ৰাজ্যিক সমল ব্যক্তি গিৰীন্দ্ৰ কাশ্যপে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকাৰ সঞ্চালনতা অনুষ্ঠিত সভাখনত বিদ্যালয়খনে পূৰ্বতে হেৰুওৱা মৰ্যাদা পুনৰ ঘূৰাই অনাৰ স্বাৰ্থত শিক্ষক-শিক্ষয়িত্ৰীসকলে অধিক ত্যাগ স্বীকাৰ কৰি ‘ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ যাওঁ আহক’ কাৰ্যসূচী ল’বলৈ কাশ্যপে আহ্বান জনায়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনহৰি কলিতাই আঁত ধৰা সভাখনত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মাই ছাত্ৰ-ছাত্ৰীক অধিক অনুশীলন কাৰ্য দিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। ঘগ্ৰাপাৰ আঞ্চলিক পঞ্চায়ত সদস্য মনেশ্বৰ ভৰালীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল উন্নত কৰাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে পৰিচালনা সমিতিয়েও উদ্যম ল’ব লাগিব বুলি কয়। সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি দীনেশ শৰ্মায়ো তত্ত্বগধুৰ মন্তব্য দাঙি ধৰে। বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সভাখনত শিক্ষকৰ ফালৰ পৰা জ্যেষ্ঠ শিক্ষক অমূল্য কলিতা, শিক্ষক প্ৰণৱ কুমাৰ লহকৰ, কুশল কুমাৰ শইকীয়া, অপূৰ্ব কলিতা, শিক্ষয়িত্ৰী সংগীতা ডেকা আদিয়ে তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ কথা অৱগত কৰে। শেষত সভাপতিয়ে কৰ্তব্যত গাফিলতি কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে সমিতিয়ে যিকোনো সময়তে কাৰ্যব্যৱস্থা ল’বলৈ কুণ্ঠাবোধ নকৰে বুলি সদৰী কৰে। সভাত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰা হয়।

# ১৭ বছৰতে ভোটাৰৰ বাবে আবেদন কৰিব পাৰিব

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৪ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতবৰ্ষৰ নিৰ্বাচন আয়োগে ভোটাৰৰ বয়স ১৭ বছৰ নিৰ্ধাৰণ কৰিছে। যিসকল যুৱক-যুৱতীৰ আগন্তুক ২০২৩ৰ পহিলা জানুৱাৰীত ১৮ বছৰ পূৰ্ণ হ’ব তেওঁলোকে অনলাইন যোগে আবেদন কৰিব পাৰিব। পূৰ্বতে উক্ত বয়স ১৮ আছিল যদিও সম্প্ৰতি এটা বছৰ হ্ৰাস কৰিছে। যিহেতু ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা সময়ত ভাৰতীয় নাগৰিক হিচাপে পৰিচয়পত্ৰ বিশেষকৈ বিদেশত অতি আৱশ্যক হয়, সেয়ে নিৰ্বাচন আয়োগে এই গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্ত গ্ৰহণ কৰা বুলি বক্তব্য ৰাখে সমল শিক্ষক জয়ন্ত ডেকাই। জালুকবাৰী সমষ্টিৰ শুৱালকুছি উন্নয়ন খণ্ড অঞ্চলৰ পূব, পশ্চিম, মধ্য শুৱালকুছি, বংশৰ আৰু গন্ধমৌ পঞ্চায়তৰ বিএলঅ’সকলৰ ভৃংগেশ্বৰ হাইস্কুলত অনুষ্ঠিত এখন কৰ্মশালাত এইদৰে বক্তব্য ৰাখি ডেকাই আৰু কয় যে ইতিমধ্যে ভাৰতৰ লগতে অসমতো হেজাৰ হেজাৰ অচিনাক্ত লোকৰ ভোট বিভিন্ন কাৰণত অন্তৰ্ভুক্ত হৈ আছে। এনেকি বহুতে নীতি বহিৰ্ভূতভাৱে ভোটাৰ তালিকাত দুই ঠাইতো নাম অন্তৰ্ভুক্ত কৰিছে। এনেবোৰ সমস্যা নাইকিয়া কৰাৰ বাবে নিৰ্বাচনি আয়োগে বহু চিন্তা-চৰ্চা কৰি প্ৰত্যেক ভোটাৰে আধাৰ কাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক বুলি দোহাৰে। শতাধিক বিএলঅ’ উপস্থিত থকা উক্ত প্ৰশিক্ষণত এআৰঅ’ ক্ৰমে শুৱালকুছি উন্নয়ন খণ্ড বিষয়া অৰ্চনা দাস আৰু গৌতম বৈশ্যই বিএলঅ’সকলৰ কষ্টৰ কথা স্বীকাৰ কৰাৰ লগতে বছৰেকীয়া মাননি বৃদ্ধি কৰাৰ পোষকতা কৰে। আনহাতে, নামমাত্ৰ মাননি পোৱা অংগনৱাড়ী কৰ্মী বিএলঅ’সকলে নিজৰ কষ্টোপাৰ্জিত ধনেৰে ক্ৰয় কৰা এণ্ড্ৰইড ম’বাইল আৰু ইণ্টাৰনেটৰ খৰচ বহন কৰি নিৰ্বাচনী কাম কৰাৰ ক্ষেত্ৰত অসন্তুষ্টি প্ৰকাশ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰে। মনকৰিবলগীয়া এই যে বিএলঅ’সকলে দায়িত্বশীল নিৰ্বাচনী কামৰ বিনিময়ত মাহিলি মাননি লাভ কৰে ৫৮৩ টকাকৈ বছৰত সাত হেজাৰ। সাম্প্ৰতিক সময়ত সামগ্ৰীয়ে নহয়, যাতায়াতৰ মূল্যবৃদ্ধিয়ে জুৰুলা কৰাৰ সময়ত বিয়াগোম নিৰ্বাচন বিষয়া কিম্বা আয়োগে কণ হাঁহক পতান দিয়াতকৈও বিএলঅ’ৰ মাননী নিম্নগামী হোৱা বুলি তেওঁলোকে অভিযোগ তোলে। কাৰণ পাহাৰ-ভৈয়াম একাকাৰ কৰি নিৰ্বাচনৰ কামত ঘৰে ঘৰে কাম কৰে। বিপৰীতে নিজৰ ম’বাইল, নেটৰ খৰচ বহন কৰাৰ পাছতো সামান্য মাননিৰে কাম কৰাত অপাৰগতা প্ৰকাশ কৰিছে। আনকি নিৰ্বাচনৰ দিনা সকলোৱে অলপ হ’লেও খৰচৰ বাবদ টকা পোৱাৰ বিপৰীতে বিএলঅ’ সকলে গাঁঠিৰ ধন ভাঙি চাহ খাই ভোট কেন্দ্ৰত উপস্থিত থাকিব লাগে। এনে ক্ষেত্ৰত নিৰ্বাচন বিভাগে বিএলঅ’সকলৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ ওচৰত সভাৰ জৰিয়তে দাবী উত্থাপন কৰিছে।

## নিৰ্বাচন আয়োগৰ ঘোষণা ঃ আধাৰ কাৰ্ড সংলগ্ন বাধ্যতামূলক

# প্ৰত্যায়নৰ চতুৰ্থ চক্ৰৰ বাবে ৰাষ্ট্ৰীয় মূল্যায়ন তথা প্ৰত্যায়ন পৰিষদৰ তেজপুৰ বিশ্ববিদ্যালয় পৰিদৰ্শন


ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ৪ আগষ্ট ঃ** ৰাষ্ট্ৰীয় মূল্যায়ন তথা প্ৰত্যায়ন পৰিষদ, (নাক)ৰ ছজনীয়া এটা সঁজাতী দলে বিশ্ববিদ্যালয় প্ৰত্যায়নৰ চতুৰ্থ চক্ৰৰ বাবে পহিলা আগষ্টৰ পৰা তিনি আগষ্টলৈ তেজপুৰ বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। ৰাজস্থান কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক আনন্দ ভালেৰাওৰ অধ্যক্ষতাত গঠিত পৰিদৰ্শন সমিতিখনত সদস্য সমন্বয়ক হিচাপে আলীগড় মুছলিম বিশ্ববিদ্যালয়ৰ অধ্যাপক জাভেদ আখতাৰ, তথা সদস্য হিচাপে ভূপালৰ মৌলানা আজাদ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যাপক সবিতা দীক্ষিত, যাদৱপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক সুস্মিতা ঘোষ, কাশ্মীৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক আনিছা ছফি আৰু পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক তৰুণ আৰোৰা সদস্য হিচাপে উপস্থিত আছিল। প্ৰত্যায়ন প্ৰক্ৰিয়াৰ পৰিমাণগত মান মূল্যায়নৰ বাবে পতিষ্ঠানগত তথ্য আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা অনলাইনত দাখিল কৰা স্ব অধ্যয়ন প্ৰতিবেদনৰ মূল্যাংকনৰ স’তে ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। নাকৰ দলে বিশ্ববিদ্যালয়ৰ স্ব-অধ্যয়ন প্ৰতিবেদনত বৰ্ণনা কৰা অনুসৰি গুণগত মান সম্পৰ্কত প্ৰতিষ্ঠানটোৰ পৰীক্ষা, বৈধতা, মূলাংকন আৰু নম্বৰ দিবলৈ তেজপুৰ বিশ্ববিদ্যালয় চৌহদত থকা বিভিন্ন বিভাগ আৰু আন সা-সুবিধাসমূহ পৰিদৰ্শন কৰে। তিনিদিনৰ এই মূল্যায়ন প্ৰক্ৰিয়াৰ সময়ছোৱাত, নাকৰ এই সঁজাতী দলটোৱে বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ, কেন্দ্ৰ, পৰীক্ষাগাৰ, হোষ্টেল আৰু অন্যান্য সুবিধাসমূহ পৰিদৰ্শন কৰে। ইয়াৰ লগতে বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক, প্ৰাক্তন ছাত্ৰ আৰু কৰ্মচাৰীৰ স’তে মত বিনিময় কৰে। পৰিদৰ্শন সমিতিৰ অধ্যক্ষজনে অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহজনক অংশগ্ৰহণ সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰি কয় যে এনে অংশগ্ৰহণ অন্যান্য উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অনন্য। নাকৰ সঁজাতী দলটোক পহিলা আগষ্টত তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা নৃত্য, গীত আৰু সংগীতৰ এক বৰ্ণিল মনোৰম সাংস্কৃতিক অনুষ্ঠানৰ দ্বাৰা আদৰণি জনোৱা হয়। অনুষ্ঠানটোৰ মুখ্য আকৰ্ষণ আছিল থাইলেণ্ডৰ সিংদাৰণ ফেউচা হুম আৰু জিম্বাব’ৱেৰ ডিজায়াৰ ফাদজি মাকুনিকেন খাই আৰু পূব জিম্বাব’ৱেৰ স্থানীয় নৃত্য প্ৰদৰ্শন। এই পৰিদৰ্শন তিনি আগষ্টত এক বিদায় সভাৰ জৰিয়তে সমাপ্ত হয়। নাকৰ সঁজাতী দলটোৱে প্ৰেক্ষাগৃহত তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষক সদস্য আৰু কৰ্মচাৰীসকলৰ আগত তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিদৰ্শনৰ অভিজ্ঞতা আৰু মতামত বিনিময় কৰে। উল্লেখ্য যে নাকৰ নিয়ম অনুসৰি সমিতিখনে তেওঁলোকৰ মূল্যাংকন প্ৰতিবেদন নাকৰ অনলাইন প’ৰ্টেলত দাখিল কৰাৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বিনোদ কুমাৰ জৈনৰ ওচৰতো দাখিল কৰে।

# আগিয়াত দুৰাৰোগ্য ৰোগীক ৰাভা হাছঙৰ ৫০ হেজাৰৰ চেক প্ৰদান



**অগ্ৰদূত বাৰ্তা, আগিয়া, ৪ আগষ্ট ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ আগিয়া পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বৈকুণ্ঠপুৰ গাঁৱৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত ভুৱনেশ্বৰ নাথ নামৰ লোকজনক উন্নত চিকিৎসাৰ বাবদ আজি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা ৫০ হেজাৰ টকাৰ এককালীন চেক প্ৰদান কৰা হয়। পৰিষদৰ হৈ আগিয়া পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্যা সুচিত্ৰা নাথে আজি নাথৰ বাসগৃহত উপস্থিত হৈ স্থানীয় ৰাইজৰ উপস্থিতিত ৰোগীজনক চেক প্ৰদান কৰে। কাৰ্যসূচীত উপস্থিত থাকে যুৱ ব্যৱসায়ী মদন নাথ। উল্লেখ্য যে কৃষি আৰু দিন মজুৰি কৰি পৰিয়াল পোহপাল দিয়া নাথে বিগত কে’বাবছৰৰ পৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ আছে। চিকিৎসাৰ নামত গৰু-ছাগলী বিক্ৰী কৰি সৰ্বস্বান্ত হৈ পৰা দৰিদ্ৰ লোকজনক ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে আৰ্থিক সাহায্য প্ৰদান কৰাত ৰোগীজনৰ লগতে ৰাইজেও সাধাৰণ সদস্যা নাথক ধন্যবাদ জ্ঞাপন কৰে।





### লাভলীনাৰ ব্যৰ্থতাৰ বিপৰীতে ছেমিফাইনেলত ভাৰতৰ নিখাত-অমিত-সাগৰ-জেছমিন

# বক্সিঙত নিশ্চিত হ'ল ছটা পদক





**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ জয়ী লাভলীনা বৰগোহাঁই কোৱাৰ্টাৰ ফাইনেলত ২-৩ ৰ ব্যৱধানত পৰাস্ত হৈ বিদায় ল'লেও চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ বক্সিঙত ভাৰতে এতিয়ালৈ ছটা পদক জয় কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে বিশ্ব বক্সিঙৰ চেম্পিয়ন ভাৰতৰ নীখাত জাৰিণ আৰু অমিত পাংগল ছেমিফাইনেলত প্ৰৱেশ কৰি নিজৰ নিজৰ পদক জয় কৰাটো নিশ্চিত কৰিছে। পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাত খেলা অমিত পাংগলে আজি কোৱাৰ্টাৰ ফাইনেলত ৫-০ ৰ ব্যৱধানত স্কটলেণ্ডৰ লেননক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইয়াৰপূৰ্বে তেওঁ হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, বিশ্ব চেম্পিয়নশ্বিপত সোণ লাভ কৰা নিখাত জাৰীনে মহিলাৰ ৫০ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ৱেলছৰ হেলেনা জ'নছক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশেৰে পদক জয় নিশ্চিত কৰে। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত নিখাতে নক আউট কৰিছিল মোঝাম্বিকৰ হেলেনা ইছমাইলক। ইফালে, মহিলাৰ ৫১ কিলোগ্ৰাম শাখাৰ আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ জেছমিনে নিউজিলেণ্ডৰ গাৰ্টনক ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান তথা পদক নিশ্চিত কৰে। আজিয়েই পদক নিশ্চিত কৰিছে পুৰুষৰ ৯২ কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰেও। কোৱাৰ্টাৰ ফাইনেলত তেওঁ ৫-০ ৰ ব্যৱধানত জয়ী হৈ অন্তিম চাৰিত প্ৰৱেশ কৰি দেশৰ পদকৰ সংখ্যা বৃদ্ধি কৰিছে। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা বক্সাৰ নীতু আৰু পুৰুষ বক্সাৰ মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছিল। ৪৮ কিলোগ্ৰাম শাখাত খেলা নীতুই কোৱাৰ্টাৰ ফাইনেল খেলিয়েই নিজৰ অভিযান আৰম্ভ কৰে আৰু প্ৰথম মেচতে উত্তৰ আয়াৰলেণ্ডৰ নিক'লাক নকআউট কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখা কোৱাৰ্টাৰ ফাইনেলত মহম্মদ হুছামুদ্দিনে ৪-১ ৰ ব্যৱধানত নামিবিয়াৰ এনডেভেলোক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশেৰে পদক জয়ো নিশ্চিত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰিছিল। আনহাতে, ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক।



নিখাতৰ লগত প্ৰশিক্ষক ভাস্কৰ ভাট আৰু প্ৰণামিকা বৰা

## লন বলৰ এককৰ কোৱাৰ্টাৰত স্থান নাপালে অসমৰ মৃদুলে

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ লন বলৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰাত ব্যৰ্থ হ'ল ভাৰতীয় দলৰ সদস্য অসম সন্তান মৃদুল বৰগোহাঁয়ে। উল্লেখ্য যে আজি মৃদুল ৰ'জ ডেভিছৰ বিৰুদ্ধে ১৩-২১ ৰ ব্যৱধানত পৰাস্ত হয়। ইয়াৰপূৰ্বে গ্ৰুপৰ দুয়োখন মেচত মৃদুলে জয়লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰথম মেচত মৃদুল মুখামুখি হয় ফ্লেংকলেণ্ড আইছলেণ্ডৰ ক্ৰিছ ল'কিৰ। মেচখনত মৃদুলে ২১-৫ ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, দিনটোৰপুৰুষৰ একক শাখাৰ দ্বিতীয়খন মেচত মৃদুলে ২১-১৯ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ইয়ান মেকলানক। উল্লেখ্য যে ভাৰতৰ মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত এতিয়া ভাৰতীয় লন বলৰ প্ৰতিগৰাকী সদস্যৰ আত্মবিশ্বাস তুংগত। মুঠ ১০ টা পদক ইভেণ্টৰ মেচ হ'বলগা লন বলত ভাৰতে আৰু অঘটন ঘটাব পাৰে। ইফালে, আজি মহিলাৰ ২০০ মিটাৰ দৌৰত অসমৰ ধিং এক্সপ্ৰেছ হিমা দাসে ২৩.৪২ ছেকেণ্ডত ৰেছ পূৰ্ণ কৰি ১৬ জনৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

## পদকজয়ী খেলুৱৈক অভিনন্দন

**অগ্ৰদূত বাৰ্তা, বিশ্বনাথ চাৰিআলি, ৪ আগষ্ট ঃ** অসম যুৱ অলিম্পিক আৰু অসম ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাত পদক বুটলিবলৈ সক্ষম হোৱা বিশ্বনাথৰ কেইবাগৰাকী খেলুৱৈক অভিনন্দন জনোৱা হয়। অনুষ্ঠানত অসম যুৱ অলিম্পিকত জুডো প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা বিশ্বনাথৰ চেম্পিয়নছ মেকাৰ একাডেমীৰ ছাত্ৰ ভাস্কৰ জ্যোতি শইকীয়াৰ লগতে বঙাইগাঁৱত অনুষ্ঠিত ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা ভূমিস্থা দাস আৰু হিমশিখা দাস, ৰূপৰ পদক লাভ কৰা প্ৰিয়দৰ্শনী লামা আৰু নয়নী গগৈ, ব্ৰঞ্জৰ পদক লাভ কৰা ঋষভ নাথ, আৰাধ্যা প্ৰিয়ম, ঋষিকা কুৰ্মী, অধিৰাজ হাজৰিকা, বৰ্ণিল ফুকন, সুদীপ্ত নয়ন বৰাকো অভিনন্দন জনোৱা হয়। বিশ্বনাথৰ চেম্পিয়নছ মেকাৰ একাডেমী, বিশ্বনাথ জিলা টাইকোৱান-ড' সন্থা আৰু বিশ্বনাথ জিলা জুডো সন্থাৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত বিশ্বনাথৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা, উপ আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা, জিলা জুডোৰ সভাপতি আমিৰ খান, চিকিৎসক মিতালী গগৈ, শিক্ষয়িত্ৰী কিৰণবালা দেৱী, কাজি জেইদুল ইছলাম হৃদয়ানন্দ দাস আদি উপস্থিত থাকে।

## প্ৰথম ভাৰতীয়ৰূপে কমনৱেলথৰ স্ক'ৱাছত ব্যক্তিগত পদক সৌৰভৰ



**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ সৌৰভ ঘোষালে ইতিহাস গঢ়ি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ পুৰুষৰ একক শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ব্ৰঞ্জ পদকৰ মেচত সৌৰভে ১১-৬, ১১-১, ১১-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে প্ৰাক্তন বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ খেলুৱৈ ইংলণ্ডৰ জেমছ উইলষ্ট্ৰ'পক। উল্লেখ্য যে এয়া কমনৱেলথ গেমছত স্ক'ৱাছত ভাৰতৰ প্ৰথমটো ব্যক্তিগত পদক। ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলত নিউজিলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে ৩-০ ৰ ব্যৱধানত পৰাস্ত হৈছিল সৌৰভ। উল্লেখ্য কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত স্কটলেণ্ডৰ ল'বানক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰি অন্তিম আঠত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভাৰতৰ জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ স্ক'ৱাছৰ মহিলাৰ একক শাখাৰ পদক প্ৰত্যাশি আছিল যদিও কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা পূৰ্বেই আঁতৰি আহিছিল। এতিয়া ভাৰতীয় দলৰ লক্ষ্য হ'ব ডাবলছ আৰু মিক্সড ডাবলছত পদক লাভ কৰা।



দলীয় পদকৰ পাছত এককত জয়েৰে আৰম্ভণি শ্বাটলাৰ পি ভি সিন্ধুৰ।

## আদালতৰ সহায়ত কমনৱেলথ গেমছ খেলি ঐতিহাসিক পদক পালে শংকৰে

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতক এথলেটিকছত প্ৰথমটো পদক দিলে তেজস্বিন শংকৰে। উল্লেখ্য যে যোৱানিশা অলেকজেণ্ডাৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা পৰুষৰ হাই জাম্পত শংকৰে নতুন ইতিহাস গঢ়ি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত এয়া ভাৰতৰ এথলেটিকছত প্ৰথমটো পদক হোৱাৰ লগতে কমনৱেলথ গেমছৰ ইতিহাসত এয়া ভাৰতৰ প্ৰথমটো হাই জাম্পত পদক জয়ৰ গৌৰৱময় সফলতাও। ২.২২ মিটাৰ জপিয়াই ব্ৰঞ্জ লাভ কৰে শংকৰে। সোণ নিউজিলেণ্ডে আৰু ৰূপ অষ্ট্ৰেলিয়াই দখল কৰে। উল্লেখ্য যে ভাৰতীয় এথলেটিকছ সন্থাই প্ৰথমে তেজস্বিন শংকৰক বাৰ্মিংহাম কমনৱেলথ গেমছৰ ভাৰতীয় দলত বাছনি কৰা নাছিল। যোগ্যতাৰ পাছতো দললৈ নিৰ্বাচন নোহোৱাত আদালতৰ কাষ চাপি ন্যায়ৰ বাবে গোচৰ দিছিল হাইজাম্পাৰ তেজস্বিন শংকৰে। পাছত আদালতে তেজস্বিনৰ পক্ষত ৰায় দিয়াত বাধ্য হৈ ভাৰতীয় এথলেটিকছ সন্থাই শংকৰক বাৰ্মিংহাম কমনৱেলথ গেমছৰ ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰে। নিজৰ দক্ষতা যোৱানিশা অলেকজেণ্ডাৰ ষ্টেডিয়ামত প্ৰমান কৰি ঐতিহাসিক পদক লাভ কৰিলে শংকৰে। ইফালে, ২০ বছৰ পাছত কমনৱেলথ গেমছত মহিলাৰ ডিচকাছ থ্ৰ'ত এইবাৰ পদক নাপালে ভাৰতে। সীমা পুনিয়া আৰু ধিলন ব্যৰ্থ হয়। ইফালে, আজি হোৱাৰ মহিলাৰ হামাৰ থ্ৰ'ত ভাৰতৰ মঞ্জু মালাই ৫৯.৬৮ মিটাৰ দলিয়াই ফাইনেলত প্ৰৱেশ কৰে যদিও ব্যৰ্থ হয় সৰিতা সিং। ইফালে, মহিলাৰ ২০০ মিটাৰ দৌৰত অসমৰ ধিং এক্সপ্ৰেছ হিমা দাসে ২৩.৪২ ছেকেণ্ডত ৰেছ পূৰ্ণ কৰি ১৬ জনৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছে।



### বাৰ্বাডোজৰ বিৰুদ্ধে ১০০ ৰাণত জয়লাভ

## ছেমিত ভাৰতৰ মহিলা ক্ৰিকেট দল



**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ মহিলা ক্ৰিকেট দলে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশা ভাৰতে নিজৰ তৃতীয় মেচত ১০০ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্বাডোজক। এয়া ভাৰতৰ ক্ৰমাগত দ্বিতীয় বিজয়। পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। ভাৰতৰ হৈ বেটিং মুকলি কৰা শ্বেফালি বাৰ্মাই ২৬ বলত ৪৩ ৰাণ কৰাৰ লগতে জেমিমা ৰড্ৰীগেজে অপৰাজিত ৫৬ আৰু দিপ্তী শৰ্মাই ৩৪ ৰাণ কৰে। প্ৰত্যুত্তৰত, বাৰ্বাডোজে আঠ উইকেটত ৬২ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ ৰেনুকা সিঙে ১০ ৰাণ দি চাৰিটা উইকেট পায়। উল্লেখ্য যে প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি নিজৰ দ্বিতীয়খন মেচত পাকিস্তানক পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছিল। বৰ্ষাবিঘ্নিত মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দল আঠ উইকেটত চমকপ্ৰদ বিজয় অৰ্জন কৰে পাকিস্তানৰ বিৰুদ্ধে। বৰষুণৰ বাবে মেচৰ অভাৰ হ্ৰাস কৰি ২০ পৰিবৰ্তে ১৮ অভাৰৰ কৰা হয়। টছত জয়ী হৈ বেটিং কৰা পাকিস্তান মহিলা দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৯ ৰাণ কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হৈ স্নেহা ৰাণা আৰু ৰাধা যাদৱে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ১০০ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে বিস্ফোৰক আৰম্ভণি কৰি ১১.৪ অভাৰতে দুই উইকেটত ১০২ ৰাণ কৰি হেলাৰঙে জয় অৰ্জন কৰে। ভাৰতৰ স্মৃতি মান্ধানাই ৪২ বলত অপৰাজিত ৬৩ ৰাণ কৰে। মান্ধানাই আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। তেওঁৰ লগত ইনিংছ মুকলি কৰা শ্বেফালীয়ে ১৬ ৰাণ কৰে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮ৰ তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭ৰ বিৰুদ্ধে।

## কঠালগুৰিৰ জয়

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৪ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত কঠালগুৰি এফ চিয়ে আজিৰ খেলত জয়ী হৈ লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। দলে কিংশুক একাদশক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। কঠালগুৰিৰ শিৱা চবৰ, ৰুকেশ পাটনায়ক আৰু হেমন কেৰকেটাই গ'ল দি বিজয় নিশ্চিত কৰে। আজিৰ জয়ৰ সূত্ৰে কঠালগুৰি এফ চিয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত কৰিছে।

## আন্তঃক্লাব ফুটবল

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৪ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত বঢ়মপুৰ স্প'ৰ্টছ ক্লাব আৰু কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবৰ মাজৰ গুৰুত্বপূৰ্ণ খেলখন ১-১ গ'লত ড্ৰ হয়। বিৰতিলৈকে গলশূণ্যভাৱে থকা খেলখনত বঢ়মপুৰৰ হৈ বিদ্যুৎ বনিয়াই আৰু কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবৰ হৈ ৰোহিত টেৰণে গ'ল দিয়ে।

### ৱেলছৰ বিৰুদ্ধে ৪-১ গ'লত জয়লাভ

## ছেমিত পুৰুষৰ হকী দল

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলৰ পাছত পুৰুষ হকী দলেও চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজি খেলা নিজৰ চতুৰ্থ গ্ৰুপ মেচখনত ভাৰতৰ পুৰুষ হকী দলে ৪-১ গ'লৰ ব্যৱধানত ৱেলছ পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। উল্লেখ্য যে পুৰুষৰ হকী দলে ইতিমধ্যে খেলা চাৰিখন মেচত ২৭ টা গ'ল কৰি ছেমিফাইনেলত প্ৰৱেশেৰে নিজৰ শক্তিৰ পৰিচয় দিছে। তিনিখনত জয় তথা এখন ড্ৰ খেলা পুৰুষ হকী দল এতিয়াও অপৰাজেয়। উল্লেখ্য যে ঘানাৰ বিৰুদ্ধে ১১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে ৪-৪ ত ড্ৰ খেলিবলৈ বাধ্য হৈছিল। কিন্তু তৃতীয় মেচত ভাৰতে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কানাডাক। আজিৰ জয়ে দলক ছেমিফাইনেলৰ স্থান নিশ্চিত কৰালে।



## ১০ টা পদক জয়েৰে গৌৰৱময় যাত্ৰা সামৰিলে ভাৰতৰ ভাৰোত্তোলকে

**বাৰ্মিংহাম, ৪ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকে চমকপ্ৰদ প্ৰদৰ্শন কৰি মুঠ ১০ টা পদক জয়েৰে অভিযান সমাপ্ত কৰিলে। অৱশ্যে এতিয়াও পেৰা ভাৰোত্তোলকে নিজৰ খেল খেলিবলৈ বাকী আছে আৰু ভাৰতৰ পদক জয়ৰ আশা আছে। যোৱানিশা ভাৰোত্তোলনত ভাৰতক ১০ নম্বৰ পদকটো দিয়ে পুৰুষৰ ১০৯ কিলোগ্ৰাম উৰ্দ্ধত খেলা গুৰদ্বীপ সিঙে। হেভিৱেইট বক্সাৰজনে মুঠ ৩৯০ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ স্নেচত ১৬৭ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ২২৩ কিলোগ্ৰাম উত্তোলন কৰিবলৈ সক্ষম হয়। ৪০৫ কিলোগ্ৰাম উত্তোলন কৰি পাকিস্তানৰ মহম্মদ নুহ বাটে সোণ তথা ৩৯৪ কিলোগ্ৰাম উত্তোলন কৰি নিউজিলেণ্ডৰ ডেভিদ এন্দ্ৰিউ ৰূপৰ পদক লাভ কৰে। উল্লেখ্য যে বিগত ২০১৮ ৰ গ'ল্ডকষ্ট কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলে মুঠ নটা পদক লাভ কৰিছিল। এইবাৰ ১০ টা পদক জয়েৰে গৌৰৱময় সফলতা লাভ কৰিলে। উল্লেখ্য যে ভাৰোত্তোলনত ভাৰতৰ হৈ মীৰাবাঈ চানু, জেৰেমি আৰু অচিন্তই সোণ লাভ কৰাৰ লগতে বিন্দিৰাণী দেৱী, সংকেট সাগৰ আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক জয় কৰিছে। ইফালে, ভাৰতৰ হৰ্জিন্দৰ সিং, গুৰুৰাজা পুজাৰী আৰু লাভপ্ৰীত সিঙে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।



গুৰদ্বীপ সিঙৰ ব্ৰঞ্জ লাভ

### 'ৱেক আপ কল'

## ভুল নুবুজিবা লাভলীনা

■ কুলপ্ৰদীপ ভাগৱতী

**লা**ভলীনা। বাৰ্মিংহাম কমনৱেলথ গেমছৰ কোৱাৰ্টাৰ ফাইনেলতে অভিযান সামৰাৰ বাবে লিখা নাই। কাৰণ প্ৰথম অসমীয়াৰূপে অলিম্পিক পদক জয় কৰাৰ পাছত স্বৰূপাৰ্থত তোমাৰ পৰা আৰু সফলতা বিচৰাৰ অধিকাৰ নাই। টকিঅ'ত তোমাৰ ব্ৰঞ্জ পদক জয়ৰ সফলতা অসমীয়াৰ বাবে চিৰ গৌৰৱৰ। যিদিনালৈ দ্বিতীয়গৰাকী অসমীয়াই অলিম্পিকত সোণ-ৰূপ বা ন'বেল আৰু অস্কাৰ বঁটা লাভ নকৰে তোমাৰ ব্ৰঞ্জ পদক জয়ৰ সফলতাটোৱে অসমবাসীৰ বাবে সৰ্বশ্ৰেষ্ঠ হৈ থাকিব। সেয়ে কমনৱেলথ গেমছত পদক নোপোৱাৰ ঘটনাটোৱে কোনো কাৰণতে এইসময়ত খেলৰত্ন বঁটা লাভ কৰি ভাৰত গৌৰৱ ক্ৰীড়াবিদ হোৱা আৰু শ্ৰেষ্ঠ অসমীয়াৰ স্বীকৃতি পোৱা গৌৰৱৰ পৰা তোমাক অৱনমিত কৰিব নোৱাৰে। কিন্তু বাৰ্মিংহাম কমনৱেলথ গেমছৰ সময়ত (এমাহ আগৰ পৰাই) যি অপ্ৰত্যাশিত ঘটনাবোৰ পোহৰলৈ আহিল সেয়াহে তোমাৰ গৌৰৱময় কেৰিয়াৰ বাবে এক 'ৱেক আপ কল'।

১১ জুন, ২০২২। তুমি ৰাষ্ট্ৰীয় বাছনি শিবিৰত অংশ লৈ সহজে মেচ জয় কৰি বাৰ্মিংহাম কমনৱেলথ গেমছলৈ নিৰ্বাচিত হৈছিলা। সেইদিনাই সংবাদমেলত তুমি মুকলিভাৱে কৈছিলা যে টকিঅ' অলিম্পিকৰ সফলতাৰ পাছত চৰকাৰী-বেচৰকাৰী সম্বৰ্ধনা সভা আৰু ৰাজহুৱা অনুষ্ঠান আদিত অংশ লৈ তুমি ভাগৰি পৰিছা লগতে এনে আমন্ত্ৰণে আমনিও কৰিছে। নেতিবাচক প্ৰভাৱ পেলাইছে তোমাৰ দৈনিক অনুশীলনতো। যাৰ বাবেই ইষ্টানবুলত হোৱা বিশ্ব বক্সিং চেম্পিয়নশ্বিপত পদক যুদ্ধৰ পূৰ্বেই বিদায় ল'ব লগাৰ হতাশাজনক পৰিস্থিতিৰ তুমি সন্মুখীন হ'ব লগা হৈছিল। তোমাৰ সেই বেদনাৰ কথাবোৰ সংবাদ মাধ্যমে গুৰুত্ব সহকাৰে প্ৰচাৰ কৰিলে। কাৰণ আমিও অনুভৱ কৰো যে কিদৰে গামোচাৰ ভাৰে অসমত প্ৰতিভা ধ্বংস কৰে। তদুপৰি কেৰিয়াৰ গঢ়া সময়খিনিত কোনো দিনে সহায় নকৰা ব্যৱসায় চক্ৰটোৱে সফলতাৰ পাছতেই নিজৰ স্বাৰ্থৰ বাবে কিদৰে অক্টোপাছৰ দৰে আবদ্ধ কৰি দেশক অধিক গৌৰৱ দিব পৰা সুন্দৰ কেৰিয়াৰত স্থবিৰতা লৈ আনে। অত্যাধিক চৰকাৰী মৰম লগতে আবেগিকক তথা অপৈণত মিডিয়াও অতি ক্ষতিকাৰক।

কিন্তু পাঁচ দিন পাছতে তুমি গুৱাহাটী টাউন ক্লাবলৈ আহিছিলা অনুষ্ঠান এটাত অংশ ল'বলৈ। সেয়া বক্সিঙৰ অনুষ্ঠান আছিল ঠিকেই, কিন্তু পৰীক্ষাৰ এমাহ আগত ভাল শিক্ষাৰ্থীয়ে উপন্যাস নপঢ়ে। এসপ্তাহ পাছত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত তোমাক দেখা গ'ল গ্ৰন্থ উন্মোচনী অনুষ্ঠানতো। বাকী ফেশ্বন সম্পৰ্কীয় ফটো ছেচনো বিৰামহীন গতিত চলিয়ে আছিল। অথচ তেতিয়া বাৰ্মিংহাম কমনৱেলথ গেমছলৈ এমাহ সময়ো নাছিল। নিজক সাজু কৰাৰ বাবে অন্তিম অনুশীলন তথা প্ৰস্তুতিৰ সময় আছিল সেয়া। বিপৰীতে তোমাৰ ব্যস্ততা অন্য ক্ষেত্ৰতহে দেখা গ'ল। অৱশ্যে এয়া তোমাৰ সম্পূৰ্ণ ব্যক্তিগত কথা। কিন্তু পৰস্পৰ বিৰোধী স্থিতিটো দেখিহে এই বিষয়টো উল্লেখ কৰিলো। আনহাতে, দেশক প্ৰতিনিধিত্ব কৰাৰ বাবেই এনে কথাবোৰ দেশৰ নাগৰিকৰ মাজতো চৰ্চা হোৱাটো স্বাভাৱিক।



চলিত কমনৱেলথ গেমছৰ দুদিন পূৰ্বে ছ'চিয়েল মিডিয়াত প্ৰকাশ কৰা তোমাৰ এটা মন্তব্যই দেশৰ ক্ৰীড়া, ৰাজনীতি, সামাজিক ক্ষেত্ৰত খলকনি লগাই দিলে। অলিম্পিক পদক লাভ কৰা মহান ক্ৰীড়াবিদৰূপে তুমি নিশ্চয় জ্ঞাত যে অলিম্পিক, কমনৱেলথ গেমছ, এছিয়ান গেমছত প্ৰশিক্ষক আৰু সহযোগী সদস্যৰ সংখ্যাক লৈ কেতবোৰ নিয়ম আছে। দেশৰ খেলুৱৈৰ সংখ্যা অনুপাতেহে দলত থাকিব প্ৰশিক্ষক আৰু সহযোগী সদস্য। বিশ্বৰ সকলো দেশে এই নিয়ম পালন কৰে। কিন্তু 'ৰাজনীতিৰ বলি' আৰু 'মানসিক হাৰাশাস্তি' শব্দবোৰ ব্যৱহাৰ কৰি যি প্ৰতিক্ৰিয়া তোমাৰ ছ'চিয়েল মিডিয়াত প্ৰকাশ হ'ল সেয়া কাৰ্যতঃ 'হাইজেকাৰে' কৰা দাবীৰ দৰে হৈ পৰিল। যিহেতু তুমি এতিয়া ভাৰতীয় বক্সিঙৰ 'গ্লেমাৰ গাৰ্ল' গতিকে দাবী তাৎক্ষণিকভাৱে পুৰণ কৰাও হ'ল। ইয়াৰ ফলশ্ৰুতিত বলিদান দিলে দলত থকা একমাত্ৰ চিকিৎসজনে আৰু ভাৰতীয় মহিলা বক্সিঙৰ অন্যতম পিতৃ পুৰুষ সকলোৰে শ্ৰদ্ধাৰ প্ৰশিক্ষক ভাস্কৰ ভাটে। ভাৰতৰ সংস্কৃতি হ'ল গুৰু দক্ষিণা। কিন্তু প্ৰথমবাৰৰ বাবে দেখা গ'ল শিষ্য দক্ষিণা।

ছ'চিয়েল মিডিয়াৰ ক্ৰীড়া বোমাটোত এটা অসত্য কথা পোহৰলৈ আহিল। তুমি টকিঅ' অলিম্পিকত পদক লাভ কৰাৰ অন্যতম কাৰণ সন্ধ্যা গুৰুং লগত থকাৰ বিষয়ে ব্যক্ত কৰিছা। কিন্তু এয়া সঁচা জানো? টকিঅ'লৈ গুৰুং গৈছিল জানো? বিপৰীতে এইবাৰটো গুৰুং লগতে আছিল। কমনৱেলথ গেমছৰ পূৰ্বে আয়াৰলেণ্ড এক্সপ'জাৰ ট্যুৰতো তেওঁ লগতে আছিল। বাৰ্মিংহামলৈও তেওঁ আহিছিল। কেৱল আয়োজকৰ নিয়মৰ ( খেলুৱৈৰ সংখ্যা অনুপাতে প্ৰশিক্ষক)বাবে গুৰুঙে ভিলেজত প্ৰৱেশ কৰাত বিলম্ব হৈছিল। ভাৰতীয় মহিলা দলৰ সহকাৰী প্ৰশিক্ষকৰূপে অসমৰ প্ৰাক্তন আন্তৰ্জাতিক বক্সাৰ প্ৰণামিকা বৰা আছেই। নিতু আৰু নিখাত জাৰীনে প্ৰণামিকাৰ পৰাই সহায় লৈ ইতিমধ্যে পদক জয় নিশ্চিত কৰিছে। এজন অসমীয়াই আনজন জ্যেষ্ঠ অসমীয়াৰ পৰা সহায় লোৱাত অসুবিধানো ক'ত? কমনৱেলথ গেমছত বিশ্বৰ ৭২ খন দেশৰ মহান ক্ৰীড়াবিদে অংশ লৈছে আৰু নীতি-নিয়ম পালন কৰি দেশক প্ৰতিনিধিত্ব কৰিছে। নিজৰ প্ৰশিক্ষকজন সকলো খেলুৱৈয়ে বিচাৰে। কিন্তু এয়া যে সম্ভৱ নহয় সেয়াও খেলুৱৈসকল জ্ঞাত। সেয়ে পৰিস্থিতিৰ লগত বিষয়টো সমাধান কৰি লয়। তুমি কৰাৰ দৰে কোনোৱে এনে বিতৰ্কত সোমাই নপৰে। কাৰণ বৃহৎ প্ৰতিযোগিতাৰ পূৰ্বে হোৱা বিতৰ্কই কাৰ্যতঃ খেলুৱৈজনকহে বিপৰ্যয়ত পেলায়। আশা নকৰাৰ পাছতো তোমাৰ লগত বাস্তৱত এয়াই হৈ হ'ল।

টকিঅ' অলিম্পিকত তোমাৰ লগতে ভাৰতে আৰু ছটা পদক লাভ কৰিছিল। এবছৰ পাছত এতিয়া পদকজয়ী ক্ৰীড়াবিদসকলৰ ৰিপ'ৰ্টকাৰ্ড চালে দেখিম যে এথলীট নীৰজ চোপ্ৰাই আঘাতৰ বাবে চলিত কমনৱেলথ গেমছত খেলা নাই যদিও এসপ্তাহ পূৰ্বে বিশ্ব এথলেটিকছত ঐতিহাসিক ৰূপ লাভ কৰিছে। মীৰাবাঈ চানু আৰু পি ভি সিন্ধুৱে ইতিমধ্যে কমনৱেলথ গেমছত পদক লাভ কৰিলে। মল্লযোদ্ধা বজৰং আৰু ৰবিয়ে খেলিবলৈ বাকী আছে। পুৰুষৰ হকী দলে ইতিমধ্যে খেলা চাৰিখন মেচত ২৭ টা গ'ল কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। বিপৰীতে তোমাৰ লগত কিয় এনে হ'ল? প্ৰথমে ইষ্টানবুলত ব্যৰ্থতা আৰু এতিয়া বাৰ্মিংহামতো একেই ঘটনা। ২০২৪ ৰ পেৰিছ অলিম্পিকলৈ ২২ মাহ সময় আছে। ২০২৩ ত চীনত এছিয়ান গেমছ। আনহাতে, বিশ্ব চেম্পিয়নশ্বিপ তথা অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ প্ৰতিযোগিতা এই সময়খিনিতে হ'ব। প্ৰথমেই কৈছো অলিম্পিক পদক জয় কৰাৰ পাছত তোমাৰ পৰা আৰু আমাৰ বিচৰাৰ অধিকাৰ নাই। কিন্তু আশা আছে। বিশ্বত অসমীয়াৰ গৌৰৱৰ ঘটনা অতি তাকৰ। সেয়ে নিজৰ প্ৰতিভা, দক্ষতা আৰু দৃঢ়তাক সন্মান কৰাৰ এয়া গুৰুত্বপূৰ্ণ সময়। আন্তৰিকতাৰে কৈছো- ভুল নুবুজিবা লাভলীনা।

# নগাঁৱত কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী, নকল সোণৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ

**নকল সোণৰ নখন নাও, তিনিখন বিস্কুট, যীশুখ্ৰীষ্টৰ মূৰ্তি, ছয় গ্ৰাম হেৰ'ইন জব্দ**

বিশেষ সংবাদদাতা
নগাঁও, ৪ জুলাই ঃ যোৱা নিশা প্ৰায় ১০ বজাত নগাঁও সদৰ আৰক্ষী থানাৰ আৰক্ষীৰ এটা দলে গাঁওৰক্ষী বাহিনীৰ সহযোগত এক অভিযান চলাই চহৰখনৰ পাৰ্শ্বৱৰ্তী কাটিমাৰী চলচলিৰ পৰা এগৰাকী কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী মহিলাক গ্ৰেপ্তাৰ কৰে। ধৃত মহিলাগৰাকীৰ নাম ৰহিমা খাতুন (৩২)। মহিলাগৰাকীৰ ঘৰত তালাচী চলাই আৰক্ষীয়ে ২৯টা কন্টেইনাৰভৰ্তি ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা ড্ৰাগছখিনি হেৰ'ইন আৰু ইয়াৰ ওজন ছয় গ্ৰাম। আৰক্ষীয়ে মহিলাগৰাকীক সোধপোছ কৰাৰ পাছত তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত কাটিমাৰী চলচলিৰে আব্দুল জব্বৰ (৩৫) নামৰ আন এজন লোকৰ ঘৰতো নিশা প্ৰায় ১১.৩০ বজাত অভিযান চলায়। আৰক্ষীয়ে জব্বৰৰ ঘৰত অভিযান চলাই নকল সোণৰ নখন নাও, তিনিখন নকল সোণৰ বিস্কুট আৰু এটা নকল সোণৰ যীশুখ্ৰীষ্টৰ মূৰ্তি উদ্ধাৰ কৰে। নকল সোণৰ সামগ্ৰীসমূহ আব্দুল জব্বৰৰ ঘৰৰ এটা ৰেফ্ৰিজাৰেটৰৰ ভিতৰত লুকুৱাই ৰাখিছিল। আৰক্ষীয়ে নকল সোণৰ ব্যৱসায়ী আব্দুল জব্বৰকো গ্ৰেপ্তাৰ কৰে।



আৰক্ষীৰ সূত্ৰই জনোৱা মতে, ধৃত লোক দুজন ড্ৰাগছৰ লগতে নকল সোণৰ ব্যৱসায়ৰ লগতো জড়িত। নকল সোণৰ ব্যৱসায়ৰ এক বৃহৎ চক্ৰৰ জৰিয়তে তেওঁলোকে নকল সোণৰ বিভিন্ন সামগ্ৰী সৰবৰাহ কৰি আনে। পাছত অন্য জিলাৰ কেতবোৰ লোকক কম দামতে সোণ বিক্ৰী কৰাৰ প্ৰলোভন দি মতাই আনি এই নকল সোণৰ সামগ্ৰীসমূহ বিক্ৰী কৰি আহিছে। নকল সোণৰ নাও, বিস্কুট আৰু যীশুখ্ৰীষ্টৰ মূৰ্তি মৰিগাঁও জিলাৰ মৈৰাবাৰীলৈ লৈ যোৱাৰ পৰিকল্পনা কৰিছিল বুলি ধৃত জব্বৰে আৰক্ষীৰ জেৰাত প্ৰকাশ কৰিছে। আৰক্ষীয়ে ধৃত লোক দুজনক অধিক তথ্য আহৰণৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# নদীৰ পাৰত জন্মদিন পালন কৰি কৰুণ মৃত্যু জেৰাই গাঁৱৰ ১৯ বছৰীয়া নিচিৰ

**এনডিআৰএফে উদ্ধাৰ কৰিলে মৃতদেহ**

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ৪ আগষ্ট ঃ** বুধবাৰে বিয়লি প্ৰায় দুই বজাত চাবুৱা বিন্ধাকটাত ডিব্ৰু নদীৰ এটা সুঁতিত লগৰীয়াৰ স'তে জন্মদিন পালন কৰিবলৈ গৈ কৰুণ মৃত্যুক আঁকোৱালি ল'লে জেৰাই গাঁৱৰ নিবাসী পুতুল গোহাঁইৰ ১৯ বছৰীয়া একমাত্ৰ পুত্ৰ নিচি গোহাঁয়ে। খাৰজানৰ জ্যোতি প্ৰসাদ পাত্ৰ (২০) নামৰ যুৱকজনৰ জন্মদিন পালন কৰিবলৈ নিচি আৰু আন সাতজন যুৱকৰ স'তে দিনজান সেনা ছাউনীৰ সমীপত বিন্ধাকটাৰ মথাউৰিৰ পাৰলৈ গৈছিল। সকলোৱে আনন্দত নদীৰ সুঁতিত গা ধুইছিল। সেই মুহূৰ্তটো নিচিয়ে পাৰৰ পৰা লগৰীয়াৰ ম'বাইলৰ কেমেৰাত আবদ্ধ কৰিছিল আৰু এই ভিডিঅ' ইতিমধ্যে ৰাইজে লাভ কৰিছে। ভিডিঅ'ত প্ৰত্যক্ষ কৰা অনুসৰি চিঞৰি চিঞৰি অশ্লীল শব্দৰে লগৰীয়াকেইজনে নিচিক ৰেকৰ্ড কৰিবলৈ কৈছিল; কিন্তু ইয়াৰ পাছত কিদৰে সুঁতিৰ পানীত নিচি সন্ধানহীন হ'ল সেয়া স্পষ্ট নহয়। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি, নিচিয়ে সাঁতুৰিবলৈ নাজানে। জেৰাই গাঁৱৰ এগৰাকী মহিলাৰ ভাষ্য অনুসৰি, দুপৰীয়াৰ সময়তে নিচিক ঘৰৰ পৰাই বন্ধুৱে স্কুটীত তুলি আনিছিল জন্মদিন পালন কৰিবলৈ। তাৰ পাছতে বন্ধুৱে নিচিৰ মাতৃক ফোনযোগে জনায় নিচি সন্ধানহীন হোৱাৰ বিষয়ে। লগে লগে অঞ্চলজুৰি হুৱাদুৱা লাগে। আৰক্ষীৰ তৎপৰতাত এনডিআৰএফ জোৱানে বুধবাৰে সন্ধিয়া পৰ্যন্ত অভিযান চলাই সফল হ'ব নোৱাৰিলে; কিন্তু আজি প্ৰায় পুৱা সাত বজাতে এনডিআৰএফ জোৱানে নিচিৰ মৃতদেহ উদ্ধাৰ কৰে ডিব্ৰু নদীৰ সুঁতিটোৰ পৰা। মৰণোত্তৰ পৰীক্ষাৰ পাছত জেৰাই গাঁৱৰ গৃহলৈ মৃতদেহ অনাৰ পাছত গাঁওখনত শোকৰ ছাঁ পৰে। এই ঘটনাৰ সন্দৰ্ভত চাবুৱা আৰক্ষী থানাত পৰিয়ালৰ লোকে এজাহাৰ দাখিল কৰি ঘটনাৰ তদন্ত কৰিবলৈ আহ্বান জনাইছে।





**জৰাজীৰ্ণ পথটোৰ বাবে ৰোগীকো ঠেলাৰে নিব লগা হয় হাস্পতাললৈ**

# ঘগ্ৰাপাৰত এটা পথে দুৰ্ভোগ ভোগাইছে ৰাইজক

অগ্ৰদূত বাৰ্তা
ঘগ্ৰাপাৰ, ৪ আগষ্ট ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৪ নম্বৰ পূব বনভাগ গাঁও পঞ্চায়তৰ মাজৰবাৰী গাঁৱৰ একমাত্ৰ তথা অতি প্ৰয়োজনীয় মজুমতোলা আৰু সাহান চুবুৰি সংযোগী পথছোৱাৰ জৰাজীৰ্ণ পথে এতিয়া দুৰ্ভোগ ভোগাইছে ৰাইজক। ডিজিটেল ইণ্ডিয়াৰ সময়ত নলবাৰী সমষ্টিৰ অন্তৰ্গত মাজৰবাৰী গাঁওবাসীয়ে দীৰ্ঘদিন ধৰি বিধ্বস্ত পথছোৱা পুনঃনিৰ্মাণ তথা মেৰামতি নোহোৱাৰ বাবে এতিয়া ছাত্ৰ-ছাত্ৰী, পথচাৰী আৰু বেমাৰীয়ে সমাগত বাৰিষাত দুৰ্ভোগ ভুগিবলগীয়া হৈছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। প্ৰত্যেক বছৰে বাৰিষা আহিলে এই অঞ্চলৰ লোকে যমৰ যাতনা ভুগিবলগীয়াত পৰে। উক্ত পথটোৰ শোচনীয় অৱস্থাৰ বাবে এগৰাকী ৰোগীক ঠেলাৰে নিয়া ঘটনা ইতিমধ্যে ছ'চিয়েল মিডিয়াত ভাইৰেলো হৈছে। সেয়ে পথটো নিৰ্মাণৰ দাবীত আজি অঞ্চলটোৰ শতাধিক লোক ৰাজপথলৈ ওলাই আহি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তোল কৰি তোলে। ইফালে এই পথটোৰে সংযোগ দিহজাৰীৰ মজুমতোলাত অৱস্থিত মিলন মধ্য ইংৰাজী বিদ্যালয়খনলৈ অহা শ্ৰীপুৰ যুগুৰকুছি আদি গাঁৱৰ পৰা আহিবলগীয়া ছাত্ৰ-ছাত্ৰী আৰু পথচাৰী ৰাইজে ভুগিবলগীয়া হৈছে নৰক যন্ত্ৰণা। সেয়েহে অঞ্চলটোৰ ৰাইজে প্ৰতিবাদস্থলীৰ পৰা উক্ত অতি গুৰুত্বপূৰ্ণ পথছোৱা শীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰিবলৈ নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু নলবাৰী জিলা উপায়ুক্তক দাবী জনাইছে।

# যোৰহাটৰ দৃষ্টিহীন-বধিৰ বিদ্যালয়ত মন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৪ আগষ্ট ঃ** নতুনকৈ সৃষ্টি কৰা সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই দায়িত্ব লোৱাৰ পাছত আজি প্ৰথমবাৰৰ বাবে যোৰহাট দৃষ্টিহীন বিদ্যালয় আৰু যোৰহাট বধিৰ বিদ্যালয় ভ্ৰমণ কৰি বিদ্যালয় দুখনৰ সামগ্ৰিক আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰে। বিদ্যালয় দুখন পৰিদৰ্শন কৰাৰ পাছত আজি তেওঁ দিব্যাংগসকলৰ বাবে থকা যোৰহাটৰ এই বিদ্যালয় দুখন চাবলৈ আহিছে আৰু আন্তঃগাঁথনিৰ বুজ লৈছে। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে সমাজৰ দিব্যাংগসকলৰ বাবে সম্ভৱপৰ সকলো কাম কৰিব বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয়, 'দিব্যাংগসকলৰ বাবে আমি সকলোৱে কৰিব লগাখিনি কৰা উচিত।' আনহাতে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ অধীনত ৰাজ্যখনত চলি থকা সকলো দিব্যাংগ বিদ্যালয়ত উন্নত মানৰ একেধৰণৰ খাদ্য প্ৰদান কৰাৰ বিষয়ে আগন্তুক ১০ দিনৰ ভিতৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ বিভাগৰ সঞ্চালকক নিৰ্দেশ দিয়া বুলিও মন্ত্ৰীজনে সাংবাদিকক কয়, 'প্ৰতিবন্ধী আটাইকেইখন বিদ্যালয়ৰ বাবে একে আহাৰৰ তালিকা প্ৰস্তুত কৰা হ'ব, যাতে সকলো শিক্ষাৰ্থীয়ে ভাল আহাৰ গ্ৰহণ কৰিবলৈ পায়।' তদুপৰি বিদ্যালয় কেইখনত পদ খালী হৈ থকাৰ কথা জানিব পাৰি এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈও মন্ত্ৰী হাজৰিকাই বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, সময়ে সময়ে জিলা উপায়ুক্তক বিদ্যালয় পৰিদৰ্শন কৰি পৰিচ্ছন্নতা বৰ্তাই ৰখাতো সুনিশ্চিত কৰাবলৈও মন্ত্ৰীজনে উপায়ুক্ত আহ্বান জনায়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ আবাসগৃহ পৰিদৰ্শন কৰি মন্ত্ৰী হাজৰিকাই অপৰিচ্ছন্ন পৰিৱেশ শীঘ্ৰে উন্নত কৰিবলৈ বিদ্যালয় প্ৰশাসনক নিৰ্দেশ দিয়ে। প্ৰথমতে মন্ত্ৰী হাজৰিকাই যোৰহাট দৃষ্টিহীন বিদ্যালয় ভ্ৰমণ কৰি বিদ্যালয়খনৰ প্ৰতিটো শ্ৰেণীকক্ষত প্ৰৱেশ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ লগতো মত বিনিময় কৰে। মন্ত্ৰীয়ে বিদ্যালয়খনত আজি উপস্থিত থকা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ স'তে আন্তৰিকতাৰে মত বিনিময় কৰাৰ উপৰি তেওঁলোকে গ্ৰহণ কৰি থকা পাঠ্যক্ৰম পদ্ধতিৰ বুজ লয়। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা তেওঁলোকে সন্মুখীন হৈ থকা সমস্যাৰ বিষয়ে বুজ লৈ মন্ত্ৰী হাজৰিকাই এই সমস্যাসমূহ শীঘ্ৰে সমাধান কৰাৰ আশ্বাস দিয়ে। দুজনমান ছাত্ৰ-ছাত্ৰীয়ে তবলা, কী ব'ৰ্ড, খোল আদি বাদ্যযন্ত্ৰৰ প্ৰয়োজনৰ কথা কোৱাত মন্ত্ৰীগৰাকীয়ে ব্যক্তিগত পৰ্যায়ত এই বাদ্যযন্ত্ৰ ক্ৰয় কৰাৰ ব্যৱস্থা কৰে।

পাছত মন্ত্ৰী হাজৰিকাই যোৰহাট বধিৰ বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰাৰ প্ৰয়াস কৰে। বিদ্যালয়খনত শিক্ষকৰ অভাৱ থকাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীজনে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ বুজ লৈ মন্ত্ৰীজনে খাদ্যৰ মান বুজ লোৱাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে একেলগে দুপৰীয়াৰ আহাৰো গ্ৰহণ কৰে। মন্ত্ৰী হাজৰিকাৰ আজিৰ পৰিদৰ্শন কালত মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মন, সামাজিক ন্যায় আৰু সবলীকৰণৰ সঞ্চালক কিশোৰ ঠাকুৰীয়াৰ লগতে বিভাগীয় বিষয়াসকলে সংগ দিয়ে।

# সীমান্তৱৰ্তী বিহুবৰ ঔগুৰিজানত ড্ৰাগছসহ এজনক আটক

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ৪ আগষ্ট ঃ** নাজিৰা মহকুমাৰ অন্তৰ্গত অসম-নগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ ঔগুৰিজানত আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। নাজিৰা আৰক্ষী চক্ৰ পৰিদৰ্শক দীপক বৰাৰ নেতৃত্বত ঔগুৰিজানত নিয়মীয়া তালাচী অভিযান চলাই থকা সময়ত ড্ৰাগছসহ অহিদুৰ ইছলাম নামৰ যুৱকজনক আটক কৰে। সীমান্তৱৰ্তী বিহুবৰৰ অহিদুৰে জব্দকৃত ড্ৰাগছখিনি নাগিনীমৰাৰ পৰা ক্ৰয় কৰি অনা বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে। আজি নাজিৰা মহকুমা ন্যায়িক দণ্ডাধীশ আদালতত হাজিৰ কৰি আটকাধীন অহিদুৰক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে সঘনাই অভিযান চলাই বহু ড্ৰাগছ ব্যৱসায়ীক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে যদিও অতি কম দিনৰ ভিতৰতে জামিনত মুকলি হৈ আহি পুনৰ অধিক তীব্ৰতৰভাৱে ড্ৰাগছ সৰবৰাহ কৰা পৰিলক্ষিত হয়।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com